# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

**OFFICIAL REPORT**

**SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

**NO. II**

**THE 30TH MARCH, 1993**

Price, Rs. 44.50

# CONTENTS

## BUDGET SESSION

## NO. II

*Dated, the 30th March, 1993*


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Voting on Demands for Grants | 51 |
| 3. | Introduction, Consideration and Passing of the Assam Appropriation (No.II) Bill, 1993 | 122 |
| 4. | Adjournment | 150 |
| 5. | Annexures I to VII | 151 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Tuesday, the 30th March, 1993**

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Debesh Chakraborty, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

**Mr. Speaker :** The position of Oral and Written Questions for 30.3.93 are as follows :

Oral Questions from Sl. Nos. 161 to 180. Written Questions from Sl. Nos. 344 to 390. Replies to the deferred Oral Question No. 86 and Written Question No. 199 and 219 have been furnished by the Minister of State, Sports. Oral Question No. 173 of Flood Control Deptt. has been deferred to another date.

Written Question No. 389 of Co-operation Department has been postponed.

Written Question No. 375 of Co-operation Department has been dropped.

Now the Question No. 161. Questioner Shri Sasha Kamal Handique. Hon'ble Minister of State. Education is to reply.

**Sub : Vacant post of Sadia H.S. School.**

**Shri Sasha kamal Handique asked :**

**★161. Will the Minister of Education be pleased to state :**

(a) Total number of vacant post of assistant teacher and subject teacher in Sadia Govt. H. S. School?

**Shri Gautam Bora (Minister of State Education) replied :**

(a) Assistant Teacher – Nil

Subject Teacher – 1(one)

in Botany.

★ **শ্ৰী শশকমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মোৰ প্ৰশ্নটো ৰিটেন প্ৰশ্নৰ উত্তৰত বিচাৰিছিলো কিন্তু এতিয়া অৰেলতে আহিলে যেতিয়া মই কব বিচাৰিছো। সি যিকি নহওঁক

শদিয়াৰ হায়াৰচেকেণ্ডৰী স্কুল খনৰ চাবজেক্ট টিচাৰ্চৰ পষ্ট কেইটা আৰু যদি খালী হৈ আছে সেই পষ্ট কেইটা কেতিয়া ফিল-আপ' কৰিব।

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এ, পি, এচ, চি'ৰ লিষ্টৰ পৰাই চাবজেক্ট টিচাৰৰ পষ্ট ফিল-আপ কৰা হয়। সেই স্কুলখনত নিযুক্তি দিয়া হোৱা নাছিল। যিহেতু সেই সময়ত নিযুক্তি 'বেন' আছিল। আৰু এ, পি, এচ, চিৰ লিষ্টত কোনো নাছিল আৰু সাধাৰণতে 'আণ্ডাৰ ৰেগুলেচন থ্ৰি' এফতহে নিযুক্তি দিয়া হয়।

★ **শ্ৰী শশ কমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিযুক্তি দিয়া নাই বুলি কৈছে মোৰ প্ৰশ্নৰ সঠিক উত্তৰ দিয়া নাই। মই জনাত ৫ টা চাবজেক্ট টিচাৰ ল'ৰাই এবছৰ ঘৰতে বহি থাকিল নিযুক্তি বন্ধ হৈ থকাৰ সময়ত। কিন্তু অসমৰ সেই সময়তে বহুতো স্কুলত নিযুক্তি হৈছে। ডিব্ৰুগড় জিলাৰ প্ৰায় ২শ মান ক নিযুক্তি দিছে। মন্ত্ৰী মহোদয়ে এই কথা জানেনে নেজানে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা যদি কিবা আছে তেনেহলে 'স্পেচিফিক' মোক দিলে ভাল হয়।

★ **শ্ৰী আলাউদ্দিন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে 'বেন' আছিল কাৰণে সদিয়াৰ হায়াৰ চেকেণ্ডৰী স্কুলত নিযুক্তি দিয়া নাছিল। সেই সময়তে এজন ইংৰাজী শিক্ষকক নিযুক্তি দিছে আৰু সেই পষ্ট ৰেগোলাৰাইজ কৰাৰ কাৰণে মাহেকত কেইবাবাৰো দিচপুৰত আহিব লাগে। আৰু আমি জনাত তেওঁক ৪ মাহৰ কাৰণে নিযুক্তি দিছে। সেইকাৰণে তেওঁ চাকৰিটো নিয়মীয়া কৰাৰ কাৰণে ৩/৪ হেজাৰ টকা দিবলগীয়া হৈছে। (ভইচ — ক'ত দিয়ে) কাহিলিপাৰাত দিয়ে। আজি সদিয়াৰ মানুহখিনি তেওঁলোকৰ কোনো যাতায়াত ভাল ব্যৱস্থা নাই। তেওঁলোকৰ চাকৰিবিলাক নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিব লাগে।

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই স্কুল খন চৰকাৰীকৰণ স্কুল সেইকাৰণে এ, পি, এচ, চি'ৰ লিষ্টৰ পৰাই নিযুক্তি দিয়া হয়। আগতে নিযুক্তি নোহোৱাৰ কাৰণে আণ্ডাৰ ৰেগুলেচন থ্ৰি' এফত দিছিল।

★ **শ্ৰী শশকমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই স্কুলখন চৰকাৰীকৰণ স্কুল, তথাপি সেই স্কুলখনৰ যোগাযোগৰ পথ বিছিন্ন। সেই স্কুলখনেই একমাত্ৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। আৰু তাত যিটো বিজ্ঞান শাখা আছে তাৰ লেবৰটৰীৰ বস্তু নাই। গতিকে এই লেবৰটৰীৰ বস্তুবিলাক সোনকালে চৰকাৰে চাপলাই দিয়াৰ ব্যৱস্থা কৰিবনে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিজ্ঞান শাখাৰ কাৰণে যিবিলাক বস্তু লাগে স্কুলৰ কতৃপক্ষই কনচাৰনিং স্কুল ইনস্পেক্টৰৰ লগত যোগাযোগ কৰিলেই বস্তুবিলাক দিব।

★ **শ্ৰী শশকমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই বস্তুবিলাক পোৱাৰ কাৰণে ছাত্ৰ সকলে আন্দোলন কৰিবলগীয়া হৈছে। পিঞ্চিপালে ডিব্ৰুগড় গুৱাহাটীলৈ অহা যোৱা কৰি থাকোতেই

---

★ Speech not corrected

গৈছে। মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে সেইটো সত্য নহয়। গতিকে পুনৰ এইটো মন্ত্ৰী মহোদয়ে দিয়াৰ কাৰণে বিবেচনা কৰিবনে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰৰ নীতিটোৰ কথাহে কৈছো। তথাপি মাননীয় সদস্য জনে কোৱাৰ বাবে মই বিহিত ব্যৱস্থা কৰিম।

★ **শ্ৰী পদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৯২ চনৰ জুলাই মাহৰ পৰা অসমত কোনো চাকৰিৰ নিযুক্তি নহব বুলি ঘোষণা কৰিছিল। Appointment has been band since 1992 July. কিন্তু দেখা গৈছে যে তলে তলে বহুতো নিযুক্তি হৈ গৈছে। What is the clear cut policy adopted by the Government? চৰকাৰে 'বেন' আছে বুলি কৈ ইয়াৰ মাজেদিয়েই সৰকাই লৈ গৈছে। সমষ্টিত মোক জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰাৰ কাৰণে আজি এই কথাটো আনিছো। If there is any such policy, then the appointment can be made by the Government. গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'বেন' থকা স্বত্বেও যদি চাকৰিত কোনোবা নিযুক্তি হৈছে তেতিয়াহলে স্পেচিফিক প্ৰমাণ দিলে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

**Mr. Speaker :** I inform the House that I have received a letter from Hon'ble Shri Golok Rajbangshi, Minister of Parliamentary Affairs and Higher Education that he was not feeling well. He has been advised by the attending doctors to take complete rest for at least 3 days and he requested the House to grant him leave of absence for 3 days from 30th March to 1st April, 1993.

I hope, this has the approval of the House.

Now next Question No. 162, Hon'ble Member Shri Phani Bhusan Choudhury, Hon'ble Minister Education is to reply.

**বিষয় - মহাবিদ্যালয়ৰ G. B গঠন।**

**শ্ৰী ফনী ভূষণ চৌধুৰীয়ে সুধিছে ঃ**

★ **১৬২। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) গোটেই ৰাজ্যৰ কিমান খন মহাবিদ্যালয়ত G. B. ভাঙি Special Body গঠন কৰা হৈছে?

(খ) G. B. আৰু Special Body ৰ মাজত পাৰ্থক্য কি?

(গ) যিবোৰ কলেজত G. B. ভাঙি Special Body গঠন কৰা হৈছে সেইবোৰ Special Body ভাঙি আকৌ G. B. গঠন কৰাৰ পৰিকল্পনা চৰকাৰৰ আছে নেকি?

(ঘ) কি পৰিস্থিতিৰ সৃষ্টি হলে G. B. ভাঙি Special Body গঠন কৰা হয়?

---

★ Speech not corrected

**শ্ৰী গোলোক ৰাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠতে ৬৫ খন মহাবিদ্যালয়ৰ পৰিচালনা সমিতি (Governing Body) ভঙ্গ কৰি Special Body গঠন কৰা হৈছে।

(খ) Assam Aided College Management Rule – 1976 ৰ ২ নং ধাৰামতে উচ্চ শিক্ষাধিকৰ্ত্তাই Governing Body গঠন কৰে আৰু উক্ত উপবিধিৰ ৩ নং ধাৰামতে অসম চৰকাৰৰ শিক্ষা সচিবে বিশেষ পৰিস্থিতিত Special Body গঠন কৰে।

(গ) হয়। ব্যৱস্থা লোৱা হৈছে।

(ঘ) Assam Aided College Management Rule – 1976 ৰ ৩ নং ধাৰামতে বিশেষ পৰিস্থিতি সাপেক্ষে অসম চৰকাৰৰ শিক্ষা সচিবে – B ৰ পৰিবৰ্তে Special Body গঠন কৰিব পাৰে।

★ **শ্ৰী ফণীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বিশেষ পৰিস্থিতি সাপেক্ষে মহাবিদ্যালয়ৰ জি বি ভাঙি দি স্পেচিয়েল বডি গঠন কৰা হয়। এতিয়া মন্ত্ৰী মহোদয়ে জনাবনেকি বিশেষ পৰিস্থিতিটো কি?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আসাম এইদেদ কলেজ মেনেজমেন্ট ৰুল-১৯৭৬ত বিশেষ পৰিস্থিতিৰ কোনো উল্লেখ নাই। গতিকে মই ভাবো বোডিত থকা লোক সকলৰ বিষয়ে বিশেষ কিবা অভিযোগ থাকিলে তেনে পৰিপ্ৰিক্ষিতত স্পেচিয়েলবডি গঠন কৰে।

★ **শ্ৰী ফণীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বিশেষ কিবা অভিযোগ থাকিলে জি বি ভাঙি দিয়া হয়। এই ৬৫ খন মহাবিদ্যালয়ৰ জি বি কি বিশেষ কাৰণত ভাঙি দিব লগা হ'ল? আৰু স্পেচিয়েল বডি গঠন কৰিব লগা হ'ল?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মহাবিদ্যালয় সমূহৰ জিবিত নিশ্চয় কিবা খেলি-মেলি পাইছে। খেলি মেলি থকা কাৰণেহে জি বি ভঙ্গ কৰি দিয়া হৈছে।

★ **শ্ৰী ফণীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ জি বি গঠন সম্পৰ্কত এনেকুৱা দৃষ্টান্তও আছে যে বঙ্গাইগাওঁৰ বিৰঝড়া নামৰ এখন মহাবিদ্যালয় আছে। সেইখন মহাবিদ্যালয়ৰ জি বি ভাঙি দি স্পেচিয়েল বোডি গঠন কৰিলে আকৌ স্পেচিয়েল বোডি ভাঙি দি পুনৰ স্পেচিয়েল বোডি গঠন কৰিলে। মুঠতে দুইবাৰ স্পেচিয়েল বোডি ভাঙি গঠন কৰি দিছে। যিখন বোডিৰ চেয়াৰমেন জন গুৱাহাটীৰ বাসিন্দা। ২২০ কিলোমিটাৰ দুৰত্বৰ এজন মানুহক কিয় মহাবিদ্যালয়ৰ জি বিত ৰখা হ'ল? এই মানুহজনে মহাবিদ্যালয়খনৰ কি উন্নতিৰ কথা চিন্তা কৰিব? মন্ত্ৰী মহোদয় জনাব নে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে

যিটো প্ৰশ্ন উত্থাপন কৰিছে যদি কিবা তেনেকুৱা আছে মই নিশ্চয় চাম।

★ **শ্ৰী হিতেশ্বৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নৰ উত্তৰ নতুন মন্ত্ৰী গৰাকীয়ে যিটো দিছে সেই উত্তৰ সত্যৰ ওপৰত প্ৰতিস্থিত নহয়। আমি জনাত তেখেতে হয়তো বিভাগৰ ফালৰ পৰা যিটো উত্তৰ যোগান ধৰিছে সেইটোকে কৈছে। গতিকে শিক্ষা মন্ত্ৰীৰ জ্ঞাতাৰ্থে জনাইছো যে যি ৬৫ খন মহাবিদ্যালয়ৰ জি বি ভাঙি স্পেচিয়েল বোডি গঠন কৰি দিছে সেই বিলাকত সাধাৰণতে ৰাজনৈতিক সুবিধা আদায়ৰ কাৰণেহে এনেকুৱা কৰা হৈছে। এই মহাবিদ্যালয় সমূহত খেলি মেলিৰ অভিযোগ থকা সত্য নহয়। তেখেতক নতুন মন্ত্ৰী হিচাবে জনাইছো। দ্বিতীয়তে জি বি গঠন কৰাৰ চৰকাৰী প্ৰতিস্থিত নীতি কি? মই এই প্ৰশ্নটো এই কাৰণে কৰিছো যে মহাবিদ্যালয়ৰ জি বিত বি দি ও সভাপতি হিচাপে আছে, জন প্ৰতিনিধি এম এল এ সভাপতি হৈ থকা নজিৰ আছে। আচলতে জি বি পলিচি কি? ক্ৰাইটেৰিয়া কি?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে আচলতে সেইটো নহয়। স্পেচিয়েল বোডি গঠন কৰাত কোনো ৰাজনৈতিক কথা আচলতে নাই। ইয়াত থকা খেলি মেলিৰ বাবেহে জি বি ভঙ্গ কৰি দিয়া হয়। যি ৬৫ খন মহাবিদ্যালয়ৰ জি বি ভাঙি দি স্পেচিয়েল বোডি গঠন কৰা হৈছিল তাৰ ভিতৰত ২৯ খন মহাবিদ্যালয়ত জি বি গঠন কৰা হৈছে।

★ **শ্ৰী হিতেশ্বৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো বিশেষ পৰিস্থিতিটো কি?

**Mr. Speaker :** The Minister has said that the Special Body is formed under special circumstances. There is no Specific Guidelines for this purpose.

★ **শ্ৰী অঞ্জন দত্ত (ৰাজ্যিক নগৰ পৰিকল্পনা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান জি বি ৪৮ শতাংশ নম্বৰ পোৱা লোকক নিযুক্তি দিয়া বাবে জি বি ভঙ্গ কৰিব লগা হৈছে।

★ **শ্ৰী জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে যে বিশেষ কাৰণত ভঙ্গ কৰি দিয়া হয় জি বি বিলাক। আৰু স্কুলত সেই বিশেষ কাৰণটো নাই। উত্তৰটো সম্পূৰ্ণ হোৱা নাই কাৰণে সদস্য সকলে বিশেষ কাৰণটো জানিব বিচাৰিছে। বিশেষ যিবিলাক কাৰণত জি বি ভাঙি দিয়া হয় সেই বিলাকৰ নিশ্চয় বিশেষ কাৰণ বিলাক ফাইলত ৰেকৰ্ড কৰা থাকে। গতিকে জি বি ভঙ্গ কৰাৰ বিশেষ কাৰণ বিলাক ফাইলৰ পৰা চাই সদনত জনাব লাগে। Sir we have the right to know the reason for constituting The Special Body. This should be known to the House. গতিকে মন্ত্ৰী মহোদয়ে এটা ষ্টেটমেন্ট দিয়ক।

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য

---

★ **Speech not corrected**

শ্ৰী ডেকা ডাঙৰীয়াই স্পেচিয়েল ৰুলটোৰ কথা কৈছে। মই তেখেতক জনাইছো যে —

"Save in cases where Secretary to the Government of Assam in the Education Department sanctions a Special Body under Special Circumstances. Each Governing Body shall consist of the following member namely :–

(a) (i) One President

(ii) One Secre ary

(iii) Two representatives of the teaching staff to be elected annually from themselves............" ..........interruption............

★ **Shri Padmeswar Doley :** Sir, may I Know whether the Colleges are maintaining the Assam Aided College Management Rule 1976.

(সদনত হুলস্থুল)

What is the Criterion for constitution of Governing Body.

মাননীয় মন্ত্ৰী মহোদয়ে কৈছে। তেখেত সদনত ষ্টেটমেন্ট দিব লাগে। জি বি সম্পৰ্কিত বিতং বিৱৰণ দিবলৈ অনুৰোধ কৰিলো। মাননীয় শিক্ষা মন্ত্ৰীয়ে এই সম্পৰ্কত সম্পূৰ্ণ প্ৰতিবেদন দাখিল কৰিব লাগে। এ,জি,পি,ৰ দিনত যদি কিবা খেলি মেলি হৈছিল সেইবিলাকৰ শুদ্ধ ষ্টেটমেন্ট দিব লাগে।

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰুলটো জনাব বিচাৰিছো। আপোনালোকে শুনা নাই।

**Mr. Speaker :** Starred Question No. 163. Hon'ble Member Shri Milan Boro, Hon'ble Minister Flood Control is to reply.

**বিষয় - ভঙা মথাউৰি পুনৰ নিৰ্ম্মান।**

**শ্ৰী মিলন বড়োয়ে সুধিছে ঃ**

★ **১৬৩। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বান নিয়ন্ত্ৰন বিভাগে পহুমাৰা নদীত ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত কৰাগাড়ী-মাঘৰপুৰ অঞ্চলত ১৯১২ ইং চনত নতুনকৈ নিৰ্মান কৰা মথাউৰীটোৰ যি অংশ যোৱা বাৰিষাৰ বানপানীয়ে ভাঙিলে তাক অহা বাৰিষাৰ আগতে পুনৰ নিৰ্মানৰ ব্যৱস্থা লবনে?

(খ) উক্ত মথাউৰীটো ভঙাৰ বাবে মাধৱপুৰ অঞ্চলত কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হ'ল আৰু কিমান জন মানুহৰ মৃত্যু হ'ল?

(গ) ক্ষতিগ্ৰস্ত লোকসকলক আৰু মৃত্যুমুখত পৰিব লগা হোৱা ব্যক্তি সকলৰ পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে কি ধৰণৰ আৰ্থিক সাহাৰ্য্য দিয়া হ'ল?

★ Speech not corrected

**শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ভঙা অংশ পুনৰ নিৰ্ম্মানৰ কাৰণে যাৱতীয় প্ৰাক্‌কলন প্ৰস্তুত কৰা হৈছে। বিত্তীয় মঞ্জুৰীৰ সাপেক্ষে কাম হাতত লব পৰা হ'ব।

(খ) ৰাজহ বিভাগৰ পৰা টকা হিচাব অনুসৰি ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা ৮ (আঠ) টা আৰু কাৰো মৃত্যু হোৱা নাই।

(গ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ক্ষতিগ্ৰস্ত পৰিয়াললৈ ১,০০০.০০(এক হেজাৰ) টকাকৈ পুনৰ সংস্থাপনৰ অনুদান মুঠ ৮,০০০.০০(আঠ হেজাৰ) টকা মঞ্জুৰ কৰা হৈছিল। ইয়াৰ উপৰিও বান ক্ষতিগ্ৰস্ত লোকসকলৰ সাধাৰণ সাহাৰ্য্যৰ বাবে ১২(বাৰ) কুইন্টল চাউল, ২(দুই) কুইন্টল ডালি, ১(এক) টিন মিঠাতেল, ৪০(চল্লিশ) কেজি নিমখ আৰু লগতে বাসস্থান নিৰ্ম্মানৰ বাবে ২,৮০০(দুহেজাৰ আঠশ) মুঠা খেৰ বিতৰণ কৰা হৈছিল।

★ **শ্ৰী মিলন বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে ৰাইজৰ দীৰ্ঘদিনীয়া দাবি পূৰণ কৰাৰ কাৰণে মঠাউৰী নিৰ্ম্মান কৰা হব। সেই মঠাউৰী নিৰ্ম্মান কৰাৰ পাচত ভাঙিলে। গতিকে যিটো উদ্দেশ্য সেই উদ্দেশ্য সফল নহল। আজি মন্ত্ৰী মহোদয়ে কৈছে ব্যৱস্থা লৈ আছে। চাৰ যোৱাবাৰ মঠাউৰী নিৰ্ম্মান কৰা কাম বাৰিষা অহাৰ আগে আগে শেষ হ'ল। কিন্তু মন্ত্ৰী মহোদয়ে কৈছে ব্যৱস্থা লৈ আছে। মোৰ প্ৰশ্ন হ'ল বাৰিষাৰ আগে আগে এই ভঙা অংশ পুণৰ নিৰ্ম্মান কৰিবনে নকৰে আৰু যোৱাবাৰৰ নিচিনাকৈ বাৰিষাৰ আগে আগে মঠাউৰী বান্ধে তেতিয়া হলে ভাঙি যাব। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যাৱতীয় ব্যৱস্থা কি পৰ্য্যায়ত আছে।

★ **শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰন মন্ত্ৰী) ঃ** যোৱা বাৰিষা পহুমৰা নদীৰ বাওঁপিনে এটা ২৫.৮৫ কিলোমিটাৰ নদী ভাগ মঠাউৰীয়ে খহাই নিয়ে। এই ভঙা অংশ মেৰামতিৰ কাৰণে ২৮০ মিটাৰ শিলৰ বুকুজ দিব পৰা হব। মঠাউৰীৰ কাৰণে ২২ লাখ টকা দিয়া হৈছে লগতে It was the commitment that all the bridges would be undertaken on priority basis. মঠাউৰী বান্ধৰ ব্যৱস্তা বাৰিষাৰ আগতে হাতত লোৱা হ'ব।

★ **শ্ৰী মিলন বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভঙা অংশ নিৰ্ম্মান কৰাৰ কাৰণে এটা স্পিচিয়েল প্ৰভিজন আছে। অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰাৰ আগতে কব খোজো যে উক্ত অঞ্চলৰ বাসিন্দা সকল ধৰ্ম্মীয় সংখ্যালঘুৰ বাসস্থান। গতিকে সেই অঞ্চল মানুহখিনি ৰাস্তা-ঘাটৰ অসুবিধাৰ কাৰণে উন্নয়নৰ কাৰণে পিচপৰি আছে। গতিকে চৰকাৰে সেই পিচপৰা মানুহখিনিৰ কাৰণে উন্নয়নমূলক আঁচনি লব লাগে। সেই অঞ্চলত চিকিৎসালয় অভাৱ। সেই অঞ্চলত এখন চিকিৎসালয়ৰ অতি প্ৰয়োজন। গতিকে যাতায়তৰ প্ৰয়োজনৰ প্ৰতি দৃষ্টি ৰাখি মন্ত্ৰী মহোদয়ে যাতে উক্ত মঠাউৰী নিৰ্ম্মানৰ কাম হাতত লোৱাৰ ব্যৱস্থা দ্ৰুত গতিত স্পিচিয়েল প্ৰভিজন লৈ কমপ্লিট কৰে। যি ৮ জন মানুহ ৰাতি মঠাউৰী ভাঙি মৰিলে,

---

★ Speech not corrected

তেখেতসকলক এহেজাৰকৈ এককালীন সাহাৰ্য্য দিয়া হৈছে। এই মঠাউৰী অনিশ্চিত অৱস্থাত ৰাতি ভাঙি ৮ জন মানুহ মৰিল। এই ৮ জন মৃতকৰ সাহাৰ্য্য একহাজাৰতকৈ এই টকাৰ পৰিমান বঢ়াই দিব নোৱাৰিনে কি? মঠাউৰী ভঙাৰ পাচত ঘৰ-দুৱাৰ পুণৰ নিৰ্ম্মানৰ কাৰণে খেৰৰ যোগান নিদি টিনপাতৰ যোগান ধৰিলেহেতেন তেতিয়া হলে মানুহখিনিৰ স্থায়ী সুবিধা হলহেতেন। গতিকে মন্ত্ৰী মহোদয়ে পুণৰ গৃহ নিৰ্ম্মান কৰাৰ কাৰণে বিশেষ আঁচনি লব নোৱাৰে নেকি?

★ **শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী)** ঃ ১ নং প্ৰশ্নৰ উত্তৰত কৈছে প্ৰাধান্য দিয়া হব। তাৰ উত্তৰৰ প্ৰশ্ন ৰাজহ বিভাগৰ লগত জড়িত গতিকে ৰাজহ বিভাগে এইটোৰ উত্তৰ দিব।

★ **শ্ৰী জয়নাথ শৰ্ম্মা** ঃ ৰাজহ বিভাগৰ ৰিলেটেড প্ৰশ্নৰ ওপৰত তেখেতে ইয়াৰ আগতে উত্তৰ দিছে। গতিকে এতিয়া এই প্ৰসংগত উত্তৰ দিয়া উচিত।

★ **শ্ৰী পদ্মেশ্বৰ দলে** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ১ মাহ ১০ দিন হ'ল। নৱম বিত্তীয় আয়োগে নদীৰ মঠাউৰী নিৰ্ম্মানৰ কাৰণে ৩০ কোটি টকা ৰাজহ হিচাপে বান নিয়ন্ত্ৰণ বিভাগে মঠাউৰী কোনো অংশ কাৰণে এই কথাটো অৰণ্যত ৰোদনৰ নিচিনা আহে হয়। মই চৰ্ট নটীচ কুৱেশ্যন কুৱেশ্যন কৰিছো। যোৱাবাৰ ভৰত নৰহৰ লগত আলোচনা কৰি মই চৰ্ট কুৱেশ্যন আনিব বিচাৰিছিলো।

★ **শ্ৰী নজমুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা চাপলিমেন্টৰী বিচাৰিছো। কালিৰ পৰা ৩১ মাৰ্চ শেষ হব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যদি ৰিলিফৰ কাৰণে লাখ লাখ টকা দিব পাৰে। মঠাউৰী ভঙাৰ কাৰণে টকা দিব নোৱাৰে নেকি? গতিকে মঠাউৰী নিৰ্ম্মানৰ ব্যৱস্থা খৰতকীয়া হোৱা উচিত।

★ **শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰ** ঃ স্যাৰ, গত সেশনে আমার সমষ্টি হাইলাকান্দির অধীনে বেগমটিলা- কালাছড়া বাঁধটি যার দৈর্ঘ্য ৬.৫ কিঃমিঃ হবে সেটা তৈরী করা হবে বলে মন্ত্রী মহোদয় প্রতিশ্রুতি দিয়েছিলেন। কিন্তু আজ পর্যন্ত এর কোন কাজ আরম্ভ হয় নি। এমন কি এর বাবদ কোন টেণ্ডারও ক'ল করা হয় নি। আগামীর বর্ষা শেষ হবার আগে বা এই ফাইনেলসিয়েল ইয়ার শেষ হবার আগে এর কাজ শেষ হবে কি?

★ **Shri Haren Bhumij (Minister, Flood Control)** : The original question relates to repairing of embankment. Now Hon'ble Member shifted to LOC.

★ **শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰ** ঃ আমরা শুধু প্রতিশ্রুতি চাইনা, কাজ চাই।

(উত্তৰ নাই)

★ **শ্ৰী পদ্মেশ্বৰ দলে** ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে অসমৰ কিমানটা ডিভিজনত ইয়াৰ বাবে টকা ধাৰ্য্য কৰিছে। আমি জনাত কাছাৰ, কৰিমগঞ্জ, শিলচৰ

★ Speech not corrected

আদি ঠাইত বহুত বেছি টকা ধাৰ্য্য কৰা হৈছে। কিন্তু আমাৰ মাজুলী ডিভিজনৰ বাবে এক পইছাও ধাৰ্য্য কৰা নাই।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা বানপানীৰ সময়ত অসমত কিমান মঠাউৰি ভাঙিছিল আৰু কিমানটা বৰ্ত্তমানলৈ বান্ধিলে আৰু কিমানটা বান্ধিবলৈ বাকী আছে।

★ **শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম প্ৰশ্নকৰ্ত্তাৰ উত্তৰত কব খোজো যে যিহেতু এইটো ৰেভিনিউ ডিপাৰ্টমেন্টৰ সেয়ে এই বিষয়ে মোৰ হাতত নথি নাই। দ্বিতীয়তে মাননীয় শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কও যে যোৱা বানপানীত অসমৰ ১৯৯ ঠাইত মঠাউৰি ভাঙিছিল। ইয়াৰ ভিতৰত বেছিভাগৰ কামেই মেৰামতি কৰা হৈছে আৰু যিবিলাক বাকী আছে সেইবিলাক প্ৰয়োজন ভিত্তিত মেৰামতি কৰাৰ ব্যৱস্থা কৰা হ'ব।

★ **শ্ৰী পদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আচৰিত হৈছো যে এই বিষয়ে মন্ত্ৰীৰ হাতত একো নথি নথকা বুলি কোৱা বাবে। এই টকা নিশ্চয় ৰাজহ বিভাগৰ পৰা বাননিয়ন্ত্ৰন বিভাগলৈ নিশ্চয় গৈছে। গতিকে এই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক জবাব দিবই লাগিব। (সদনত গণ্ডগোল)

**Mr. Speaker : Next Question No.164, Hon'ble Member Smt. Renupoma Rajkhowa, Minister Education is to reply.**

**বিষয় - শিক্ষা বিভাগত নতুন পদৰ সৃষ্টি।**

**শ্ৰী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

**★ ১৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰ্ত্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা বিভাগত মুঠ কিমান নতুন শিক্ষক পদৰ সৃষ্টি কৰিলে?

(খ) বৰ্ত্তমানলৈকে এই পদৰ বিপৰীতে কিমান শিক্ষক নিয়োগ কৰিলে?

(গ) বাকী থকা পদ সমূহ কেতিয়াকৈ পূৰণ কৰিব?

(ঘ) যোৰহাট জিলাৰ শিক্ষক নিয়োগ বন্ধ কৰি ৰখা কাৰণ কি?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠতে ৩৫,৭৭৫ টা।

(খ) জিলা শিক্ষা বিষয়া আৰু উপ পৰিদৰ্শকৰ সকলেহে মহকুমা পৰ্য্যায়ৰ উপদেষ্টা বোৰ্ডৰ অনুমোদন সাপেক্ষে প্ৰধানতঃ শিক্ষক নিযুক্তি দিয়ে। এই ক্ষেত্ৰ বিষয়া সকলৰ পৰা ইতিমধ্যে নিযুক্তিৰ খতিয়ান দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত ৯১১৩ টা শিক্ষকৰ পদ আবন্টন দিয়া হৈছে।

(গ) মহকুমা পৰ্য্যায়ৰ উপদেষ্টা বোৰ্ডৰ অনুমোদিত তালিকা প্ৰস্তুত হলেই নিযুক্তি দিয়া হব।

---

★ Speech not corrected

মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত বাকী থকা পদ সমূহ সোনকালে পূৰণ কৰা হ'ব।

(ঘ) যোৰহাটত জিলাৰ অবৈতনিক শিক্ষকসকলে ৰুজু কৰা গোচৰ মৰ্মে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে নিযুক্তি বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছিল। সেই নিৰ্দেশ উঠাই লোৱা হয় যদিও আগৰ উপদেষ্টা বোৰ্ড ভঙ্গ হোৱাত আকৌ নতুন বোৰ্ডে নিৰ্বাচনী তালিকা প্ৰস্তুত কৰিছে। অনুমোদিত তালিকা পালেই নিযুক্তিৰ ব্যৱস্থা লোৱা হব। মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত নিযুক্তি বন্ধ ৰখা হোৱা নাই।

★ **শ্ৰী ৰেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'ক' প্ৰশ্নৰ উত্তৰত কৈছে যে মুঠতে ৩৫,৭৭৫ টা নতুন শিক্ষক পদৰ সৃষ্টি কৰিলে। মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে এই পদ সমূহ সকলো ঠাইতে সমভাবে বিতৰণ কৰা হৈছিল নে? দ্বিতীয়তে 'খ' প্ৰশ্নৰ উত্তৰত কৈছে যে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত ৯১১৩ টা শিক্ষকৰ পদ আবন্টন দিয়া হৈছে। অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই পদ সমূহত কি ভিত্তিত নিযুক্তি দিয়া হ'ল নে হব? তৃতীয়তে যোৰহাট জিলাত যিখন উপদেষ্টা বোৰ্ড আছিল সেই বোৰ্ডে তালিকা এখন প্ৰস্তুত কৰিছিল কিন্তু এইখন অনুমোদন নজনোৱাৰ কাৰণে এই বোৰ্ডখন ভঙ্গ কৰি নতুনকৈ এখন বোৰ্ড গঠন কৰা হৈছে। এতিয়া আগৰ তালিকাখনৰ কি হব?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম প্ৰশ্নৰ উত্তৰত কওঁ যে যিবোৰ প্ৰাইমাৰী স্কুলত চিঙ্গল শিক্ষক আছে সেইবোৰত একোজনকৈ শিক্ষক নিযুক্তি দিয়া হৈছে। দ্বিতীয়তে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত যি কেইটা পদ আবন্টন দিয়া হৈছে সেই প্ৰক্ৰিয়া চলি আছে আৰু আবন্টন দিয়া পদত নিযুক্তি দিয়া হ'ব। তৃতীয়তে যোৰহাটত নতুনকৈ যিখন উপদেষ্টা বোৰ্ড গঠন কৰা হৈছে সেই বোৰ্ডে যি তালিকা প্ৰস্তুত কৰি দিব সেই তালিকাৰ পৰাই বিবেচনা কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

★ **শ্ৰী ৰেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট জিলাত আগৰ যিখন উপদেষ্টা বোৰ্ড আছিল তাত ৬৪ জন তালিকাভুক্ত হৈ আছিল। এতিয়া আগৰ বোৰ্ডত নিৰ্ব্বাচিত হৈ থকা সকলক নিযুক্তি দিয়া হব নে নহয়?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে যোৰহাটত এতিয়া নতুনকৈ গঠন হোৱা বোৰ্ডে যি নিৰ্ব্বাচনী তালিকা প্ৰস্তুত কৰে তাৰ পৰাই নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

★ **শ্ৰী ৰেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিসকলৰ হাইকোৰ্টৰ অৰ্ডাৰ আছে সেই সকলক নিযুক্তি দিয়া হব নে নাই?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হাইকোৰ্টৰ অৰ্ডাৰ থকা সকলৰ ক্ষেত্ৰত বিবেচনা কৰা হব।

---

★ **Speech not corrected**

★ **শ্ৰী বেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা পহিলা জানুৱাৰীত শিক্ষা আয়ুক্তৰ পৰা এটা টোকা গৈছে আৰু তাত কোৱা হৈছে যে এল, পি আৰু এম, ই'ত যিবোৰ নিযুক্তি হ'ব সেইবোৰ ডাইৰেক্টৰে দিব পাৰিব। শিক্ষা আয়ুক্তৰ পৰা যোৱা টোকাটোৰ মেমো নং আছিল নং পি, চি, এচ ৩/৯২/১ তাৰিখ ১/১/৯৩। যদি এল, পি আৰু এম, ই'ৰ নিযুক্তি ডাইৰেক্টৰে দিয়ে তেন্তে অসমৰ বিভিন্ন জিলাত থকা ডি, আই আৰু ডি, হ, ওৰ পোষ্টবোৰ উঠাই দিব লাগে। দ্বিতীয়তে যোৰহাট জিলাত নিযুক্তি বন্ধ হৈ থকা সময়ত যি ১৭ জন প্ৰাৰ্থীক নিযুক্তি দিলে সেইসকলৰ পইছা এতিয়া ঘূৰাই লৈছে। এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা লব নে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় সদস্য গৰাকীয়ে যিখন চাৰ্কোলাৰৰ কথা উত্থাপন কৰিছে — এইখন এই কাৰণেই দিয়া হৈছিল যে কেতিয়াবা দি, আই সকলে একেটা পদত দুজন নিযুক্তি দিয়ে। উপদেষ্টা সমিতিয়ে নিযুক্তিৰ কাৰণে যিখন লিষ্ট নিৰ্ব্বাচন কৰিব সেই খনৰ কাউন্টাৰ চাইন ইয়াৰ পৰা হ'ব। ১৭ টা পোষ্টৰ কথাটো দৃষ্টিগোচৰ হৈছে। সেইটো নিশ্চয় চাম।

★ **শ্ৰী দেৱান জয়নাল আবেদিন** ঃ প্ৰাথমিক আৰু মাধ্যমিক পৰ্য্যায়ৰ যিবিলাক সংখ্যা দিছে যে ৩৫,৭৭৫ প্ৰাথমিক বিদ্যালয় আৰু মাধ্যমিকৰ ৯ হাজাৰ। মই জানিব খুজিছো ধুবুৰী জিলাৰ তিনিটা মহকুমাত কিমান জন প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ত শিক্ষক নিযুক্তি দিয়া হৈছে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ ধুবুৰী জিলাৰ যিটো কথা কৈছে সেই সম্পৰ্কত জনাওঁ যে ধুবুৰীত আদালতত গোচৰ ৰুজু কৰা হৈছিল। এতিয়া নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

★ **শ্ৰী দেৱান জয়নাল আবেদিন** ঃ ধুবুৰীত এতিয়াও নিযুক্তি দিয়া হোৱা নাই। আগৰ বৰ্ডে সাক্ষাৎকাৰ লৈ পেনেল বনাইছে। এতিয়া নতুন বৰ্ড হৈছে। এতিয়া আগৰ পেনেলৰ পৰা নিযুক্তি দিবনে নতুন বৰ্ডে সাক্ষাৎকাৰ লৈ নিযুক্তি দিব?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ উপদেষ্টা বৰ্ডে নিশ্চয় চাব কেনেকৈ দিলে ভাল হ'ব।

★ **শ্ৰী দেৱান জয়নাল আবেদিন** ঃ আকৌ বেলেগে সাক্ষাৎকাৰ লৈ নিযুক্তি দিব নোৱাৰে।

★ **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী** ঃ মই এটা নীতিৰ বিষয়ত কব বিচাৰিছো যে বহুত জিলাত নিযুক্তি হৈছে আৰু বহুত জিলাত নিযুক্তি হোৱা নাই এদভাইজৰী বৰ্ডৰ খেলি-মেলিৰ কাৰণে। বিধায়ক সকলক লৈ এদভাইজৰী কমিটি কৰিছিল আৰু সাক্ষাৎকাৰ ললে। তাৰ পিচত সেই কমিটিত শিক্ষা মন্ত্ৰীক চেয়াৰমেন কি হিচাবে লৈছে? এই ৰাজনীতিৰ কথা বিলাক বাদ দি গোটেই অসমত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। যোৰহাট জিলাত চাৰিদিন আগত তিনিটা ইলিগেল নিযুক্তি হৈছে। গতিকে ষ্ট্ৰিক্ট ইন্সট্ৰাকচন দি লিষ্ট বাহিৰ কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। ইলিগেল নিযুক্তি বন্ধ হ'ব নে নহয়?

---

★ Speech not corrected

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ** শ্ৰী গোস্বামী ডাঙৰীয়াই যি পৰামৰ্শ আগবঢ়াইছে সেইটো ভাল হৈছে। আমি ইতিমধ্যে বিভিন্ন জিলাৰ উপদেষ্টা সমিতি সমূহক জনাইছো যে সোনকালে সাক্ষাৎকাৰ লৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰেগুলাৰ ভেকেন্সীতি যদি নিযুক্তি দিছে সেইটো ব্যৱস্থা লম।

**Mr. Speaker :** There was enough discussion on Question No. 164. Now Question No 165 – Minister state education will reply.

**বিষয় - জ্যেষ্ঠতাৰ ভিত্তিত স্কুল প্ৰাদেশীকৰণ।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

★ **১৬৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত আৰু অসম চৰকাৰৰ দ্বাৰা স্বীকৃতি (Concurrence on recognition) কনিষ্ঠ মহাবিদ্যালয় সমূহক জ্যেষ্ঠতাৰ ভিত্তিত অনতি পলমে প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিবনে?

(খ) শিক্ষা পৰিষদৰ দ্বাৰা অনুমতি প্ৰাপ্ত আৰু অসম চৰকাৰৰ পৰা অনুমোদিত (Govt. concurrence permission) কনিষ্ঠ মহাবিদ্যালয় সমূহক মাহিলী অতি কমেও দহ হেজাৰ টকাকৈ সোনকালে কাৰ্য্যকৰী হোৱাকৈ তদৰ্থ মঞ্জুৰী (Adhoc grant) দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) যিবিলাক কনিষ্ঠ মহাবিদ্যালয়ে ইতিমধ্যে অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ সংসদৰ পৰা অনুমতি পাইছে সেই মহাবিদ্যালয় সমূহকো চৰকাৰে অনতি পলমে (Govt. concurrence on permission) অনুমতি দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এই বিষয়ে চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

(খ) বিষয়টো পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব।

(গ) অসম উচ্চতৰ মাধ্যমিক সংসদৰ পৰা অনুমতি পোৱা মহাবিদ্যালয় সমূহক বিভাগীয় পৰিদৰ্শকৰ প্ৰতিবেদনৰ আধাৰত মাধ্যমিক শিক্ষা সঞ্চালকৰ প্ৰস্তাৱ মৰ্মে উপযুক্ততাৰ ভিত্তিত চৰকাৰে অনুমতি (Concurrence) প্ৰদান কৰে।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** প্ৰথমতে কৈছে যে এই বিষয়ত সিদ্ধান্ত হোৱা নাই। দ্বিতীয়তে কৈছে পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব। প্ৰশ্ন হ'ল এই বিষয়ত কণিষ্ঠ মহাবিদ্যালয় শিক্ষক সন্থাৰ দাবী আছিল আৰু মুখ্যমন্ত্ৰীয়ে ১৯৯১ চনৰ ১৯ চেপ্তেম্বৰত ঘোষণা কৰিছিল যে ২০ খন কণিষ্ঠ মহাবিদ্যালয় প্ৰাদেশীকৰণ কৰা হব। প্ৰাক্তন শিক্ষা মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্ম্মণ দেৱে ধমধমাত বাৰ্ষিক সভাত ১৮-৮-৯২ তাৰিখে কৈছিল যে এই কলেজ বিলাক প্ৰাদেশীকৰণ কৰা হব। ৰাজ্যিক মন্ত্ৰীয়েও বিভিন্ন কাগজ পত্ৰে যোগে, ৰেডিও যোগে

★ **Speech not corrected**

বিভিন্ন সময়ত বক্তব্য দিছে। এই বিলাক আশ্বাস দিয়াৰ পিচতো কিয় মন্ত্ৰীয়ে কলে যে সিদ্ধান্ত লোৱা হোৱা নাই। যদি পুঁজিৰ অভাৱ বুলি জানিছিল তেন্তে এই কলেজ বিলাক প্ৰাদেশীকৰণ কৰা হব বুলি ৰাজহুৱা সভাত ঘোষণা কৰিছিল। কিমানখন কলেজক কংকাৰেন্স দিয়া হৈছে? অনুমতি দিয়া কলেজ বিলাকৰ নামবিলাক কি কি আৰু এই ২০ খন মহাবিদ্যালয় প্ৰাদেশীকৰণ কৰাৰ আশ্বাস দিবনে?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০ খন কনিষ্ঠ মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰাৰ বাবে চৰকাৰে চিন্তা কৰিছে কিন্তু পুঁজিৰ অভাৱৰ কাৰণে প্ৰাদেশিকীকৰণ কৰিব পৰা নাই। এতিয়ালৈ ২০ খন কলেজৰ কোনো তালিকা তৈয়াৰ কৰা হোৱা নাই। পুঁজি সাপেক্ষেহে পিচত এইবিলাক তালিকা প্ৰস্তুত কৰা হ'ব আৰু সেইমতে অনুমতি দিয়াৰ ব্যৱস্থা কৰা হ'ব কিন্তু চৰকাৰে এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যি ২০ খন কনিষ্ঠ কলেজৰ অনুমতি দিয়াৰ বাবে বাচনি কৰিছে এই বাচনিৰ নীতি বা পলিচি কি? এই কলেজ সমূহৰ তালিকা মাননীয় মন্ত্ৰী মহোদয়ে সদনত দাখিল কৰিব নেকি?

★ **শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়ালৈকে কলেজৰ কোনো তালিকা প্ৰস্তুত কৰা নাই। এই বিষয়ত মাননীয় সদস্য গৰাকীয়ে এটা সুকীয়া প্ৰশ্ন কৰিলে, তেখেতক সকলো জনাব পৰা যাব।

**Mr. Speaker :** Question No 166. Hon'ble Member Chandan Sarkar.

(Noise and pandemonium in the House)

No, No, No, I cannot allow you all to speak in this way. Already a number of supplementaries have been allowed, 1, 2, 3, and 4 supplimentaries have been already raised, how many more do you want? Supplementaries should always be specific and brief and therefore the answer should also be brief. You should help me so that we can dispose of more question. No more supplementaries should be tagged to a single question. Please discuss these things with the Minister afterwards. I think the Hon'ble members must agree with me that this is not the time. Otherwise how we can run the business in House purposefully?

Now, Hon'ble Member Chandan Kumar Sarkar. Minister, Industries will reply.

---

★ Speech not corrected

**বিষয় – অশোক কাগজ কল।**

**শ্ৰী চন্দন কুমাৰ চৰকাৰে সুধিছে ঃ**

★ **১৬৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোগীগোপা অশোক কাগজ কলটো নতুনকৈ খোলাৰ বাবে চৰকাৰে ডালমিয়া কোম্পানীৰ লগত চুক্তি হোৱা কথা সঁচানে?

(খ) যদি চুক্তি হৈছে কেতিয়া পূৰ্ণ পৰ্যায়ৰ কাম আৰম্ভ হব?

(গ) কাগজ কলটোৰ সামগ্ৰী সমূহ ৰক্ষা কৰাৰ বাবে ও উন্নতিৰ হকে কাম কৰিবলৈ স্থানীয় নাগৰিক সকলৰ দ্বাৰা এটি উপদেষ্টা কমিটি গঠন কৰাৰ কিবা আঁচনি আছে নেকি?

**শ্ৰী বিজিৎ শইকীয়া (উদ্যোগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়। কিন্তু পুনালুৰ কাগজ কলৰ সভাপতি শ্ৰী এল, এন ডালমিয়াৰ লগত প্ৰাথমিক পৰ্য্যায়ৰ চৰ্ত্তযুক্ত বুজাবুজিৰ পত্ৰ এখন (MOU) চহী কৰা হৈছিল। এই চৰ্ত্তসমূহৰ এটাও চৰ্ত্ত শ্ৰী ডালমিয়াই পূৰণ কৰিব নোৱাৰাত তেওঁৰ লগত পূৰ্ণপৰ্য্যায়ৰ চুক্তি অথবা (Lease Deed) স্বাক্ষৰিত নহল।

(খ) প্ৰশ্ন নুঠে।

(গ) নাই।

★ **শ্ৰী চন্দন কুমাৰ চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই অশোক কাগজ কলটো পুনৰ খোলাৰ বিষয়ে অসম চুক্তিটো সন্নিবিষ্ট আছে আৰু আমাৰ কংগ্ৰেছ দলৰ নিৰ্ব্বাচনী ইষ্টাহাৰটো আছে। এতিয়া আমাৰ উদ্যোগ মন্ত্ৰীয়ে এইটো খোলাৰ বাবে কি ব্যৱস্থা কৰিছে। তাঁৰোপৰি অশোক কাগজ কলৰ কোটি কোটি টকাৰ যি বিলাক সম্পত্তি আছে, সেইবিলাক ভাল সুৰক্ষাৰ ব্যৱস্থা নথকাৰ বাবে লাহে লাহে নাইকীয়া হব ধৰিছে। এতিয়া কলটোৰ দাতি কাষৰীয়া অঞ্চলৰ ৰাইজক লৈ এখন উপদেষ্টা কমিটি কৰি অশোক কাগজ কলটোৰ সম্পত্তিখিনিৰ সুৰক্ষাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি?

★ **শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অশোক কাগজ কলটো পুনৰ খোলাৰ বাবে শ্ৰী এল, এন ডালমিয়াৰ লগত এখন বুজাবুজিৰ পত্ৰত চহী কৰাৰ পিচত তেওঁক আমি ৬ টা চৰ্ত্ত আৰোপ কৰিছিলো। কিন্তু তেওঁ চৰ্ত্ত কেইটা পূৰণ কৰিব নোৱাৰাৰ বাবে পূৰ্ণ পৰ্য্যায়ৰ চুক্তি স্বাক্ষৰিত কৰিব পৰা নহল। কাগজ কলটোৰ সম্পত্তিৰ ৰক্ষাৰ ক্ষেত্ৰত কলটোৰ এখন পৰিচালক মণ্ডলী আছে, এজন পৰিচালক সঞ্চালক আছে আৰু তেওঁলোকে কলটোৰ সম্পত্তি ৰক্ষাৰ দায়িত্ব পালন কৰি আহিছে। আৰু তাত ৫৮ জন চিকিউৰিটি গাৰ্ড এই সম্পত্তিখিনি ৰক্ষাৰ দায়িত্বত আছে। গতিকে তাৰ স্থানীয় লোকক লৈ উপদেষ্টা কমিটি গঠন কৰাৰ কথা চৰকাৰে চিন্তা কৰা নাই।

★ Speech not corrected

★ **শ্ৰী নজমুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অসম চুক্তিত নুমলিগড় ৰিফাইনেৰী আৰু অশোক কাগজকল এই দুয়োটা উদ্যোগ সন্নিবিষ্ট আছিল। চৰকাৰে ইতিমধ্যে নুমলিগড় ৰিফাইনেৰীৰ কাম আৰম্ভ কৰি দিছে কিন্তু নামনি অসমৰ অৱস্থিত অশোক কাগজ কলটো খোলাৰ ব্যৱস্থা চৰকাৰে কিয় কৰিব পৰা নাই। আমি ডালমিয়া, গোয়েংকা, টাটা আদিক চিনি নাপাও, এইটো এটা ৰাজহুৱা খণ্ডৰ উদ্যোগ, এইটো খোলাৰ ব্যৱস্থা চৰকাৰে অতি সোনকালে কৰিব লাগে। মন্ত্ৰী মহোদয়ে আমাক প্ৰতিশ্ৰুতি দিব লাগে।

★ **শ্ৰী আলাউদ্দিন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় মই জানিব বিচাৰিছো ডালমিয়াৰ লগত কেতিয়া, ক'ত, কিমান তাৰিখত সেই কেইবাৰ আলোচনা আৰু চুক্তি হৈছিল।

★ **শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী ডালমিয়াৰ লগত প্ৰথমতে কলিকতাত আলোচনা হৈছিল। তাৰ পিচত গুৱাহাটীত জনতা ভৱনত আলোচনা হৈছিল আৰু এম, ও, ইউ, ত চহী কৰা হৈছিল। তাৰ পিচত আমি তেওঁক ৬ টা চৰ্ত্ত আৰোপ কৰিছিলো কিন্তু তেওঁ চৰ্ত্ত কেইটা পুৰণ কৰিব নোৱাৰিলে।

(সদনত গন্দগোল)

(Noise Noise)

★ **Shri Giasuddin Ahmed :** I do not understand why the Assam Government cannot restore the Ashok Paper Mills, what is the difficulty, why it cannot be restored in the public sector instead of it being farmes out private parties? I want to know the specific reasons.

(Pandemonium in the House)

**(Starred Question Nos.167 to 172 and 174 to 180 could not be taken up for disposal as the Question Hour was over, However, the replies of the said Questions deemed to have been laid on the table of the House).**

**বিষয় – কৰিমগঞ্জ মহকুমা উপদেষ্টা পৰিষদ।**

**শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

★ **১৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কৰিমগঞ্জ মহকুমা শিক্ষা উপদেষ্টা পৰিষদখন কেতিয়া ভঙ্গ কৰা হয়?

(খ) ভঙ্গ হোৱা উপদেষ্টা পৰিষদে প্ৰস্তুত কৰা শিক্ষক বাঁছনি তালিকা খনত কোন তাৰিখে শিক্ষাধিকাৰে অনুমোদন জনায়? (অনুমোদন জনোৱা চিঠিৰ প্ৰতিলিপি দাখিল কৰিব)

(গ) তালিকাখনত কিমানজন প্ৰাৰ্থীৰ নাম আছিল?

---

★ Speech not corrected

(তালিকাৰ প্ৰতিলিপি দিব)

(ঘ) অনুমোদিত তালিকাৰ কিমানজন প্ৰাৰ্থীক কোন তাৰিখত নিযুক্তি দিয়া হয় আৰু কোনজন উপ-পৰিদৰ্শকৰ চহীত নিযুক্তি পত্ৰ দিয়া হয়?

(ঙ) উপ-পৰিদৰ্শক গৰাকীয়ে নতুন উপ-পৰিদৰ্শকক কোন তাৰিখত কিমান সময়ত দায়িত্ব দিয়ে আৰু দায়িত্ব দিয়াৰ সময়ত সেই তাৰিখলৈ কিমানজনক নিযুক্তি দিয়া বুলি জনায়?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৮-৬-৯২ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ভঙ্গ কৰা হয়।

(খ)।

(গ) তথ্য বিচৰা হৈছে। তথ্য সমূহ পালেই সদনত দাখিল কৰা হ'ব।

(ঘ)।

(ঙ)।

**বিষয় - গুৱাহাটী মহকুমাত প্ৰাথমিক শিক্ষকৰ নিযুক্তিৰ সংখ্যা।**

**ডাঃ কমলা কলিতাই সুধিছে ঃ**

**★ ১৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ১৯৯২ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা ৩১ ডিচেম্বৰৰ ভিতৰত গুৱাহাটী মহকুমাত কিমানজন প্ৰাথমিক শিক্ষক নিযুক্তি দিয়া হৈছে?

(নিযুক্তি পোৱা লোকসকলৰ নাম, ঠিকনা সদনৰ মেজত দিব)

(খ) উক্ত নিযুক্তিৰ ভিতৰত কিমানজনে H.S.L.C. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৩২ জন বৃত্তিধাৰী শিক্ষক হিচাবে নিযুক্তি দিয়া হৈছে আৰু ২৩ জনক নিয়মীয়া (নাম ঠিকনাৰ তালিকা গাঠি দিয়া হ'ল) পদত নিযুক্তি দিয়া হৈছে।

**(See the annexure – I)**

(খ) এজনো নাই।

**বিষয় - গুৱাহাটী মহানগৰীৰ অতিৰিক্ত পানী উলিয়াই দিয়াৰ ব্যৱস্থা।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

**★ ১৬৯। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) গুৱাহাটী মহানগৰীৰ অতিৰিক্ত পানী খিনি সহজে আৰু শীঘ্ৰে নিস্কাষন কৰিব পৰাকৈ ভৰলু নৈ খন দ' আৰু বহলকৈ খন্দাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিছিল নে?

(খ) বৰ্ত্তমান নৈ খন খন্দাৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল?

(গ) গোটেই কামটো সম্পূৰ্ণ কৰিবৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু বৰ্ত্তমানলৈকে কিমান টকা খৰছ হ'ল?

---

**★ Speech not corrected**

(ঘ) ভৰলু নৈ খন্দাৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে, জনাবনে?

**শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, কৰিছিল।

(খ) ৮৬·১৬ শতাংশ সম্পূৰ্ন হৈছে।

(গ) প্ৰাক্কলন মতে কামৰ বাবে ২.৭২ কোটি আৰু ভূমি অধিগ্ৰহনৰ বাবে ১.০৬ কোটি টকা ধাৰ্য্য কৰা হৈছিল আৰু বৰ্ত্তমানলৈ কামৰ বাবদ ১.৭৮৪ কোটি টকা খৰছ হৈছে।

(ঘ) বৰ্ত্তমান ভৰলু নৈ খন্দাৰ কাম সাময়িক ভাবে বন্ধ হৈ আছে।

**বিষয় – বড়ো মাধমিক বিদ্যালয়ৰ সংখ্যা।**

**শ্ৰী জীউৰাম বড়োয়ে সুধিছে ঃ**

★ ১৭০। **মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত কি কি ভাষাৰ মাধ্যমেৰে শিক্ষা দান দিয়া হয় আৰু অসমত বড়ো মাধ্যম কিমান খন উচ্চ, মধ্য আৰু প্ৰাথমিক বিদ্যালয়ত প্ৰৱৰ্ত্তন কৰা হৈছে।

(খ) উচ্চ আৰু মধ্য ইংৰাজী বিদ্যালয় সমূহত অংকে বিষয় সৈতে স্নাতক বিজ্ঞান শিক্ষক নিযুক্তি দিয়া হৈছে নেকি? যদি হৈছে বড়ো মাধ্যম প্ৰৱৰ্ত্তন হোৱা কিমান খন উচ্চ আৰু মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি দিয়া হৈছে?

(গ) অসমৰ কিমানখন কলেজত বড়ো MIL আৰু উচ্চতৰ বিদ্যালয়ত বড়ো বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে?

(ঘ) যদি হোৱা নাই ইয়াৰ কাৰণ সমূহ কি আৰু ইয়াৰ বাবে কি কি ব্যৱস্থা লৈছে?

**শ্ৰী গৌতম ৰয় (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত উচ্চ মাধ্যমিক পৰ্য্যায়ত অসমীয়া, বঙালি, ইংৰাজী, মনিপুৰী, হিন্দী আৰু বড়ো ভাষাৰ মাধ্যমেৰে শিক্ষা দান দিয়া হয়। বৰ্ত্তমান ১১৭ (এশ সোতৰ) খন উচ্চ। উচ্চতৰ বিদ্যালয়ত বড়ো ভাষা প্ৰৱৰ্ত্তন কৰা হৈছে।

অসমৰ বৰ্ত্তমানলৈ বড়ো ভাষাৰ ১১৩৫ খন প্ৰাথমিক আৰু ১২৩ খন মধ্য ইংৰাজী বিদ্যালয় আছে আৰু অঞ্চল বিশেষে অসমীয়া, বঙালী, নেপালী, গাৰো, বড়ো, মনিপুৰী আৰু হিন্দী মাধ্যমত শিক্ষাদান কৰা হয়।

(খ) সকলো প্ৰাদেশীকৃত উচ্চ মাধ্যমিক/উচ্চ মাধ্যমিক মাদ্ৰাছা/উচ্চতৰ মাধ্যমিক বড়ো মাধ্যমিক বিদ্যালয় সমূহত একোটাকৈ বিজ্ঞান স্নাতক শিক্ষক পদ সৃষ্টি কৰি বিদ্যালয় সমূহৰ পৰিদৰ্শক সকলক আৱন্টন দি চৰকাৰৰ বিধি নিয়ম অনুসাৰে নিযুক্তিৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে। নিৰ্দ্দেশৰ প্ৰতিলিপি 'ক' তালিকাত দিয়া হ'ল। নিযুক্তি প্ৰক্ৰিয়া এতিয়াও চলি আছে বাবে সম্পূৰ্ণ তথ্য দিব পৰা নগল।

মধ্য ইংৰাজী বিদ্যালয়ৰ নামত একোটাকৈ পদৰ আবন্টন মুঠ ১২৩ খন বড়ো ভাষাৰ মাধ্যমৰ

---

বিদ্যালয়ত দিয়া হৈছে।

(গ) ঘাটি মঞ্জুৰী কলেজৰ শিক্ষক আৰু কৰ্ম্মচাৰী সকলৰ নিযুক্তিৰ ব্যৱস্থা কলেজ পৰিচালনা সমিতিয়েহে কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মুঠ ১২ খন ঘাটিমঞ্জুৰী কলেজত এটাকৈ আৰু কোকৰাঝাৰ কলেজত ২ (দুটা) মুঠ ১৩ টা। বড়ো MIL প্ৰৱক্তাৰ পদ মঞ্জুৰী দিয়া হৈছে মাধ্যমিক।

অসমত সৰ্ব্বমুঠ ১৭ (সোতৰ) খন উচ্চতৰ বিদ্যালয়ত বড়ো বিষয় শিক্ষক নিযুক্তি দিয়া হৈছে। তালিকা 'খ'ত দিয়া হ'ল। **(See the annexure – II)**

(ঘ) প্ৰশ্ন নুঠে।

**Re : Science Laboratories**

**Shri Giasuddin Ahmed asked :**

**★ 171. Will the Minister of Education be pleased to state :**

(a) What steps Government has taken to set up Science Laboratories in the recently upgraded Higher Secondary Schools in the State with Science stream?

**Shri Gautam Bora (Minister of State Education) replied :**

(a) Govt. will take steps to extend financial assistance subject to availability of fund for setting up Science Laboratories in the recently upgraded Higher Secondary Schools in the State with Science Stream on receipt of formal proposel from the respective Schools authority through the concerning Inspector of Schools.

**বিষয় – বিজুলী সৰবৰাহ বন্ধ হোৱাৰ কাৰণ।**

**শ্ৰী সুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে ঃ**

**★ ১৭২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) নলবাৰী জিলা গ্ৰাম্য বৈদ্যুতিক অভিকৰণ আঁচনিৰ কাৰ্য্যবাহী অভিযন্তাৰ অধিনত ভুটান খুটি আৰু দুৰ্গাপুৰ নামৰ ৰাজহ গাওঁ দুখনত যোৱা ১৬/৬/৮৯ ইং তাৰিখৰ পৰা বিজুলী সৰবৰাহ বন্ধ হৈ আছে কথাটো জানেনে?

(খ) যদি সচাঁ তাৰ কাৰণ কি?

(গ) উক্ত গাওঁ দুখনত কেতিয়াৰ পৰা বিজুলী সৰবৰাহ পুনৰ আৰম্ভ হব?

**শ্ৰী গোপী নাথ দাস (ৰাজ্যিক শক্তি (বিদ্যুৎ) আদি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক)
(খ) } ভুটান খুটি আৰু দুৰ্গাপুৰ নামৰ ৰাজহ গাঁও দুখনৰ ট্ৰেন্সফৰ্মাৰ দুটা কোনোবা দুস্কৃতিকাৰীয়ে বিকল কৰা কাৰণে গাঁও দুখনৰ বিজুলী সৰবৰাহ ১৮/৬/৮৯ ইং তাৰিখৰ পৰা বন্ধ হৈ আছে।

---

★ Speech not corrected

(গ) উক্ত কামখিনি সম্পূৰ্ণ কৰি তুলিবলৈ যথেষ্ট পৰিমানৰ পুঁজিৰ আৱশ্যক। এই পুজিঁৰ যোগাৰ হলেই কামখিনি পৰ্য্যায় ক্ৰমে কৰিব পৰা হব।

**(Starred Question No. 173 was deferred)**

**বিষয় - অসম পলিটেক্স লিমিটেডৰ কৰ্ম্মচাৰীৰ অনশন।**

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

**★ ১৭৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) জাগীৰোডত অৱস্থিত অসম পলিটেক্স লিমিটেডৰ কৰ্ম্মচাৰী সকলে যোৱা ৫ মাৰ্চৰ পৰা লোৱা অনশন কাৰ্য্যসূচীৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত তেনহলে কৰ্ম্মচাৰী সকলৰ প্ৰাপ্য দৰমহা দিব নোৱাৰাৰ কাৰণ কি কি?

(গ) মিলৰ উৎপাদন বন্ধ হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে আৰু মিলৰ উৎপাদন কিমান দিন বন্ধ হৈ আছে?

(ঘ) মিলটো পুনৰ কাৰ্য্যক্ষম কৰি তুলিবলৈ ৰাজ্যচৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহন কৰিব নোৱাৰাৰ কাৰণ কি?

(ঙ) এই মিলৰ কৰ্ম্মচাৰী সকলৰ প্ৰাপ্য দৰমহা আদায় দি মিলটো পুনৰ কাৰ্য্যক্ষম কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পুঁজিৰ মঞ্জুৰী দি উদ্যোগটি ৰক্ষা কৰিবনে?

**শ্ৰী বিজিৎ শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) অসম পলিটেক্স লিমিটেডৰ অতি শোচনীয় বিত্তীয় অৱস্থানৰ কাৰণে।

(গ) আংশিক ভাবে উৎপাদন বন্ধ হোৱাৰ বিষয়ে অৱগত।

(ঘ) চৰকাৰে এই সম্পৰ্কত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহন কৰি আছে।

(ঙ) চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহন কৰি আছে।

**Re : Suspension order of Assistant teacher of D. N. H. S.**

**Shri Parimal SuklaBaidya asked :**

**★ 175. Will the Minister of Education be pleased to state :**

(a) Whether it is fact that, the suspension order of Shri Dwrika Prasad Jadav (Asstt. teacher of DNHS) Udharbond Cachar was revoked and was reinstated in the post Vide Memo. No. 3A/45/83/245 dated 19-5-90 by the Inspector of Schools Cachar District Circle, Silchar?

(b) If so, whether the arrear pay bill of suspension period is paid to the teacher concern or not?

(c) If not, why?

★ Speech not corrected

**Shri Gautam Bora (Minister of State Education) replied :**

(a) Yes

(b) Not yet paid

(c) The Inspector of Schools Cachar D. C., Silchar has given order Memo. No. 3A/45/83/314 dated 19-3-93 treating the period of suspension as on duty for all purposes. The arrear pay etc. will now be released on receipt of claim from the Inspector of Schools, Cachar D. C., Silchar.

**Re : Bodo Department.**

**Shri Parameswar Brahma asked :**

**★176. Will the Minister of Education be pleased to state :**

(a) Whether the Government has taken step to introduce Bodo Language Department in Gauhati and Dibrugarh Universities.

(b) If so, why till to-day no appointment of Lecturers in Colleges for teaching Bodo MIL Subject has been made.

**Shri Golok Rajbongshi (Minister, Higher Education) replied :**

(a) Yes. The Gauhati University has already introduced a Certificate Course for Bodo Language in the M. I. L. Department of the Gauhati University. There is no demand in the Dibrugarh University.

(b) Two Lecturers in Bodo M. I. L. Subject one each in Kokrajhar College and B. P. Kisan College have been appointed and approved by Government.

**বিষয় – ইঞ্জিনিয়াৰিং কলেজৰ শিক্ষক সকলৰ গুনমান উন্নয়নৰ কাৰ্য্যসূচী।**

**শ্ৰী মুনিন মহন্তই সুধিছে ঃ**

★ ১৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ ইঞ্জিনিয়াৰিং কলেজৰ শিক্ষক সকলে গুনমান উন্নয়নৰ কাৰ্য্যসূচীৰ অধীনত উচ্চ শিক্ষাৰ বাবে থকা ব্যৱস্থাত বাধা নিষেধ কৰা হৈছে নেকি?

(খ) যদি হৈছে কিয়?

(গ) উচ্চ শিক্ষাৰ বাবে যাব লগা এই বৰ্ষৰ প্ৰাৰ্থী সকলক (Study Leave) ৰ পৰিবৰ্ত্তে পূৰ্ব্বৰ দৰে Deputation ত পঠোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী গোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

---

★ Speech not corrected

(ক) হয়।

(খ) অসম চৰকাৰৰ বিত্ত বিভাগৰ O. M. No. FEG. 90/85/86 dt. 31.3.89 জৰিয়তে চৰকাৰী খৰছত চৰকাৰী কৰ্ম্মচাৰীৰ উচ্চ শিক্ষাৰ কাৰ্য্যসুচীত বাধা আৰোপ কৰা হয়।

(গ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় - অসম কেডাৰ মেনেজমেন্টৰ ব্যৱস্থা।**

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

**★ ১৭৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসম কেডাৰ মেনেজমেন্ট ব্যৱস্থাটো কি?

(খ) বৰ্ত্তমান অসমত কিমানজন কেডাৰ সম্পাদক আছে?

(গ) তেওঁলোকৰ দৰমহা নিয়মীয়াকৈ দি থকা হৈছেনে?

(ঘ) যদি হোৱা নাই নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী নগেন নেওগ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰধানকৈ জি, পি, এচ, এচ, সমূহত চাকৰি কৰা কেডাৰ সম্পাদক সকলক পৰিচালনা কৰা ৰাজ্যিক সমবায় সমিতি।

(খ) কেডাৰ ভূক্ত সম্পাদকৰ পদৰ সংখ্যা ৫১৬ জন।

(গ) নাই হোৱা।

(ঘ) হয়, কৰা হব।

**বিষয় - অসম গেচ কোম্পানীৰ চিকিৎসালয়।**

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

**★ ১৭৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসম গেচ কোম্পানীৰ চিকিৎসালয়ৰ ডাঃ এ, কে, বৰুৱাক স্ত্ৰী ৰোগ বিশেষজ্ঞ অধ্যয়নৰ বাবে ৩০/৪/৯০ তাৰিখৰ পৰা এবছৰলৈ দৰমহা সহ ছুটি দিয়া হৈছিলনে?

(খ) এই সময়ছোৱাত কিমান টকা গেচ কোম্পানীয়ে তেওঁৰ বাবে খৰছ কৰিছিল?

(গ) ইয়াৰ বাবে ডাঃ বৰুৱা আৰু গেচ কোম্পানীৰ মাজত কিবা চুক্তি হৈছিল নেকি?

**শ্ৰী বিজিৎ শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় হৈছিল।

(খ) মুঠ ৫১,৫২৬.০০ টকা।

(গ) হয় হৈছিল।

**বিষয় - কুলসী বগাপানীত F. D. R. আৰ্চনি।**

**শ্ৰী যতীন মালীয়ে সুধিছে ঃ**

---

★ Speech not corrected

★ ১৮০। মাননীয় বান নিয়ন্ত্রন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২ চনত পলাশবাৰী সমষ্টিৰ কুলসী বগাপানীত F. D. R. আচঁনি লোৱাটো সচাঁনে?

(খ) আচঁনিটোৰ বাবে মুঠ কিমান টকা অনুমোদন জনোৱা হৈছিল?

(গ) আচঁনি ৰূপায়ণ কৰোতে ঠিকাদাৰৰ জৰিয়তে কাম কৰিছিল নে আৰু যদি কৰিছিল কিমান জন ঠিকাদাৰক কাম দিছিল? (বিতং তথ্য দি ঠিকাদাৰৰ নাম সহ সদনৰ মেজত দিব)

(ঘ) আচঁনিৰ কাম সম্পূৰ্ণ হৈছেনে?

(ঙ) যদি সম্পূৰ্ণ হৈছে, ঠিকাদাৰ সকলক টকা আদায় দিলেনে? সম্পূৰ্ণকৈ দিছেনে আংশিক দিছে?

(চ) এতিয়ালৈ কিমান টকা আদায় দিছে আৰু কোন কোন ঠিকাদাৰক দিছে জনাবনে? (বিতং তথ্য সদনৰ মেজত দিব)

**শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, সঁচা

(খ) আচঁনিটোৰ বাবে অনুমোদন জনোৱা টকাৰ পৰিমাণ ৩৮,৫৬,১০০.০০ (আঠত্ৰিশ লাখ চাপন্ন হেজাৰ এশ) টকা মাত্ৰ আছিল।

(গ) উক্ত আচঁনিখন ৰূপায়ণৰ বাবে ৬৯ জন ঠিকাদাৰৰ মাজত সামৰ্থ অনুযায়ী কাম বিতৰণ কৰি দিয়া হৈছিল। ঠিকাদাৰ সকলৰ নাম সহ কামৰ পৰিমাণ লগতে সংযোজন কৰি দিয়া হ'ল। (সংযোজন নং ১) **(See annexure – III)**

(ঘ) হয় কাৰিকৰী অনুমোদন (Technical Sanction) সাপেক্ষে কাম সম্পূৰ্ণ হৈছে।

(ঙ) বৰ্ত্তমান ৰাজ্যত চলি থকা আৰ্থিক নাটনিৰ বাবে ঠিকাদাৰ সকলক আংশিক ভাবেহে টকা আদায় দিয়া হৈছে।

(চ) এতিয়ালৈকে ৪,৮৭,২৯৬.০০ (চাৰি লাখ সাতাশী হেজাৰ দুশ চিয়ানব্বৈ) টকা মাত্ৰ ৩৮ জন ঠিকাদাৰক আংশিক ভাবে আদায় দিয়া হৈছে। বিতং তথ্যৰ তালিকা ইয়াৰ লগত সংযোজন কৰি দিয়া হৈছে।

(সংযোজন নং ২) **(See annexure – IV)**

**(Deferred Starred Question No. 86 listed for 22 nd March, 1993)**

**বিষয় - জৰ্জ খেলপথাৰক সংৰক্ষণ কৰাৰ ব্যৱস্থা।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

★ ৮৬। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ জৰ্জ খেলপথাৰখন Sports Complex হিচাবে সংৰক্ষণ কৰাৰ ব্যৱস্থা চৰকাৰে লবনে?

(খ) উল্লেখিত খেল পথাৰখন বৰ্তমান কাৰ দায়িত্বত আছে?

---

★ **Speech not corrected**

(গ) যদি জিলা প্ৰশাসনৰ দায়িত্বত আছে, তেনেহলে মাত্ৰ জিলা প্ৰশাসনৰ দায়িত্বত নাৰাখি এখন TRUSTEE কৰাৰ ব্যৱস্থা ৰব নেকি?

(ঘ) খেলও ৰাজহুৱা সভা সমিতিৰ বাহিৰে অন্য কোনো কামতেই পথাৰখন ব্যৱহাৰ কৰিবলৈ অনুমতি নিদিয়াৰ বাবে চৰকাৰে সিদ্ধান্ত লব নেকি?

**শ্ৰী ইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানে এনে প্ৰস্তাৱ ক্ৰীড়া বিভাগৰ বিবেচনাধীন হৈ থকা নাই।

(খ) কামৰূপ জিলাৰ উপায়ুক্তৰ।

(গ) বৰ্ত্তমান তেনে ধৰণৰ কোনো প্ৰস্তাৱ নাই।

(ঘ) এনে সিদ্ধান্ত বৰ্ত্তমানলৈকে লোৱা হোৱা নাই।

## (Unstarred Questions and Answers)

**বিষয় – বৰ্ডৰ নিৰ্দ্দেশ।**

**শ্ৰী হিতেশ্বৰ ডেকাই সুধিছে ঃ**

৩৪৪। মাননীয় পাৰিপাৰ্শ্বিকতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Board for Prevention and Control of Water and Air Pollution Assamৰ কাৰ্য্যালয়ৰ পৰা No. WB/G-294/-90-91/4-12, Dt. the 21st July, 1990 নম্বৰ নিৰ্দ্দেশটো কিমানটা প্ৰতিষ্ঠানলৈ পঠোৱা হৈছিল? (নাম তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) এই প্ৰতিষ্ঠান সমূহে নিৰ্দ্দেশানুযায়ী কেৰাচিন/ডিজেল জেনেৰেটৰ ব্যৱহাৰ কৰাটো বন্ধ কৰিছেনে?

(গ) যি সকলে কৰা নাই, তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

**শ্ৰী হৰেণ ভূমিজ (বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) Board for Prevention and Control of Water and Air Pollution, Assam কাৰ্য্যালয়ৰ নিৰ্দ্দেশটো ৯ খন প্ৰতিষ্ঠানলৈ পঠোৱা হৈছিল। নামৰ তালিকা ইয়াৰ লগত গাঁঠি দিয়া হৈছে।

(খ) প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ নিৰ্দ্দেশানুযায়ী দুটা প্ৰতিষ্ঠানৰ বাদে অন্য কেইটা প্ৰতিষ্ঠানে Inverter ব্যৱহাৰ কৰিছে। অতি জৰুৰী অৱস্থাৰ বাবে এই প্ৰতিষ্ঠান কেইটাই Inverter ৰ লগতে Generator ৰখাৰ ব্যৱস্থা কৰিছে।

Board for Prevention and Control of Water and Air Pollution, Assamৰ কাৰ্য্যালয়ৰ পৰা WB/G-294/90-91/4-12, Dt. the 21st July, 1990 নম্বৰৰ নিৰ্দ্দেশ দিয়া প্ৰতিষ্ঠান সমূহৰ নামৰ তালিকা ঃ—

1. M/s Keshari

Babu Bazar
Guwahati-1

2. Silpa Cut Piece Centre
Babu Bazar
Guwahati-1

3. Payal
Babu Bazar
Guwahati-1

4. Mangaldeep
Babu Bazar
Guwahati-1

5. Vijeta
Babu Bazar
Guwahati-1

6. New York
Babu Bazar
Guwahati-1

7. Poonam Saree Place
Babu Bazar
Guwahati-1

8. Vineet
Babu Bazar
Guwahati-1

9. R. D. Store
Babu Bazar
Guwahati-1

(খ) বায়ু প্ৰদূষণ নিয়ন্ত্ৰনৰ বিধি অনুসৰি AIR POLLUTION CONTROL AREAৰ জাননী ৰাজপত্ৰত প্ৰকাশ কৰিব লাগে। ইয়াৰ বাবে ব্যৱস্থা ইতিমধ্যেই গ্ৰহণ কৰা হৈছে। প্ৰকাশ হোৱাৰ পিচতেই বিধিগত ব্যৱস্থা লব পৰা যাব।

**বিষয় – প্ৰি-প্ৰাইমাৰী শাখা থকা স্কুল।**

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ**

৩৪৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন চৰকাৰী প্ৰি-প্ৰাইমাৰী শাখা থকা স্কুল আছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) বে-চৰকাৰীভাবে স্থাপিত হোৱা প্ৰি-প্ৰাইমাৰী বিদ্যালয়ৰ সংখ্যা বৰ্ত্তমান অসমত কিমান, চৰকাৰে জানেনে আৰু যদি জানে তথ্য দিব আৰু যদি নাজানে, উপ-পৰিদৰ্শক সমূহৰ জৰিয়তে চৰকাৰে তথ্য সংগ্ৰহ কৰিবনে?

(গ) প্ৰি-প্ৰাইমাৰী বিদ্যালয় খোলাৰ বাবে চৰকাৰৰ পৰা আগতীয়া অনুমতি লোৱাৰ নিয়ম চৰকাৰে প্ৰযোজ্য কৰিবনে?

(ঘ) প্ৰি-প্ৰাইমাৰী বিদ্যালয় সমূহ পৰ্য্যায় ক্ৰমে চৰকাৰীকৰণ কৰা হ'ব নেকি আৰু বৰ্ত্তমান বছৰত কিমান স্কুল চৰকাৰী কৰা হ'ব আৰু এই চৰকাৰীকৰণে স্কুলখনলৈ কি সুবিধা আগবঢ়াব?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৪৩৯ খন।

(সবিশেষ তালিকা সংশ্লিষ্ট উপ-পৰিদৰ্শক সকলৰ পৰা বিছৰা হৈছে।

পোৱাৰ লগে লগে সদনক জনোৱা হ'ব।)

(খ) ৪৪ খন

(গ) বিষয়টো সম্পৰ্কে খাটাং সিদ্ধান্ত হোৱা নাই।

(ঘ) বৰ্ত্তমান চৰকাৰৰ হাতত তেনে কোনো প্ৰস্তাৱ নাই।

**বিষয় – পদ পূৰনৰ নীতি।**

**শ্ৰী পানীৰাম ৰাভায়ে সুধিছে ঃ**

৩৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ পদ পূৰনৰ নীতি কি?

(খ) উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, সহঃ প্ৰধান শিক্ষক পদ পূৰনৰ নীতি কি?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম মাধ্যমিক শিক্ষা (প্ৰাদেশিকৃত) চাকৰী বিধি অনুসাৰে ৰাজ্যিক বাচনি পৰিষদে যুগুতোৱা বাচনি তালিকাৰ পৰা পদবোৰ পূৰন কৰা হয়।

(খ) অসম মাধ্যমিক শিক্ষা (প্ৰাদেশিকৃত) চাকৰী বিধি অনুসাৰে ৰাজ্যিক বাচনি পৰিষদে যুগুতোৱা বাচনি তালিকাৰ পৰা প্ৰধান শিক্ষকৰ পদবোৰ পূৰন কৰা হয়। সহঃ প্ৰধান শিক্ষকৰ পদবোৰ উক্ত চাকৰী বিধি অনুসাৰে বিদ্যালয় সমূহৰ পৰিদৰ্শকে জিলা ভিত্তিত বাচনি কৰি পূৰন কৰে।

**Re : Transfer of Officers of Cooperation Department**

**Shri Samarendra Nath Sen asked :**

**347. Will the Minister of Cooperation be pleased to state :**

(a) Whether it is a fact that in reply to Unstarres Question No. 337 dated 22-12-92 Government stated that patitosh Karmakar, Senior Inspector/Auditor of Coop:Societies has been working under Deputy Registrar of Cooperative Societies for more 5 (five) years?

(b) If so, whether the Government would transfer him observing the policy of the Government?

(c) If so, when?

**Shri Nagen Neog (Minister, Cooperation) replied :**

(a) Yes.

(b) Yes.

(c) Shri Paritosh Karmakar, Senior Inspector/Auditor of Cooperative Societies has already been transferred.

**Re : Mis-appropriation of money**

**Shri Alauddin Sarkar asked :**

**348. Will the Minister of Cooperation be pleased to state :**

(a) Whether it is a fact that one Pradip Kumar Saha, Asstt. Secretary of the Bilasipara Sub-Divisional Whole-sale Consumers' Cooperative Stores Ltd. mis-appropriated a sum of Rs. 1,28,000.00 of the fund of the said Society?

(b) Whether it is also a fact that the management has not taken any action in this regard?

(c) If so, why?

**Shri Nagen Neog (Minister of Cooperation) replied :**

(a) It is not a fact. As per audited balance sheet of the society there is a recovery of against Shri Pradip Kumar Saha.

(b) It is also not a fact. Action has been initiated and as a result a sum of Rs. 26,500/- has been recovered. Further notice has been served asking him repay remaining amount within 31.3.93.

(c) Does not arise.

**বিষয় - বান নিয়ন্ত্ৰণ সংমণ্ডলৰ আচঁনি।**

**Shri Pranab Kr. Nath asked :**

৩৪৯। মাননীয় বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ Flood Control Division ১৯৯১-৯২ এবং ১৯৯২-৯৩ অর্থ বছরে কি কি উন্নয়ন পরিকল্পনা নেওয়া হয়েছে?

(খ) আনিপুর থেকে ববুয়ালা বাজার হয়ে ভবানীপুর পর্য্যন্ত E.N.D. র বাঁধেৰ সংস্কার সাধনের সরকার বর্ত্তমান অর্থবছরে কত টাকা মঞ্জুর করেছেন, এবং কাজ কখন শুরু করা হবে?

(গ) নিলামবাজার থেকে হালঘাট-কাটাগ্রাম পুষ্টিমারা হয়ে লালুয়া পর্য্যন্ত E. N. D. মাটির নির্মানের জন্য বর্ত্তমান অর্থবছরে কি কি ব্যবস্থা নিয়েছেন, এবং বর্ত্তমান অর্থবছরে কাজ শুরু করা হবে কি?

**শ্রী হৰেণ ভূমিজ (বন্যা নিয়ন্ত্রণ মন্ত্রী)য়ে উত্তর দিছেন ঃ**

(ক) ১৯৯১-৯২ অর্থ বছরের অন্তর্ভুক্ত প্রকল্প ঃ

(১) কুশিয়ারার বামতীয়ে করিমগঞ্জ শহর ভূমিক্ষয় প্রকল্প (বাখর শাল)।

(২) লঙ্গাই নদীর বাম তীরস্থ পাথারকান্দি বন্যা প্রতিরোধ বাঁধ দ্বিতীয় খণ্ডের (Phase-II) উচ্চতা এবং দৃঢ়করণ।

(৩) নুড়ল চড়ার উভয় তীরের বন্যা নিয়ন্ত্রণ বাঁধের উচ্চতা এবং দৃঢ়করণ।

(৪) লঙ্গাই নদীর ডানতীরে পাথারকান্দি থেকে নীলামবাজার পর্য্যন্ত দ্বিতীয় খণ্ড (Phase-II) বন্যা নিয়ন্ত্রণ (সাতখরি গ্রামের নিকটস্থ) বাঁধের ভূমিক্ষয় প্রতিরোধ প্রকল্প।

(৫) লঙ্গাই নদীর ডানতীরে নীলামবাজার হইতে কৃষ্ণ নগর পর্য্যন্ত বন্যা প্রতিরোধ বাঁধের প্রথম খণ্ডের (Phase-I) বন্যা প্রতিরোধ পাকা দেওয়াল নির্মাণ।

(খ) ১৯৯২-৯৩ অর্থ বৎসরের অন্তর্ভুক্ত প্রকল্প ঃ

(১) কুশিয়ারার বামতীয়ে করিমগঞ্জ শহর ভূমিক্ষয় প্রতিরোধ প্রকল্প (সরিয়া)।

(মোবারকপুর)।

(২) কুশিয়ারার বামতীয়ে করিমগঞ্জ শহর ভূমিক্ষয় প্রতিরোধ প্রকল্প (সরিষা)।

(৩) কুশিয়ারার বামতীয়ে করিমগঞ্জ শহর ভূমিক্ষয় প্রতিরোধ প্রকল্প (ফরেষ্ট বিট অফিস)

(৪) কুশিয়ারার বামতীয়ে করিমগঞ্জ শহর ভূমিক্ষয় প্রতিরোধ প্রকল্প (ষ্টীমারঘাট)

(৫) কুশিয়ারার বামতীয়ে করিমগঞ্জ শহর ভূমিক্ষয় প্রতিরোধ প্রকল্প (চরবাজার)

(৬) লঙ্গাই নদীর বামতীয়ে কালারখাল জল নিস্কাষণ প্রকল্প।

(৭) লঙ্গাই নদীর বামতীয়ে নেকাতলা জল নিস্কাষণ প্রকল্প।

(৮) লঙ্গাই নদীর ডানতীরে সিঙ্গীছড়া জল নিস্কাষণ প্রকল্প।

(৯) লঙ্গাই নদীর ডানতীয়ে পাথারকান্দি থেকে নীলামবাজার পর্য্যন্ত দ্বিতীয় খণ্ড (Phase-II) মুরডিরা গ্রামের নিকটস্থ বাঁধের ভূমিক্ষয় প্রতিরোধ প্রকল্প।

(১০) লঙ্গাই নদীর ডানতীরে পাথারকান্দি থেকে নীলামবাজার পর্য্যন্ত দ্বিতীয় খণ্ড (Phase-II)

সালেপুর গ্রামের নিকটস্থ বাঁধের ভূমিক্ষয় প্রতিরোধ প্রকল্প।

(খ) উক্ত প্রকল্পের জন্য এই পর্য্যন্ত বর্তমান অর্থবছরে কোনো টাকা মঞ্জুর হয় নাই। মঞ্জুর হওয়ার পর বিত্তীয় সচ্ছলতার সাপেক্ষে কাজ হাতে নেওয়া হতে পারে।

(গ) নীলামবাজার থেকে বুড়ীবন্দ গ্রাম পর্য্যন্ত ৭৫১ মিটার নতুন বন্যা প্রতিরোধ দেওয়ালের প্রস্তাব কারিকরী উপদেষ্টা কমিটি দ্বারা অনুমোদিত হইয়াছে। বাৎসরিক পরিকল্পনায় অর্ন্তভূক্ত হওয়ার পর বিত্তীয় স্বচ্ছলতার সাপেক্ষে ১৯৯৩-৯৪ বিত্তীয় বর্ষে কাজ হাতে নেওয়া হতে পারে।

**বিষয় – হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ পৰিচালনা সমিতি।**

**শ্ৰী নজমুল হকে সুধিছে ঃ**

**৩৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ পৰিচালনা সমিতিবোৰ কি নীতিৰ ভিত্তিত গঠন কৰা হয়।

(খ) ইয়াৰ আগতে গঠন কৰি দিয়া তদৰ্থ কমিটিবোৰ ভাঙি দি স্থানীয় ৰাইজৰ মতামত সাপেক্ষে, উক্ত শিক্ষা প্ৰতিষ্ঠান সমূহৰ পৰিচালনা সমিতি গঠন কৰাৰ ব্যৱস্থা কৰা হবনে?

(গ) গোৱালপাৰা জিলাৰ খৰমুজা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনাৰ বাবে কাৰ অনুমোদন সাপেক্ষে তদৰ্থ কমিটি গঠন কৰি দিয়া হৈছে?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ পৰিচালনা সমিতিবোৰ Assam Aided Higher Secondary/High School and Middle School Management Rule 1976(as amended) আধাৰত গঠন কৰা হয়।

(খ) হয়, চৰকাৰে নিয়মৰ আধাৰত নিয়মীয়া পৰিচালনা সমিতি গঠন কৰিবলৈ স্কুল পৰিদৰ্শক সকলক ১৯৯১ চনৰ ৪ ডিচেম্বৰ তাৰিখে শিক্ষা সঞ্চালকৰ মাধ্যমেৰে নিৰ্দ্দেশনা জাৰি কৰিছে।

(গ) গোৱালপাৰা জিলাৰ খৰমুজা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিখন উক্ত জিলাৰ স্কুল সমূহৰ পৰিদৰ্শকে গঠন কৰিছে। তেখেতক পুনৰ নিয়মীয়া কমিটি গঠন কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

**বিষয় – হাইলাকান্দি জেলায় প্ৰাথমিক স্কুলের ব্যবস্থা।**

**শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰে জিজ্ঞাসা করছেন ঃ**

৩৫১। (ক) হাইলাকান্দি জেলায় কতগুলি প্ৰাথমিক স্কুল নিজস্ব স্কুল গৃহ ও স্কুলের আসবাব পত্র (Furniture) ছাড়া বন্ধ হয়ে আছে?

(খ) ঐ জেলায় কতগুলি প্ৰাথমিক স্কুল গৃহ না থাকায় অন্য এ চলি আছে?

(গ) ঐ সব স্কুল গৃহ স্থায়ী ভাবে নিৰ্মাণের ও Furniture ব্যবস্থা করার কোন পরিকল্পনা সরকারের আছে কি?

(ঘ) যদি থাকে করে ঐসব কাজ করা হবে?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক)। তথ্য বিচৰা হৈছে।

।

(খ) তথ্য পালেই সদনক জনোৱা হ'ব।

।

(গ)

।

(ঘ)

**বিষয়- গড়া খহনিয়া প্ৰতিৰোধ।**

**শ্ৰী বদন বৰুৱাই সুধিছে ঃ**

৩৫২। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বান নিয়ন্ত্ৰন বিভাগৰ হাজো উপ-সংমণ্ডলৰ অন্তৰ্গত শিলগুড়ি গাঁৱৰ গড়া খহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰে এই পৰ্য্যন্ত কি প্ৰতিৰোধ ব্যৱস্থা লৈছে?

(খ) প্ৰতিৰোধ ব্যৱস্থা ফলবতী হৈছে নে?

(গ) প্ৰতিৰোধ ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ চৰকাৰে আৰু নতুন আঁচনি লবনে?

**শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বান নিয়ন্ত্ৰন বিভাগৰ হাজো উপ-সংমণ্ডলৰ অন্তৰ্গত শিলগুড়ি গাঁৱত গড়া খহনীয়াৰ তীব্ৰতা কমাবলৈ কিছুমান অস্থায়ী প্ৰতিৰোধ ব্যৱস্থা (Palliative-Measure) ১৯৯০ চন আৰু ১৯৯২ চনৰ বাৰিষা কালত লোৱা হৈছিল।

(খ) অস্থায়ী প্ৰতিৰোধ ব্যৱস্থা (Palliative-Measure) লোৱাৰ ফলত গড়া খহনীয়াৰ তীব্ৰতা কিছু পৰিমানে কমাব পৰা হৈছে।

(গ) স্থায়ী প্ৰতিৰোধৰ বাবে এখন আঁচনি ১৮ নং কাৰিকৰী উপদেষ্টা সমিতিয়ে ছুপাৰিছ কৰিছে আৰু ১১ নং অসম ৰাজ্যিক ব্ৰহ্মপুত্ৰ উপত্যকা বান নিয়ন্ত্ৰন পৰিষদে সেই আঁচনিখনত অনুমোদন জনাইছে। কিন্তু পঁজিৰ অভাৱত এই পৰ্য্যন্ত আঁচনিখন কাৰ্য্যকৰি কৰিব পৰা হোৱা নাই।

**Re : Appointments in L.P. School.**

**Shri Mission Ranjan Das asked :**

**353. Will the Minister of Education be pleased to state :**

(a) How many appointments were made in L.P. Schools to stipendary posts and permanent but vacant posts from 1st July, 1991 to 1st March, 1993 in Karimganj Dist. (A list of appointments date,

qualification and year of passing of the employes may be placed in the table of the house.)

(b) Whether all these appointments were made through interview Board?

(c) Whether any case was filled, against these appointments in the court and if yes, what was the order of the case?

(d) Whether the Government has implemented the order of the Court?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক)

।

(খ) তথ্য বিচৰা হৈছে। পালে সদনত দাখিল কৰা হ'ব।

।

(গ)

।

(ঘ)

**বিষয় ঃ শিক্ষা বিভাগৰ দ্বাৰা স্কুল নিৰ্মাণ।**

**শ্ৰী নগেন শৰ্মাই সুধিছে ঃ**

৩৫৪। মাননীয় (শিক্ষা বিভাগৰ মন্ত্ৰী) মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ - ৯২ আৰু ১৯৯২ - ৯৩ চনত অসমত কিমান সংখ্যক প্ৰাথমিক স্কুল শিক্ষা বিভাগৰ জৰিয়তে পুণৰ নিৰ্মাণ কৰা হৈছে?

(খ) ১৯৯১ - ৯২ আৰু ১৯৯২ - ৯৩ চনত কিমান সংখ্যক মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্কলু শিক্ষা বিভাগৰ জৰিয়তে গৃহ নিম্মাৰ্ণৰ বাবে অনুদান দিয়া হৈছে?

**শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পুনৰ নিৰ্মাণ কৰা হোৱা নাই?

(খ) ১৯৯১ -৯২ আৰু ১৯৯২ - ৯৩ চনত গৃহ নিম্মাৰ্ণৰ বাবে কোনো অনুদান দিয়া হোৱা নাই?

**বিষয় ঃ বিদ্যুৎ বিভাগৰ নীতি নিয়ম ।**

**শ্ৰী যতীন মালীয়ে সুধিছে ঃ**

৩৫৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সময়মতে বিদ্যুতৰ বিল বিভাগক দিব নোৱাৰা বাবে গ্ৰাহকৰ লাইন কাটি দিয়াটো বিভাগৰ নিয়ম নে?

(খ) এনেদৰে লাইন কাটি দিয়াৰ ক্ষেত্ৰত বিভাগৰ কি নিৰ্দেশনা আছে ? (নিৰ্দেশনাৰ প্ৰতিলিপি দিব)

(গ) মিৰ্জা বিদ্যুৎ উপ সংমণ্ডল বিষয়া গৰাকীয়ে মিৰ্জাস্থি অসম গণ পৰিষদৰ কাৰ্য্যলয়ৰ লাইন কাটি দিয়াতো সঁচা নে?

(ঘ) আগতিয়াকৈ জাননী নিদি নিজাববীয়াকৈ একেদিনাই লাইন কাটি দিয়াতো বিভাগীয় ভাবে অনিয়ম হোৱা নাই নে?

(ঙ) যদি অনিয়ম হৈছে, উপ-সংমণ্ডল বিষয়া গৰাকীৰ বিৰুদ্ধে ব্যৱস্থা লবনে?

**শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী শক্তি, বিদ্যুৎ ইত্যাদি) য়ে সুধিছে ঃ**

(ক) গ্ৰাহকে সময়মতে বিদ্যুতৰ বিলৰ টকা আদায় দিব নোৱাৰিলে পৰিষদৰ নিয়ম অনুসৰি গ্ৰাহকৰ লাইন কাটিব পৰা নিয়ম আছে।

(খ) পৰিষদৰ 'Terms & Conditions of Supply, 1988 ৰ Disconnection Notice under Section 24 (1) of Indian Electricity Act মতে ৭ দিনৰ জাননী দি উক্ত সময়ৰ ভিতৰত টকা জমা নিদিলে লাইন কটাৰ নিয়ম আছে। (প্ৰতিলিপি গাঁঠি দিয়া হৈছে Annexure - I)(See Annexure - V)

(গ) মিৰ্জাৰ বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনত অসম গণ পৰিষদ নামৰ কোনো গ্ৰাহক নাই।

(ঘ) আগতিয়াকৈ জাননী নিদিয়াকৈ বিজুলী সংযোগ বিচ্ছিন্ন কৰা হোৱা নাই।

(ঙ) যিহেতু আগতিয়াকৈ জাননী নিদিয়াকৈ বিজুলী সংযোগ বিচ্ছিন্ন কৰা হোৱা নাই, সেয়েহে উপ-সংমণ্ডল বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে। –

**বিষয় ঃ বিজুলী সৰবৰাহ কৰা গাওঁৰ সংখ্যা।**

**শ্ৰী জীউৰাম বড়োয়ে সুধিছে ঃ**

**৩৫৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত এতিয়ালৈ কিমান খন গাওঁত বিজুলী সৰবৰাহ কৰা হৈছে আৰু ইয়াৰ বাবে কিমান শক্তি প্ৰয়োগ হয়?

(খ) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকক বিজুলী যোগান ধৰিবলৈ বিনামূলীয়াকৈ তাঁৰ সংযোগ কৰাৰ আঁচনি আছে নেকি আৰু যদি আছে অসমত ইয়াৰ কাৰ্য্যকৰী কৰা হ'ব নে?

**শ্ৰী গোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৩ চনৰ ২৮ ফেব্ৰুৱাৰীত পৰ্য্যন্ত ১৯,৬৮৮ খন পিয়ল ভুক্ত গাঁওলৈ বিজুলী সৰবৰাহ কৰা হৈছে।

এখন গাঁওত কিমান বিজুলী শক্তিৰ প্ৰয়োজন হ'ব সেইটো নিৰ্ভৰ কৰে গ্ৰাহকৰ চাহিদাৰ ওপৰত। সেয়ে গাওঁখনত বিজুলী শাক্তিৰ কিমান প্ৰয়োজন হ'ব সেইটো সঠিককৈ নিদ্ধাৰণ কৰা কঠিন।

(খ) বৰ্ত্তমান তেনে কোনো আঁচনি পৰিষদৰ হাতত নাই।

**বিষয় ঃ আসামে এম, ই মাদ্ৰাসা এবং হাই মাদ্ৰাসাৰ সংখ্যা।**

৩৫৭। মাননীয় শিক্ষা বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) আসামে এম, ই, মাদ্রাসা এবং হাই মাদ্রাসার সংখ্যা ক'ত আর উক্ত মাদ্রাসা গুলিতে ক'তজন শিক্ষক-শিক্ষয়ত্রী কৰ্ম্মরত আছেন?

(খ) এম, ই, মাদ্রাসার শিক্ষকদের Pay Scale এবং হাইমাদ্রাসার শিক্ষকদের Pay Scale ক'ত?

(গ) আসামে সৰ্ব্বমোট সংস্কৃত টোল এবং সংখ্যা ক'ত? টোলে কৰ্ম্মরত পণ্ডীতসের বেতন ক্রম (Pay Scale) ক'ত?

**শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তথ্য বিচৰা হৈছে।

(খ) এম, ই, মাদ্ৰাচাৰ শিক্ষকৰ Pay Scale 1185 - 2395

হাইমাদ্ৰাচাৰ শিক্ষকৰ Pay Scale এনেধৰণৰ

Graduate Scale 1375/ - 3375/ -

Intermediate Scale 1185/ - 2395/ -

(গ) বৰ্ত্তমান অসমত পূৰ্ণ মঞ্জুৰী প্ৰাপ্ত (Upgraded) ৭৫ খন সংস্কৃত আৰু পালিটোল আছে। ইয়াৰ উপৰিও ৯ খন তদৰ্থ মঞ্জুৰী প্ৰাপ্ত (Adhoc grant) সংস্কৃত টোল আছে।

পূৰ্ণ মঞ্জুৰীপ্ৰাপ্ত আৰু পালিটোলৰ পণ্ডীত সকলে বৰ্ত্তমান ১৯৮১ ইং চনৰ দৰমহা আয়োগৰ নিৰ্দ্ধাৰিত বেতন ও বানচ আদি পায় আছে।

**Re : Rural Electrification Scheme.**

**Shri Parameswar Brahma asked :**

**358. Will the Minister of Power & Rural Electrification be pleased to state :**

(a) Whether the rural Electrification Scheme are abandoned in Bodo areas and at Kokrajhar District in Particular?

(b) What steps have been taken to improve the Condition of Electricity supply in rural areas and to completed halfdone Scheme in the aforesaid District?

**Shri Gopinath Das (Minister of State Power, Rural Electrification) replied:**

(a) Rural Electrification Schemes are neither abandoned in Bodo areas not at Kokrajhar District. Against a target of electrification of 15 Nos. of Villages in the entire State during 1992-93, 1 nos of village has been electrified in Kokrajhar District.

(b) (i) With the improvement of overall power position in the State,

supply to rural areas is expected to improve provided the State Government subsidies the difference in tariff and cost of supply.

(ii) Extension of electrification in the already electrified Villages will be carried out in a phased manner depending upon the load demand. To carry out this programme sufficient fund is required. The works can be taken up only with the availability of fund.

**বিষয় ঃ পহুমৰা কালদিয়া টিহু নদীৰ পাৰৰ মথাউৰিৰ ব্যৱস্থা।**

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

৩৫৯। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ পহুমৰা, কালদিয়া, টিহু আদি নদীয়ে ভয়াবহ বানপানীৰ সৃষ্টি কৰাটো সঁচানে?

(খ) যদি সঁচা নদী সমূহৰ দুয়োপাৰে মথাউৰিৰ ব্যৱস্থা কৰি বানপানী প্ৰতিৰোধৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী হৰেন ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় সঁচা।

(খ) পহুমৰা নদীৰ দুয়োপাৰৰ কিছু অংশত মথাউৰি আছে আৰু ইয়াৰ দ্বাৰা দাঁতি কাষৰীয়া বহু ঠাইত বানপানীৰ কবলৰ পৰা ৰক্ষনাবেক্ষন দিয়া হৈছে। নামনিৰ পিনে পহুমৰা, কালদিয়া, টিহু আৰু বুঢ়াদিয়া নদীৰ পানীয়েহে বানপানীৰ সৃষ্টি কৰে।

কালদিয়া নদীৰ ৰাষ্ট্ৰীয় ঘাই পথৰ উত্তৰ অংশত ঠাই বিশেষেহে মথাউৰি আছে। কিন্তু দক্ষিণ অংশত বানপাণী প্ৰতিৰোধৰ বাবে মথাউৰি নাই। টিহু নদীতো মথাউৰি নাই। এই নদীকেইখনৰ মথাউৰি নথকা অঞ্চল বিলাকত বানপানী সৃষ্টি কৰা অৱস্থাৰ পৰ্য্যবেক্ষণ কৰি থকা হৈছে।

**বিষয় ঃ অভিযান্ত্ৰিক মহাবিদ্যালয়।**

**শ্ৰী হিতেশ ডেকাই সুধিছে ঃ**

৩৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত মুঠতে কিমানখন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক প্ৰতিষ্ঠান আছে? (বিতং তালিকা সদনৰ মেজত দিব)

(খ) এই মহাবিদ্যালয়ত আৰু প্ৰতিষ্ঠান সমূহত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা কিমান?

(গ) ৰাজ্যখনত বছৰি গড়ে কিমান স্নাতক অভিযন্তা আৰু ডিপ্লমাধাৰী অভিযন্তা সৃষ্টি হয়?

(ঘ) ৰাজ্যখনত থকা বৰ্ত্ত মান নিবনুৱা স্নাতক অভিযন্তা আৰু ডিপ্লমাধাৰী অভিযন্তাৰ সংখ্যা কিমান?

**শ্ৰী গোলোক ৰাজবংশী (মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত মুঠতে তিনিখন অভিযান্ত্ৰিক মহাবিদ্যালয়, নখন অভিয়ান্ত্ৰিক প্ৰতিষ্ঠান আৰু দুখন জুনিয়ৰ টেক্‌নিকেল স্কুল আছে? (বিতং তালিকা পৰিশিষ্ট (ক) দিয়া হৈছে)

(See Annexure - VI)

(খ) ৬,০২০ জন ।

(গ) যোৱা ৫ বছৰৰ তথ্য অনুযায়ী বছৰি গড়ে স্নাতক অভিযন্তা ৪৫০ জন আৰু ডিপ্লমাধাৰী অভিযন্তা ৪০০ জন ।

(ঘ) অসম চৰকাৰৰ শ্ৰম আৰু নিয়োগ বিভাগৰ পৰা পোৱা তথ্য অনুযায়ী বৰ্ত্তমান নিবনুৱা স্নাতক অভিযন্তা ১,৯৭৩ জন আৰু ডিপ্লমাধাৰী অভিযন্তা ৫,৮৪৪ জন।

**বিষয় ঃ অৱসৰৰ পাছত কাৰ্য্যকাল বৃদ্ধি।**

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

৩৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ সময়ছোৱাত শিক্ষা বিভাগত কাম কৰা কিমান জন বিষয়াৰ কাৰ্য্যকাল অৱসৰৰ পাছত বৃদ্ধি কৰা হৈছে আৰু কিমান দিন পৰ্য্যন্ত কৰা হৈছে জনাবনে?

(তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) এনে চাকৰি ম্যাদ বৃদ্ধিকৰণে প্ৰমোচনৰ উপযুক্ত শিক্ষা বিভাগৰ বিষয়া সকলৰ মাজত ক্ষোভ সৃষ্টি কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, শিক্ষা বিভাগত এনেদৰে অৱসৰ প্ৰাপ্ত বিষয়াৰ চাকৰি কাল বৃদ্ধি নকৰিবলৈ ব্যৱস্থা লবনে?

**শ্ৰী গোলোক ৰাজবংশী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দুজন (কাৰ্য্যকাল বৃদ্ধি কৰা বিষয়াৰ তালিকা সংলগ্ন কৰা হ'ল)

(খ) জ্ঞাত।

(গ) সাধাৰণতে কাৰ্য্যকাল বৃদ্ধি কৰা নহয়।

**কাৰ্য্যকাল বৃদ্ধি কৰা শিক্ষা বিষয়াৰ তালিকা।**

১। শ্ৰী প্ৰভাত চন্দ্ৰ কোঁৱৰ, প্ৰাথমিক শিক্ষা সঞ্চালক - ২ বছৰ ।

২। শ্ৰী পৰেশ চন্দ্ৰ ডেকা, জ্যেষ্ঠ প্ৰবক্তা, অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউট - ৬ মাহ।

**বিষয় ঃ চৰকাৰী কাৰ্য্যালয়ত বিদ্যুৎ সৰবৰাহ বন্ধ।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

**৩৬২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

বৰ্ত্তমানৰ চৰকাৰে কিমানটা চৰকাৰী কাৰ্য্যালয়ৰ কৰ আদায় নিদিয়াৰ বাবদ বিদ্যুৎ সৰবৰাহ বন্ধ কৰিছে চৰকাৰী বিভাগ অনুসৰি জনাবনে লগতে এই বিভাগ সমূহৰ পৰা পাব লগা কৰৰ পৰিমাণ কিমান টকা।

**শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী শক্তি বিভাগ)য়ে উত্তৰ দিছে ঃ**

চৰকাৰী কাৰ্য্যালয় সমূহে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কৰ আদায় দিয়াৰ বাবদ বিদ্যুৎ

সৰবৰাহ বন্ধ কৰা আৰু পাব লগা কৰৰ এখন তালিকা ইয়াৰ লগত গাঠি দিয়া হল।

(See Annexure - VII)

**বিষয় ঃ স্কুলৰ পৰিচালনা সমিতি।**

৩৬৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছয়গাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ছয়গাওঁ চম্পকনগৰ ছোৱালী হাইস্কুল, গুমী হাইস্কুল আৰু পান্তান হাইস্কুলৰ পৰিচালনা সমিতি আছে নে?

(খ) যদি আছে, পৰিচালনা সমিতি সমূহৰ সভাপতি সকলৰ নাম জনাবনে?

**শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, আছে।

(খ) ছয়গাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিৰিৰ সভাপতি জনৰ নাম শ্ৰী সূৰ্য্যকান্ত কলিতা, মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি জনৰ নাম শ্ৰীজয় কুমাৰ জৈন, ছয়গাওঁ চম্পক নগৰ ছোৱালী হাইস্কুলৰ পৰিচালনা সভাপতি শ্ৰীজয় কুমাৰ জৈন, গুমী হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীমতলেব আলি আৰু পান্তান হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি জনৰ নাম শ্ৰী লোহিত চন্দ্ৰ ডাকুৱা।

**বিষয় ঃ অসম কেড্াৰ মেনেজমেন্ট সমবায় সমিতি।**

**শ্ৰী জয়নাথ শৰ্ম্মাই সুধিছে ঃ**

৩৬৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

১। অসম কেড্াৰ মেনেজমেণ্ট সম-সমবায় সমিতি বস্তুটো কি?

২। উক্ত সমবায় সমিতিখন কেতিয়া আৰু কাক লৈ গঠন কৰা হৈছিল?

৩। বৰ্ত্তমান কেইজন সম্পাদক আছে ?

৪। যোৱা কেইমাহ ধৰি সম্পাদক বিলাকে কেডাৰ সমিতিখনৰ পৰা মাহিলি দৰমহা পোৱা নাই চৰকাৰ অৱগত নে?

৫। তেওঁলোকৰ প্ৰভিডেণ্ট ফান্দ (ভৱিষ্যনিধি) কি হাৰে কটা হয় আৰু সম্পাদক সকলৰ পৰা মাহিলী উক্ত টকা কটা হৈছে নেকি?

৬। তেওঁলোকৰ এল, টি, চি বনাচ পেঞ্চন কি হাৰে দিয়া হয়? আৰু চাকৰি অৱসৰ গ্ৰহনৰ নিয়ম কি?

৭। তেওঁলোকৰ গৃহ নিৰ্মানৰ কাৰণে কিবা অগ্ৰিম টকা দিয়া হয় নেকি?

**শ্ৰী নগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

১। কেডাৰ সম্পাদক সকলক পৰিচালনা কৰাৰ বাবে গঠিত ৰাজ্যিক ভিত্তি সমবায় সমিতি।

২। ১৯৭৫ চনত অসম চৰকাৰ অৰ্থযোগান কাৰী বেংক আৰু গাওঁ পঞ্চায়ত পৰ্য্যায়ত সমবায় সমূহৰ সহযোগত গঠন কৰা হৈছিল।

৩। বৰ্ত্তমান এই সমিতিত কেডাৰ ভুক্ত সম্পাদক পদৰ সংখ্যা ৫১৬ জন।

৪। ১।৪।৯২ তাৰিখৰ পৰা, হয়।

৫। প্ৰভিডেন্ট ফাণ্ড কোনো সম্পাদকৰ বেতনৰ পৰা এতিয়ালৈকে কটা হোৱা নাই। আঞ্চলিক ভৱিষ্যত নিধি আয়ুক্তৰ কাৰ্য্যলয়ত ভৱিষ্যতনিধি সম্পৰ্কত এটা গোঁচৰ চলি আছে।

৬। এল, টি, চি, বনাচ পেঞ্চন আদি দিয়াৰ ব্যৱস্থাসমিতিৰ উপবিধিত নাই। চৰকাৰৰ নীতি আনুযায়ী আৰু এই সমিতিৰ কৰ্মচাৰী নিয়োগ নিয়মাৱলী ১৬ ধাৰা অনুযায়ী চাৰকীৰ পৰা ৫৮ বছৰ বয়সত অৱসৰ দিয়াৰ ব্যৱস্থা আছে।

৭। নহয়।

**বিষয় ঃ অৱসৰপ্ৰাপ্ত শিক্ষকৰ পেঞ্চন।**

৩৬৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩ চনৰ মাৰ্চ মহলৈকে কিমান অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষকৰ পেঞ্চনৰ কেচ নিস্পত্তি নোহোৱাকৈ আছে।

(খ) অৱসৰপ্ৰাপ্ত প্ৰাথিমিক শিক্ষকৰ পেঞ্চন সমস্যা শীঘ্ৰে সমাধান কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লবনে?

**শ্ৰী গৌতম বৰা (মাননীয় শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৫ ।

(খ) অৱসৰ প্ৰাপ্ত প্ৰাথমিক শিক্ষকৰ পেঞ্চন সমস্যা শীঘ্ৰে সমাধান কৰাৰ বাবে অধিক কৰ্মচাৰী আদিৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয়ঃ বিদ্যালয়ত দুজনীয়া শিক্ষকৰ ব্যৱস্থা।**

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৩৬৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ মুঠ কিমানখন এজনীয়া শিক্ষক থকা প্ৰাইমেৰী বিদ্যালয় আছে?

(খ) তিনিচুকীয়া মহকুমাৰ ২ নং ৰঙালী লেছেংকো আৰু এন, চি, হেবেদা প্ৰাইমাৰী বিদ্যালয় দুখনত মাত্ৰাধিক ছাত্ৰ-ছাত্ৰী থকা সত্বেওঁ দুয়োখন বিদ্যালয়ৰ পৰা সহকাৰী পদ উঠাই দি এজনীয়া কৰা তথ্য সচাঁনে?

(গ) উক্ত দুয়োখন বিদ্যালয়ৰ সহকাৰী পদ দুটা ডিব্ৰুগড় শিক্ষা বিষয়াই ডিব্ৰুগড় জিলালৈ তুলি নিয়া তথা সঁচানে?

(ঘ) বিদ্যালয় দুখনৰ স্বাৰ্থ-ৰক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

**শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক)
(খ)} তথ্য বিচৰা হৈছে। পালে সদনত দাখিল কৰা হ'ব।

(গ)
(ঘ)

Re : Free Supply of Book.

Shri Samarendra Nath Sen Asked :

367. Will the Minister of Education be pleased to state :

(a) Whether in the last S.D.P.C. meeting held on 1.2.93 Education Department placed a demand for 25 lakhs of rupees for the free supply of books for the students of Silchar Sub-division?

(b) The category of books and the norms of supplying books and the price of each book?

শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তথ্য বিচৰা হৈছে। তথ্য পালে সদনত জনোৱা হ'ব।

(খ)।

Re : Total requirements of Electricity .

Shri Alauddin Sarkar asked :

368. Will the Minister of Power be pleased to state :

(a) What is the total requirements of electricity in the District of Dhubri both rural and urban per day?

(b) What is the quantity actualy supplied?

(c) What steps have been taken to meet the short fall?

Shri Debananda Konwar (Minister, Power Electricity etc.), replied :

(a) Power in Assam it transmitted through, E.H.T. lines to the arid Sub-Stations. The E.H.T. voltage is again stepped down to 33 KV and 11 KV in the Sub-Stations. The 33 KV and 11 KV lines responsible for distributing power to the consumers are not restricted within the geographical boundary of a district and as such it is not practicable to measure district wise requirement of power.

(b) Power sent out by the 33 KV line from 132/33 KV Gossaigaon Sub-Station it fed to the 33/11 KV Dhubri and Gauripur Sub-Stations. Major portion of power received by these two Sub-Sta-

tions is utilized in the Dhubri District itself. Quantum of energy fed from the 132/22 KV Gossaigaon Sub-Station through the 33 KV line to Dhubri and Gauripur Sub-Stations for the months of January February , 1993 are as follows :

January '93, 2,2324 M.U. 1072 M.U. per day February, 932, 192 M.U. 0.0776 M.U. per (average) day (average).

(c) The shortfall in power supply to Dhubri District is a part of the overall shortfall in availability of power in the whole of Assam, B.T.P.S. Is now generating between 75-100 MW. Although it is possible to step this up by a further 40-50 M.W. In the absence of cash support, the Board has been unable to utilise this machine. The Board has taken up a plan programme under the head " Renovation and Modernisation of BTPS, NTPS, CTPS, LTPS and MGT" to be implemented in a phased manner. Once completed, 128 MW of installed capacity would be restored. This programme has also suffered due to non-availability of planned fund. The supply to the district of Dhubri is exprected to improve on commissioning of the 132/33 KV Gauripur Sub-Station, which is being commissioned in the immediate future.

**বিষয় ঃ কাকুয়া গ্ৰাম হাইস্কুলকে হাইয়াৰ চেকেণ্ডাৰী পৰ্য্যায়ে উন্নিত কৰণ।**

**শ্ৰী প্ৰণৱ কুমাৰ নাথ জিজ্ঞাসা করছেন।**

৩৬৯। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

করিমগঞ্জ সমষ্টির অন্তরগত কাকুয়া গ্রাম হাইস্কুলকে হাইয়ার সেকেণ্ডারী পর্য্যায়ে উন্নিত করার ব্যাপারে সরকার কি কি পদক্ষেপ নিয়েছেন?

**শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে?**

দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ ফাকুয়াগ্ৰাম হাইস্কুল খনক চৰকাৰে পদ বিহীন স্বৰ্ত্তসাপেক্ষে একাদশ শ্ৰেণী খুলিবলৈ অনুমতি প্ৰদান কৰিছে।

**বিষয় ঃ শোলমাৰীত অৰ্দ্ধনিৰ্মিত বান্ধৰ কাম।**

**শ্ৰী নজমুল হকে সুধিছে ঃ**

৩৭০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা বান নিয়ন্ত্ৰণ সংমণ্ডলৰ অধীনত খৰমুজা ফকিৰগঞ্জ মথাউৰি বান্ধৰ শোলমাৰীত

নতুনকৈ বন্ধা অৰ্দ্ধনিৰ্মিত বান্ধৰ কাম কেতিয়া আৰম্ভ কৰা হয়?

(খ) উক্ত মথাউৰীৰ কাম সম্পুৰ্ণ কৰাৰ আগতে মাটিৰ মালিক সকলোৰ ক্ষতিপূৰণ আৰু ঠিকাদাৰ সকলোৰ বিলৰ টকা আদায় দিয়া হবনে?

(গ) বৰ্ত্তমান মাৰ্চ মাহৰ ভিতৰতেই শোলমাৰী বান্ধৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হ'বনে?

**শ্ৰী হৰেণ ভূমিজ (মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানে চলি থকা অৰ্থ সংকটৰ অৱস্থা উন্নতি হলেহে বান্ধ নিৰ্মাণৰ কাম পুনৰ আৰম্ভ কৰিব পৰা যাব।

(খ) মাটিৰ মালিক সকলৰ ক্ষতিপূৰণ আৰু ঠিকাদাৰ সকলৰ বিলৰ টকা পৰিশোধ কৰাটোও পূঁজিৰ যোগানৰ ওপৰতে নিৰ্ভৰ কৰিছে।

(গ) পূঁজিৰ নাটনিলৈ চাই এই মাচৰ ভিতৰতেই কাম আৰম্ভ হোৱাৰ আশা নাই।

**বিষয় ঃ উপযুক্ত গৃহ নোহোৱা স্কুলেৰ সংখ্যা।**

৩৭১। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি?

(ক) হাইলাকান্দি জেলায়ে মে স্ব এম, ই, এবং, এম, ভি, স্কুলে শিক্ষা প্রদানের জন্য স্কুল গৃহ নাই বা শিক্ষা প্রদানের জন্য উপযুক্ত গৃহ নাই তার সংখ্যা ক'ত?

(খ) ঐ সব স্কুল গৃহ মেরামতি বা পুনঃ নির্মানের জন্য চরকার এই আর্থিক বৎসরে কোন ব্যৱস্থা নিয়েছেন কি?

(গ) ঐ সৱ স্কুলে আসবাব পত্রর দেওয়ার কোন পৰিকল্পনা সরকারের আছে কি? করে দেওৱা হবে?

**শ্ৰী গৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হাইলাকান্দি জিলা প্ৰাথমিক বিষয়াৰ পৰা যাৱতীয় তথ্য বিচৰা হৈছে।

(গ) তথ্য পালে সদনত দাখিল কৰা হ'ব।

**বিষয় ঃ শিক্ষক নথকা প্ৰাইমাৰী বিদ্যালয়।**

**শ্ৰী পানীৰাম ৰাভাই সুধিছে ঃ**

৩৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰমা সমষ্টিৰ বগৰীবাৰী (Bagaribari) প্ৰাথমিক বিদ্যালয় চাউলপৰা প্ৰাথমিক বিদ্যালয় আৰু লেব্ৰা শান্তিপুৰ প্ৰাথমিক বিদ্যালয় সমূহত ২ বছৰ ধৰি চৰকাৰী শিক্ষক নথকাটো সঁচা নেকি।

(খ) যদি সঁচা, কিয় শিক্ষক দিয়া হোৱা নাই?

**শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সচাঁ নহয়।

(খ) প্ৰশ্ন নুঠে।

**Re : Karimganj District Library**

**Shri Mission Ranjan Das Asked :**

**373. Will the Minister of Education be pleased to state :**

(a) Whether the Government is going to construct the Karimganj District Library-cum-Auditorium in 1993 - 94 as per assurance of the Government during last Budget Session.

(b) If yes, When it will be started?

(c) If not, why not?

**Shri Golok Rajbangshi (Minister of Education) Replied :**

(a) No, it was, not assured.

(b) Does not arise

(c) Non-availability of land so far.

**Re : Cigarette Factory at Bilashipara**

**Shri Giasuddin Ahmed Asked:**

**374. Will the Minister of Industries be pleased to state :**

(a) Is it a fact that "Industrial importance of Bilasipara has been enhanced by the Cigarette Factory, a major Industry, setup by A.I.D.C. under joint sector "as mentioned in page 237 of the book "Assam 1992" complied and published in August 1992 by the Directorate of Information and Public Relations Assam?

(b) What is the basic and back ground of this pleasant piece of news?

(c) Whether it is a fact that nearly two decades back the then Government of Assam decided to setup a Cigarette factory at Bilasipara under joint sector and that the said decision was never implemented?

(d) Will the present Government take concrete steps for implementation of the said decision?

**Shri Bizit Saikia (Minister of Industries, Assam) Replied :**

(a), (b) & (c) A.I.D.C. obtained an Industrial Licence from Govt. of India for setting up of a Cigarette project with an annual capacity of 3000 million pieces of Cigarettes. It was decided to implement

the project in joint sector with M/S Golden Tobacco Co. Ltd., Bombay.

The land measuring about 204 bighas had been taken over by AIDC Ltd. near Bilasipara for the implementation of the project. The 1st phase Cigarette project (making and packing only) has been implemented with production of 1500 million pcs. of Cigarettes per annum at Bhangagarh, Guwahati.

(d) The Assam Industrial Development Corporation Ltd. has fully disinvestment from this project. Therefore the Govt. has no proposal to set up the factory at Bilasipara.

**বিষয় ঃ গ্ৰাম্য অঞ্চলত বিজুলী কৰাব কাৰণ ঃ**

**শ্ৰী মুনীন মহন্তই সুধিছে ঃ**

**৩৭৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) গ্ৰাম্য অঞ্চলত বিজুলী যোগান ব্যৱস্থাত মিটাৰৰ পৰিবৰ্ত্তে (Point System) কৰাৰ কাৰণ সমূহ জনাবনে ?

(খ) এই ব্যৱস্থাটোৰ পৰিবৰ্ত্তন শীঘ্ৰে কৰাৰ ব্যৱস্থা লবনে ?

**শ্ৰী গোপী নাথ দাস (ৰাজ্যিক শক্তি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পিয়ল ভুক্ত গাওঁৰ গ্ৰাহকৰ সংখ্যা ৩০০ খনৰ কম হলে পৰিষদৰ আৰ্থিক দিশৰ পৰা গ্ৰাহকৰ ঘৰত মিটাৰৰ পৰিবৰ্ত্তে পইন্ট (Point) হিচাবে বিজুলী যোগান ধৰা হয়।

খ) এই ব্যৱস্থাটো পৰিবৰ্ত্তনৰ বাবে পৰিষদৰ বিবেচনাধীন হৈ আছে। যিহেতু (Point System)ত ব্যৱহৃত বিদ্যুত শাক্তিৰ সঠিক নিৰূপন নহয়।

**বিষয় ঃ ডিব্ৰুগড় জিলাৰ প্ৰাথমিক শিক্ষা দপ্তৰৰ টকা।**

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

**৩৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ডিব্ৰুগড় আৰবান ইণ্ডাষ্ট্ৰিয়েল বেংকত অবিভকত ডিব্ৰুগড় জিলাৰ প্ৰাথমিক শিক্ষা দপ্তৰৰ কেইবা লাখো টকা মৰা বাতৰি সঁচানে ?

(খ) যদি সঁচা , কিমান টকা মৰা পৰিল জনাবনে ?

(গ) কি উদ্দেশ্য উক্ত টকা আবণ্টন দিয়া হৈছিল ?

(ঘ) উক্ত টকা কিয় খৰছ নকৰি জমা থোৱা হৈছিল ?

(ঙ) চৰকাৰী লেৰনেদ State Bank ৰ যোগেদি নকৰি কিয় Urban Industrial Bank ত জমা থোৱা হৈছিল।

(চ) উক্ত টকা উদ্ধাৰৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী গৌতম বৰা (মাননীয় শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক)
(খ)
(গ)
(ঘ)
(ঙ)
(চ) } তথ্য বিচৰা হৈছে।

**বিষয় ঃ প লাশবাৰী সমষ্টিত বিদ্যুতৰ অভাৱ।**

**শ্ৰী যতীন মালীয়ে সুধিছে ঃ**

**৩৭৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বিজুলী বাতিৰ ব্যৱস্থা থকা স্বত্বেও কেৱল ট্ৰেন্সফৰ্মাৰ অভাৱত পলাশবাৰী সমষ্টিত বৰ্ত্তমান কিমানখন গাওঁ আন্ধাৰত ডুব গৈ আছে?

(খ) সমষ্ঠিটোৰ অন্তৰ্গত মহমাৰাহ (জনজাতীয় গাওঁ) গাওঁত বিগত এবছৰ ট্ৰেন্সফমাৰ নোহোৱাৰ ফলত আন্ধাৰ হৈ থকাটো সঁচানে?

(গ) আন্ধাৰত ডুবগৈ থকা গাওঁ কেইখনত অগ্ৰাধিকাৰ ভিত্তিত ট্ৰেন্সফমাৰ বহুৱাই দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী গোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী, শক্তি বিভাগ)য়ে উত্তৰ দিছে ঃ**

(ক) পলাশবাৰী সমষ্টিৰ ৭ (সাত) খন গাওঁত বেয়া হৈ থকা ট্ৰেন্সৰ্ফমাৰ বদলি কৰিব নোৱাৰা বাবে বিদ্যুৎ যোগান ব্যাহত আছে।

(খ) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মহমাৰাহ (জনজাতীয় গাওঁ) গাওঁৰ প্ৰয়োজনীয় লাইৰ কাম সম্পূৰ্ণ কৰি ট্ৰেন্সৰ্ফমাৰ সংযোগ কৰিবলৈ এতিয়াও বাকী আছে। আধৰুৱা হৈ থকা কামখিনি গ্ৰাম্য বৈদ্যুৎতিকৰণ আঁচনিৰ জৰিয়তে সম্পূৰ্ণ কৰিবলৈ অনুদান প্ৰাপ্তি সাপেক্ষে কৰিব পৰা হ'ব।

(গ) উক্ত কামখিমি সম্পূৰ্ণ কৰি তুলিবলৈ যথেষ্ট পৰিমানৰ পুঁজৰি আৱশ্যক। এই পুঁজিৰ যোগাৰ হলেই কামখিনি পৰ্য্যায় ক্ৰমে কৰিব পৰা হ'ব।

**Sub : Diversion of water from Barak River.**

**Shri Samarendra Nath Sen asked :**

**★379. Will the Minister, Flood Control be pleased to state :**

(a) Whether there is any scheme included in the 8th Plan to divert water of river Barak Uto Chatla Haor to Cogra river up-grading

Rangirkhan Khal, Rengti Khal, Boaljur Khal and also construction of some sluice gates?

(b) If so, when the work would start?

**Shri Haren Bhumij (Minister, Flood Control) Replied :**

(a) No.

(b) Does not arise.

**বিষয় ঃ কলেজ সমূহের চাকরী প্রাদেশীকরণ**

**শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰে সুধিছে ঃ**

**৩৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ?**

(ক) আসামের প্রাদেশীকৃত (Provincialised) কলেজ সমূহের কেরেণী তৃতীয় শ্রেণী, ৪র্থ শ্রেণী চকুরীয়াল দের চাকুরী প্রাদেশীকৰণ করা হবে কি?

(খ) এত দিন প্রাদেশীকরণ না হওয়ার কারণ কি?

(গ) কবে ঐ সব চাকুরী প্রাদেশীকরণ করা হবে?

**শ্ৰী গোলক ৰাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত কোনো প্রাদেশীকৃত কলেজ নাই। গতিকে ইয়াত কাম কৰি থকা কৰ্ম্মচাৰী সকলৰ চাকৰি প্রাদেশীকৰণ কৰাৰ প্রশ্ন নুঠে।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

**বিষয় ঃ ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয় প্ৰাদেশীকৰণ।**

**শ্ৰীহিতেশ ডেকাই সুধিছে ঃ**

**৩৮১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসম চৰকাৰে ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয় সমূহ প্রাদেশীকৰণ কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছে নেকি?

(খ) যদি কৰিছে আটাইবোৰ মহাবিদ্যালয় প্রাদেশীকৃত হব নে আংশিক ভাবে কৰা হব আৰু ইয়াৰ বাবে কি নীতি গ্রহণ কৰা হব?

(গ) চৰকাৰে ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয় সমূহৰ অধ্যক্ষ, শিক্ষক আৰু কৰ্ম্মচাৰীৰ পদ সমূহ পৃথক পৃথককৈ চৰকাৰীকৰণ কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছে নেকি?

**শ্ৰীগোলক ৰাজবংশী (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নাই কৰা।

(খ) প্রশ্ন নুঠে।

(গ) এই বিষয়ে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

**Re : Introduction of Manipuri Language**

**Shri Mission Ranjan Das Asked :**

**382. Will the Minister of Education be pleased to state :**

(a) Whether the Govt. is going to introduce Bishnupriya Manipuri Language in L. P. Level Schools in such Linguistic people dominated areas as per assurance given in the last Budget session?

(b) If yes, from when it will be introduced?

(c) If not state reasons thereof.

**Shri Gautam Bora (Minister of State, Education) replied :**

(a) Yes.

(b) Not yet implemented

(c) The decision to introduce Bishnupriya Manipuri Language in L. P. level School was taken by the Govt. In view of objection, raised by the Govt. of Manipur to the Govt of India, regarding inclusion of the word 'Manipur' with Bishnupriya. The decision to introduce 'Bishnupriya Manipuri' language has been stayed till receipt of clearance from the Govt. of India.

**বিষয় – কাছাড় জেলায় ধলাই সমষ্টিত গ্ৰামীন বিদ্যুতি করন।**

**শ্ৰীপরিমল শুক্লবৈদ্য জিজ্ঞাসা করছেন ঃ**

৩৮৩। মাননীয় শক্তি বিভাগর মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বৰ্ত্তমান সরকারের কার্য্যকালে কাছাড় জেলার ধলাই সমষ্টিতে গ্রামীন বিদ্যুতিকরন বিভাগ কর্ত্তৃক কোন কোন স্থানে নূতন লাইন বসানো হয়েছে এবং নির্মিত লাইনের দৈর্ঘ্য কত?

(খ) বিভিন্ন কারনে যে লাইন গুলাতে বিদ্যুৎ সরবরাহ বন্ধছিল, ঐ গুলির মধ্যে কত কিঃ মিঃ বা মিটার বিদ্যুত সরবরহের উপযুক্ত করা হয়েছে?

**শ্ৰীগোপীনাথ দাস (ৰাজ্যিক, শক্তি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেন ঃ**

(ক) বৰ্ত্তমান সরকারের কার্যকালে কাছাড় জেলার ধলাই সমষ্টিতে গ্রামীন বিদ্যুতি করন বিভাগ কর্ত্তৃক কোনও নূতন লাইন বসানো হয় নাই।

(১) ১৭ কিঃমিঃ ১১ কেডি লাইন এবং

(২) ১৫.৭ কিঃ মিঃ এল টি লাইন মেরামত করে বিদ্যুৎ সরবরাহের উপযুক্ত করা হয়েছে।

**বিষয় – জাগীৰোড স্পান চিল্ক মিল আধুনিকীকৰণ।**

**শ্ৰীমুনিন মহন্তই সুধিছে ঃ**

৩৮৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জাগীৰোডৰ অসম সুতা কলৰ আধুনিকীকৰণ কৰিবলৈ আৰু ইয়াৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ নকৰিবলৈ কৰা ৰাজহুৱা আবেদন সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(খ) এই সুতাকলৰ মেচিন আদি কেতিয়া প্ৰতিষ্ঠা কৰিছিল আৰু বৰ্তমানলৈকে তাক আধুনিকীকৰণ বা মেৰামতি বা পুনৰস্থাপনৰ ব্যৱস্থা কৰা হৈছিল?

(গ) অসমৰ এড়ি মুগা পাটৰ বাবে প্ৰতিষ্ঠা কৰা মিলটোলৈ কৰ্ণাটকৰ পৰা Silk Bary by product অনাৰ সিদ্ধান্ত কেতিয়া আৰু কেনেকৈ হ'ল আৰু কিয় হ'ল?

(ঘ) এই সিদ্ধান্তই spun silk Mills ৰ প্ৰতিস্থাৰ মূল লক্ষ্যৰ পৰা আঁতৰি গৈছে নেকি?

**শ্ৰীবিজিৎ শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰ জ্ঞাত।

(খ) ইংৰাজী ১৯৬০ চনৰ শেষ ভাগৰ পৰা ১৯৬১ চনৰ ভিতৰত প্ৰতিষ্ঠা কৰা হৈছিল। সময়ে সময়ে মেচিন মেৰামতি কৰাৰ বাহিৰেও কিছু নতুন মেচিন বহুৱা হৈছিল।

(গ) আৰু (ঘ) সিদ্ধান্ত মিল আৰম্ভণীৰ পৰাই লোৱা হৈছিল। কাৰণ মালবাৰী চিল্ক ৱেষ্টৰ মূল্য এড়ি মুগা ৱেষ্টৰ মূল্যতকৈ কম, সহজতে পোৱা গৈছিল, এড়ি আৰু মুগা সূতাৰ তুলনাত মালবাহী চিল্ক সুতাৰ বজাৰ সাংগনিক আৰু চাহিদা বেছি।

**বিষয় – হিন্দী মাধ্যমৰ শিক্ষক নিয়োগ।**

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৩৮৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া মহকুমাৰ অসমীয়া মাধ্যমৰ মহাকালি গ্ৰান্ট (Mahakali Grant MV) মজলীয়া বিদ্যালয়ত হিন্দী মাধ্যমৰ এজন শিক্ষক নিয়োগ কৰা কথা সচাঁনে?

(খ) তিনিচুকীয়া জিলাত মুঠ কিমানখন (অসমীয়া) মজলীয়া মাধ্যমৰ বিদ্যালয়ত অনা অসমীয়া মাধ্যমৰ শিক্ষক নিযুক্তি দিয়া হৈছে? (তালিকা সদনৰ মেজত দিব)

**শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তিনিচুকীয়া জিলা প্ৰাথমিক বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

(খ) তথ্য পালে সদনত দাখিল কৰা হব।

**বিষয় – পলাশবাৰী সমষ্টিৰ বৈদ্যুতিকৰণ গাঁওত Wooden Post ৰ সংখ্যা।**

**শ্ৰীযতীন মালীয়ে সুধিছে ঃ**

৩৮৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বৈদ্যুতিকৰণ কৰা গাওঁ সমূহৰ বেয়া Wooden post বোৰ সলনি কৰাৰ বাবে মিৰ্জা বৈদ্যুতিক সংমণ্ডলে কিবা প্ৰস্তাৱ দিছে নেকি?

(খ) যদি প্ৰস্তাৱ দিছে কেতিয়া আৰু কিমান Wooden post সলনিৰ উদ্দেশ্য জনাবনে?

(গ) মির্জা সংমণ্ডলে বিচৰা মতে (পলাশবাৰী সমষ্টিৰ বাবে) বেয়া Wooden post সলনি দিয়া কৰিবনে?

**শ্ৰীগোপী নাথ দাস (ৰাজ্যিক, শক্তি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আৰু (খ) বেয়া হৈ থকা কাঠৰ খুটা বিলাক PSC খুটাৰে সলনি কৰাৰ বাবে মির্জা বৈদ্যুতিক সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাই প্ৰস্তাৱ দিছে। কিমান খুটা বেয়া হৈ আছে এই সংক্ৰান্তত যাৱতীয় তথ্যপাতি সংগ্ৰহ কৰি থকা হৈছে।

(গ) মির্জা সংমণ্ডলৰ কাৰ্য্যবাহী অভিযুক্তাই দিয়া প্ৰস্তাৱত বেয়া হৈ থকা আৰু ততালিকে সলনি কৰিব লগীয়া কাঠৰ খুটাৰ সংখ্যা স্পষ্টভাৱে উল্লেখ কৰা নাই। সেয়েহে এই সংখ্যা নিৰূপণ হলে বেয়া হৈ থকা খুটাবোৰ পৰ্য্যয়ক্ৰমে সলনি কৰা হব।

**Re : Failure of Thermal Projects**

**Shri Samarendra Nath Sen asked :**

**387. Will the Minister of power be pleased to state :**

(a) Whether it is a fact that because of non installation of new machineries non-repairing of defective machineries all the thermal projects have failed in Assam?

(b) If so, what step the Government is taking to instal new machineries and repairing defective machineries of thermal projects of Assam?

**Shri Debananda Konwar (Minister power (Elect.) etc. Department) replied :**

(a) & (b) The present status of thermal Generating Units of Assam State Electricity Board are as follows :

(i) **BTPS :** Out of 4 (four) units of 60 MW capacity each 3 (three) units are available for power Generation. The remaining one unit is now under major overhaul. Improvements are necessary to the coal feeding system as well as to the coal mills to improve performance. The matter is pending for lack of funds.

(ii) **CTPS :** Out of 2 (two) units of 30 MW capacity each one unit is in operating condition and the other unit is down for major repairing of the rother with BHEL, Hyderabad.

(ii) **NTPS :** Three Units of Capacity 23 MW each of Namrup have crossed the designed life of 1,00,000 operating hours. The machineries required replacement of the hot gas path parts for re-use of the machineries for another 1,00.000 hours. The details are as follows :

(a) UNIT.1 (23 MW) :The hot part were replaced in 1989 and the machine is presently working since nov/1989.

(b) UNIT. 2 (23 MW) : The hot parts were procured and halancing and Assembly completed in Feb/1993. A few spares are awaited arrival from Kanada. The machine would be commissioned in June/1993.

(c) UNIT. 3 (23 MW) : The hot parts had been replaced and the unit had been trial run. But vibration level was found to be higher. Necessary steps to rectify are being taken.

(d) UNIT. 4 (12.5 MW) : This is a smaller unit with capacity 12.5 MW. The bladed rotor have been replaced and the unit is expected to be commissioned by Mid April/1993.

(e) UNIT. 5 (30 MW) : In operation.

(f) UNIT. 6 (22 MW) : In operation with one mother

unit waste heat andhence out put is restricted to 7.0 MW.

(iv) LTPS : Out of 4 (four) Units of 15 MW each. Only one unit at present is in operation. For another one unit the damaged rotor has since been replaced by a new one and the unit is expected to be commissioned by April/May, 1993. The balance 2 (two) Units are under shut-down for major overhauling and replacement of hot sections.

(v) M.G.T. : Out of seven nos of 2.7 MW capacity only 3 (three) units are in operation.

**বিষয় - হাইলাকান্দি F.C.Division.**

**Shri Parimal Sukla Baidyas asked :**

৩৮৮। মাননীয় বন্যা নিয়ন্ত্রণ মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবেন কি ঃ

(ক) ১৯৯১ ইংরাজীর মার্চ মাস থেকে অদ্যবধী হাইলাকান্দি F. C. Division এর নিয়ন্ত্রীত সুনাছড়া এবং বালীচণ্ডী বাঁধে বিভিন্ন ঘাতে মোট কত টাকার কাজ হয়েছে?

(খ) উক্ত কাজে, কনট্রাক্টীর দের বকেয়া পাওনা কত এবং কত টাকা payment করা হয়েছে?

(গ) হাইলাকান্দি F. C. Division এ মোট কত কিলোমিটাৰ বাঁধ আছে?

(ঘ) সোনাছড়া এবং বালীচণ্ডার দৈর্ঘ্য কত?

**শ্রীহৰেণ ভূমিজ (বন্যা নিয়ন্ত্রণ মন্ত্রী)য়ে উত্তর দিছেন ঃ**

(ক) সুনাছড়া, বালিচণ্ডী বাঁধে ১৯৯০-৯১, এবং ১৯৯২-৯৩ বৎসরে বিভিন্ন ধরনের কাঁজ করা

হয়েছিল এবং টাকার পরিমান নিম্নে উল্লেখিত করা হ'ল। বান বিধ্বস্ত সংস্কার (F.D.R.) কাজের টাকার পরিমান ১৯৯০-১৯৯১ হইতে ১৯৯২-১৯৯৩ মোট টাকা ৩৭.৪৮ লক্ষ সাধারণ মেরামতি (M & R) কাজের

১৯৯০-৯১ হইতে ১৯৯২-৯৩ মোট টাকা ৫.৯৯ (লক্ষ)।

(খ) উক্ত কাজের কনট্রাক্টার দের বকেয়া পাওঁনা এবং payment করার টারাক পরিমান উল্লেখ করা হ'ল।

**বর্ত্তমান বকেয়া পাওয়া পরিমান : payment করার টাকা পরিমান :**

বান বিধ্বস্ত সংস্কার (FDR)

কাজের টাকা ২৯.৩৮ (লক্ষ) ৮.০৫ (লক্ষ)

সাধারন মেরামতি (M & R) ২.৮৫ (লক্ষ)

কাজের টাকা ৩.২০ (লক্ষ)

(গ) হাইলাকান্দি বন্যা নিয়ন্ত্রন বিভাগের বাঁধের দৈর্ঘ্য পরিমান ১৪৪.৪৮১ কিঃ মিঃ

(ঘ) সোনাছড়া বালিছগুা বাঁধের দৈর্ঘ্য ২১.০৫৫ কিঃ মিঃ

**(Unstarred Question No. 389 was post pond)**

**Re : General Manager District Industries Centre.**

**Shri Samarendra Nath Sen asked :**

**390. Will the Minister of Industries be pleased to state :**

(a) Who is the Present General Manager of D.I.C. Silchar ?

(b) Whether he has been appointed under regulation 3 (F)?

(c) Is it a fact that no person appointed under regulation 3 (F) can be given full charge of an office with all financial power?

(d) Is it a fact that no regular General Manager or Senior Functional Manager is posted at D.I.C., Silchar for a long time?

(e) If so, what are the reasons?

**Shri Bijit Saikia (Minister of Industries) replied :**

(a) Shri M.K. Pal-Choudhury, Functional Manager is the General Manager in-charge of the Silchar D.I.C. at present.

(b) Yes.

(c) There is no such rule.

(d) It is fact.

(e) Due to shortage of officers, regular General Manager could not be posted.

(Deferred Question Nos 199 and 219 were laid on the table of the House with replies thereto)

**বিষয় - ক্রীড়া পৰিষদলৈ অনুদান।**

**শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

১৯৯। মাননীয় ক্ৰীড়া মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক ক্ৰীড়া পৰিষদক ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰত চৰকাৰে মুঠ কিমান টকা আগবঢ়াইছে?

(খ) ক্ৰীড়া পৰিষদে উক্ত টকা কেনেকৈ খৰচ কৰে?

**শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানলৈকে ১৪,৩০,০০০ (চৈধ্যলাখ ত্ৰিশ হাজাৰ) টকা অনুদান দিয়া হৈছে।

(খ) ৰাজ্যিক ক্ৰীড়া পৰিষদৰ আঁচনি অনুসৰি চৰকাৰী অনুদান লাভ কৰাৰ পিচত ৰাজ্যিক পৰ্য্যায়ৰ ক্ৰীড়া সন্থা সমূহক বিভিন্ন প্ৰতিযোগিতা অনুস্থান আৰু অৱশ গ্ৰহণৰ বাবে অনুদান আগবঢ়ায়। ইয়াৰ উপৰিও সৰ্বভাৰতীয়, প্ৰতিযোগিতা, গ্ৰাম্য ক্ৰীড়া, উত্তৰ পূৰ্ব্বাঞ্চলীয় ক্ৰীড়া উৎসৱ আদিৰ লগতে প্ৰশিক্ষন আৰু পৰিষদৰ নিজস্ব সংস্থাপনৰ বাবে খৰচ কৰে।

**বিষয় - জালাহত মিনি ষ্টেডিয়াম নিৰ্মাণ।**

**শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে ঃ**

২১৯। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ ক্ৰীড়া বিষয়াৰ অধীনত জালাহত এখন মিনি ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছে নেকি?

(খ) যদি হৈছে ষ্টেডিয়াম খনৰ নিৰ্মাণ আঁচনি কোন চনত গ্ৰহণ কৰা হৈছিল আৰু আঁচনিখনৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(গ) আচঁনিমতে ষ্টেডিয়ামখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হৈছেনে?

(ঘ) যদি হোৱা নাই তাৰ কাৰণ কি?

(ঙ) বৰ্ত্তমানলৈ কিমান শতাংশ কাম কৰা হৈছে আৰু তাৰ বাবদ কিমান টকা খৰচ কৰা হৈছে?

(চ) আঁচনি খনৰ কাম কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

**শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) ১৯৮৫-৮৬ চনৰ ৫.৭২ লাখ টকা।

(গ) হোৱা নাই।

(ঘ) আৱশ্যকীয় পুজিৰ অভাব।

(ঙ) ১৫ শতাংশ কাম কৰা হৈছে আৰু তাৰ বাবদ ৯৬,৮৮৮.০০ টকা খৰচ কৰা হৈছে।

(চ) সঠিককৈ কোৱা টান যিহেতু বিষয়টো পুজি সাপেক্ষে।

**Mr. Speaker :** Now, Question Hour is over.

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

(মাননীয় সদস্য সকলে মাননীয় অধ্যক্ষৰ সন্মুখলৈ নিজৰ আসন এৰি উঠি আহে)

★ **শ্ৰী জয়নাথ শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি মতে এই অশোক পেপাৰ মিলটো প্ৰাইভেট চেক্তৰক দিয়া কথা নাছিল আৰু চৰকাৰৰ ফালৰ পৰা বি-অপেন কৰা কথা আছিল কিন্তু এতিয়া কেনেকৈ ডালমিয়াৰ লগত চোৰৰ নিচিনাকৈ মনে মনে যোগাযোগ কৰিছে। গতিকে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত এটা বিবৃতি দি সদনক এই বিষয়ে অবগত কৰিব লাগে।

(সদনত পুনৰ হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

★ **শ্ৰী প্ৰমোদ গগৈ :** অধ্যক্ষ মহোদয়, এই বিষয়টো যিহেতু গুৰুত্বপূৰ্ণ আৰু কনফিউজিং হৈ আছে, অসম চুক্তি মতে ভাৰত চৰকাৰ আৰু অসম চৰকাৰ এই দুয়োটা পাৰ্টিৰ চুক্তি স্বাক্ষৰিত কৰা মতে মিলটো ডালমিয়া বা প্ৰাইভেট চেক্তৰক দিয়া কথা নাছিল। সি যি কি নহওক সদনত এই বিষয়ে উদ্যোগ মন্ত্ৰীয়ে আৰু বিশেষকৈ মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাল আছিল। এই বিষয়টোৰ ওপৰত মুখ্যমন্ত্ৰী মহোদয়ে এটা বিতং বিবৃতি দিলে ভাল হয়। আজিয়েই দিব লাগিব সেইটো নহয়, কালি পৰহী বা ৮ তাৰিখৰ আগতে দিলে ভাল হয় যাতে আমি বিষয়টোৰ ওপৰত আলোচনা কৰিব পাৰো।

★ **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) :** মই দিম বাৰু।

★ **শ্ৰীজয়নাথ শৰ্মা :** অধ্যক্ষ মহোদয়, মণিপুৰৰ অধ্যক্ষক গ্ৰেপ্তাৰ কৰা হৈছে।

★ **শ্ৰীদিলীপ শইকীয়া :** অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূৰ্ণ বিষয় কিয়নো মণিপুৰৰ মাননীয় অধ্যক্ষক গ্ৰেপ্তাৰ কৰি চুপৰিম কোৰ্টলৈ লৈ যোৱা হৈছে, গতিকে এই বিষয়টো সদনত আলোচনা হব লাগে।

**Mr. Speaker :** I have heard the Hon'ble Member.

(সদনত হুলস্থুলৰ পৰিবেশৰ সৃষ্টি হয়)

(ভইচ : গ্ৰেপ্তাৰৰ কনডেম কৰাৰ এটা প্ৰস্তাৱ লব লাগে)

This has been referred to the Hon'ble Speaker, Lok Sabha and the Hon'ble Speaker, Lok Sabha has said that he is convening a meeting of all Presiding Officers of all States and he will discuss the matter. The meeting is on 12th and we are going for it.

★ **শ্ৰীজয়নাথ শৰ্মা :** আমাৰ সদনৰ যিটো মিটিং সেইটো লোক সভাৰ স্পীকাৰক কনভে কৰিব লাগে।

...........Yes, I will convey your feelings in the meeting.

...........Yes, the feelings of the House will convey in the meeting.

---

★ Speech not corrected

Now item no 2. Voting on Demands for Grants. Grant No 29-Hon'ble Member Shri Babu Rongpi.

## VOTING ON DEMANDS FOR GRANTS

★ **শ্ৰীবাবু ৰংপী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসাৰ শিতানত কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰ মান কথা ডাঙি ধৰিব বিচাৰিছো। এই বিভাগটো এই কাৰণেই সৃষ্টি কৰা হৈছে যাতে ৰাজ্যখনৰ মানুহ খিনিৰ চিকিৎসা সেৱাত মনোনিবেশ কৰিব পাৰি। ইতিপূৰ্বে মাননীয় সদস্য সকলে চৰকাৰে চিকিৎসা সেৱাৰ সম্পৰ্কত যিটো নীতি লৈছে সেই নীতিৰ ওপৰত আলোচনা ডাঙি ধৰি ৰাজ্যখনৰ বিভিন্ন চিকিৎসালয়ৰ লগতে গুৱাহাটি মেডিকেল কলেজ আৰু ডিব্ৰুগড় মেডিকেল কলেজৰ জড়াজী অৱস্থাৰ কথা উনুকিয়াইছে মই মাত্ৰ এটা বিশেষ কথা সদনত ডাঙি ধৰিব বিচাৰিছো সেইটো আজি অসমৰ বিভিন্ন গাওঁবিলাকত থকা হস্পিতাল বিলাকৰ যিটো ভয়াবহ অৱস্থা, সেইটো অতি দুখ লগা। কিয়নো হস্পিতাল বিলাকত ঔষধ-পাতিটো নাইয়েই তাত ডাক্তৰ নাই, ঔষধ পাতি নাই। আন নহলেও মই অন্তত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত বিশেষ ভাবে জানিব পাৰিছো, সেইমতে দেখা যায় এই জিলা দুখনৰ অৱস্থা আৰু দুখলগা, হস্পিতালৰ ঘৰ-দুৱাৰ বিলাক জৰাজীৰ্ণ অৱস্থাত পৰি আছে তাত চিকিৎসা সেৱা আগবঢ়াবলৈ ডাক্তৰ নাই আৰু দুখীয়া ৰাইজৰ চিকিৎসা সেৱাৰ কাৰণে কোনো ঔষধ-পাতি নাই।

এই ১০ আৰু ৩০ খন বিছনাযুক্ত হস্পিটাল বিলাকৰ অৱস্থা বৰ দুখ লগা। আমি যিবিলাক ৰিপোৰ্ট পাইছো এই বিভাগত কিছুমান ঠাইত ঘৰবাৰী হোৱাই নাই, অপেনিং কৰিবলৈ বাকী আছে আৰু কিছুমান ঠাইত ঘৰবাৰী হৈছে অপেনিংও কৰা হৈছে কিন্তু কোনোটোতে ডাক্তৰ, নাৰ্চ বা কৰ্ম্মচাৰী নাই এই সম্পৰ্কত চৰকাৰৰ নীতি কি সেইটোও ব্যাখ্যা কৰা নাই। এই ক্ষেত্ৰত মই এটা প্ৰস্তাৱ দিব বিচাৰিছো। চিকিৎসা বিভাগে বিশেষভাৱে বাৰিষাৰ পিছৰে পৰা খৰালীৰ মাহ কেইটাত চৰকাৰে মোবাইল কেম্প কৰা উচিত আৰু তাৰ পৰা আচলতে লাভ হব। এতিয়ালৈকে আমি যিটো দেখিছো সেইখিনি কৰা হোৱা নাই যাৰ ফলত পাহাৰৰ ৰাইজ বা ভৈয়ামৰ সাধাৰণ ৰাইজে সামান্য ঔষধখিনিও পোৱা নাই। বিভাগটোত ফিল্ডত কাম কৰা যিবিলাক ডাক্তৰ, নাৰ্চ, কৰ্ম্মচাৰী আছে তেওঁলোকে ভিতৰুৱা অঞ্চললৈ নাযায় পাহাৰ অঞ্চলতটো একেবাৰে নাযায়। মই নিজে জানো কাৰ্বি আংলং জিলাত বৰপুং, দুৱাৰ বাগৰী, খেৰণী আদি ঠাইত দুবা বা এপিদেমিক হৈছে কিন্তু চিকিৎসাৰ কোনো ব্যৱস্থা হোৱা নাই। দংকামংকাত যিখন ৩০খন বিছনাযুক্ত হস্পিটাল আছে তাত ডাক্তৰ, নাৰ্চ, ঔষধ পাতিৰ কোনো ব্যৱস্থা নাই, অৱস্থা একেবাৰে বেয়া। উত্তৰ কাছাৰ পাহাৰত অৱশ্যে আমাৰ লাংথাচা ডাঙৰীয়া স্বাস্থ্য মন্ত্ৰী আছিল। তাৰ ভিতৰুৱা ঠাই বিলাকৰ হস্পিতাল বিলাকৰ অৱস্থা আৰু বেছি বেয়া। চিকিৎসা এটা এনেকুৱা বস্তু যাক বিষয়া শ্ৰমিক সকলোকে সকলো

★ **Speech not corrected**

সময়তে লাগে তাতো যেতিয়া দুৰ্নীতি সোমায় তেতিয়াহলে কি উপায় আছে আমাৰ মাননীয় সদস্য সকলে কৈ গৈছে যে আনকি আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াও তেওঁৰ চিকিৎসাৰ কাৰণে বাহিৰলৈ যাব লগা হৈছিল। আজি গাওঁলীয়া সাধাৰণ ৰাইজে ঔষধৰ কোনো সুবিধা নাপায় ইয়াতো বহুত দুৰ্নীতি হৈছে। উদাহৰণস্বৰূপে ডাক্তৰখানা সমূহলৈ যিবিলাক ঔষধপাতি যায় সেই ঔষধপাতি বিলাক ডাক্তৰখানাত নাপায়। ডাক্তৰে অকল প্ৰেচক্ৰিপচন লিখি দিয়ে অমুক ফাৰ্মাচীত পাব বুলি। অমুক ফাৰ্মাচীত যে ঔষধটো আছে ডাক্তৰজনে কেনেকৈ জানিলে। অৰ্থাত এই ডাক্তৰ বিলাকৰ ফাৰ্মাচী সমূহৰ লগত ভিতৰুৱাকৈ যোগসুত্ৰ আছে। এইবিলাক ৰোধ কৰা কাৰণে এই বিভাগৰ কোনো স্পষ্ট নীতি নাই। আনহাতে ডাক্তৰ, নাৰ্চ বা অন্য কৰ্ম্মচাৰী সকলে তেওঁলোকৰ অভিযোগ সমূহৰ কাৰণে হাঙ্গাৰ ষ্ট্ৰাইক আদি বিভিন্ন ধৰণৰ আন্দোলনৰ পথ গ্ৰহণ কৰিছে অথচ সেইবিলাক দূৰীকৰণৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো পদক্ষেপ লব পৰা নাই। চিকিৎসক সকলৰ যি বিলাক মৌলিক দাবী সেইবিলাকৰ ওপৰত বৈজ্ঞানিক সন্মত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ ফলত আজি সৰ্ব্বসাধাৰণ ৰাইজেও বাহিৰত চিকিৎসা কৰিবলগীয়া হৈছে। আমাৰ দিফুত যিটো হস্পিটাল আছে তাত নাৰ্চৰ প্ৰশিক্ষন কেন্দ্ৰ আছে। সেই নাৰ্চ সকলে ৩ দিন ধৰি ৰেচনপাতি পোৱা নাই। তেওঁলোকক ঘৰৰ অভাৱত মগু কাননগোৰ কাৰণে ৰখা বেৰেকত ৰাখিবলগীয়া হৈছে। অন্য সুবিধাৰ কথাই নাই দুদিন ভাত নখোৱাকৈ প্ৰশিক্ষন লবলগীয়া হৈছে। এই গোটেই কথাবিলাক চালিজাৰি চাই এই বিভাগে এটা সুস্থ নীতি লব লাগে। চিকিৎসক সকলৰ যিবিলাক দাবী সেই দাবী বিলাকৰ ওপৰত এটা স্পষ্ট নাতি ঘোষণা কৰিব লাগে। আজি গাৱে ভুৱে ১০খন ৩০ খন বিছনাযুক্ত হাস্পটাল অকল কাগজৰ পাততহে কৰা হৈছে। সেইবিলাকত ডাক্তৰ নাই, ঔষধপাতি নাই আমি জনাৰ লগে লগে চৰকাৰেও এই কথা বিলাক জানে কিন্তু সমস্যা সমাধানৰ কোনো পথ বিচাৰি উলিওৱা নাই।

অন্যহাতে এটা কথা কব বিচাৰিছো যে — ডিফু হাস্পতালত মেডিকেল বিভাগৰ তিনিটা বিষয় জড়িত হৈ আছে — বিচনা, ঔষধ আৰু বিজুলী। অন্য ভিৰুৱা জেগাৰ কথা বাদেই — আনকি ডিফু হাস্পতালত অপাৰেচন কৰাৰ সময়ত বিজুলী নজ্বলে। তাত বিজুলীৰ অৱস্থা ইমান শোচনীয় যে — কবলৈ দুখ লাগে। চিকিৎসকে মম বাতি জ্বলাই চিকিৎসা কৰিব লাগে। তেনে অৱস্থাত ৰোগীয়ে ভাল চিকিৎসা কেনেকৈ কৰিব পাৰে? সেইকাৰণে মন্ত্ৰী সকলে এইটো কথা ৰাইজক স্পষ্ট কৰি দিব লাগে যে — চিকিৎসক সকলৰ যিটো মৌলিক দাবী আছে — সেইবিলাক পূৰণ কৰাৰ পদক্ষেপ লব লাগে আৰু যিবিলাক চিকিৎসালয় ফাংকচন হৈ আছে — সেইবিলাক পুনৰ কাৰ্য্যক্ষম অৱস্থালৈ আনিব লাগে। অধ্যক্ষ মহোদয়, বিশেষকৈ মে' মাহৰ পৰা অক্টোবৰ মাহৰ ভিতৰত বাৰিষাৰ কালত বিভিন্ন ধৰণৰ বেমাৰ হয়। এই সময়খিনিত চৰকাৰৰ ফালৰ পৰা এনেকুৱা এটা নীতি গ্ৰহণ কৰা

উচিত — যি নীতিৰ দ্বাৰা চিকিৎসক সকলে বা মেডিকেল বিষয়া সকলে কেম্প কৰিও দুখীয়া ৰাইজক চিকিৎসা দিয়াৰ ব্যৱস্থা কৰিব পাৰি, তাৰ বাবে বলিষ্ঠ পদক্ষেপ লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মোৰ সমষ্টিৰ ভিতৰুৱা ঠাইত এটা মেডিকেল কেম্প আছে — তাত হাজাৰ হাজাৰ বেমাৰী হয়। লেপ্ৰচীকে আদি কৰি বহু ধৰণৰ বেমাৰী আছে। তাত চিকিৎসক সকলে যি ধৰণে কষ্ট কৰি চিকিৎসা কৰিবলগীয়া হৈছে — সেইটো ভাবিলে দুখ লাগে। মোৰ সমষ্টিত লামাচু নামে এটা ঠাই আছে — তাত চৰকাৰৰ ফালৰ পৰা চিকিৎসাৰ বাবে কোনো ধৰণৰ ব্যৱস্থা ৰখা নাই। সেই ঠাইৰ মানুহে চিকিৎসাৰ বাবে ২০ কিলোমিটাৰ ৰাস্তা খোজ কাঢ়ি যাব লাগে। গতিকে সেইবিলাক ঠাইত চিকিৎসা দিবৰ বাবে চৰকাৰৰ ফালৰ পৰা মবাইল ভান আদি যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। এই গোটেই কথাৰ বাবে চৰকাৰে এটা সুস্পষ্ট নাতি গ্ৰহণ কৰা উচিত। মই মেডিকেল কলেজৰ কথা কবলৈ নাযাওঁ — সাধাৰণ চিকিৎসাৰ বাবে যিখিনি কথা আজি সদনত উত্থাপন কৰিছো সেইখিনি কথাৰ প্ৰতি চৰকাৰে ততপৰ হৈ এটা স্পষ্ট নীতি ডাঙি ধৰিব লাগিব — যাতে সাধাৰণ ৰাইজে চিকিৎসক সকলৰ পৰা সুচিকিৎসা গ্ৰহণ কৰিব পাৰি। মই আগতেই কৈছো যে — যিবিলাক চিকিৎসালয়ত ২০০ বা ১০০ বিচনাযুক্ত হৈ আছে — তাৰ যিটো পৰিস্থিতি — সেইটো অতি দুখ লগা। সেইবিলাকৰ যিটো ষ্টেনডাৰ্ড, সেইটো অতি নিম্ন খাপৰ। আমাৰ মন্ত্ৰী সকলেও সেইবিলাক চাই আহিছে — কিন্তু এতিয়ালৈকে উন্নত কৰাৰ কোনো ব্যৱস্থা লোৱা নাই। গতিকে এই কথা বিলাকৰ প্ৰতি চৰকাৰে কাণসাৰ দি এটা স্পষ্ট নীতি গ্ৰহণ কৰিবলৈ মই দাবী জনাইছো। শেষত দুৰ্নীতি সম্পৰ্কে কব বিচাৰিছো যে — স্বাস্থ্য বিভাগত যিবিলাক দুৰ্নীতি চলি আছে — সেইবিলাক যদি ৰোধ কৰাৰ ব্যৱস্থা নকৰে — তেতিয়াহলে দুখীয়া ৰাইজে ভাল চিকিৎসা পাব বুলি আশা কৰিব নোৱাৰি। এই দুৰ্নীতি ৰোধ কৰাৰ কাৰণেও এটা স্পষ্ট নীতি ঘোষণা কৰিবলৈ দাবী জনাই মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★ **শ্ৰীহিতেশ্বৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, স্বাস্থ্যৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো সমৰ্থন কৰি স্বাস্থ্যবিভাগৰ নীতিৰ বিষয়ে আলোচনা কৰিব বিচাৰিছো। মই আশা ৰাখিছো যে — কেন্দ্ৰীয় চৰকাৰে দুহেজাৰ চনৰ ভিতৰত সকলোতে স্বাস্থ্যকেন্দ্ৰ পাব বুলি যিটো ঘোষণা কৰিছে অসম চৰকাৰেও সেই নীতি গ্ৰহণ কৰা উচিত। কিন্তু দুহেজাৰ চনৰ ভিতৰত সকলোতে স্বাস্থ্যকেন্দ্ৰ পাব — সেই নীতিটো পালো বাংলা খোলাখুটিৰ তাল — এনে ধৰণৰ যাতে নহয়, তাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

অধ্যক্ষ মহোদয়, আজিলৈকে এই চৰকাৰে আন আন বিভাগৰ লগত স্বাস্থ্য বিভাগত যিটো জনবিৰোধী নীতি গ্ৰহণ কৰিছে সেইটো নতুন প্ৰজন্মত কুণ্ডা কৰিব বিচাৰিছে। যোৱা বছৰত এটা বিষয়ত সদনৰ বাহিৰে ভিতৰে তুলপাৰ লগাইছিল — সেইটো হ'ল মেডিকেল

★ Speech not corrected

কলেজত পিচ দুৱাৰেদি নাম ভৰ্তিকৰণ ব্যৱস্থা। ১৯৯১-৯২ চনত ৬ মাহ কাল পাৰ হোৱাৰ পিচত মুখ্যমন্ত্ৰীৰ বিশেষ কুটাৰ জৰিয়তে কেতবোৰ বিশেষ বিশেষ ছাত্ৰৰ নাম ভৰ্ত্তিৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰে উদ্যোগ হাতত লৈছে। আশ্চৰ্য্যজনকভাবে এখন মহাবিদ্যালয়ৰ অধ্যক্ষ বিশ্ব বিদ্যালয়ৰ কৰ্ত্তৃপক্ষলৈ ছয় মাহৰ পিচত নাম ভৰ্ত্তি কৰিবৰ কাৰণে আনুষ্ঠানিক ভাবে যোগাযোগ কৰিছে। ইয়াতকৈ দুখৰ আৰু পৰিতাপৰ কথা নতুন প্ৰজন্মত থাকিব পাৰে নে? মই ভাবো — এই বিশেষ বেগটাৰ ছাত্ৰ-ছাত্ৰীসকলক ১৯৯১-৯২ চনত ৰেগুলাৰ কৰিব বিচাৰিছিল। কিন্তু বিৰোধী পক্ষৰ দাবীত আৰু জনসাধাৰণৰ দাবীত চৰকাৰে তদন্ত আয়োগ গঠন কৰি দিছে যদিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই তদন্ত আয়োগৰ প্ৰতিবেদন পৰীক্ষা কৰি চোৱা হব বুলিহে কৈছে। তেখেতে ৰাজহুৱা ভাবে প্ৰতিশ্ৰুতি দিছিল যে — ১৯৯২ চনৰ ২ ডিচেম্বৰ তাৰিখে মেডিকেল কলেজৰ প্ৰতিবেদন প্ৰকাশ কৰিব। এইটো স্বাস্থ্যমন্ত্ৰীয়ে উত্তৰত লিখিত বাবে জনাইছিল আৰু কেবিনেটত পৰীক্ষা কৰিছিল। সেইকাৰণে ৰাজহুৱা ভাবে যি প্ৰতিশ্ৰুতি দিছিল — প্ৰকাশ কৰিব বুলি — সেইটো এই পবিত্ৰ সদনৰ মজিয়াত তদন্ত আয়োগৰ প্ৰতিবেদন দাখিল কৰিবৰ কাৰণে মই আহ্বান জনাইছো। এই আহ্বান চৰকাৰে ইচ্ছা কৰিলে প্ৰত্যাহ্বান হিচাবে গ্ৰহণ কৰিব পাৰে। লগতে কব বিচাৰিছো যে —এই ক্ষেত্ৰত চৰকাৰে কিয় নতুন প্ৰজন্মত কুণ্ঠা কৰিব বিচাৰিছে? মুখ্যমন্ত্ৰীয়ে এই অভিযোগৰ তদন্তৰ প্ৰতিবেদন দাখিল কৰাত স্বাস্থ্য মন্ত্ৰীক তথ্যসহ সহায় কৰক।

আজি নিবনুৱা সমস্যা এটা জ্বলন্ত সমস্যা। অসম চৰকাৰে এইটো শুনি সুখ পাব যে — ফাৰ্মাচিষ্ট ডিপ্লমা কোৰ্চ এবছৰত পাছ কৰি ওলাই অহাৰ পিচত কোনো লৰাই চাকৰিৰ কাৰণে বহি থাকিব নালাগে। ইঞ্জিনিয়াৰ পাছ কৰি নিবনুৱা হৈ আছে, ডাক্তৰ পাছ কৰি নিবনুৱা হৈ আছে — কিন্তু ফাৰ্মাচিষ্ট ডিপ্লমা কোৰ্চ শেষ কৰাৰ পিচত কোনো লৰাই বহি থাকিব লগা হোৱা নাই। এই ফাৰ্মাচিষ্টৰ এতিয়াও ৪০০ পদ খালি হৈ আছে। কিন্তু চৰকাৰে ফাৰ্মাচিষ্ট শিক্ষা ধ্বংস কৰিবৰ কাৰণে কেতবোৰ ব্যৱস্থা লৈছে। অসমত ফাৰ্মাচিষ্ট শিক্ষাৰ বাবে তিনিখন অনুষ্ঠান আছে। শিলচৰ, ডিব্ৰুগড় আৰু গুৱাহাটী। ডিব্ৰুগড় আৰু গুৱাহাটীয়ে ৰিকগ্নিচন পালে — কিন্তু শিলচৰত থকা ফাৰ্মাচিষ্ট অনুষ্ঠানটো আজিলৈকে এই চৰকাৰে ৰিকগ্নিচন দিব নোৱাৰিলে। আমাৰ হাতত তথ্য পাতি আছে যে — শিলচৰৰ ফাৰ্মাচিষ্ট অনুষ্ঠানটোৱে ৰিকগ্নিচন নোপোৱাৰ কাৰণে — তাৰ পৰা যিবিলাক ছাত্ৰ-ছাত্ৰী ওলাই আহে — সেইসকলে চৰকাৰী চাকৰিত মকৰল হ'ব নোৱাৰে। গতিকে তেওঁলোকক নতুন প্ৰজন্মৰ কুণ্ঠা কৰিব বিচাৰিছে। ফাৰ্মাচিষ্ট শিক্ষাৰ কাৰণে ছাত্ৰৰ সংখ্যা ১৭০ টা কিন্তু চৰকাৰে তালিকা বনালে ১৪৯ টা। অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব যে — মেৰিট লিষ্টত যিখন তালিকা কাগজে-পত্ৰে প্ৰকাশ কৰিলে — তাত মেৰিটৰ নম্বৰ দিয়া নাই। — ইয়াৰ কাৰণ কি? কিয় নম্বৰ দিয়া নাই? যিসকলে বিগত টকাৰ বিনিময় কৰিছে — সেই সকলৰ নাম লিষ্টত আছে

আৰু বাকী বিলাকৰ নাই। কিন্তু কিয় নাই — বাকী ২১ জনৰ নাম লিষ্টত কিয় দিব নোৱাৰিলে? আৰু এই ১৪৯ জনৰ নাম লিষ্টত ৰখাৰ কাৰণ কি? এতিয়া যি ১৪৯ জনৰ নাম প্ৰকাশ কৰিছে — সেইটো মই বিৰোধীতা কৰিছো আৰু মেৰিট লিষ্টৰ নম্বৰ দিবৰ কাৰণে চৰকাৰক প্ৰত্যাহ্বান জনাইছো — মন্ত্ৰীয়ে এই প্ৰত্যাহ্বান গ্ৰহণ কৰক।

এটা কথা শুনি আচৰিত হব যে — সাধাৰণতে ফাৰ্মাচিষ্ট অনুষ্ঠানত এটা চিলেকচন বোৰ্ড আছে — তাত মেম্বাৰ চেক্ৰেটৰীও আছে। মেম্বাৰ চেক্ৰেটৰীজন অলপ বুধিয়ক মানুহ হোৱাৰ কাৰণে ফাক মাৰি মেৰিটি সকলৰ নম্বৰ প্ৰকাশ নকৰিলে আৰু ডি, এম, ই'ৰ দ্বাৰা নটিফিকেচন কৰিছে। মই সেইকাৰণে এই ফাৰ্মাচিষ্ট শিক্ষাৰ ক্ষেত্ৰত স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে — য'ত যথেষ্ট পদ খালি আছে — তাত এই ২১ জনক সোমোৱাব লাগে। এতিয়া চৰকাৰে যিটো হিচাবত তালিকা তৈয়াৰ কৰিছে — তাত এই ২১ জনৰ নাম সোমোৱা নাই। দ্বিতীয়তে এই ১৪৯ জনৰ যিসকলক মেৰিট্ লিষ্টত আনিছে তেওঁলোকৰ নম্বৰ কিয় তালিকাত প্ৰকাশ কৰিব নোৱাৰিলে — সেই স ম্পৰ্কে এটা স্পষ্ট নীতি দাখিল কৰিবলৈ মই মন্ত্ৰী মহোদয়ক আহ্বান কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ পৰা স্বাস্থ্য বিভাগৰ আলোচনাত আমাৰ সদনত সদনৰ বিভিন্ন সদস্যই ভাগ লৈছে। গুৱাহাটী মেডিকেল কলেজৰ বিষয়েও আলোচনা কৰা হৈছে। এই গুৱাহাটী মেডিকেল কলেজৰ স্বাস্থ্য বিভাগৰ অ-স্বাস্থ্যকৰ পৰিবেশ দেখিলে দুখ লাগে। মাননীয় সদস্য শ্ৰী শশ কমল সন্ধিকৈ ডাঙৰীয়াই মেডিকেল কলেজৰ এই অৱস্থাৰ কথা উল্লেখ কৰিছে। এইখন মেডিকেল কলেজৰ অ-স্বাস্থ্যকৰ পৰিবেশৰ কথা তুলনা কৰিব নোৱাৰি। গুৱাহাটী মেডিকেল কলেজলৈ স্বাস্থ্য বিভাগৰ মন্ত্ৰী যদি যায়, বিষয়া কৰ্ম্মচাৰী সকলে তেতিয়া মেডিকেল কলেজখন পৰিষ্কাৰ কৰি ৰাখে। মই স্বাস্থ্য মন্ত্ৰীক আহ্বান জনাইছো যদি স্বাস্থ্য মন্ত্ৰীয়ে এদিন ভেকচন কৰি যায় তেতিয়া ইয়াৰ আচল ৰূপ দেখা পাব। কি ধৰণেৰে চিকিৎসক সকলে গাৱঁৰ ৰাইজক 'নেগলেক্ট' কৰে। গুৱাহাটী মেডিকেল কলেজৰ এনে অৱস্থা দূৰ কৰিবৰ কাৰণে মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিছো।

মই আৰু এটা কথা ক'বলৈ বিচাৰিছো যে গুৱাহাটী মেডিকেল কলেজ খাদ্যৰ নামত কিমান টকা খৰচ কৰে। মই জনাত প্ৰতি দিনত প্ৰতিজন ৰুগীৰ বাবে ৯ টকা ব্যয় কৰে। প্ৰতি দিনত ৯ টকাৰে প্ৰতিজন ৰুগীয়ে ভাত-চাহ খাব পাৰে নেকি, এই ব্যয় বহুল দিনত। সেয়ে এই খাদ্যৰ বাবে কিছু ব্যয় কৰি উন্নত ধৰণৰ খাদ্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অসমত বহুত ফাৰ্মাচী অবৈধ ভাবে চলি আছে। এই বিলাকত বিভিন্ন ধৰণৰ ঔষধ বিক্ৰী হয় আমি দেখিবলৈ পাও। এই বিলাক ফাৰ্মাচীত বহুটো 'বেগু ড্ৰাগ'চ এন্টাৰকুইনেলকে ধৰি চলি আছে। এই বিলাক অতি সোনকালে বন্ধ কৰিব লাগে। আৰু এটা কথা দেখিবলৈ

পাইছো, 'প্ৰাইভেট নাৰ্চিং হোম' বিলাকত গুৱাহাটী মেডিকেল কলেজৰ চাৰ্জন সকলে কাম কৰে। এই চাৰ্জন সকলে মেডিকেল কলেজত কোনো ৰুগীক অপাৰেশ্যন কৰিলে অপাৰেশ্যনৰ আগতে দুখীয়া মানুহৰ পৰাও এনভেলাপৰ ভিতৰত টকা লয়। মই তেখেত সকলৰ নাম দিব পাৰো। মন্ত্ৰী মহোদয় ইয়াত নাই, এতিয়া সদনত উল্লেখ নকৰো গুৱাহাটীৰ ভৰলোমুখত এনেকোৱা এজন চাৰ্জন আছে। আমি দালমিয়াতকৈ কোনোগুণে কম নহয়। গুৱাহাটীৰ দুখীয়া মানুহ বিলাকে তেওঁলোকৰ ওচৰত চিকিৎসা কৰিলে ধন দিব লাগে। এই ব্যৱস্থা কেতিয়া নাইকীয়া হব। গুৱাহাটীত থকা বিভিন্ন ধৰণৰ ফাৰ্মাচী বিলাকত অবৈধ ভাবে ঔষধ বিক্ৰী হয়। ড্ৰাগ ইন্সপেক্টৰ বিলাকৰ লগত যোগাযোগ থাকে। তেওঁলোকৰ ওপৰৰ অফিচাৰলৈকে যোগাযোগ থাকে। পুলিচৰ যেনেকৈ ও,চি, ডি, এচ,পি, আৰু ওপৰ আলা সকলকো কিবা দিব লাগে তেনেকৈ ড্ৰাগ ইন্সপেক্টৰ বিলাকেও মাহেকীয়া বা কোৱাটাৰলী দি থাকিব লাগে। ড্ৰাগ ইন্সপেক্টৰ সকলক বদলি কৰিব নোৱাৰে যদিও একে ঠাইতে ৩ বছৰ থকাৰ নিয়ম। ড্ৰাগ ইন্সপেক্টৰ বিলাকে ভুৱা লাইসেঞ্চৰ ব্যৱসায় কৰে। গুৱাহাটীৰ পৰা আজিলৈকে ড্ৰাগ ইন্সপেক্টৰ সকলক বদলি কৰিব পৰা নাই। ইয়াত তেওঁলোকক ৭ বছৰলৈকে ৰাখিছে, কামৰূপৰ পৰা পঠাব পৰা নাই। মন্ত্ৰীয়েও পঠাব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ৭ নং দফাৰ জড়িয়তে অসমৰ চিকিৎসা মহাবিদ্যালয়লৈ চৰকাৰৰ পৰা প্ৰপ'জেল দিয়া হৈছিল। ভেলৰলৈ অসমৰ পৰা ৰুগী শতকৰা ৪০ ভাগ যায়। মই ৰুগীৰ লগত যাওঁতে গম পাইছো। বৰ্ত্তমান ভেলৰক তাৰ কাৰণে মিনি অসম নাম দিয়া হৈছে। গুৱাহাটীত বি বৰুৱা কেঞ্চাৰ ইনষ্টিটিউত এখন আছে। চৰকাৰে এইখন ভেলৰৰ পৰ্য্যায়লৈ উন্নতিকৰণ নকৰে কিয় ? এ. জি. পি.ৰ দিনত ৰাজ্য চৰকাৰৰ পৰা প্ৰপ'জেল দিয়া আছিল। এই বিলাক কৰিব পাৰিলে অসমৰ ৰাইজে আৰু দুখীয়া মানুহ বিলাকে আৰ্শীবাদ দিব। বি বৰুৱা কেঞ্চাৰ ইনষ্টিটিউটৰ কাৰণে এন এছ চি পৰা অহা টকা খৰচ কৰিব পাৰে। ইয়াৰ কাৰণে যদি কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়ে তাৰ কাৰণে স্বাস্থ্য মন্ত্ৰীয়ে দিল্লীলৈ গৈ অনশন কৰিব লাগে ধৰ্ণা দিব লাগে মই সেইবোৰৰ লগত আছো।

অধ্যক্ষ মহোদয়, আমাৰ বহুতো চৰকাৰী কৰ্ম্মচাৰী উন্নত চিকিৎসাৰ কাৰণে অসমৰ বাহিৰলৈ যায়। এইটো চৰকাৰেই ৰেফাৰ কৰে। কিন্তু অসমৰ বাহিৰলৈ ৰেফাৰ কৰা ক্ষেত্ৰত যিবোৰ ভেকো ভাওনা চলি আছে সেইবোৰ অলপ চাব লাগে। কাৰোবাৰ যদি এই সংক্ৰান্তত চিনাকি থাকে তেনেহলে পানী লগা হলেও দিল্লী বা অন্য ঠাইলৈ যোৱাৰ সুবিধা পায় আৰু কাৰোবাৰ নাথাকিলে ডাঙৰ বেমাৰতো বাহিৰলৈ গৈ চিকিৎসা কৰাৰ সুবিধা নাপায়। এই বিষয়ে যোৱা কালিও দুগৰাকী মাননীয় সদস্যই উল্লেখ কৰিছে। গতিকে এই ভোকো ভাওনাবোৰ দূৰ কৰাৰ কাৰণে চৰকাৰে শীঘ্ৰে ব্যৱস্থা হাতত লব লাগে। এই ভোকো ভাওনাবোৰৰ কাৰণে অসমৰ পৰা যিমানবোৰ টকাৰ আউট ফল' হৈছে সেইটো বন্ধ কৰি

ইনফল কৰাৰ কাৰণে ব্যৱস্থা হাতত লওঁক আৰু তাৰ কাৰণে অনতি পলমে অল ইণ্ডিয়া ইন্‌ষ্টিটিউটৰ লেখিয়াকৈ অসমত এখন চিকিৎসালয় স্থাপন কৰাৰ কাৰণে ব্যৱস্থা হাতত লওক।

অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো। আমাৰ ডাক্তৰ সকলৰ যিটো বৃত্তি সেইটো মানৱ সেৱাত অধিক পৰিমানে জড়িত হৈ থাকে। কিন্তু আজি আমাৰ ডাক্তৰ সকলৰ চিকিৎসাৰ প্ৰতি যিটো মানসিকতা সেইটো মানৱ সেৱাৰ প্ৰতি নহৈ চহৰমুখী হৈ পৰিছে। এই কথাটো স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়েও স্বীকাৰ কৰিছে আৰু এটা কথা কৈছে যে ডাক্তৰ সকলক যি ঠাইত নিযুক্তি দিয়া হয় সেই ঠাই যদি চহৰত নপৰে বা তেওঁৰ পচন্দ মতে নহয় তেনেহলে তেওঁলোকে তাত যোগদান নকৰে। আমি এনেকুৱাও বহুত ডাক্তৰ দেখিছো তেওঁলোকৰ পোষ্টিং আছে এখন ঠাইত কিন্তু বিভিন্ন কাৰণ দৰ্শাই বা ডেপুটেশ্বনৰ নাম লৈ তেওঁলোকে গুৱাহাটী বা অন্যান্য চহৰত থকাৰ ব্যৱস্থা কৰি লৈছে। তাৰ ফলত গাওঁৰ দুখীয়া ৰাইজ চিকিৎসাৰ পৰা বঞ্চিত হৈছে। সেই কাৰণে এই ক্ষেত্ৰত চৰকাৰে কৰা ব্যৱস্থা হাতত লব লাগে। তাৰ কাৰণে প্ৰয়োজন হলে গাওঁত চাকৰি কৰাত উৎসাহ যোগোৱাৰ বাবে ডাক্তৰ সকলক এটা বেলেগে ভাট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ক আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হল নলবাৰী জিলাৰ তামোলপুৰৰ নাওঁকাটা অঞ্চলটো মেলেৰীয়া অধ্যুষিত অঞ্চল। আমাৰ মন্ত্ৰী মহোদয় যিহেতু নলবাৰী জিলাৰেই, গতিকে তেখেতে নিশ্চয় এই কথাটো ভালদৰে জানে। এই অঞ্চলটোত প্ৰত্যেক বছৰে বহুতো মানুহ মেলেৰীয়া ৰোগত আক্ৰান্ত হয়। কিন্তু সেই ৰোগটো প্ৰতিৰোধ কৰাত আমাৰ চৰকাৰে বিশেষ ব্যৱস্থা লোৱা দেখা নাই। সেই কাৰণে মেলেৰীয়া প্ৰতিৰোধ কৰাৰ কাৰণে যিবিলাক আন্তঃৰাষ্ট্ৰীয়, স্যা-সুবিধা আছে তাৰ জৰিয়তে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ যাৱতীয় ব্যৱস্থা হাতত লওঁক আৰু তাৰ লগে লগে মই ইয়াৰ আগতে কৈ অহা মতে ডাঃ বি বৰুৱা কেন্সাৰ প্ৰতিস্থানটো ৰাষ্ট্ৰীয় প্ৰতিস্থানলৈ উন্নীত কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে সৰ্ব্ব শক্তি প্ৰয়োগ কৰক। এই ক্ষেত্ৰত আমিও সাধ্যনুসাৰে তেখেতক সহায় কৰিম। তাৰ লগে লগে কৰ্ম্মচাৰী সকল অসমৰ বাহিৰলৈ চিকিৎসাৰ কাৰণে যোৱা ক্ষেত্ৰত চলি থকা খেলি মেলিবোৰ দূৰ কৰা, ডাক্তৰ সকলক গাওঁ মুখী চিকিৎসা সেৱাত ব্ৰতী কৰাৰ কাৰণে তেওঁলোকক অতিৰিক্ত ভাট্টা দিয়াৰ ব্যৱস্থা কৰা আদি বিষয়বোৰৰ প্ৰতিও মই পুনৰ তেখেতক অনুৰোধ জনালো। ইয়াৰ লগে লগে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে আজি আমাৰ ডাক্তৰ সকলে ২৪ ঘন্টাই কাম কৰিব লাগে। কিন্তু তেওঁলোকৰ এখন চাৰ্ভিচ বুক নাই। তেওঁলোকে দিনত কেই ঘন্টা কাম কৰিব লাগে, বছৰত কেইদিন কাম কৰিব লাগে, বছৰত কেইদিন চি, এল, বা ই, এল পায় তাৰ কোনো হিচাব নাই। গতিকে ডাক্তৰ সকলৰ এই অসুবিধাবোৰ দূৰ কৰাৰ কাৰণে চৰকাৰে সোনকালে ব্যৱস্থা হাতত লব লাগে। তাৰোপৰি

আজি কালি জেনেৰেল কলেজ সমূহৰ শিক্ষক সকলৰ ইউ, জি, চি নৰ্মচ্ থাকিলে তেওঁলোকে ইউ, জি, চিৰ স্কেল পায়। কিন্তু গুৱাহাটী মেডিকেল কলেজত কাম কৰা ৰেজিষ্ট্ৰাৰ সকলে আজি পৰ্য্যন্ত ইউ, ডি, চি নৰ্মচ্‌ত দৰমহা পোৱা নাই। গতিকে এনে হোৱাৰ কাৰণেও বেছি মনোযোগ দিয়া দেখা গৈছে। গতিকে এইবোৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এটা কথা হৈছে মেডিকেল কলেজ সমূহত ছাত্ৰ-ছাত্ৰী নাম ভৰ্ত্তীকৰণৰ ক্ষেত্ৰত যিবোৰ খেলি মেলি দেখা গৈছে সেইবোৰৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু গুৱাহাটীৰ লগতে অসমৰ বিভিন্ন ঠাইত অনুজ্ঞাপত্ৰ বিহীন যিবোৰ ফাৰ্মাচী গঢ়ি উঠিছে সেইবোৰ অনতি পলমে বন্ধ কৰি দিয়াৰ ব্যৱস্থা হাতত লব লাগে। গতিকে কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই এইখিনি পৰামৰ্শ আগবঢ়াই মোৰ ভাষণৰ ইয়ানতে সামৰণি মাৰিলো।

★ **শ্ৰীলক্ষী প্ৰসাদ বৰগোহাঁই** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটত চিকিৎসা সেৱাত যিখিনি ধন ধৰা হৈছে আৰু সেই সম্পৰ্কত যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কব খুজিছো যে যিহেতুকে ভাৰত চৰকাৰে দুই হাজাৰ চনত প্ৰত্যেক জন্ ব্যক্তিৰ ওচৰলৈ চিকিৎসা সেৱা চপাই নিয়াৰ কথা চিন্তা কৰিছে। সেই সময়ত আমাৰ এই বাজেটত যি পৰিমানৰ ধন আৱন্টিত কৰা হৈছে সেইটো নিতান্তই কম হৈছে। সেই কাৰণে মই ভাবো এই ধনৰ পৰিমান বঢ়াই দিব লাগে। কাৰণ, আমি যি নীতি লৈছিলো সেইমতে দুহাজাৰ চনৰ ভিতৰত আমি প্ৰত্যেকজন লোককে চিকিৎসা সেৱা আগ বঢ়াব লাগিব। সেই কাৰণে এই বিষয়টোৰে প্ৰতি চৰকাৰে বিশেষ ভাবে চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে। স্বাস্থ্যৰ বিষয়টো এটা অতি স্পৰ্শকাতৰ বিষয়। ইয়াৰ লগত আমাৰ প্ৰত্যেকজন শিশু, যুৱক, বুঢ়া বুঢ়ী জড়িত হৈ আছে। গতিকে এই বিষয়টোত আমি যদি বিশেষভাৱে চিন্তা কৰি তাৰ ব্যৱস্থা হাতত নলও তেনেহলে অন্যান্য যিমানেই স্কীম আমি হাতত নলও কিয় সেই সকলোবোৰ অথলে যাব।

গতিকে এই বিষয়ে আমি যথেষ্ট গুৰুত্ব দিব লাগে। এই বিষয়কে কেন্দ্ৰ কৰি আমি ৰাজ নীতি কৰিব নেলাগে। আমাৰ দলৰেই হওঁক বা বিৰোধী দলৰেই হওঁক আমি কিছুমান দৃষ্টান্ত দেখি আহিছো। মেডিকেলৰ ছাত্ৰই যি আন্দোলন চলাইছিল সেই আন্দোলনত ৰাজনৈতিক দল সমূহে যি ধৰণে হাত তালি দিছে, তাৰ পৰা দেশখনৰ কি লাভ হ'ল। লোকচানহে হ'ল। এই ক্ষেত্ৰত তেখেতসকলে গভীৰ ভাবে বিবেচনা কৰা উচিত আছিল। আজি যি সময়ত আমাৰ দেশখনত অৰ্থনৈতিক সংকটে দেখা দিছে, তেনে সময়ত ডাক্তৰ সকলে আন্দোলন চলাইছে। এই ক্ষেত্ৰত ৰাজনৈতিক লোকসকলে যি ধৰণে হেতালি খেলিছে তেওঁলোকে এইটো বিবেচনা কৰা উচিত। এই সময়চোৱাতে ছাত্ৰ সকলৰ আন্দোলন তুঙ্গত উঠিছিল। ৰাজনৈতিক দল সমূহে এনেকুৱা দিশত হেতালি খেলা উচিত নহয়। স্বাস্থ্য সম্পৰ্কে এনে কৰাটো ঠিক নহয়।

★ **Speech not corrected**

অধ্যক্ষ মহোদয়, আমি গত পাঁচ বছৰত দেখিছো কংগ্ৰেছ আমোলত য'ত হাস্পতাল দিয়াৰ ঠিক কৰিছিল, পিচৰ চৰকাৰে তাৰ পৰা ২০ মাইলমান আঁতৰলৈ উঠাই নিছিল। এনেকুৱা যথেষ্ট দৃষ্টান্ত আছে। আমাৰ মৰাণত ৩০ খন বিচনাযুক্ত হাস্পতালৰ আধাৰশিলাৰ প্ৰস্তাৱ হৈছিল। স্বাস্থ্য সেৱা গাঁৱলৈ নিয়াৰ নামত মৰাণত এখন হাস্পতালৰ প্ৰস্তাৱ হৈছিলে। এই ক্ষেত্ৰত মৰাণৰ চেন্ট্ৰেল প্লেচৰ পৰা ১৩ কিঃমিঃ আঁতৰত য'ত ৰাস্তা পদূলিৰ সুবিধা নাই। কিছুমান ঠাইত ডাক্তৰ নাথাকে। যিখন মৰাণ ডিচপেনচেৰী আছে তাত দুজন ডাক্তৰ থাকে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে ক্ষীপ্ৰ ব্যৱস্থা লব যাতে গাওঁৰ সকলো মানুহে স্বাস্থ্য সেৱাৰ কাৰণে সেই সুবিধা লাভ কৰিব পাৰে। আমাৰ এজন বিৰোধী সদস্যই কৈছে যে ভ্ৰাম্যমান চিকিৎসা ব্যৱস্থা কৰিব লাগে। আমিও কওঁ এইটো লাগে। ১৯৮৩ চনত আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে মৰাণত এখন হাস্পাতালৰ প্ৰস্তাৱ কৰিছিল আৰু এ, জি, পি, চৰকাৰে অহাৰ পিচত সেই আধাৰশিলা ২০ মাইল আঁতৰত পাতিছিল। মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যাতে আকৌ সেই হাস্পাতালৰ প্ৰস্তাৱ কৰি তাত একশ বিচনাযুক্ত হাস্পাতালৰ আধাৰশিলা কৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, গাঁৱৰ ৰাস্তা-ঘাটৰ অৱস্থা তেনেই জৰাজীৰ্ণ। ৰাস্তা পদূলিৰ উপযুক্ত ব্যৱস্থা নথকাৰ কাৰণে মটৰ গাড়ী, গৰু গাড়ীৰ কথা বেলেগেই, ৰাস্তাৰ কাৰণে চাইকেল খনকে কান্ধত তুলি নিব লগীয়া হয়। বাৰিষা দিনত যদি কোনোবা সন্তান সম্ভৱা মাতৃয়ে ডাক্তৰ ডাক্তৰ বুলি চিঞৰি গগণ ফালিলেও ডাক্তৰ নাপাই মৃত্যুক সাৱটি লব লগীয়া হয়। কেতিয়াবা তেনেকুৱা অৱস্থাৰ মানুহক বস্তাত ভৰাই ২-১ বা ৪ জনে কান্ধত তুলি কঢ়িয়াই নিওঁতে সন্তানে তুঁৱা তুঁৱা বুলি চিঞৰে। গুৱাহাটী চহৰত থকা ডাক্তৰ সকলে চি, টি, এনাওন্সত পায়। ঠিক তেনেকৈ গাঁৱৰ ডাক্তৰ খানাত নিয়োগ কৰা ডাক্তৰ সকলক ৪০ শ বা ৫০ শ টকা বিশেষ দৰ্ম্মহা দিয়াৰ ব্যৱস্থা কৰি প্ৰেৰণা দিয়ে যেন। মাছ ধৰিবলৈ আপোনালোকে শিকোৱা বিত্তিটোকে ধৰি থাকে। বিহাৰী, মাৰোৱাৰীৰ আঠু মূৰৰ টকা উলিওৱাৰ সুবিধা ওলায় যেতিয়া গাৱঁত মাছ মাৰি কষ্ট কৰাৰ দৰকাৰ কি? মাছ মাৰিব গাঁৱত, তেওঁলোকে গাৱঁত বন্ধুক কিনি কি কৰিব? কাক মাৰিব? গাওঁৰ ৰাস্তা পদূলি উন্নতি কৰিবলৈ বিভাগীয় বিষয়া তথা অন্যান্য বিভাগ বিলাকৰ লগত যোগাযোগ কৰি গাৱঁৰ ৰাইজৰ সুবিধাৰ্থে ডাক্তৰ সকলক কিবা এটা লোভনীয় দৰ্ম্মহা আৰু অন্যান্য সা-সুবিধা দি গাৱঁত এপইন্টমেন্ট দিবৰ বাবে মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনালো। চহৰত ডাক্তৰ সকলৰ প্ৰয়োজনীয় ব্যৱস্থা আছে। যি সকল ডাক্তৰে গাৱঁত নগৈ টাউনতে থাকি থেপা থেপিকৈ বহি ফাৰ্মাচী খুলে সেই সকল ডাক্তৰৰ ওপৰত কঠোৰ ব্যৱস্থা লবলৈ মই অনুৰোধ জনালো। যোৱা কালি বিৰোধী দলৰ মাননীয় সদস্য সন্ধিকৈদেৱে কৈছিল যে কুকুৰে কামুৰি হাত এখন লৈ ঘূৰি ফুৰিছে। কথাটো মিছা নহয়। আজি ৩ বছৰৰ আগতে অসম মেডিকেল কলেজত মইও চিকিৎসা লৈ আহিছো।

সেই সময়ত এটা কোঠা বা কটেজ লোৱাৰ সামৰ্থ মোৰ নাছিল। মই জেনেৰেল ওৱাৰ্ডতে আছিলো। তাত যিটো গন্ধ জলায় তাৰোপৰি খানা-পিনা সঁচাকৈ বৰ নিম্নগামী। যি কেইদিন চিকিৎসাধীন হৈ থাকিলো গোটেই কেইদিন ঢেকীয়া ভাজি খাই থাকিলো। অৱশ্যে মোৰ যিটো অসুখ হৈছিল ভাল বস্তু খাব নোৱাৰি। ...... (ভইচ) ...... মই সেইটো কথা কোৱা নাই। মই কৈছো চিকিৎসালয়ত যিটো তৰকাৰী দিয়ে ঢেকীয়া বান্ধি অনা টঙালদালো ভাজিত পেলাই দিয়ে। মই সেই ওৱাৰ্ডৰ চাৰ্জত থকা এজনক মাতি আনি কলো — তহঁত ইকনমিক কেতিয়াৰ পৰা হলি? ঢেকীয়াৰ টান ঠাৰি কেইদালতো নেপেলাৰ লগতে বান্ধি অনা টঙালডালো ভাজি দিছ। পিছ দিনাৰ পৰা কণী এটা আৰু মাছ এডোখৰ পালো। বাঁহৰ অৰিজিন খাব পাৰে খৰিছা হিচাবে। সেই বুলি টঙাল ডাল খাব নোৱাৰি। (ভইচ) টঙাল ডালত ভিটামিন আছে বুলি ৰাজহ মন্ত্ৰী মহোদয়ে কেতিয়াৰ পৰা জানিলে।

যি হওক অসম মেডিকেল কলেজ বুলিলে এদিন কবলৈ নাই। মেডিকেল কলেজটো আমি গৰ্ব্ব কৰিছিলো। এতিয়া সেই মেডিকেল কলেজৰ অৱস্থা জৰাজীৰ্ণ। উপযুক্ত ডাক্তৰ ওলালে মেডিকেল কলেজলৈ নৈ অনা হয়। বহুতে ভাবে নেকি যে গুৱাহাটীৰ বাইজে অসম আৰু অসমেই ৰাইজ। আপাৰ অসমত থকা অসমৰ প্ৰথম মেডিকেল কলেজখনক বিভিন্ন ধৰণে অৱজ্ঞা কৰা হৈছে। মই আজি দাবী জনাও যে অসমৰ এই মেডিকেল কলেজখনক উপযুক্ত ৰক্ষণা-বেক্ষণ দি যথোপযুক্ত উন্নতিকৰণৰ কাৰণে বিহিত ব্যৱস্থা লয় যেন। যোৱা ৫ বছৰে অসম মেডিকেল কলেজক অত্যাচাৰ কৰা হল, অসম মেডিকেল কলেজৰ যি সকল বিশেষজ্ঞ, প্ৰফেচৰ আছে সেই সকলক এজন এজনকৈ গুৱাহাটী মেডিকেল কলেজলৈ অনা হওক।

★ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ তাৰিখৰ পৰা নে যোৱা ৫ বছৰৰ পৰা?

★ **শ্ৰী লক্ষ্মী প্ৰসাদ বৰগোঁহাই ঃ** গুৱাহাটী মেডিকেল কলেজৰ ওপৰত কিবা কন্দন কৰা যেন লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটী খনেই অসমৰ একমাত্ৰ ঠাই নহয়। মই গুৱাহাটীৰ উন্নয়ন হোৱাটো হিংসা কৰিবলৈ যোৱা নাই। গুৱাহাটী অসমৰ ৰাজধানী। ৰাজধানীখনক আমি সকলো ফালৰ পৰাই সজাই পৰাই তুলিব লাগিব। কিন্তু সেইবুলি অসমৰ অতি পুৰণি চিকিৎসা মহাবিদ্যালয় খনক অধঃপতিত কৰিবলৈ মই আপোনালোকক অনুপ্ৰেৰণা যোগাব নোৱাৰো। মোক স্বাস্থ্য মন্ত্ৰী কৰিবলৈ হলে আপোনালোকৰ ১২ বাজি যাব।

(ভইচ ঃ সেই কাৰণে কৰা নাই।)

নকৰাই ভাল। মন্ত্ৰীয়েই পোৱা নাই, স্বাস্থ্য মন্ত্ৰী দূৰৰ কথা। আশা কিন্তু আছে। সেইবুলি আশা থাকিব বুলিয়েই নিজৰ ঘৰৰ ভিতৰতেই ইটোৰ পিচত সিটোক লগাই দলপতিৰ বিৰুদ্ধে

---

★ Speech not corrected

কিবা কিবি ৰচনা কৰিবলগীয়া নাই। আগৰ যিখন চৰকাৰ সেইখনৰ সময়ত ৰকম ৰকম কথা কৈ আকৌ মন্ত্ৰী দিলেই চুপ মাৰে।

(ভইচ ঃ আপুনি ব্যস্ত আছিল কাৰণেই দিয়া নাই)

সেই বিলাক বেলেগ কথা। আজি আমাৰ প্ৰায় ২ টা বছৰ পাৰ হৈ যোৱাৰ উপক্ৰম হৈছে। এই দুটা বছৰত আমি বিভিন্ন ধৰণৰ সমস্যাৰ মাজত নিমজ্জিত হ্বলগীয়া হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি গ্ৰেন্টৰ ওপৰত কওঁক।

★ **শ্ৰী লক্ষী প্ৰসাদ বৰগোঁহাই ঃ** উপাধ্যক্ষ মহোদয়, মেডিকেল কলেজৰ চিট লৈ সমস্যা ডাক্তৰ সকলৰ সমস্যা, বিভিন্ন সমস্যা আছে। উন্নয়নৰ কথা চিন্তা কৰাত যথেষ্ট জটিলতা আহিছে। কিন্তু এতিয়া এই সকলো বিলাক সমস্যা এৰাই চলিব পৰা হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে গাই আৰু গোৱাল সন্মত হলে একাঠু বোকাটো গাখীৰ খীৰাব পাৰি। আমাৰ যিবিলাক সমস্যা স্বাস্থ্য বিভাগ বা অন্যান্য বিভাগ সমূহত আছে আৰু তাৰ বিপৰীতে উন্নয়ন মূলক কাম-কাজ সমূহ যেনে ক্ষিপ্ৰ গতিত আগবাঢ়িব লাগিছিল সেইটো ব্যহত হৈছিল। এতিয়া এই অৱস্থা নাইকিয়া হৈছে। আৰু মোৰ সকলোৰে ওচৰত আবেদন যেন তেখেত সকলে এই পুঁজীৰ সংক্ৰান্তত যি কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিছে সেইটো উঠাই লয় আৰু মেডিকেল বিভাগটো যাতে দুহাজাৰ চনত প্ৰত্যেকজন মানুহৰ কাৰণে স্বাস্থ্য সেৱা আগবঢ়াব পৰাকৈ উপযুক্ত কৰিবৰ কাৰণে বৰঙণি যোগায়। এইখিনি কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker : Now, I call upon Dr. Abdul Matin Mazumder.**

**Dr. Abdul Matin Mazumder :**

Hon'ble Deputy Speaker, Sir, in supporting the Grant No. 29 under Medical and Public Health, I am to state that an amount of Rs. 1,37,29,02,000/- is most insufficient for the Health care of the people of a State like Assam. Because of such in sufficient grants in the past few years, most of the buildings starting from the Staff Quarters to Primary Health Centres Dispensaries as well as District and Sub-Divisional Hospitals were not repaired. The condition in and around of the hospitals is most unsatisfactory and unhygenic and the supply of medicines including the life-saving drugs to the Hospitals have been insufficient and the equipments for the last 3/4 years are lacking. All these factors were responsible for the lack of interest of Doctors with regard to their services with sincerely and dedication to the people. I would rather, request

★ Speech not corrected

the Hon'ble Minister, Health & Family Welfare to find out ways for resource mobilisation which can be done by bringing appropriate legislative measures so that all Nursing Homes of Assam now growing like Mushrooms could be brought under an Act and Rules and we may impose taxes proportional to the high income on them. We may also know the number of Doctors who are practising in the Nurshing Homes with a higher earnings. I suggest, Sir, professional taxes proportionate income of those of higher in come bracket.

The second legislation that can be brought about is to convert teaching posts of Medical Colleges of Assam and Dental College into a non-practicing post – and unless, this is done, we can not improve the condition of the Medical Colleges and services to the patients in the Medical College Hospital. Now, Sir, if a dedicated professional man who is working in a Medical College as a teacher and interested in private practice, he may be given a special permission to do his private practice for one to two hours a day and he may be imposed taxes for the additional income and by this way, we could try to mobilise resources from others also, I would request the Hon'ble Minister, Health & F.W. to move the Government of India for sufficient grant for Health Projects so also the national and international agencies for the purpose and by such mobilisation of resoures, we could, atleast, improve the condition of the Hospital Buildings, improve the supply position of the medicines equip the Hospitals and thereby attract the doctors to work there with sincerity and devotion.

As regard the Medical Colleges of Assam, I feel, these need a complete overhauling because the Hospitals are in a most un-hygenic condition, and there is no proper look after. The doctors are not attending regularly and the supply of medicines are insufficient including the surgical goods and as a result. Patients

are not getting services at all. I would request the Hon'ble Minister, Health and Family Welfare to look into it and improve the Medical Colleges of Assam to the same standard as CMC Vellore, All India Institute of Medical Science, New Delhi and P.G.I. Chandigarh. I would also request for bringing our renowned professionals and specialists working outside Assam or Abroad to join us and thereby, we could improve the standard of our Medical College Hospitals like those of the Vellore, Chandigarh. If we could do that I hope we would be able to prevent the flow of patients and money out of the State. Not only that, we can attract the patients and money from other North Eastern States. If they find that standard of medical treatment available in Assam is equivalent to that of South India, Chandigarh or New Delhi.

In this connection, I would rather like to request the Hon'ble Minister, Health and Family Welfare that we have got a doctor here who is one of the few renewned Radiologists of India, who had been till the other day, the Director of the B.Barua Cancer Institute. This doctor has become a victim of the agitational programme of the Workers' Union and he had been without any engagement for the last several months. I would request the Hon'ble Minister to look into the matter and engage the Doctor and utilise his services and experience in any capacity, he may be engaged as a Director of the B.Barua Cancer Institute or he may be placed in one of the Medical Colleges and Justify the payment made to him in the form of salary and emoluments. That is not the solitary instance. I can cite another example that, one Dr. Nandi who was transferred from Civil Hospital Cilchar one and a half year back, he was released but he was not allowed to join in the Hospital where he is posted. The man is now without any engagement and without pay for the last one and a half year. Sir, I took up the matter with the then Minister of Health and F.W. but in vain.

In this connection, I would like to state that this Medical, Health and Family Welfare Dept. is handcuffed by the bureaucrat and professional red-tapism and I would request my Hon'ble friend in charge of Health & Family Welfare to do a lot of home work to salvage the Department out of the clutches of the octopus. Thanking you very much, Sir.

**Mr. Speaker :** Now after Doctor Abdul Matin Mazumdar Dr. Kamala Kalita will Speak. Today is the Doctor's day.

★ **ডাঃ কমলা কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ শিতানত যি মজুৰী স্বাস্থ্যমন্ত্ৰী মহোদয়ে বিচাৰিছে তাৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই মাত্ৰ দুষাৰ মান কব বিচাৰিছো। সময় কম তাৰোপৰি ইয়াৰ ওপৰত ভালেখিনি আলোচনা হৈছে। মই মাত্ৰ পইন্ট কেইটামানৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আচলতে কৰ্ত্তন প্ৰস্তাৱ অনাৰ সুবিধা থকা বাবেহে কৰ্ত্তন প্ৰস্তাৱ আনিছো। নহলে মই এদিছনেল প্ৰস্তাৱ হিচাবে উত্থাপন কৰিলোহেঁতেন। কাৰণ স্বাস্থ্য বিভাগ আমাৰ সমালোচনা কৰা হৈ আহিছে। স্বাস্থ্য বিভাগত পুজিৰ দৰকাৰ। পুজিৰ ওপৰত আমি গুৰুত্ব নিদিলে স্বাস্থ্য বিভাগত পুষ্টিহীনতাত ভুগিব লাগিব। চোমালিয়াত হোৱাৰ নিচিনাকৈ আমাৰ ইয়াতো অৱস্থা হব। সেই কাৰণে এই বাজেটৰ ওপৰত আমাৰ মন্ত্ৰী ডাঙৰীয়াই বাজেটৰ ইনক্ৰিজৰ কাৰণে যদি গুৰুত্ব নিদিয়ে তেতিয়া হলে জনসাধাৰণৰ যিটো আৱশ্যক সেয়া পূৰ্ণ কৰিব পাৰিব বুলি মই নাভাবো। যি নহওঁক মাননীয় সদস্য সকলে কিছু কথা কৈছে আৰু মাত্ৰ কেইটামান কথা কৈ দিব বিচাৰিছো। আজি আমি দেখিছো যে অকল গুৱাহাটীতে নহয়, অসমৰ প্ৰধান চহৰ বিলাকত কাঠ ফুলাৰ নিচিনাকৈ নাৰ্চিং হোম গঢ়ি উঠিছে। এই নাৰ্চিং হোম বিলাকত চিকিৎসক কেনেকুৱা, চিকিৎসাৰ বাবে আহিলা পাতি কেনেকুৱা, তাত ট্ৰেইনদ নাৰ্চ আছে নে নাই চোৱাৰ ব্যৱস্থা নাই। চৰকাৰৰ এই নাৰ্চিং হোম বিলাকত চোৱা-চিতা কৰাৰ কাৰণে কোনো ব্যৱস্থা নাই। যাৰ ফলত ব্যৱসায়ীক ভিত্তিত নাৰ্চিং হোম বিলাক গঢ়ি উঠিছে। এই নাৰ্চিং হোম বিলাকৰ ভিতৰ চৰা নজনাৰ ফলত ৰোগী সকলক নাৰ্চিং হোম বিলাকে প্ৰবঞ্চনা কৰা বুলি আমি জানিব পাৰিছিলো। সেই কাৰণে মই পৰামৰ্শ আগবঢ়াইছিলো। মন্ত্ৰী মহোদয়ে নিশ্চয় বিভাগত এই কথা চালে পাব। নাৰ্চিং হোম বিলাক ৰেগুলেক্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। আজি বিউটি পাৰলাৰ বিলাক ব্যৱসায়িক ভিত্তিত গঢ়ি উঠিছে। ৰেগুলেক্ট কৰিব পাৰিলে এই বিলাক চৰকাৰৰ কন্ট্ৰলত থাকে। নাৰ্চিং হোম বিলাকত কিমান জন স্পেচিয়েলিষ্ট আছে, এনাস্থেটিক কিমান জন আছে, চাৰ্জন কিমান আছে চৰকাৰে জানিব পাৰিব। নাৰ্চিং হোম বিলাকৰ চিকিৎসাৰ আহিলা পাতি আৰু নাৰ্চিং হোমৰ ভিতৰ চৰা ভালদৰে জানিব পাৰিব। মই এই কথা ব্যক্তিগতভাবে মন্ত্ৰী

★ **Speech not corrected**

ডাঙৰীয়াক কৈছো। ইয়াৰ আগতেও আমাৰ প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী শ্ৰীলাংথাচা ডাঙৰীয়াকো এই কথা কৈছিলো। মই স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে এই বিষয়ে বহুখিনি আগবাঢ়িছিল আৰু প্ৰায় সম্পূৰ্ণ হৈছিল। সেই সময়ত লেজিচলেচন সম্পূৰ্ণ কৰিব নোৱাৰিলো। সেই কাৰণে মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যদি এই বিষয়ে বিশেষ লেজিচলেচন কৰি কন্ট্ৰোল কৰা নহয় তেতিয়া হলে ঘৰে ঘৰে নাৰ্চিং হোম হ'ব আৰু সেইবিলাকৰ ভিতৰ চৰা নজনা লোক সকলে নিশ্চয় সেইবিলাকলৈ যাব। আৰু দুই নম্বৰ কথা হৈছে, আজি আমাৰ মাননীয় সদস্য শ্ৰীহিতেশ্বৰ ডেকা ডাঙৰীয়াই কৈছিল যে অসম চুক্তিত আমাৰ গুৱাহাটী মেডিকেল কলেজ আপ গ্ৰেড কৰি পোষ্ট গ্ৰেজুৱেট ইনষ্টিটিউট কৰাৰ কাৰণে প্ৰস্তাৱ আছিল। এই প্ৰস্তাৱ ৰূপায়িত কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অৰ্থৰ যোগান ধৰিবলৈ সন্মত হৈছিল। তাৰ কাৰণে এখন কমিটি গঠন কৰি দিয়া হৈছিল। এই কমিটি খনে পোষ্ট গ্ৰেজুৱেট ইনষ্টিটিউট কৰাৰ কাৰণে যিখিনি দৰকাৰ সকলোখিনি নিৰ্ধাৰণ কৰিছিল আৰু ১৯৯০ চনত ৩ মাহৰ ভিতৰত ইয়াৰ প্ৰতিবেদন দাখিল কৰাৰ কথা আছিল। কিন্তু আজি পৰ্য্যন্ত এতিয়ালৈ হয়তো এই প্ৰতিবেদন দাখিল কৰিলে নে নাই জানিব পৰা নাই। গুৱাহাটী মেডিকেল কলেজক উন্নীত কৰাৰ যিটো প্ৰস্তাৱ সেইটো আমি দেখিবলৈ পোৱা নাই। বৰং দিনে দিনে অৱস্থা তললৈহে গৈ আছে। অসম চুক্তিৰ আধাৰত এই কলেজখনক পোষ্ট গ্ৰেজুৱেট পৰ্য্যায়লৈ উন্নীত কৰাৰ কাৰণে মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই নিশ্চয় পুনৰ বিবেচনা কৰিব। আৰু সেই বিষয়টোৰ ওপৰত গুৰুত্ব দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এতিয়া কথা হৈছে মেডিকেল কলেজ বিলাকত আজি কেইবা বছৰ মান ধৰি নাম ভৰ্ত্তিৰ সময়ত ৰাজনৈতিক হস্তক্ষেপ কৰা দেখিবলৈ পাইছো। আমি যদি মেডিকেল কলেজ বিলাকত নাম ভৰ্ত্তিত ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত কৰিব নোৱাৰো তেতিয়াহলে আমি আচলতে কুৱালিটেটিভ চিকিৎসক পোৱাৰ সলনি কুৱান্টিটেটিভ চিকিৎসকহে পাম। আমি ভাল ডক্তৰ আশা কৰিব নোৱাৰিম। যোৱা বছৰটোত গুৱাহাটী মেডিকেল কলেজতে নহয় অসমৰ আটাইবিলাক মেডিকেল কলেজতে নাম ভৰ্ত্তিত খেলি মেলি হোৱা কথাটো আমাৰ মন্ত্ৰী মহোদয়ে জানে, ৰাইজে জানে, মাননীয় অধ্যক্ষ মহোদয়ে নিজেও এই কথা জানে। মেডিকেল কলেজত নাম ভৰ্ত্তিৰ খেলিমেলিৰ তদন্ত কৰাৰ কাৰণে এখন তদন্ত কমিটি গঠন কৰি দিয়া হৈছিল। সেই কমিটিয়ে প্ৰতিবেদনো দাখিল কৰিছে। এই সুযোগতে মই মন্ত্ৰী মহোদয়ক এই সদনতে তদন্ত কমিটিৰ প্ৰতিবেদন দাখিল কৰিবলৈ অনুৰোধ জনালো। কিয়নো এই প্ৰতিবেদন জনাৰ আমাৰ অধিকাৰ আছে। আমি শুনিবলৈ পাইছো যে নাম ভৰ্ত্তিত যথেষ্ট অনিয়ম কৰা হৈছে। আনকি নাম ভৰ্ত্তিৰ তালিকাত থকা ছাত্ৰ-ছাত্ৰীৰ নম্বৰো জাল কৰা হৈছে। এই অভিযোগ বিলাকৰ তদন্ত কৰা হৈছে। গতিকে এই প্ৰতিবেদন চৰকাৰে সদনত দাখিল কৰাৰ ক্ষেত্ৰত কোনো দ্বিমত থাকিব নালাগে। আমি ভাবো নাম ভৰ্ত্তিকৰণৰ ক্ষেত্ৰত থকা ৰাইজৰ ভুল বা

ভ্ৰান্ত ধাৰণা বিলাক এই প্ৰতিবেদন দাখিল কৰাৰ পিছত নিশ্চয় আঁতৰিব। আমি নাম ভৰ্ত্তিৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ হোৱাটো বাঞ্ছা নকৰো। ৰাজনৈতিক হস্তক্ষেপ হব নালাগে আৰু এই ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয় তথা ভাৰতৰ উচ্চতম ন্যায়ালয়ে কেইবাটাও ৰায় দিছে। আজি ১৯৯২ এই ৰায় দিছে। এই ৰায় নম্বৰ হ'ল চি আৰ-১১৩৬/৯২। এই জাজমেন্ট দিছে ২৯-৭-৯২ তাৰিখে। তাত কৈছিলে Supreme Court, All India Reporters 1986-no factors other than merit have to be considered for admission into the Technical Institution and Colleges. —উচ্চ ন্যায়ালয়ে এনে ধৰণৰ নাম ভৰ্ত্তি অবৈধ বুলি ৰায় দিছে।

এনে ধৰণৰ এডমিশ্যন অবৈধ। এনেধৰণৰ অবৈধ এডমিচনৰ কাৰণে চুপ্ৰিম কৰ্টত কেইবাটাও ৰায় আছে। মেডিকেল কলেজ বা ইঞ্জিনিয়াৰিং কলেজেই হওঁক মেৰিটৰ ওপৰত গুৰুত্ব দিব লাগে। বেলেগ বেলেগ ফেক্টৰ মানি লব নোৱাৰো। ১৯৮৬ চনৰ অল ইন্দিয়ান ৰিৰ্পটাৰচ্ পেইজ ৪২০ efforts to select best and most meritorious for admission into technical Institutions and Medical Colleges, equality before the eye of law. । কিন্তু এনে ধৰণে উচ্চতম ন্যায়ালয়ে আৰু উচ্চ ন্যায়ালয়ে বিভিন্ন সময়ত এই বিলাকৰ ৰায় দিয়াৰ পাচত (১৯-৭-৯২) ১৯৯২ চনত এই ৰায় বিলাক অৱমাননা কৰি নাম ভৰ্ত্তিৰ কাম কৰি আছে। এই ব্যৱস্থা গৰিহণা যোগ্য। উচ্চতম ন্যায়ালয়ৰ যি বিলাক ৰায় এই ৰায় বিলাক গুৱাহাটী উচ্চ ন্যায়ালয়ে মানি লব খোজা নাই। ৩০ টাতকৈও বেছি ৰায় আমাৰ হাতত আছে। আমি দেখিছো, আমাৰ এই ৰাজনৈতিক হস্তক্ষেপৰ কাৰণে মেডিকেল কলেজ, টেকনিকেল কলেজ, ভেটেনাৰী কলেজ, এগ্ৰিকালচাৰ কলেজ, আৰ্য়ুবেদিক কলেজ এই সকলোতে নাম ভৰ্ত্তিৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ মুক্ত কৰিব লাগে। মেৰিট বেচিচত দিয়াৰ ব্যৱস্থা কৰিব লাগে। ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে অপ্ৰতিনিধিত্ব কোটা থকা নাই আৰু সেই কথাও আচলতে আমাৰ ভাৰতবৰ্ষৰ সংবিধানত থাকিব নোৱাৰে। আমি যদি এনেধৰণৰ ব্যৱস্থা বিলাক আঁতৰ কৰিব নোৱাৰো আমাৰ উত্তৰ পুৰুষে অভিশাপ দিব। মই মন্ত্ৰী মহোদয়ক কৈছো এডমিশ্যনৰ তদন্তৰ প্ৰতিবেদন দাখিল কৰক আৰু এই চলিত বিধান সভাত সকলো প্ৰতিবেদন দাখিল কৰিব লাগে। মই এই খিনিতে কেইটামান নেচনেল প্ৰগেমৰ কথা কব বিচাৰিছো। আমাৰ অসম ৰাজ্যখনে কেন্দ্ৰৰ পৰা ভালে কেইটা নেচনেল প্ৰগেমৰ কাৰণে, যেনে ঃ- মেলেৰীয়া, ইমোনাইডেষ্যন ইত্যাদি। এই প্ৰগ্ৰেম বিলাকৰ কাৰণে কেন্দ্ৰৰ পৰা অৰ্থৰ যোগান ধৰে। আজি কেইবছৰ মানৰ পৰা দেখিছো নেচনেল প্ৰগ্ৰেমৰ কাৰণে তেনে কোনো গুৰুত্ব দিয়া নাই। নেচনেল প্ৰগ্ৰেমৰ কাৰণে কেন্দ্ৰৰ পৰা অৰ্থ আনিবৰ কাৰণে আমাৰ চৰকাৰ ব্যৰ্থ হৈছে। এই প্ৰগ্ৰেমতে লেপচিৰ কাৰণে বহুতো লৰা-ছোৱালী প্ৰশিক্ষণ লৈ আছে। আজি দুবছৰ ধৰি বহি আছে। অথচ আমাৰ ৰাজ্যখনত এতিয়াও লেপচিৰ ৫৭ টা

পোষ্ট খালি আছে এতিয়াও ১৫০ টা। লৰা-ছোৱালী প্ৰশিক্ষণ শেষ কৰাৰ পাচত ৩ বছৰ ধৰি ৰাজ্য খনত বহি আছে। চিকিৎসালয় হোৱা নাই। অথচ ৰাজ্যখনৰ সেই টকা কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিব, তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ পৰা দৰমহা পাব। তথাপি নিযুক্তি দিয়া হোৱা নাই। সেই সময়ত অসম গণ পৰিষদ চৰকাৰৰ দিনত প্ৰশিক্ষণ দিয়া হৈছিল। সেয়ে কিছু খাম-খেয়ালি থকাৰ কাৰণে এই ছাত্ৰ-ছাত্ৰী সকল বহি থাকিবলগীয়া হৈছে, প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। নেচনেল প্ৰগ্ৰেম ইমেনাইৰজেষ্যনৰ কথা মন্ত্ৰী মহোদয়ে নিজেই জানে কাৰণ তেখেত নিজেই এজন ভাল চিকিৎসক। নেচনেল প্ৰগ্ৰেম ইমেনাইৰেজেষ্যন কৰাৰ যিটো অৰ্থ সেই অৰ্থ ৰাখিবলৈ নিশ্চয় ব্যৱস্থা হাতত লব। মই ডাক্তৰ সকলৰ কথা কৈছো। আমাৰ ডাক্তৰ সকল গাওঁলৈ নাযায়। মাননীয় অধ্যক্ষ মহোদয়, মই ডাক্তৰ সকলক সমৰ্থন কৰি কোৱা নাই। মই নিজেই ডাক্তৰ, কিন্তু মই ডাক্তৰ হিচাবে কোৱা নাই। মই এজন বিধায়ক হিচাবেহে কৈছো। তেখেতসকলৰ সমস্যা আছে, তেওঁলোকৰ এই সমস্যাবোৰ ক'ত আছে। তেওঁলোক যে গাওঁলৈ নাযায়। আজি আমাৰ পি, ডব্লিউ, ডি অফিছৰ মহৰী সকল গাওঁত নাথাকে। গাওঁৰ যিবিলাক অফিছ, কাছাৰী আছে, তেখেত সকলেও গাওঁত নাথাকে, গুৱাহাটীত থাকে। কিন্তু ডাক্তৰ সকলৰ এনেকুৱা অৱস্থা হৈছে যি সকলৰ লৰা-ছোৱালী পঢ়াবৰ কাৰণে কোনো সুবিধা নাই, লেম্প চাকি জ্বলাই ৰাখিব লাগে, কোৱাৰ্টাৰ নাই, তেওঁলোকৰ কোৱাৰ্টাৰ আছে, লাইট নাই। যিখিনি সুবিধা দিব লাগে, সেইখিনি সুবিধা দিব নোৱাৰাৰ কাৰণে ডাক্তৰ বিলাকক এক পক্ষীয়ভাবে সমালোচনা কৰিলে নহ'ব এইবিলাক মানব সেৱা। আনহাতে আজি ডাক্তৰ সকলক ৰাজনৈতিক হাঠিয়াৰ হিচাবে ব্যৱহাৰ কৰিছে। ডাক্তৰ সকলৰ ইনফ্লুৱেন্স আছে, তেতিয়া হলে তেওঁলোকে সুবিধা পায়। যি সকলৰ কোনো চিনাকি নাই, তেওঁলোকক গাওঁৰ দুৰ্গত ঠাইত নিযুক্তি কৰা হৈছে, তেওঁলোকক তাৰ পৰা আনিবৰ কাৰণে কোনো ব্যৱস্থা নাই। সেই কাৰণে মই কৈছো ডাক্তৰ সকল পাঁচ বছৰ গ্ৰাম্য অঞ্চলত থাকি চিকিৎসা কৰাব বাধ্য কৰিব লাগে। এইটো আইন গত ব্যৱস্থা হ'ব লাগে। বিৰোধী পক্ষই নিশ্চয় এইটো সমৰ্থন কৰিছে। পাঁচ বছৰ গ্ৰাম্য অঞ্চলত চিকিৎসা কৰিব লাগিব, তাৰ পাচত চেমি আৰবানলৈ আনিব, চেমি আৰবানলৈ অনাৰ পাচত চিনিয়ৰ আৰবানলৈ আনিব লাগিব। এইটো ৰাজনৈতিক পদক্ষেপ কৰাৰ কোনো কাৰণ নাই। তেওঁলোকৰ যিখিনি প্ৰাপ্য সেইখিনি পাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত আমি আইনৰ মাজেৰে তেওঁলোকক বাধ্য কৰাব পাৰিম। কিন্তু ইয়াৰ লগতে কথা হৈছে যে কোনোবা ডাক্তৰৰ মন্ত্ৰীৰ লগত ভাল কাৰণে তেওঁ চহৰতে ২০ বছৰ থাকিব আৰু কোনোবা ডাক্তৰৰ কোনো নাই কাৰণে তেওঁ ৪০ বছৰ গাওঁতে থাকিব সেইটো নহয়। সেই কাৰণে এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে নজৰ দিব বুলি আশা কৰিলো আৰু লেজিচলেচনৰ মাধ্যমেৰে ডাক্তৰৰ এই সমস্যাবিলাক সমাধান

কৰিবলৈ মই অনুৰোধ কৰিলো। তাৰোপৰি ডাক্তৰ সকলৰ আৰু আন আন সমস্যা আছে। আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে সকলো জানে যিহেতু তেওঁ আগতেও স্বাস্থ্য মন্ত্ৰী আছিল। তাৰোপৰি আমছাৰ যিবোৰ সমস্যা আছে সেইবোৰৰ বিষয়েও আমাৰ মন্ত্ৰী মহোদয়ে নিশ্চয় জানে। মাননীয় অধ্যক্ষ মহোদয়, মই বেছিকৈ নকও, মাত্ৰ কেইটামান পইন্টৰ ওপৰতহে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজি আমাৰ ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চল কোনো হাস্পাতালৰ ব্যৱস্থা নাই। আন এটা কথা হৈছে যে আমাৰ ব্ৰহ্মপুত্ৰৰ পাৰত থকা মানুহতকৈ ব্ৰহ্মপুত্ৰৰ মাজত থকা মানুহৰ সংখ্যাও কম নহয়। মই স্বাস্থ্য মন্ত্ৰী হৈ থকা সময়তে আলোপতি চৰত এখন হাস্পতালৰ ব্যৱস্থা কৰিছিলো। কিন্তু সেইখন এতিয়ালৈ হৈ উঠিল নে নাই মই নাজানো। তাৰোপৰি ব্ৰহ্মপুত্ৰৰ মাজত থকা মানুহখিনিৰ কাৰণে ফল'টিং হাস্পাতালৰ ব্যৱস্থা কৰাৰ কাৰণে আমাৰ সময়তে প্ৰস্তাৱ লোৱা হৈছিল। কিন্তু সেই প্ৰস্তাৱ আজিলৈকে কাৰ্য্যকৰী নহল। আমাৰ ৰাইজৰ যিখিনি প্ৰাপ্য, যি দাবী সেইখিনি দিবৰ বাবে আমাৰ ফালৰ পৰাই একাগ্ৰতা লাগিব আৰু তেওঁলোকৰ মাজত সোমোৱাৰ আমাৰ যি চেষ্টা সেইখিনিক নিশ্চয় আমি আগুৱাই নিব লাগিব। ইয়াৰ লগতে মই আন এটা কথা কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডাঃ মজুমদাৰ ডাঙৰীয়াই কৈছে যে আমাৰ বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউটখনৰ অৱস্থা অতি দুখলগা হৈছে। এই অৱস্থাৰ বিষয়ে কবলৈ আচলতে আমাৰ বেয়া লাগে। গতিকে বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউট খনৰ বিষয়ে আমাৰ যি লক্ষ্য আছিল সেইখন ৰিজ'নেল কেন্সাৰ ইনষ্টিটিউট হিচাপে গঢ়ি তোলাৰ বাবে এন,ই,চি আৰু ভাবাৰ লগত যি এগ্ৰিমেন্ট হৈছিল সেই এগ্ৰিমেন্টখন ভালদৰে ষ্টাৰ্ট কৰক আৰু একাণপটীয়া প্ৰচেষ্টা হাতত লওঁক। আমাৰ যি সাধাৰণ বেমাৰৰ বাবে ৰেফাৰ কৰাৰ যি ব্যৱস্থা আছে সেইটো নোহোৱা হৈ যাব। আজি মাদ্ৰাজত অসম লজ হৈছে। প্ৰায় ৬০ শতাংশ মানুহ আজি সাধাৰণ বেমাৰৰ বাবে মাদ্ৰাজলৈ যায়। আজিও 'ভাবা'ই এইখনৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আছে। ইয়াৰ যিজন সঞ্চালক আছিল এতিয়া তেওঁক এনেয়ে বহাই ৰাখিছে। তেওঁক সঞ্চালক নিদিয়ে নাই কিন্তু তেওঁৰ চাৰ্ভিচটো মেডিকেল কলেজতে ৰাখি ইউটিলাইজ কৰিব পাৰে। তেওঁ এজন ভাল ৰেডিয়োল'জিষ্ট। ইয়াৰ লগতে আমাৰ কিছুমান আগৰ সমস্যা আৰু সমষ্টিৰ কথা কবলৈ ওলাইছো। আমাৰ মীৰ্জাত ১৯৯০ চনতে এখন ৩০ খন বিছনাযুক্ত চিকিৎসালয় হ'ল। কিন্তু সেইখনত এতিয়ালৈকে পানী যোগানৰ ব্যৱস্থা নাই। যাৰ ফলত তাত ৰোগী ৰাখিব নোৱাৰি। ঠিক তেনেকুৱা আৰু বহুত হাস্পাতাল আছে। আমাৰ যি নীতি আছে যে প্ৰত্যেক জিলাৰ সদৰ স্থানতে একোখন ২০০ বিছনাযুক্ত হাস্পাতাল কৰিব লাগে, সেই আঁচনি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লব লাগে। এতিয়া নতুন নতুন জিলা হৈছে। আজি বঙ্গাইগাওঁ জিলাতে চাওঁক তাত ২০০ খন বিছনাযুক্ত হাস্পাতালৰ কথা বাদেই ১০০ বিছনাযুক্ত হাস্পাতাল এখনো নাই। অভয়াপুৰীতো কোনো চিভিল

হাস্পাতাল নাই। গোটেই স্বাস্থ্য বিভাগটোৱেই পয়ালগা অৱস্থা হৈছে। নিজৰ বিভাগতে পয়ালগা অৱস্থা তেন্তে আনক কেনেকৈ সুস্বাস্থ্যৰ সুবিধা দিব। মাননীয় অধ্যক্ষ মহোদয় আমি সমস্যা বিলাক অগ্ৰাধিকাৰৰ ভিত্তিত নিৰ্ব্বাচন কৰিব লাগিব আৰু তেতিয়াহলেহে আমি জনসাধাৰণক সুস্বাস্থ্যৰ সুবিধা দিয়া লক্ষ্যত উপনীতি হব পাৰিম। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে বিশেষ ব্যৱস্থা লব বুলি আৰু মই যিবোৰ পৰামৰ্শ দিছো এইবোৰত গুৰুত্ব দিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছো।

**Mr. Speaker : Now, Hon'ble Minister Mr. Munin Mahanta.**

★ **শ্ৰী মুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং ২৯, চিকিৎসা আৰু স্বাস্থ্য সেৱা সম্পৰ্কত যি কৰ্ত্তণ প্ৰস্তাৱৰ আলোচনা কৰিছে ইয়াৰ সমৰ্থনত মই কেইটামান কথা কব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসা আৰু জনস্বাস্থ্য শিতানত কৰ্ত্তণ প্ৰস্তাৱ উত্থাপন কৰি আগৰ কেইজনমান বক্তাই ৰাজ্যখনৰ চিকিৎসা ব্যৱস্থা সম্পৰ্কে এটা ভাল অস্ত্ৰোপ্ৰচাৰ তেখেতসকলৰ বক্তব্যত কৰিছে। চৰকাৰে চিকিৎসা ব্যৱস্থাৰ বাবে বাজেট কৰিছে। দুহেজাৰ চনৰ ভিতৰত সকলোকে স্বাস্থ্য সেৱা পইচাই দিয়াৰ লক্ষ্য চৰকাৰে ৰাখিছে। কিন্তু আজি আমি যদি ভালদৰে পৰ্য্যালোচনা কৰি চাওঁ তেতিয়া গম পাম সৰ্ব্ব সাধাৰণ ৰাইজে কি চিকিৎসা সেৱা পাইছে। আজি বিভিন্ন হাস্পাতাল বিলাকত, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবিলাকত ডাক্তৰ, নাৰ্চ, কম্পাউণ্ডাৰ নাই। সাধাৰণ চিকিৎসাৰ বাবে ঔষধ তুলা আদি নাই। যিবিলাকত ডাক্তৰ আছে তাত ঔষধ নাই আৰু ডাক্তৰে যদি প্ৰেচক্ৰিপচনত ১০ টা ঔষধ লিখি দিয়ে তাৰে বেচি খিনিয়েই সেই অঞ্চল বিলাকত পাবলৈ নাই। আজি স্বাস্থ্য বিভাগৰ যি দূৰবস্থা হৈছে সেই দূৰবস্থা আঁতৰ কৰিব লাগিব। অধ্যক্ষ মহোদয় আমাৰ ভিতৰুৱা অঞ্চল বিলাকত যিবিলাক স্বাস্থ্য কেন্দ্ৰ আছে, সেইবিলাকত বছৰৰ পিচত বছৰ ধৰি ডাক্তৰ নাই। মোৰ সমষ্টিৰে কেইবাখনো হাস্পাতাল আৰু স্বাস্থ্যকেন্দ্ৰত ডাক্তৰ নাই। চৰকাৰে এইবিলাক সমস্যা সমাধান কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। এই স্বাস্থ্যকেন্দ্ৰবিলাকত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি যিবিলাক ডাক্তৰ এটেষ্ট কৰি মহানগৰত ৰাখিছে। এই ব্যৱস্থা বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত স্বাস্থ্য সঞ্চালকালয় তথা বিভাগীয় মন্ত্ৰী মহোদয়ে কঠোৰ ব্যৱস্থা লব লাগে। মোৰ আগৰ দুজনমান বক্তাই এইক্ষেত্ৰত আইন প্ৰণয়নৰ ব্যৱস্থা কৰিবলৈও কৈছে যাতে এজন লৰাই মেডিকেল পঢ়িবলৈ অহাৰ পৰাই এটা মনোভাব গঢ়ি উঠে যে তেওঁ পাচ কৰাৰ পিচত অন্তত পাঁচ বছৰ গাওঁ অঞ্চলত কাম কৰিব লাগিব। এই কথাটোত মই সজোৰে সমৰ্থন কৰি বিভাগীয় মন্ত্ৰী মহোদয়ক এখন বিধেয়ক অনাৰ বাবে অধ্যক্ষ মহোদয়ৰ যোগেদি দাবী জনাইছো। আজি চহৰ অঞ্চলত যিবিলাক চিকিৎসালয় আছে সেইবিলাকৰো অৱস্থা দুখলগা। আজি গুৱাহাটী মেডিকেল কলেজ, ডিব্ৰুগড় মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজ কতো পৰ্য্যাপ্ত চিকিৎসা ব্যৱস্থা নাই ফলস্বৰূপে বিভিন্ন অঞ্চলত নাৰ্ছিং হোমবিলাক

★ **Speech not corrected**

কাঠফুলাৰদৰে বাঢ়ি আহিছে আৰু এই বিলাকৰ ওপৰত চৰকাৰৰ কোনো কন্ট্ৰল নথকাতো উল্লেখিত হৈছে। এই নাৰ্ছিং হোমবিলাকত আমাৰ মেডিকেল কলেজৰ প্ৰফেছাৰ তথা বিশেষজ্ঞ সকলে প্ৰাইভেট প্ৰেকটিছ কৰে। এইটো চৰকাৰে বন্ধ কৰিব লাগে। ডাক্তৰ সকলৰ দৰ্ম্মহা আৰু অন্যান্য সা-সুবিধা বিলাক পৰ্য্যাপ্ত পৰিমাণে বৃদ্ধি কৰি দিব লাগে আৰু প্ৰাইভেট প্ৰেকটিছ কৰাতো বন্ধ কৰি দিব লাগে। আজি ডাক্তৰ সকলে প্ৰাইভেট প্ৰেকটিছ কৰি যি পৰিমাণৰ সম্পত্তি আহৰণ কৰিছে তাক সকলোৱে জানে। তাৰোপৰি আজি মেডিকেলত চিটৰ কাৰণেও ডাক্তৰ সকলক বেলেগে পইচা দিব লাগে। এইটো আমি কোৱাৰ প্ৰয়োজন নাই। এইটো সকলোৱে জানে। সিদিনা বাতৰি কাকতত এখন ফটো ওলাইছিলে, এজন ৰোগীক দুজনী মহিলাই টেচাৰত থেলি লৈ গৈছে। তেওঁলোকক চাবলৈ হাস্পাতালত কোনো নাই। এই বিষয়ে আগৰ বক্তা কেইজনে কৈ গৈছেই। মই এতিয়া মোৰ সমষ্টিৰ কথাকেইটামান কম। আমাৰ জিলাখনত এখনো ২০০ বিচনা যুক্ত হাস্পাতাল নাই। যি এখন ১০০ খন বিচনাযুক্ত চিকিৎসালয় আছে তাতো পৰ্য্যাপ্ত পৰিমাণৰ চিকিৎসাৰ সুবিধা নাই। তাত বিশেষজ্ঞ কোনো নাই। মই আগৰ অধিবেশনতে আমাৰ মৰিগাৱঁৰ মুখ্য চিকিৎসা বিষয়াৰ কাৰ্য্যালয়ত ঔষধৰ নামত খালি বটল যোগান ধৰাৰ সম্পৰ্কে এটা অভিযোগ আনিছিলো। মই কোনো বাতৰি কাকতক ভিত্তি কৰি এই অভিযোগ অনা নাছিলো। মই নিজ হাতে এটা বটলো সদনত দেখুৱাইছিলো। তাৰ পিচত শুনিছিলো ফাৰ্মখনত ১৫ দিনৰ কাৰণে বৰ্খাস্ত কৰিছিলে, পিচত আকৌ চাপ্লাই কৰিবলৈ দিছে। আৰু হাস্পাতালৰ কপাহেৰে লেপ চিলোৱাৰো এটা অভিযোগো মই আনিছিলো। কিন্তু লেপ চিলোৱা মিস্ত্ৰী জনৰ ওচৰত অনুসন্ধান কৰিবলৈ কোনো নগ'ল। মই দৰকাৰ হলে মিস্ত্ৰীজন হাজিৰ কৰি দিব পাৰো। এই বিলাকৰ কোনো অনুসন্ধান হল নে নহল মই গম নাপালো। পিচত কাৰোবাৰ মতে গম পাইছিলো নগাৱঁৰ এজন বিষয়াক অনুসন্ধান কৰিবলৈ দিছিল। কিন্তু তেওঁৰ বিৰুদ্ধেও বহুতো অভিযোগ আছে। আৰু এটা কথা এ,এন,এম, নাৰ্চৰ নিযুক্তিৰ ক্ষেত্ৰত এটা অভিযোগ আছিল কিন্তু সেইবিলাকৰ কোনো তদন্ত নহল। গতিকে স্বাস্থ্য সেৱাৰ কাৰণে যি টকা ধাৰ্য্য কৰা হৈছে, এই টকা বিলাক যদি অসৎ বিষয়া বিলাকে দুৰ্নীতি কৰি খায় পেলাই তেনেহলে বাজেটত বৃদ্ধি কৰাৰ কোনো প্ৰয়োজন নাই। টকা বৃদ্ধি কৰাৰ আগতে স্বাস্থ্যবিভাগটো নিকা কৰি লওঁক। মৰিগাৱঁৰ হাস্পাতালত চাপ্লাই কৰা সুতাখিনি বেয়া হোৱা কাৰণে চকুৰ অস্ত্ৰোপ্ৰচাৰ কৰোতে এজন ৰোগীৰ চকু বেয়া হৈ গৈছিল। গতিকে আমি ভাবো যে এই ব্যৱস্থা বিলাক যদি নিকা কৰিব নোৱাৰে তেতিয়াহলে সৰ্ব্বসাধাৰণ ৰাইজক কেতিয়াও সুচিকিৎসা দিব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই পইচা বিলাক খাই তহিলং কৰিলে। ৰাজ্যখনৰ প্ৰাথমিক চিকিৎসা সেৱাৰ নামত, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ঘৰ বিলাক নিৰ্ম্মাণ কৰা হৈছে যদিও সেই কেন্দ্ৰ বিলাক মুকলি কৰি কাম আৰম্ভ কৰাৰ আগতেই ভাঙি-চিঙি জহি খহি যায়। চৰকাৰে

এই বিভাগটোৰ ক্ষেত্ৰত বিশেষ নজৰ নিদিয়াৰ কাৰণে বিভাগটো একেবাৰে অপদাৰ্থ বিভাগত পৰিণত হৈছে। সেইকাৰণে আজি সদনত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে সেইটো সমৰ্থন কৰি জনাও যে আজি যিবিলাক দুৰ্নীতি এই বিভাগত চলি আছে বিশেষকৈ মেডিকেল কলেজত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত যিটো কেলেং কাৰী চলি আছে আৰু ফাৰমাচিকেল ইনষ্টিটিউটৰ কাৰণে নাম ভৰ্ত্তিৰ ক্ষেত্ৰত কোনো ধৰণৰ যোগ্যতাৰ কথা বিবেচনা কৰা দেখা নাই। গতিকে মই বিভাগীয় মন্ত্ৰী আৰু বিষয়া সকলক জনাব বিচাৰিছো এই ক্ষেত্ৰত যোগ্যতাৰ কথাটো বিবেচনা কৰিব লাগে। মই ভাবো এই ফাৰ্মাচী ট্ৰেইনিঙৰ কাৰণে নিযুক্তি বিলাক মুকলি কৰি দিব লাগে নহলে অযোগ্যতাৰ কাৰণে দুৰ্নীতি আৰু বৃদ্ধি পাব। সেয়ে এই দুৰ্নীতিৰে ভৰা বিভাগটোৰ কাম — কাজ বিলাকলৈ চাই এই কৰ্ত্তন প্ৰস্তাৱটোত যিটো উত্থাপিত হৈছে তাক সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰী মৌলানা আব্দুল জালিল ৰাগিবী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, চিকিৎসা আৰু স্বাস্থ্য সেৱাৰ সম্পৰ্কত ইতিমধ্যে সদস্য বিতৰ্কিত আলোচনা হৈ গৈছে। আৰু বিৰোধী পক্ষৰ সদস্য সকলে এই আলোচনাত অংশ গ্ৰহণ কৰি কিছুমান অতি মূল্যবান আৰু গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। এই সম্পৰ্কত মই বৰ দীঘলীয়া নকৰো। এই ক্ষেত্ৰত মই মাত্ৰ দুই চাৰিটা কথা উনুকিয়াব বিচাৰিছো, আৰু আলোচনা বহলাই কৰাৰো মোৰ ইচ্ছা নাই, তাৰোপৰি মাননীয় অধ্যক্ষ মহোদয়ে দীঘলীয়া নকৰিবলৈ পৰামৰ্শ দিছে। এটা গুৰুত্বপূৰ্ণ বিষয় মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে আগবঢ়াইছে সেইটো অতি প্ৰয়োজন। আমাৰ চৰকাৰে এই বিষয়টো সহানুভূতি সহকাৰে বিবেচনা কৰিলে ভাল হয়। মই ভাবো এই ক্ষেত্ৰত এখন বিধেয়ক আনিব লাগে। আৰু বিধেয়কখন আনি এটা আইন তৈয়াৰ কৰিব লাগে। সেইটো হ'ল আমাৰ যিবিলাক গাওঁলীয়া এলেকা আছে আৰু গ্ৰামাঞ্চলবিলাকত চিকিৎসা সেৱাৰ কাৰণে ডাক্তৰ সকল যাব নোখোজে। আমাৰ ৰাজ্যখনত আমি সকলোৱে জানো যে আমাৰ ৰাজ্যখনৰ জনসংখ্যা ৯৫% শতাংশ লোক বা পৰিয়াল গ্ৰামাঞ্চালত বাস কৰে। আৰু তেওঁলোকেই বেছিভাগ ৰোগত আক্ৰান্ত হয় আৰু বলি হয়। যিসকল লোকে চহৰ অঞ্চলত বাস কৰে আৰু ধনী মানুহ তেওঁলোকৰ অৱস্থা ভাল। তেওঁলোকে নিজৰ স্বাস্থ্য ভালকৈ ৰাখিবলৈ যত্ন লব পাৰে। স্বাস্থ্য ৰক্ষা কৰিবলৈ যিদৰে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন সেই খাদ্য তেওঁলোক সহজতে আহৰণ কৰিব পাৰে আৰু ৰোগৰ আক্ৰান্তৰ পৰা সাধাৰণতে নিজকে ৰক্ষা কৰিব পাৰে। আনহাতেদি আমাৰ যিসকল দুখীয়া আৰু গৰীব জনসাধাৰণ গ্ৰামাঞ্চলত থাকে সেই সকলে পুষ্টিকৰ খাদ্য নিজৰ বাবে আহৰণ কৰি লোৱাটো কষ্টকৰ হয়। পুষ্টিকৰ খাদ্যৰ অভাৱত অপুষ্টিকৰ খাদ্য খাই গৰীৱ, দুখীয়া শ্ৰেণীৰ মানুহখিনি নানা ধৰণৰ ৰোগত আক্ৰান্ত হবলগীয়া হয় আৰু বলি হয়। এই সকল লোকে ৰোগৰ আক্ৰান্তৰ পৰা ৰক্ষা পাবৰ কাৰণে চিকিৎসা সেৱা বিচাৰি দুখীয়া মানুহখিনি দূৰ-দূৰণিলৈ গৈ চিকিৎসা লোৱাটো অসম্ভৱ

★ **Speech not corrected**

হৈ পৰে। তেওঁলোকে গাওঁত চিকিৎসা সেৱাৰ ব্যৱস্থা ঠিক মতে নথকাৰ কাৰণে চহৰলৈ গৈ চিকিৎসা লবলৈ অধিক টকা-পইচা খৰচ কৰি চিকিৎসা লোৱাত অসমৰ্থ হয়। আমি মহাত্মা গান্ধীৰ নীতি অনুসৰণ কৰি চহৰৰ পৰা এতিয়া গাওঁমুখী হবলৈ চেষ্টা কৰিব লাগে। আৰু সেই উদ্দেশ্য আগত ৰাখি চৰকাৰে কিছু কিছু ব্যৱস্থা হাতত লৈছে। চিকিৎসা সেৱা গৰীব জনসাধাৰণলৈ আৰু সুদূৰ গাওঁ অঞ্চললৈ পৌছাই দিয়াৰ ব্যৱস্থা হব লাগে আৰু সেই দিশত চৰকাৰে ব্যৱস্থা লৈছে। দুই হেজাৰ বছৰ আগতে এই চিকিৎসা সেৱা সকলো ৰাইজলৈকে আগবঢ়াব লাগে আৰু সেই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে নীতি নিৰ্দ্ধাৰণ কৰিছে। অকল কেন্দ্ৰীয় চৰকাৰে নহয় আন্তৰ্জাতিক পৰ্যায়তো এনেধৰণৰ নীতি কৰা হৈছে। আমাৰ ৰাজ্য চৰকাৰেও সেই নীতি অনুসৰণ কৰি তদৰূপ ব্যৱস্থা হাতত লৈছে। মহোদয়, এই ক্ষেত্ৰত আগতেই কৈ আহিছো যে আমাৰ ডাক্তৰ সকলে সাধাৰণতে গ্ৰামাঞ্চললৈ চিকিৎসা সেৱা আগবঢ়াবলৈ যাব নোখোজে, অৱশ্যে ডাক্তৰ সকলৰ নানা ধৰণৰ অভিযোগ থাকিব পাৰে আৰু সুবিধা অসুবিধাও থাকিব পাৰে, সেইটো স্বাভাৱিক। কিন্তু এটা কথা প্ৰত্যেক ডাক্তৰে চাকৰিত নিযুক্তি দিয়াৰ সময়ত এইটো বাধ্য বাধ্যকতা হব লাগে যাতে তেওঁলোকে নিযুক্তি পোৱাৰ পিছত অতি কমেও পাচ বছৰ কাল গাওঁ অঞ্চলত বাস কৰি গাওঁৰ ৰাইজক চিকিৎসা সেৱা আগবঢ়াব লাগিব। আমি জনাত ইতিমধ্যে কেৰেলা চৰকাৰে এই ক্ষেত্ৰত বাধ্যতামূলক কৰি দিছে। যদি কোনোবা ডাক্তৰক নিযুক্তি দিয়া হয়, তেওঁক গ্ৰামাঞ্চলত নিযুক্তি দিয়াৰ পিচত সেই ঠাইতে তিনি বছৰ সম্পূৰ্ণ নোহোৱাকৈ অইন ঠাইলৈ ট্ৰেন্সপাৰ কৰাৰ কথা আহিব নালাগে। আমাৰ ইয়াত যদিও পাঁচ বছৰৰ প্ৰস্তাৱ দিয়া হৈছে, পাঁচ বছৰ নহলেও তিনি বছৰ কাল ডাক্তৰ সকলে গ্ৰামাঞ্চলত কাম কৰিব লাগিব, এইটো বাধ্যতামূলক কৰিব লাগে। কিয়নো এই স্বাস্থ্য সেৱাটো জনসাধাৰণৰ স্বাস্থ্যৰ খাতিৰত আৰু দুখীয়া ৰাইজৰ চিকিৎসাৰ সেৱাৰ কাৰণে কৰা হৈছে। সেই কাৰণে এই অতীব প্ৰয়োজনীয় কথাটো আমাৰ চৰকাৰে, বিশেষকৈ স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে বিবেচনা কৰিব। অকল বিবেচনা কৰিলেই নহয় কাৰ্য্যকৰী কৰাৰ ব্যৱস্থাও হাতত লব। তৃতীয়তে এই গৰীব দুখীয়া মানুখিনিৰ স্বাস্থ্যৰ কথা ইয়াত উত্থাপন কৰা হৈছে, মই ডাক্তৰ সকললৈ আপোনাৰ জৰিয়তে পৰামৰ্শ আগবঢ়াব বিচাৰিছো — ডাক্তৰ সকলে সাধাৰণতে ৰোগীক পৰীক্ষা-নীৰিক্ষা কৰি চায় আৰু ছোৱাৰ কাৰণ তেওঁলোকে ফিজ লোৱাৰ ব্যৱস্থা আছে। ফিজ লোৱাটোত আমাৰ কোনো আপত্তি নাই কিন্তু সেই ফিজটো ৰিজনেবল হব লাগে। মই চৰকাৰক আৰু এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। ডাক্তৰ সকল আমাৰ অতি শ্ৰদ্ধাৰ, বিপদৰ বন্ধু। তেখেত সকল জীৱন-মৰণ সমস্যাৰ লগত জড়িত থাকে। আমি মৃত্যুৰ লগত যুঁজ কৰাৰ সময়তো ডাক্তৰৰ সহায় বিচাৰো সেইকাৰণে ডাক্তৰ সকলৰ প্ৰতি আমাৰ শ্ৰদ্ধা সদায় আছে। কিন্তু কথা হ'ল আমাৰ ৰাজ্যৰ যিসকল গৰীব দুখীয়া অসহায় অৱস্থাত থকা ৰোগী, সেই ৰোগীসকলৰ ফিজটো

তেখেতসকলে মানৱতাৰ খাতিৰত ৰেহাই দিব লাগে। যিসকলৰ আছে তেওঁলোকৰ পৰা আৰু বেচি লওঁক। কিন্তু যিসকল গাৱঁৰ লোকে খুজি-মাগি গাড়ী ভাড়াখিনিও আনে তেওঁলোকৰ প্ৰতি ডাক্তৰ সকলে সেৱা মূলক আচৰণ কৰি তেওঁলোকক ফিজৰ পৰা ৰেহাই দিবলৈ আপোনাৰ যোগেদি ডাক্তৰ সকলৰ ওচৰলৈ পৰামৰ্শ আগবঢ়ালো। আজি এটা কথা উত্থাপন কৰা হোৱা নাই। চিকিৎসাৰ ক্ষেত্ৰত এটা সাংঘাতিক ৰোগ গোটেই পৃথিৱী জুৰি চৰ্চা হৈ আছে। সেইটো হৈছে এইডচ্ ৰোগ। এই গোটেই বিষয়টো বিশ্বত ব্যাপি পৰিছে। এই ৰোগ ভাৰতবৰ্ষতো ক'ৰবাত ক'ৰবাত হৈছে আৰু অসমতো লাহে লাহে ব্যাপক হাৰত কিবা এটা হব বুলি আশংকা কৰি আছে। স্বাস্থ্য বিভাগে প্ৰচাৰ মাধ্যমৰ যোগেদি এইডচ্ সম্পৰ্কে ৰাইজক সতৰ্ক কৰি দিব লাগে। স্বাস্থ্য বিভাগৰ ফালৰ পৰা জন্ম নিয়ন্ত্ৰণৰ বিশেষ প্ৰচাৰ অভিযান চলোৱা হৈ আছে। এই এইডচ্ ৰোগ জনসাধাৰণৰ জ্ঞাত কৰাৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগে। বিশেষকৈ যুৱক-যুৱতী সকলক স্কুল, কলেজ, বিশ্ববিদ্যালয়, আদিত এই পৰামৰ্শৰ যোগেদি উপকৃত হয় আৰু ৰোগৰ ভয়াবহতা সম্পৰ্কে সতৰ্ক কৰি দিব লাগে। যাৰ পৰা উঠি অহা যুৱক-যুৱতী সকল যথেষ্ট উপকৃত হব। মই এটা কথা উত্থাপন কৰিবলৈ বিচাৰিছো গাৱঁলীয়া অঞ্চলত স্বাস্থ্য সেৱা আগবঢ়াবৰ কাৰণে অসমত অসংখ্য উপ-স্বাস্থ্য কেন্দ্ৰ কৰা হৈছে। চৰকাৰী নৰ্মচ মতে এই উপ-স্বাস্থ্য কেন্দ্ৰবিলাকত এজনী নাৰ্চ, এজন কম্পাউণ্ডাৰ থাকে। কিন্তু বিভাগটোত আমি দেখিছো অসমত যিমান বিলাক উপ-স্বাস্থ্য কেন্দ্ৰ আছে তাৰ বেচি ভাগেই অকাৰ্য্যক্ষম হৈ আছে। ক'ৰবাত স্বাস্থ্য কেন্দ্ৰ আছে, কৰ্মচাৰী নাই। ক'ৰবাত স্বাস্থ্য কেন্দ্ৰ নাই, কৰ্মচাৰী আছে। বহুত বিলাক ঘৰেই এনেয়েই পৰি আছে, কোনো কামত অহা নাই। বিশেষকৈ গণ পৰিষদ চৰকাৰৰ দিনত যিমান বিলাক উপ-স্বাস্থ্য কেন্দ্ৰ কৰা হ'ল সেইবিলাকত নাৰ্চ, কম্পাউণ্ডাৰ অভাৱে ঘৰ বিলাক ব্যৱহৃত হোৱা নাই। ফলত পথাৰ সমূহত থকা এই ঘৰ বিলাক চোৰ ঘৰ হৈ পৰিছে। ডকাইতি কৰি আনি এই পথাৰৰ ঘৰ বিলাকত ৰাখি লাহে ধিৰে ভাগ বতৰা কাম তাতেই কৰে। ইয়াৰ লগতে মই আৰু অভিযোগ কৰিব বিচাৰিছো কিছুমান উপ-স্বাস্থ্য কেন্দ্ৰ নাৰ্চ, কম্পাউণ্ডাৰ আছে যদিও দা-দৰমহা পাই আছে, কিন্তু ৰাইজে তাৰ সেৱা পোৱা নাই। মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো এই উপ-স্বাস্থ্য কেন্দ্ৰ সমূহত য'ত নাৰ্চ, কম্পাউণ্ডাৰ আছে তেওঁলোকক ব্যৱহাৰ কৰিব লাগে আৰু য'ত নাই তাত দিয়াৰ ব্যৱস্থা কৰিব লাগে। কৰ্মচাৰী সকলে ক'ত ক'ত কাম কৰা নাই সেইবিলাকৰ অনুসন্ধান হব লাগে। আমি লক্ষ্য কৰিছো চ'ৰ অঞ্চলৰ চিকিৎসাৰ কাৰণে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। সেইবিলাক ঠাইত ৰাষ্টা-ঘাট নাই, হাস্পাতাল স্থাপনৰ কোনো ব্যৱস্থা নাই। আজি চ'ৰ অঞ্চলৰ মানুহৰ দুখ লগা অৱস্থা। আমি চ'ৰ অঞ্চলৰ কাৰণে নাওঁ আদিৰ জৰিয়তে ভ্ৰাম্যমান চিকিৎসালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিছিলো। কিন্তু আজিলৈকে কাৰ্যকৰী

নহ'ল। এইটো এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে মানবিয়তাৰ দৃষ্টিভংগীৰে বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ স্বাস্থ্য মন্ত্ৰীক অনুৰোধ কৰিলো। ইয়াৰ পিচত মোৰ সমষ্টিৰ দুই এটা সমস্যাৰ কথা উল্লেখ কৰিব বিচাৰিছো। যমুনা মুখত এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ব্যৱস্থা কৰা হৈছে, তাৰ আনটাইড ফাণ্ডৰ পৰা ৮ লাখ টকাও দিয়া হৈছে, তেতিয়াৰ গড়কাপ্তানী মন্ত্ৰী শ্ৰীঅতুল বৰাই আধাৰ শিলাও স্থাপন কৰিছিল। আজিলৈকে তাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ হৈ নুঠিল। এই যে ৮ লাখ টকা দিয়া হ'ল, এই পইচাটো কি কৰিলো, ক'ত ব্যৱহাৰ কৰিলে স্বাস্থ্য কেন্দ্ৰটো কিয় নিৰ্ম্মাণ কৰা নহ'ল, এই বিষয়ে স্বাস্থ্য মন্ত্ৰীয়ে এটা অনুসন্ধান চলাব বুলি আশা কৰিলো।

দ্বিতীয়তে মই চিতলমাৰীৰ কাৰণে এটা প্ৰস্তাৱ দিছিলো। সেইটো এতিয়া স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই মঞ্জুৰী দিব লাগে। এই চিতলমাৰী এৰিয়াটো ইমান ডাঙৰ এৰিয়া যে এই বিৰাট এটা এৰিয়াত এটাও স্বাস্থ্য কেন্দ্ৰ কোনো ব্যৱস্থা চৰকাৰে কৰি দিয়া নাই। ৪০ মাইল দূৰৰ পৰা আহি ৰাইজে চিকিৎসা কৰিব লগা হৈছে। যেতিয়া অসম গণ পৰিষদ চৰকাৰ আছিল তেতিয়া মই নীতিগত ভাবে দাবী কৰি মঞ্জুৰ কৰাইছিলো আৰু তাৰ কাৰণে ১৫ বিঘা মাটিও চৰকাৰৰ ফালৰ পৰা পাইছিলো। কিন্তু হাস্পাতালৰ বিল্ডিং ঘৰ বনাবৰ কাৰণে চৰকাৰে তেতিয়া পইচা দিয়া নাছিল। এতিয়া কথা হ'ল চিতলমাৰী হাস্পাতালৰ প্ৰস্তাৱটো চৰকাৰে গ্ৰহণ কৰিব লাগে। এতিয়া তাত স্বাস্থ্য বিভাগৰ উপ সচিব পৰি আছে। স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই অনুসন্ধান কৰি চাব পাৰে আৰু অনুসন্ধানৰ পাচত তেখেতে কাৰ্য্যকৰী ব্যৱস্থা অতি সোনকালে লবলৈ মই দাবী জনাইছো আৰু চিতলমাৰীত পি,এইচ, চি, স্থাপন কৰি দুখীয়া ৰাইজৰ আশা পূৰণ কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তাৰ লগতে মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে — সেইটো তেখেতসকলক উঠাই লবলৈ অনুৰোধ জনালো। কাৰণ তেখেতসকলে এই সম্পৰ্কত বহুতো ভাল ভাল পৰামৰ্শ আগ বঢ়াইছে। পৰামৰ্শ দিয়াৰ পিচত প্ৰস্তাৱটো উঠাই লোৱা উচিত।

টকা পইচা দিয়াৰ ক্ষেত্ৰত কব বিচাৰিছো যে, স্বাস্থ্য বিভাগৰ কাৰণে যিখিনি টকা দিছে , সেইখিনি কম হৈছে , আৰু টকা দিব লাগে। কাৰণ এইটো এটা অতি গুৰুত্ব পূৰ্ণ বিভাগ। ৰাইজৰ সেৱাৰ কাৰণে, দুখীয়া জনসাধাৰণৰ সেৱাৰ কাৰণে চৰকাৰে এতিয়া যিখিনি টকা দিছে , এই টকা আৰু বঢ়াব লাগিছিল। আমাৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়া নিজে এজন চিনিয়ৰ ডাক্তৰ। তেখেত ভাল অভিজ্ঞতা সম্পন্ন ডাক্তৰ। মানুহৰ সেৱাৰ প্ৰতি তেখেতৰ যথেষ্ট আগ্ৰহ আছে, সেইকাৰণে যিখিনি পৰামৰ্শ দিয়া হ'ল সেইখিনি পূৰণ কৰিব বুলি আশা ৰাখিলো।

**★ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ এতিয়া কথা হ'ল গোটেই ডাক্তৰ সকলক গুৱাহাটীলৈ আনিছে বুলি মাননীয় সদস্য সকলে আগতে আপত্তি কৰিছিল, সেইটো যাতে নকৰে তাৰ বাবে অনুৰোধ কৰক।

★ Speech not corrected

★ **শ্ৰীআব্দুল জেলিল ৰাগিবী ঃ** এতিয়া যিসকল ডাক্তৰ আমাৰ পৱিত্ৰ সদনত আছে — তেখেতসকলে ডাক্তৰ হোৱাৰ কাৰণে মাননীয় সদস্যসকলক সমালোচনা কৰিব পাৰিছে। মাননীয় সকলো সদস্যই ডাক্তৰ হোৱা হলে আমিও আলোচনা কৰিলোহেঁতেন। এতিয়া কথা হ'ল — আগৰ চৰকাৰে কিবা ভুল কৰিলে — সেইটো এতিয়াৰ চৰকাৰে শুধৰণী দিব লাগে। গতিকে ডাক্তৰ সকলক পুনৰ বিভিন্ন ঠাইলৈ ঘূৰাই পঠাব লাগে। এইখিনি অনুৰোধ জনাই মই কৰ্ত্তন প্ৰস্তাৱটো বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Shri Somarendra Nath Sen.

**Shri Samarendra Nath Sen :** Sir, I am going to point out to the Health Department. I would like to mention about Silchar Medical College. Silchar Medical College is a777 beded hospital and it requirement of this Nurshing staff of this Medical College is 1:3 and Nursing staff of the Medical College are : Deputy Supdt. Nurshing – requirement – and there is no sanction post.

Assistant Metron, Departmental Sisters – requirement – 16 sanction post = 1

Wards staff – requirement 117 – sanction post only 28 staff Nurse requirement = 418,

Sanction post = 92. Principal – requirement = 1

Sanction post = Nil, Vice Principal – requirement = 1,

Sanction post = Nil.

Indian Nursing Council's recommendation is violated, so I request Hon'ble Minister to consider it. Moreover, there is no regular admission of students in Nursing and also examination are not held in time and as a result, there is acute shortage of Nursing staff and further there are many vacancies in teaching staff at Silchar Medical College. There is also requirement of some apparatus and appliances for the Silchar Medical College. But I have heard yesterday that Government is going to install some machineries. Another thing, sir, in 1987, eight bighas of land was donated by eight persons for construction of a PHE Sub Centre in the Village Rengti under Silchar Constitutency and in this regard I made a question to the Government and the

★ **Speech not corrected**

Hon'ble Minister replied yes. But Sir, if so, why Government has not taken any action so long for construction of PHE. On my question, Hon'ble Minister replied as acute financial stringencies. Sir, May I request the Hon'ble Minister to consider the suggestions rendered by our Hon'ble Members? I in support of these suggestions support of this cut motion submit here.

★ **শ্ৰীমিলন বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ওপৰত উত্থাপিত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কেইটামান কথা কৈ মোৰ বক্তব্য ৰাখিব বিচাৰিছো। মোতকৈ জ্যেষ্ঠ ভালেকেইজন মাননীয় সদস্যই ইতিমধ্যে বহু কথাই কৈছে। উপাধ্যক্ষ মহোদয়, কথা হ'ল যে আমি ভাষণতেই হওঁক বা বিভিন্ন প্ৰক্ৰিয়াৰ জৰিয়তে হওঁক বিভিন্ন কথা কওঁ যদিও অসমখন বিভিন্নতাৰ মাজতো একাতৰা প্ৰতিক বুলি আমি কওঁ। সেই হিচাবে অসমত বসবাস কৰা বিভিন্ন জন-জাতি লোক সকলোলৈ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগ যিবিলাক ব্যৱস্থা লৈছে সেই ব্যৱস্থা বিলাকৰ কিছুমান ত্ৰুটিপূৰ্ণ কথা মই দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। যিবিলাক উপ স্বাস্থ্য কেন্দ্ৰ বিভিন্ন অঞ্চলত দিয়া হৈছে সেইবিলাক কেৱল চিকিৎসা সেৱা আগবঢ়োৱাৰ নামত বঞ্চনা নকৰি শান্তনা দিয়া হৈছে। বিশেষকৈ সংখ্যালঘু লোকসকলে বসবাস কৰা আৰু জনজাতিয় লোক সকলৰ অঞ্চল বিলাকত স্বাধীনতাৰ পিচৰে পৰা চিকিৎসা সেৱাৰ নামত তেওঁলোকক বঞ্চনা নকৰি কেৱল উপ স্বাস্থ্য কেন্দ্ৰ সেই সমূহ অঞ্চলত স্থাপন কৰি তেওঁবিলাকক শান্তনা দিয়া ব্যৱস্থা লোৱাহে আমি দেখিবলৈ পাইছো। উপাধ্যক্ষ মহোদয়, সেইকাৰণে মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব খুজিছো যেন প্ৰকৃত মানৱ সেৱাৰ উদ্দেশ্য আগত ৰাখি জন স্বাস্থ্য বা পৰিয়াল কল্যাণ বিভাগৰ কাম কাজ বিলাক ভালমতে চাব লাগিব। আজি অসমত কিমান ৰাজ্যিক চিকিৎসালয় ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল বা স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰিছে সেইটো কথা নহয়। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মানুহৰ বিশেষকৈ অৰ্থনৈতিক ভাবে আৰু অন্যান্য দিশৰ পৰা পিচ পৰি থকা ধৰ্ম্মীয় সংখ্যা লঘু আৰু জনজাতীয় লোক সকললৈ কিমানখিনি স্বাস্থ্য সেৱা আগবঢ়াব পৰা হৈছে সেইটো চাব লাগিব। আজি স্পষ্টকৈ কব পাৰো যে জন-জাতীয় অঞ্চলত বা যি সকল ধৰ্ম্মীয় সংখ্যালঘু বসবাস কৰা অঞ্চল সেই বিলাকত চিকিৎসা সেৱা একশ ভাগৰ এভাগো আগবঢ়াব পৰা হোৱা নাই। বিশেষকৈ মোৰ সমষ্টি ভবানীপুৰৰ কথায়ে কৈছো তাত ধৰ্মীয় সংখ্যালঘু আৰু জন-জাতীয় লোকসকলে বসবাস কৰা এলেকা সমূহত প্ৰকৃত স্বাস্থ্য সেৱা আগবঢ়াব পৰা হোৱা নাই। শান্তনা দিয়াৰ নামত নাম মাত্ৰ উপ-স্বাস্থ্য কেন্দ্ৰহে স্থাপন কৰা হৈছে যদিও তাত নাৰ্চ নাই, কম্পাউণ্ডাৰ নাই। জন-জাতীয় অঞ্চল সমূহলৈ চিকিৎসা সেৱা আগবঢ়োৱাৰ বাবে টি, এচ, পি এলেকাত ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল কৰাৰ যি আঁচনি এই বিভাগৰ আছে

★ Speech not corrected

এইটো ভাল কথা। কিন্তু বজালী মহকুমাত দুখনকৈ ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল বনোৱা হ'ল কিন্তু তাৰ এখনো প্ৰকৃত জনজাতীয় লোক বসবাস কৰা অঞ্চলত স্থাপন কৰিছে। কিন্তু বজালী মহকুমাত শতকাৰ ৯০ শতাংশ বা একশ শতাংশ জন-জাতীয়লোক বসবাস কৰা অঞ্চলত ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল হোৱা নাই। কিয় নহল? টি, এচ, পি অঞ্চলত ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল কৰাৰ আঁচনি আচলতে জন-জাতীয় অঞ্চলত চিকিৎসা সেৱা আগবঢ়োৱা উদ্দেশ্য আগত ৰাখিয়েই কৰা হৈছিল। কিন্তু বৰ্ত্তমান যেনে ভাবে কম শতাংশ জনজাতীয় লোক বসবাস কৰা অঞ্চলত ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল দিছে তাৰ দ্বাৰা আঁচনিৰ উদ্দেশ্য সমাধান হোৱা নাই। তাৰ সলনি ৯০ শতাংশ বা একশ শতাংশ জনাজাতীয় লোকে বাস কৰা অঞ্চল সমূহত ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল নিদি মাত্ৰ উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ দ্বাৰা সেই লোক সকলক শান্তনা মাত্ৰ দিয়াহে হৈছে। এই বৈষম্যমূলক নীতিৰ প্ৰতি তীক্ষ্ণ দৃষ্টি দিব বুলি মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই বিলাক কাৰণতেই বঞ্চিত হৈ থকা সেই অঞ্চল বিলাকত আইন শৃংখলাৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাটো একো আচৰিত কথা নহয়। স্বাধীনতাৰ আজি ৪৫/৪৭ বছৰৰ পিচতো সেই লোক সকল বঞ্চিত হৈ থাকিব লগীয়া হৈছে সেই কাৰণে তেওঁলোকক কিছুমান মানুহে যদি বিপ্লৱৰ প্ৰতি উদ্‌গণি যোগাই তেতিয়াহলে তেওঁলোকে তাত কোনো আপত্তি নকৰে। সেই অঞ্চল বিলাকলৈ আলফা সুমাই পৰিছে আৰু তাত বৃহৎ ঘাটি স্থাপন কৰিছে। সেই অঞ্চল বিলাকত ৭ম মান বা ৮ম মান শ্ৰেণীলৈকে পঢ়া কিছুমান মানুহে কোনো ডাক্তৰৰ লগত থাকি কেইটামান ঔষধ ব্যৱহাৰ কৰাৰ অভিজ্ঞতা লৈয়েই সেই অঞ্চল সমূহত চিকিৎসা সেৱা আগবঢ়াই আছে। নিজৰ ঘৰতেই তামোলৰ বেৰ দি ১০ খন বিচনাৰ ব্যৱস্থা কৰি মেলেৰিয়া আক্ৰান্ত লোকসকলৰ চিকিৎসা কৰি আছে। বৰপেটা জিলাৰ স্বাস্থ্য বিষয়াই নিজে গৈ সেই বিলাক পৰিদৰ্শন কৰি আহিছে। সেই কাৰণে আলফাৰ দৰে সংগঠন বোৰে তাত বিপ্লৱৰ কথা কৈ জন সাধাৰণক আগুৱাই আনিবলৈ সমৰ্থ হোৱাত আচৰিত একো নাই। মই আগৰ স্বাস্থ্য মন্ত্ৰীক সুধিছিলো যে জন-জাতীয় অঞ্চল সমূহলৈ চিকিৎসা সেৱা আগবঢ়াৰ কাৰণে পি, এইচ, চি দিয়াৰ ব্যৱস্থা কৰিছেনে? কিন্তু তাৰ সলনি শান্তনা দিয়াৰ কাৰণে উপ-স্বাস্থ্য কেন্দ্ৰহে দিছিল। বিজনী মৌজাত ডাক্তৰৰ অভাৱ নাই। এক-ডেৰশ ডাক্তৰ এনেকৈয়ে ৭ম/৮ম মানলৈকে পঢ়া আৰু ডাক্তৰৰ লগত থাকি অভিজ্ঞতা থকা মানুহেয়েই চিকিৎসা সেৱা আগবঢ়াই আছে। অধ্যক্ষ মহোদয়, প্ৰসঙ্গক্ৰমে মই এই কথা কবলগা হৈছো যে শতকাৰ ৯০ শতাংশ লোক গাওঁত বসবাস কৰে। গুৱাহাটী টাউনত টকা দিলে ডাক্তৰৰ অভাৱ নাই। কিন্তু গাওঁ অঞ্চলত টকা খৰছ কৰিও ডাক্তৰ পাবলৈ নাই। বিশেষকৈ ধৰ্ম্মীয় সংখ্যলঘু অঞ্চল আৰু জন-জাতীয় অঞ্চলত ডাক্তৰ পাবলৈ নাই। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো যে স্বাধীনতাৰ ৪৫/৪৭ বছৰ চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ থকা এনে অঞ্চল বিলাকলৈ মানৱ সেৱা বা চিকিৎসা সেৱাৰ কাৰণে

উপ-স্বাস্থ্য কেন্দ্ৰৰ সলনি স্বাস্থ্য কেন্দ্ৰ দিয়াৰ ব্যৱস্থা কৰিবনে? দ্বিতীয়তে যিবিলাক জন-জাতীয় অঞ্চলত শতকৰা ৯০ ভাগ বা শতকৰা একশ ভাগেই জন-জাতীয় লোক বাস কৰে তেনেকুৱা অঞ্চল বিলাকত উপ-স্বাস্থ্য কেন্দ্ৰ নিদি ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল দিয়াৰ ব্যৱস্থা কৰিব নে? অথবা ৰাজ্যিক চৰকাৰী চিকিৎসালয় ৰা পি, এইচ, চি, দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে লবনে? বিশেষকৈ মোৰ সমষ্টিত দুখন মাত্ৰ চিকিৎসালয় আছে কিন্তু দুয়োখনতে ডাক্তৰ নাই। মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো কিন্তু সেই অঞ্চল বিলাকলৈ বড়ো আন্দোলনৰ কাৰণে ডাক্তৰ যাব নোখোজে বুলি জনাইছিল। অধ্যক্ষ মহোদয়, এতিয়া বড়োলেণ্ড চুক্তি হোৱাৰ পিচত বড়োলেণ্ড সমস্যাৰ সমাধান হল আৰু সেই অঞ্চল বিলাকত এতিয়া আইন শৃংখলাৰ পৰিস্থিতিও নাই। গতিকে ক্ষীপ্ৰ গতিত সেই অঞ্চল বিলাকলৈ বিশেষকৈ বড়ো অধ্যুষিত অঞ্চল বিলাকলৈ ডাক্তৰ পঠাব লাগে।

আজি বড়ো চুক্তিৰ জৰিয়তে এই অঞ্চল সমূহৰ সকলো সমস্যা সমাধান হল। সেই অঞ্চল সমূহত এতিয়া আইন শৃংখলা পৰিস্থিতি যথেষ্ট উন্নতি হৈছে। গতিকে এই অঞ্চলবোৰত বছৰ বছৰ ধৰি য'ত ডাক্তৰ নাই সেইবিলাকত ডাক্তৰ দিয়াৰ কাৰণে কিবা ব্যৱস্থা লব নে নলয় সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ উত্তৰত জানিব পাৰিম বুলি আশা কৰিলো।

দ্বিতীয়তে মই আৰু এটা কথা কব খুজিছো যে আমি বাস্তৱ অভিজ্ঞতাৰ পৰা এটা কথা জানিব পাৰিছো যে আমাৰ চিকিৎসা সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত ৪০ শতাংশ চিকিৎসা সেৱা সাম্প্ৰদায়িক ভিত্তিত চিন্তা কৰা হৈছে। এই কথাটো আমি বি,এল,পি,ৰ জৰিয়তেও কৈছিলো যে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজৰ পৰা যিবিলাক ডাক্তৰ ওলাই আহে তেওঁলোকে যদি জনজাতি অধ্যুষিত অঞ্চল নাইবা মাইনৰিটি এৰিয়াত কাম কৰাৰ মানসিকতা নাথাকে তেনেহলে তেওঁলোকৰ ওপৰত ব্যৱস্থা লব লাগে আৰু তাকে নকৰিলে অন্যান্য ৰাজ্যৰপৰা ডাক্তৰ আনি হলেও এই অঞ্চলবোৰত নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। কিয়নো অসমৰ বাহিৰত আজি ডাক্তৰৰ অভাৱ নাই। এই বিষয়ে আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ে কিবা চিন্তা/চৰ্চা কৰিছে নেকি সেই বিষয়ে জানিলে ভাল পাম। এই খিনিতে মই অধ্যক্ষ মহোদয়ক আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে ভূটান ফুট হিলচ্ আৰু অৰুণাচল প্ৰদেশৰ পাদ দেশত থকা বহুতো অঞ্চল বাৰিষা হলেই মেলেৰীয়া আক্ৰান্ত অঞ্চল হৈ পৰে। সেই বিলাক ঠাইত ডাক্তৰ নাই। আজি আমি বিজ্ঞানৰ যুগৰ কথা কওঁ। কিন্তু তেনে এটা যুগত আমি যিমান খিনি আধুনিক ধৰণে আগবাঢ়ি গৈছো সেই অৱস্থাত যদি মেলেৰীয়াত আক্ৰান্ত হৈ শ শ মানুহ মৰিব লগা হয় তেনে ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হব সেই বিষয়ে যাতে মন্ত্ৰী মহোদয়ে বিশেষ মনোযোগ দিয়ে তাৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, শেষত মই এটা কথা কওঁ যে আমি এই সদনত মানৱ অধিকাৰৰ ক্ষেত্ৰত বহু কথাই আলোচনা কৰিছো। কিন্তু আজি মাইনৰিটি সকলৰ ক্ষেত্ৰত, ভূটান সীমান্তত

আৰু অৰুণাচল প্ৰদেশৰ পাদ দেশত থকা লোকসকলৰ কি অৱস্থা হৈছে আৰু তেওঁলোকে পাব লগা অধিকাৰ সমূহ কেনেকৈ খৰ্ব কৰা হৈছে সেইটো চাব লগা বিষয়। গতিকে এইবোৰ ক্ষেত্ৰত আমাৰ নতুনকৈ কাৰ্য্যভাৰ গ্ৰহণ কৰা স্বাস্থ্য মন্ত্ৰী মহোদয়ে বিহিত ব্যৱস্থা হাতত লব বুলি আশা ৰাখি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ধন্যবাদ।

★ **শ্ৰীবুবুল দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগ সংক্ৰান্তত যিটো কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে তাৰ সমৰ্থনত মই বিভাগীয় মন্ত্ৰী মহোদয়ক কেইটামান কথাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বিভাগটো জন সাধাৰণৰ জীৱনৰ লগত জড়িত এটা গুৰুত্বপূৰ্ণ বিভাগ। কিন্তু আপুনি শুনি আচৰিত হব যে এই বিভাগটোৱে জন সাধাৰণৰ প্ৰতি থকা যি দায়বদ্ধতা তাক কেনে ধৰণে পালন কৰিছে তাৰ এটা সৰু উদাহৰণ দাঙি ধৰিব খুজিছো। অধ্যক্ষ মহোদয়, জাগিৰোড সমষ্টিটো প্ৰধানকৈ অনুসূচিত জাতিৰ সমষ্টি। এই সমষ্টিটোত প্ৰায় ৯৭ হাজাৰ ভোটাৰ আছে। এই ৯৭ হাজাৰ ভোটাৰ থকা সমষ্টিটোত বৰ্ত্তমানলৈকে মাত্ৰ এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ৭ খন ৰাজ্যিক ডিচপেনচৰী আছে। কিন্তু আপুনি আচৰিত হব যে আজি ডেৰ বছৰে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখনত আৰু ৰাজ্যিক চিকিৎসালয়ৰ ৪ খনত ডাক্তৰ নাই। এইটোৱে স্পষ্ট ভাবে প্ৰমান কৰি দিয়ে যে এই বিভাগটোৱে কি ধৰণে জনসাধাৰণৰ সেৱা আগবঢ়াই আছে। এইখিনিতে মই মোৰ সমষ্টিৰ দুটামান বিষয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো। এই সমষ্টিটো বিশেষকৈ অনুসূচিত জাতি আৰু জনজাতি প্ৰধান সমষ্টি আৰু বাৰিষা হলেই এই অঞ্চলটো বানপানীত জুৰুলা হয়। এই সমষ্টিটোত আজিলৈকে এখন ৩০ খন বিচনাযুক্ত হাস্পাতাল নহল। সেই কাৰণে এই সমষ্টিটোত জনজাতিৰ ফালৰ পৰা স্পেচিয়েল কম্পনেন্ট প্লেনত অন্ততঃ এখন আৰু অনুসূচিত জাতিৰ সহযোগী আঁচনিৰ আধাৰত কমেও দুখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপন কৰাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আজি অসমৰ বহুতো গ্ৰামাঞ্চলত ডাক্তৰ নোহোৱা কথাটো প্ৰত্যেকজন বক্তাই গুৰুত্ব সহকাৰে উত্থাপন কৰিছে। এই ক্ষেত্ৰত চৰকাৰে এটা স্পষ্ট নীতি লব লাগে। সেই কাৰণে আজিৰ তাৰিখলৈকে অসমৰ সমূহ চিকিৎসালয়তে যিবোৰত ডাক্তৰ নাই, ফাৰ্মাচিষ্ট নাই বা নাৰ্চ নাই সেই পদ বিলাক যদি খালি হৈ আছে তেনেহলে সেইবোৰ তত্কালীন ভাবে পুৰাবৰ কাৰণে ব্যৱস্থা হাতত লব লাগে যাতে পিচপৰা দুখীয়া ৰাইজক স্বাস্থ্য সেৱা দিব পৰা হয় তালৈ লক্ষ্য ৰাখিব লাগে। আজি আমাৰ চৰকাৰে দুই হাজাৰ চনত সকলো লোকলৈ স্বাস্থ্য সেৱা আগবঢ়োৱা হব বুলি ঘোষণা কৰিছে। এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ ৰাজ্য চৰকাৰে প্ৰত্যেকখন চিকিৎসালয়তে যাতে ডাক্তৰ, নাৰ্চ আদি পদ সমূহ পূৰণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা মই কব খুজিছো যে ৰাজ্যখনৰ বিভিন্ন পৰ্য্যায়ত স্বাস্থ্য কেন্দ্ৰ ৩০ খন বিচনাযুক্ত হাস্পাতাল যিবিলাক অৰ্ধনিৰ্মিত অৱস্থাত আছে, সেই বিলাক হাস্পাতাল বা স্বাস্থ্য কেন্দ্ৰ যাতে সম্পূৰ্ণ কৰিব পাৰে তালৈ লক্ষ্য ৰাখিব লাগে। ইতিমধ্যে বিভিন্ন জিলাৰ

★ **Speech not corrected**

সদৰ ঠাই সমূহত দুশ বিচনাযুক্ত হাস্পাতাল বা ৩০ খন বিচনাযুক্ত হাস্পাতাল সম্পূৰ্ণ নিৰ্মিত হৈছে তাত আজিও চিকিৎসাৰ দিহা কৰা হোৱা নাই। তাত কোনো কাৰ্য্যকৰী ব্যৱস্থা লোৱা নাই। অসমৰ আইন শৃংখলাৰ পৰিস্থিতি সম্পৰ্কে তাত সামৰিক বাহিনীৰ লোকে দখল কৰি আছে বুলি আমি জানিব পাৰিছো। জনসাধাৰণৰ স্বাস্থ্য সেৱাৰ প্ৰতি লক্ষ্য ৰাখি সেই বিলাক সোনকালে খোলাৰ দিহা কৰিবলৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। ইতিমধ্যে মেডিকেল কলেজ সম্পৰ্কে বিভিন্ন বক্তব্য ডাঙি ধৰা হৈছে। এইটো সঁচা যে ই দুৰ্ভাগ্য জনক পৰিবেশ হৈছে। এইটো নাইকীয়া কৰি প্ৰকৃত উদ্দেশ্য সফল কৰিব পাৰে তাৰ কাৰণে যথাযথ কাৰ্য্যব্যৱস্থা লব লাগে। মই আৰু এটা কথা কব খুজিছো যে ডাক্তৰ সকলে বিভিন্ন অভিযোগ উঠাইছে, ই নিশ্চয় সত্য। যি সকল ৰোগীয়ে স্বাস্থ্য সেৱা ডাক্তৰ সকলৰ পৰা পাব লাগে সেইটোৰ পৰা বঞ্চিত হৈ আছে। এইটো এটা গুৰুত্বপূৰ্ণ অভিযোগ। ডাক্তৰ সকলৰ প্ৰাইভেট প্ৰেকটিচ যাতে বন্ধ হয় যিটোৰ দ্বাৰা ৰোগী সকলক সেৱা আগবঢ়াব পৰা যায় সেইটো কৰিব লাগে। অলপতে নাৰ্চ সকলে আন্দোলন কৰিছিল যে তেওঁলোকক সকলো সা-সুবিধা দিব লাগে। আমাৰ এন, ই, আৰ,ত যিখন একমাত্ৰ ডাঃ বি, বৰুৱা কেন্সাৰ ইন্সটিটিউট আছে তাৰ কাৰণে প্ৰায়বিলাক সদস্যই উদ্বেগ প্ৰকাশ কৰিছে যে উত্তৰ পূৰ্ব্বাঞ্চলৰ কাৰণে এটা ভাল অনুষ্ঠান হিচাবে গঢ়ি তুলিব লাগে। এই অনুষ্ঠানৰ সঞ্চালক ডাঃ গাজি আহমেদ ডাঙৰীয়াক বিভিন্ন ধৰণৰ পাক চক্ৰত পৰি তেখেত অপসাৰিত হৈ আছে। ৰোগী সকলক যাতে এই সেৱাৰ পৰা বঞ্চিত কৰা নহয় এই কথাটো চৰকাৰে বা আমাৰ মন্ত্ৰী মহোদয়ে বিশেষভাবে দৃষ্টি দি ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। ইতিমধ্যে আমাৰ মৰিগাওঁ জিলাত যিখন চিভিল হাস্পাতাল আছে তাৰ বিষয়ে মৰিগাওঁৰ বিধায়কে কৈছে। প্ৰতি জিলাত দুশ বিচনাযুক্ত হাস্পাতাল নিৰ্মাণ কৰিব লাগে। কিন্তু যিবিলাক হাস্পাতাল একশ বিচনাযুক্ত হৈ আছে সেই বিলাক উন্নীতকৰণ হওঁক। যিবিলাক দূৰ্নীতিৰ কথা কোৱা হৈছে তাৰ বাবে কটকটীয়া ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, স্বাস্থ্য মহা বিদ্যালয় সমূহত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত অসম বা ভাৰতত হৈ গৈছে, অসমত বন্ধ হৈ থাকিল, তদন্তৰ প্ৰতিবেদন আজিলৈকে প্ৰকাশ হোৱা নাই। মই ভাবো এই তদন্তৰ ব্যৱস্থা কৰিব লাগে। তাত নিৰ্দ্দিষ্ট এচ,চি,/এচ,টি, এনে ধৰণৰ সংৰক্ষণ আসন আছে। এই আসনৰ ক্ষেত্ৰত বহুতো অভিযোগ উঠিছে। এই বিলাক কাগজে পত্ৰে দিয়ে। এচ,চি, বা এচ,টি,ৰ প্ৰমাণ পত্ৰ লৈ ৰিজাৰ্ভ কোটা বিলাকত এডমিশ্বন লৈছে। গুৱাহাটী মেডিকেল কলেজত এনেকুৱা হৈছে। যি ধৰণে ৰিজাৰ্ভ কোটা ৰখা হৈছে তাৰ পৰা বঞ্চিত কৰা হৈছে। এইটো সঁচা, অতি দুৰ্ভাগ্যজনক কথা। মই আশা কৰো এই তদন্তত চৰকাৰে বিশেষভাৱে লক্ষ্য ৰাখি অহা দিন বিলাকত এনে ধৰণে আৰু পুনৰাবৃত্তি হব নোৱাৰে তাৰ প্ৰতি বিশেষ দৃষ্টি দিব। ইতিমধ্যে আমাৰ আন এজন বক্তাই ফাৰ্মাচী ইনষ্টিটিউটৰ কথা কৈছে। ছিটৰ ক্ষেত্ৰত কিমান ছিট ৰখা হৈছে? যদি

কিবা কথাৰ কাৰণে ইয়াত ছিটৰ কাৰণে খেলিমেলি কৰিছে তেতিয়া হলে ই দুৰ্ভাগ্যজনক কথা। মই আশা ৰাখিছো এনেকুৱা ক্ষেত্ৰত ৰাজনীতি উৰ্দ্ধত ৰাখি প্ৰকৃত জনসেৱা কৰিব লাগে। তাৰ কাৰণে চৰকাৰে বিশেষ দৃষ্টি নিক্ষেপ কৰিব লাগে। মই শেষত এই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ শেষত কবলৈ বিচাৰিছো যে অসমৰ প্ৰতিগৰাকী গৰ্ভৱতী মহিলা আৰু প্ৰতিজন শিশুৰ স্বাস্থ্য পৰীক্ষা কৰা হয় যাতে সেই মাতৃ গৰাকীয়ে দহ মাহ দহ দিন সুস্থ হৈ থাকিব পাৰে। এইটোৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

★ **শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাস্থ্যৰ শিতানত যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটো মই বিভিন্ন কাৰণত সমৰ্থন কৰিছো। মই এই বিষয়ে সদনত বাৰম্বাৰ কৈছো — By moving cut motion 1 no confidence etc. it means if there is some sort of problems/defects. — গতিকে এইবিলাক যেতিয়া দিয়ে — এইটো ‘মভ’ কৰি থাকে কৰিব পাৰে, সেই কাৰণে দিয়া হৈছে। যি কি নহওঁক অলপমান কথা কৈয়েই শেষ কৰিম, মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগৰে আৰু আন আন মন্ত্ৰী আৰু মাননীয় সদস্য সকলক অনুৰোধ কৰিবলৈ বিচাৰিছো যে আমাৰ অসমত ৩ খন কৈ মেডিকেল কলেজ আছে। এই কলেজ হাস্পাতাল খনত ঔষধ পাবলৈ নাই। ‘লাইফ চেভিং ড্ৰাগছ’ দাম কিমান — ইয়াৰ দাম মাত্ৰ ৯ টকা ৪ অনা, সেই লাইফ চেভিং ড্ৰাগছও পাবলৈ নাই। মেডিকেল কলেজত সেই বিলাক নাই মন্ত্ৰীয়ে উত্তৰ দিওঁতে সেইবিলাক পাব নে নেপায় কব পৰা নাই। আমাৰ টকা বিলাক দিল্লীয়ে দি আছে। ৮ কোটি ২৫ লাখ টকা — Out of the plan — তাৰ ৪ কোটি ২০ লাখ টকা খৰচ কৰিলে। এতিয়ালৈকে ইউটিলাইজেচন চাৰ্টিফিকেট দিব পৰা নাই কাৰণে বাকী ৫ লাখ টকা এতিয়াওঁ তাত পৰি আছে। সেইটো ‘ইয়েৰ’ মাৰ্ক কৰি দিয়া আছে। কোবাল থেৰাপীৰ মেচিন দাম আছিল ৪৯ লাখ টকা এতিয়া সেই মেচিনৰ দাম হল ১ কোটি টকা। আগৰ এগ্ৰিমেন্ট মতে ৪৯ লাখ টকাতে সেই মেচিন দিয়াৰ কথা আছে। ইউটিলাইজেচন চাৰ্টিফিকেট দিলে আনিব পাৰে। সেইটোৰ ব্যৱস্থা কৰিব পাৰে। ‘এৰিয়াৰ প্ৰজেক্ট-৩’ আমাক ১৩৯ কোটি টকা ‘ৰোৱাল হাস্পাতাল’ৰ কাৰণে দিয়া হৈছে। আৰু এ, পি নোপোৱাৰ কাৰণে এৰিয়াৰ স্কীমৰ টকা দিয়া হোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে — ভাৰতবৰ্ষৰ অন্য ষ্টেট বিলাকে পালে অসমে পোৱা নাই। এই টকাখিনি পালে অসমৰ ‘ৰোৱাল হাস্পাতাল’ৰ কাৰণে খৰচ কৰিব পৰা হব। মেডিকেল কলেজ বুলিও পইচা আনিব পাৰে। অসমৰ গাওঁৰ হাস্পাতাল বিলাকত ঔষধ যে নাই আমাৰ মেডিকেল কলেজ হাস্পাতালত ‘স্পিৰিত’ নাই কটন নাই। বহুতো হাস্পাতালত ইনজেকচন দিবৰ সময়ত চেলাইনৰ পানী সানি ইনজেকচন দিয়ে। মেডিকেল কলেজ হাস্পাতালত চেলাইন দিয়া পাইপ ডাল নাই। আপোনালোকে এই ৩ খন মেডিকেল কলেজলৈ গৈ ১০ জন ডাক্তৰক বা ১০ জনী নাৰ্চক সুধি চাব যে এই বিলাকত ঔষধ আছে নে

★ **Speech not corrected**

নাই আৰু এজনেও ভাল বুলি নকয়। যদি ভাল বুলি কয় তেতিয়া হলে এই সদনত এটা ভৎসনা প্ৰস্তাৱ আনিব মোক ভৎসনা কৰিব। Because it is a question of life of the people.

মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিচতে 'এপিডেমিক' এৰিয়াৰ কথা কবলৈ ওলাইছো। তামুলপুৰ, গোলাঘাট এই বিলাক সীমান্ত এৰিয়াত এপিডেমিক হয় মেলেৰীয়া হয়। সীমান্ত অঞ্চল কাৰণে এই বিলাকত হয় নেকি। এই অঞ্চল বিলাকত কিছুমান ভুৱা ডাক্তৰ আছে। তেওঁলোকে 'নিভাকুইন'ৰ দুটা টেবলেট গুৰী কৰি পুৰীয়া বনাই গাৱঁৰ মানুহক খাবলৈ দিয়ে। তাতে তেওঁলোকৰ জ্বৰ ভাল হয়। এই ভুৱা ডাক্তৰ বিলাকে ষ্টং ড্ৰাগছ দি জ্বৰ ভাল কৰে। পিচত সেই ঔষধ সেৱন কৰা লোক সকলক বেলেগ ঔষধে কামত নিদিয়ে। মই এটা উদাহৰণ দিব বিচাৰিছো। লখৰাত এজন ডাক্তৰ আছে। এজন মানুহক তেওঁ ইনজেকচন লিখি দিলে, সেই লিখি দিয়া ইনজেকচন কেইটা তেওঁ নিকিনাকৈ তাত থকা কম্পাউণ্ডাৰ আৰু চকীদাৰক সুধিহে ইনজেকচন কেইটা কিনিবলৈ ৰৈ আছে। ডাক্তৰ জনে তেনে পৰিস্থিতিত থাকিব নোৱাৰি ট্ৰেন্সফাৰ বিচাৰিছে। মানুহৰ এই ভুৱা ডাক্তৰ বিলাকৰ ওপৰতহে বেছি বিশ্বাস।

মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ হাস্পাতালত এজন মানুহ চিকিৎসাধীন হৈ আছিল সেই মানুহজন চিৰিয়াছ আছিল। মানুহজনে ইনজেকচন লোৱা নাই। কিছুমান ডাক্তৰে হাইডোজ ঔষধ দিয়ে। ড্ৰাগৰ ক্ষেত্ৰত ইকনমিক হব লাগে। ঔষধৰ ক্ষেত্ৰত যাতে হাইয়েষ্ট কমপেনচেচন হয় তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। গগামুখ নামৰ এডোখৰ ঠাই আছে তাত এনকেফেলাইটিজ ৰোগত বহুত মানুহ মৰিছে। এনকেফেলাইটিজ হলে সাধাৰণতে মানুহ নাবাছে। এই ৰোগৰ কাৰণে ডাঃ গুনেক আনিব পাৰে। গতিকে মাননীয় মুখ্য মন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰী মহোদয় — পাৰচু কৰি প্ৰপজেল আনিব লাগে। আমি ৩ টা এক্সৰে মেচিন আনিছিলো। - তিনিটা মেচিন ৩ খন মেডিকেল কলেজৰ কাৰণে অনা হৈছিল যদিও কামত লগাব পৰা নাই কাৰণ মেচিন বেয়া কৰি থৈছে। কাৰণ সেই কেইটা মেচিন ভাল অৱস্থাত থাকিলে বাহিৰা প্ৰেকটিছ নচলিব। কলিকতাৰ পৰা মেচিন ভাল কৰি ১ ঘন্টাৰ ভিতৰত ফ্লাইটত আনিব পাৰে। শিলচৰ আৰু গুৱাহাটীৰ কাৰণে — সেই মেচিন কিনিব নোৱাৰি। — আশা কৰিছো ডাঃ কমলা কলিতা মন্ত্ৰী হৈ থাকোতে মই বহুত ৰিকুৱেষ্ট কৰি এই ২ টা মেচিন বহুৱাও। সেইটো কিমান কষ্টকৰ চাহ পাতৰ পেকেট কিমানক দিলো। — নবাব কাৰণে এইটো বাদ দিছো। ডাঃ গাজী আহমেদ he is the only man in North-East region — ২৪ ঘন্টাই মানুহক কাম কৰিবলৈ দিয়ে। সপ্তাহে, মাহেকত এবাৰকৈ বক্তৃতা আৰু চিঠি দিয়ে। সেই চিঠিখন লৈ তেখেতৰ ওচৰত গলে বিনামূলীয়া চিকিৎসা কৰে। তেখেতক অসমলৈ অনাৰ ব্যৱস্থা কৰিব বুলি মই আশা কৰিলো। স্বাস্থ্য বিভাগৰ ফালৰ পৰা ২০০০ চনৰ বিশ্ব স্বাস্থ্য যোগান যো ৱা বাৰৰ আগৰ বাৰতে আছিল। আৰু এজন ডাক্তৰ উমেশ শৰ্ম্মা লণ্ডনত আছে। আটাইতকৈ ডাঙৰ ইনটাৰেষ্টৰ কথা হৈছে অসমৰ এজন ডাক্তৰ পঞ্জাৱত আছে। তেখেত হাৰ্টৰ ডাক্তৰ।

মেডিকেল ইনদাষ্ট্ৰিত যি ড্ৰাগছ ব্যৱহাৰ কৰে। local industry মৰাণ টি, ইচটেটত মোৰ ওৱাইফ সুমাই আছে বুলি কোৱা কথাষাৰ মিছা। এনেকুৱা ধৰণৰ অসত্য কথা কব নালাগে। — মন্তব্যৰ বিষয়ে কব পাৰো। এইটো ঠিক কৰি জনোৱা হব। ৰথত যেতিয়া উঠে ৰথে ভাৱে মইয়ে যাম, মন্ত্ৰীয়ে ভাৱে ময়ে লৈ যাম আৰু চালকে ভাৱে ময়ে লৈ যাম। কিন্তু অন্তৰ্যামীয়ে হাঁহে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ সহায় নহলে একো কাম নহয়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ সহায় লাগিব।

**মাননীয়া অধ্যক্ষা ঃ** দুপৰীয়া আহাৰৰ বাবে সদন স্থগিত ৰাখে।

**(The House re-assembled at 3 P.M. and discussion on the cut motion on the Grant No.29 was resumed.)**

**Mr. Speaker :** Now, Shri Pani Ram Rabha.

**★ শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মই নকম বুলিয়েই ভাবিছিলো কিন্তু সমষ্টিৰ হাৰিভাঙ্গাৰ মানুহ আহিছে তেখেত সকলক স্বাস্থ্য মন্ত্ৰী মহোদয়ে হতাশ কৰি এটা কথা কোৱাৰ কাৰণে মই দৌৰি আহিবলগীয়া হল।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ গাৱঁলীয়া জনজাতীয় এলেকাত আমাৰ যিবোৰ ৰিজাৰ্ভ ট্ৰাইবেল এৰিয়া তালৈ ডাক্তৰ নেযায়। ডাক্তৰ সকল নেযায় বাবে আমাৰ মানুহখিনি চহৰলৈ আহিব নেকি? গাঁৱৰ মানুহখিনিক চহৰলৈ আনিলেহে চিকিৎসা হব। গাওঁলৈ ডাক্তৰ নোযোৱা কাৰণ আছে। সাধাৰণতে টাউনৰ ল'ৰা-ছোৱালীয়ে ডাক্তৰ পঢ়িবলৈ সুবিধা পায়। সেইকাৰণে তেওঁলোকে সৰুৰে পৰা টাউনত থাকি গাওঁত চাকৰি কৰিবলৈ বেয়া পায়। মই ভাবো প্ৰত্যেক সমষ্টিৰ পৰাই ডাক্তৰ পঢ়াৰ কাৰণে ল'ৰা-ছোৱালী লব লাগে। অসমত ১২৬ টা সমষ্টি আছে গতিকে প্ৰত্যেকটোৰ পৰাই মেডিকেলৰ এডমিচনৰ কাৰণে ব্যৱস্থা লব লাগে। তেতিয়াহে আমাৰ গাওঁৰ সমস্যা সমাধান হ'ব। গাৱঁৰ ল'ৰা গাৱঁতে থাকিব। গতিকে প্ৰথম বাৰ্ষিকত ভৰ্ত্তি কৰোৱাৰ লগে লগেই এইটো ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ৬ খন পি,এইচ,চি'ত ডাক্তৰ নাই। বাগান পাৰা পি,এইচ,চি'ৰ কাৰণে যোৱা বাৰ বিধান সভাতো প্ৰশ্ন দি আহিছো ডাক্তৰ লাগে বুলি। তাত ডাক্তৰ নিযুক্তি দিলেও নেযায়। মোৰ সমষ্টিৰ ৬ খন পি,এইচ,চি'ত ডাক্তৰ নাই। এই কথাটো মই ২৮ ফ্ৰেবুৱাৰী তাৰিখে স্বাস্থ্য মন্ত্ৰী আৰু চছিয়েল ওৱেলফায়াৰ মন্ত্ৰী মহোদয় মোৰ সমষ্টিলৈ যাওঁতে কৈছিলো। তেওঁলোকে তেতিয়া ডাক্তৰ দিম বুলি কথা দিছিল, কিন্তু আজি পৰ্য্যন্ত তাত ডাক্তৰ দিয়া হোৱা নাই। সেই অঞ্চলত যিবোৰ মানুহ আছে চিকিৎসাৰ অভাৱত মৃত্যু বৰণ কৰিবলগীয়া হৈছে। সেই অঞ্চলৰ যিখিনি মানুহ মৃত্যু হৈছে সেইখিনিয়ে মৰিশালীৰ পৰা অভিশাপ দিব। মৰিশালীৰ পৰা অভিশাপ দিয়া খিনিয়েটো দিবই ১ সপ্তাহৰ ভিতৰত ডাক্তৰ নিদিলে ৰাইজৰ লগতে মইও ১ মাহ আমৰণ অনষণ কৰিম। আজি ২ বছৰে মন্ত্ৰীৰ দুৱাৰে দুৱাৰে গৈ

★ Speech not corrected

বিষয়া সকলৰ দুৱাৰে দুৱাৰে গৈ ডাক্তৰ নেপালো। সেইকাৰণেই আজি এইবিলাক কথা কবলগীয়া হৈছে। আমাৰ সমষ্টিত যেতিয়ালৈকে ডাক্তৰ নিদিব তেতিয়ালৈকে আমৰণ অনষণ কৰিব লাগিব। তাতোকৈ ডাঙৰ কথা হৈছে বৰমাৰ যিজন চিনিঅ'ৰ মেডিকেল অফিচাৰ তেওঁ গুৱাহাটীত চাৰ্জিচ দি দৰমহা লয় বৰমাত। তেখেতৰ ফাইলটো মুভ কৰাৰ কাৰণে মই ২/৩ বাৰ স্বাস্থ্য মন্ত্ৰীক লগ ধৰিছো। মই ভাগৰি পৰিছো। এনেকুৱাকৈ কি ডাক্তৰ পষ্টিং হয় নেকি?

মাননীয় অধ্যক্ষ মহোদয়, বৰমা চিভিল হাস্পাতালত যিজন চিনিয়ৰ মেডিকেল অফিচাৰ আছে তেখেতৰ নাম শ্ৰী জি চি দাস। তেখেতে গুৱাহাটীৰ এম এম চি হাস্পাতালত চাৰ্জিচ দি আছে কিন্তু দৰমহা লয় বৰমাত। মন্ত্ৰী মহোদয়ে যদি তেখেতৰ ফাইল নম্বৰ চাব বিচাৰে মই ফাইল নম্বৰটো দিম। মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাখন অতি পিছপৰা জিলা। ৰাজ্যপালৰ ভাষণটো কৈছো নলবাৰী জিলাক বঞ্চিত কৰা হৈছে। ৰাজ্যপালৰ ভাষণত নলবাৰী জিলাৰ ২০০ খন বিচনা যুক্ত চিকিৎসালয়ৰ কথা কোৱা হ'ল কিন্তু বাজেট বক্তৃতাত বৰপেটাকে ধৰি বেলেগ বেলেগ ঠাইৰ নাম কলে কিন্তু নলবাৰী জিলাক বাদ দিয়া হ'ল। আমাৰ স্বাস্থ্যমন্ত্ৰী নলবাৰীৰ কাৰণে বাদ দিয়া হ'ল নেকি? নলবাৰীত ২০০ খন বিচনা যুক্ত চিকিৎসালখন ১৯৮৭ চনতে আধাৰ শিলা স্থাপন কৰা হৈছিল। তাৰ পিছত ফাউণ্ডেছন হৈ গ'ল। কিন্তু এতিয়াও কাম হোৱা নাই। নলবাৰীত এই চিকিৎসালয় কাম সম্পূৰ্ণ কৰিবলৈ নতুন চৰকাৰে টকা দিয়া নাই। নিৰ্মাণৰ কোনো ব্যৱস্থা কৰা নাই। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই চিকিৎসালয়খন সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰে। নলবাৰী চিভিল হাস্পাতালত বিভিন্ন বিভাগত বিভিন্ন ধৰণৰ ডাক্তৰ থাকিব লাগে, বিশেষজ্ঞ থাকিব লাগে, সেইমতে নাই। তাত মাত্ৰ গাইনিৰ ডাক্তৰ বেছিকৈ আছে। কি তাত অকল গাইনিৰ ডাক্তৰহে লাগে নেকি? তাত কাণৰ, নাকৰ, ডিঙিৰ বা অন্যান্য ৰোগৰ ৰোগীও আছে গতিকে তাত সকলো বিভাগৰ ডাক্তৰ থাকিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, জিলা পৰ্য্যায়ত যিবিলাক চিভিল হাস্পাতাল আছে সেই বিলাকত ব্লাড বেংক কৰিব লাগে। এই বিলাকত ব্লাড ডিষ্ট্ৰিবিউচনৰ ব্যৱস্থা কৰিব লাগে। এই কথা আমাৰ নতুন স্বাস্থ্য মন্ত্ৰীয়ে জানে যিহেতু তেখেত এজন ডাক্তৰ। মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিত থকা চিকিৎসালয় বিলাকত কিছুমান বেমাৰৰ অ'পাৰেচন কৰাৰ ব্যৱস্থা কৰিব লাগে। অ'পাৰেছনৰ কাৰণে যিখিনি সা-সজুলিৰ প্ৰয়োজন, যিখিনি ডাক্তৰৰ প্ৰয়োজন, বিশেষজ্ঞৰ প্ৰয়োজন সেইখিনি জিলা ভিত্তিত দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ সমষ্টিৰ বাস্কা অঞ্চলৰ বেমাৰী হিমালয়ৰ ওচৰৰ পৰা নামি আহি ইয়াত গুৱাহাটীত জি এম চি হাস্পাতাল বিচাৰি নাপায়, ডাক্তৰ বিচাৰি নাপায়, চিট নাপায় ৰোগী মৰিব লগা হয়। গতিকে যদি জিলা ভিত্তিত চিকিৎসালয় বিলাকত অ'পাৰেছন কৰাৰ ব্যৱস্থা কৰে তেতিয়া হ'লে গাওঁৰ ৰাইজৰ যথেষ্ট উপকাৰ হব। মন্ত্ৰী মহোদয়ে যদি ডিষ্ট্ৰিক্ট চিভিল হাস্পাতাল বিলাকত এই অ'পাৰেছনৰ ব্যৱস্থা কৰে ভাল পাম। মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক পি এইচ ই নিৰ্মাণ কৰা হৈছে

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কথা কব খুজিছো সেই বিলাক আচলতে প্ৰাথমিক মানুহ মৰা কেন্দ্ৰতহে পৰিণত হৈছে। কাৰণ অসম গণ পৰিষদ চৰকাৰৰ দিনত ৩০ খন বিচনা যুক্ত হাস্পাতাল নিৰ্মাণ কৰা হৈছিল। কিন্তু তাত এতিয়াও ডাক্তৰ লোৱা হোৱা নাই। ঘৰ উদ্বোধন নকৰি তাত আমি ৰাখিছো, যুৱক-যুৱতী সকলক আৰ্মিয়ে তাত নি মাৰে গতিকে এইবিলাকক মানুহ মৰা কেন্দ্ৰ নকৈ কি বুলি কোৱা হব। মাননীয় অধ্যক্ষ মহোদয়, বৰমাত থকা ৩০ খন বিচনা যুক্ত হাস্পাতাল খনৰ পৰা আমি উঠাই নি সোনকালে ঘৰটো উদ্বোধন কৰি তাত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰক। মোৰ সমষ্টিত ১০,০০০ জনতকৈ অধিক টি বি বেমাৰী আছে। ট্ৰাইবেল মানুহৰ ঘৰে ঘৰে টি বি বেমাৰী আছে। এই বেমাৰী বিলাকক গুৱাহাটীলৈ আনি চিকিৎসা কৰিব লগা হয়। গুৱাহাটী টি বি হাস্পাতালত চিকিৎসাৰ বাবে বিশেষ সা-সুবিধা নাই, ঔষধ-পাতি নাই আনকি তাত পানীও নাই। পানী নাই কাৰণে ৰোগী বিলাকে যথেষ্ট অসুবিধা ভুগিব লগা হৈছে। এই হাস্পাতালত চাফ-চিকুণ নহয়। পানীৰ অভাৱত ছাফা কৰিব নোৱাৰে। এই হাস্পাতালত নিজাকৈ পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় টি বি বেমাৰী একোজনৰ খাদ্যৰ বাবে প্ৰতি দিনে খৰচ কৰা হয় ১০ টকা। এজন বেমাৰীক প্ৰতিদিনে ১০ টকাতকৈ বেছি দৰকাৰ হয়। কাৰণ এজন বেমাৰীয়ে প্ৰটিন যুক্ত খাদ্য খাব লাগে, ভাল খাদ্য খাব লাগে। গতিকে ১০ টকা নিচেই কম হয়। সেই পৰিমাণ ২০ টকা কৰিব লাগে। তেতিয়াহে দুখীয়া বেমাৰীবোৰে উপযুক্ত খাদ্য খাবলৈ পাব, প্ৰটিনযুক্ত আহাৰ খাবলৈ পাব। মাননীয় অধ্যক্ষ মহোদয়, টি বি বেমাৰী যথেষ্ট দামী দামী ঔষধ আৰু বেজীৰ প্ৰয়োজন। এই হাস্পাতালখনত প্ৰটিন আৰু আইৰণ ঔষধ বেজী পোৱা নেযায়। এইবিলাক কিনি আনিব লাগে। যদি এইখিনি সুবিধা নাপাই তেতিয়াহলে ৰোগ আৰোগ্য কৰিব নোৱাৰি। গতিকে মন্ত্ৰী মহোদয়ে এই চিকিৎসালয়খনত দুখীয়া ৰোগীবিলাকৰ সুবিধাৰ কাৰণে ঔষধ পাতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চাফ-চিকুণ নহয়। ইয়াক চাফা কৰাৰ ব্যৱস্থা কৰিব লাগে। ৰুম বিলাকত চুন তেল দিয়া হোৱা নাই। এইবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰোগীসকলক চিকিৎসাৰ সা-সুবিধা দিব লাগে। মন্ত্ৰী মহোদয়ে এইবিলাকত গুৰুত্ব দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে স্বাস্থ্য বিভাগত যিটো বাজেট ধৰিছে সেইটোত কৰ্ত্তন প্ৰস্তাৱ আনিব নালাগিছিল। মই আগতে কৈছো চৰকাৰে আটাইতকৈ বেছি গুৰুত্ব দিব লাগে দুটা বিভাগত এটা হ'ল কৃষি আৰু আনটো স্বাস্থ্য বিভাগ। আমাৰ সমষ্টিৰ সমস্যা খিনি অসুবিধা খিনি দূৰ হোৱা নাই কাৰণে আমি কৰ্ত্তন প্ৰস্তাৱ আনিব লগা হৈছে। আমাৰ সমষ্টিৰ সমস্যা, অসম ৰাজ্যৰ সমস্যা সমাধান নোহোৱা বাবেহে কৰ্ত্তন প্ৰস্তাৱ আনিব লগা হৈছে। মাননীয় সদস্য বিয়াকত আলী ডাঙৰীয়াই মোক বৰপেটাৰ কথা কবলৈ কৈছে। বৰপেটাও অতি পিচপৰা জিলা গতিকে বৰপেটাত যিবিলাক এলেকাত পি এইচ ই আছে সেইবিলাকত ডাক্তৰ দিয়াৰ ব্যৱস্থা হব লাগে। যিবিলাক এলেকাত পি এইচ ই নাই পি এইচ ই দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি দাবী সেই দাবী উত্থাপন কৰাৰ মঞ্চ

এইখনে গতিকে আমি এই মঞ্চৰ জৰিয়তে দাবী জনাইছো। এক মাহৰ ভিতৰত আমাৰ সমষ্টিৰ যি ৬ খন চিকিৎসালয়ত ডাক্তৰ নাই তাত ডাক্তৰ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয় আকৌ এবাৰ কৈছে যদি ডাক্তৰ এক মাহৰ ভিতৰত নিদিয়ে তেতিয়াহলে মই মোৰ সমষ্টিৰ মানুহৰ লগত আপোনাৰ সন্মুখত আমৰণ অনশন কৰিম। আৰু লগতে স্বাস্থ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰতে নলবাৰী জিলাত ২০০ খন বিচনাযুক্ত চিকিৎসালয়খন সমাপ্ত কৰাৰ ব্যৱস্থা কৰে যেন। মই দুখেৰে কৈছো যে চিকিৎসা শিতানত বাজেট বৃদ্ধি কৰিব লাগে আৰু কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থণ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

★ **শ্ৰীসুৰেন স্বৰ্গীয়াৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কবৰ ইচ্ছা নাছিল যদিও যোৱা ১৯ মাৰ্চত আমাৰ কেইটামান ডাক্তৰখানা সম্পৰ্কত আৰু চিকিৎসালয় সমূহৰ বৰ্ত্তমান সময়ত যি এটা অৱস্থা হৈ আছে তাত মন্ত্ৰী মহোদয়ে যোৱাত তাত ৰাইজে প্ৰস্তাৱ দিছিল। আৰু সেই বিষয়টোৰ ওপৰতে কৰ্ত্তন প্ৰস্তাৱ আনিব বিচাৰিছো। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এটা অংশ নলবাৰী জিলাত পৰে আৰু এটা অংশ বৰপেটা জিলাত পৰে। মই নলবাৰী জিলাৰ কথা কবলৈ নেযাওঁ, বৰপেটা জিলাৰ কথা কৈছো। তাত ৬ খন ডাক্তৰখানা আছে, ত্ৰিশখন বিচনাযুক্ত হাস্পাতাল এখন জালাহত আছে। ত্ৰিশখন বিচনাযুক্ত হাস্পাতালত ডাক্তৰ থাকিব লাগে ৬ জন। কিন্তু দুখৰ কথা তাত ডাক্তৰ দুইজনহে আছে। ডাক্তৰ আছিল ৩ জন। কিন্তু তাৰে আটাইতকৈ ভাল ডাক্তৰজনক পাঠশালালৈ ট্ৰেন্সফাৰ কৰি আনিলে। কথা হৈছে জালাহত ৩০ খন বেডৰ চিকিৎসালয়খনত মাত্ৰ দুজনহে ডাক্তৰ আছে, ৫ খন চিকিৎসালয় আছে, তাত ৪ খন ১। জালাধাৰ পি,এইচ,ই, (২) বেডবাৰি পি,এইচ,ই (৩) শোকালৰ পি,এইচ,ই (৪) চলাধাৰী পি, এইচ, ই। অধ্যক্ষ মহোদয়, এইটো আপোনালোকে বিবেচনা কৰি চাব। ৫ খন ডাক্তৰ খানা আছে, কিন্তু ডাক্তৰ নাই। ডাক্তৰ নোহোৱাৰ কাৰণে সেই অঞ্চলৰ ৰোগীবিলাকৰ অৱস্থা কি হ'ব পাৰে। জালাহৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়খনত বিৰাট অঞ্চলটোৰ বেমাৰীৰ বেমাৰ চিকিৎসা কৰিব লাগে, দুজন ডাক্তৰৰ কাৰণে সম্ভৱপৰ নহয়। চিকিৎসাৰ সুব্যৱস্থা নথকাৰ কাৰণে ৰোগীবিলাক নলবাৰীলৈ আনিব লগা হয়, নলবাৰীতো চিকিৎসাৰ সুব্যৱস্থা নথকাৰ কাৰণে কিছুমান ৰোগীক গুৱাহাটীলৈ আনোতে মৃত্যু মুখত পৰিবলগীয়া হয়। মই মন্ত্ৰী মহোদয়ক অন্তঃকৰণেৰে সৈতে অনুৰোধ কৰিছো, যাতে ডাক্তৰ সকলে জইন কৰে তাৰ কাৰণে কঠোৰ নিৰ্দ্দেশ দিব লাগে। তেওঁলোকে কিছুমান অজুহাত দেখুৱাই জনজাতীয় অঞ্চলবোৰত বিশেষকৈ বড়ো আৰু এক্সট্ৰেমিজ কথা কয়, আলফাৰ কথা কয়, এনে বিলাক অজুহাত দেখুৱাই তেওঁলোক যাবলৈ মন নকৰে। কিন্তু মই ভাবো ডাক্তৰ সকলৰ কোনো শত্ৰু নাই, দুৰ্বৃত্ত আৰু এক্সট্ৰেমিজ বিলাকৰো বেমাৰ হয়। তেওঁলোকৰ চিকিৎসাৰ কোনো ব্যৱস্থা নাই। তেওঁলোকক সেই ডাক্তৰ সকলেই চিকিৎসা কৰিব লাগিব। ডাক্তৰ সকলে সকলোকে সমানে চিকিৎসা কৰে। সৰ্বসাধাৰণ ৰাইজৰো চিকিৎসা কৰে। এই ডাক্তৰ সকলৰ কোনো শত্ৰু নাই। আলফা আন্দোলনত, বড়ো

★ Speech not corrected

আন্দোলনত বহু মানুহ মৰিছে, বড়ো মানুহ মৰিছে। মই হিচাব কৰি দেখিবলৈ পাইছো এই আন্দোলন বিলাকত ডাক্তৰ মৰা নাই। কৰবাত যদি মৰিছে শতকৰা এজন। সেই ফালৰ পৰা চাবলৈ গলে ডাক্তৰ সকলৰ ওপৰত শত্ৰু ভাৱ লোৱাটো আলফা বা এক্সট্ৰিমিছে সেই উদ্দেশ্য লোৱা নাই। সেই কাৰণে ডাক্তৰ সকলে অজুহাত দেখুৱাই দুখীয়া মানুহ খিনিক চিকিৎসা সেৱাৰ পৰা বঞ্চিত কৰিছে। সেই কাৰণে মন্ত্ৰী মহোদয়ে এই ডাক্তৰ বিলাকক ট্ৰাইবেল এলেকালৈ আৰু গাওঁ অঞ্চললৈ যাবলৈ বাধ্য কৰিবলৈ অনুৰোধ জনালো। আনফালে ওপৰোক্ত বক্তাই কৈ গৈছে পি, এইচ, ই, বিলডিং নিৰ্ম্মাণ কৰা হৈছে কিন্তু চেংচন দিয়া হোৱা নাই। নতুন নতুন নিৰ্ম্মাণ কাৰ্য্য চলাই আছে, কিন্তু বিলডিঙৰ কাম হোৱা নাই। এইটোৰ প্ৰতি গুৰুত্ব দিব লাগে। যিবিলাক ঘৰৰ সম্পূৰ্ণ হোৱা নাই, সেইবিলাক সম্পূৰ্ণ কৰিবৰ কাৰণে ভালদৰে জোৰ দিব লাগে। যিবিলাক ঘৰৰ কাম সম্পূৰ্ণ হৈছে সেইবিলাক আৰম্ভ কৰাৰ ব্যৱস্থা কৰিব লাগে। ১৯৯০ চনতে পি, এইচ, ই, গৃহ নিৰ্ম্মাণৰ কাম শেষ হৈছে, কিন্তু কাম আজিলৈকে ষ্টাৰ্ট দিয়া নাই। গতিকে বিত্তীয় বৰ্ষত ১৯৯৩-৯৪ চনৰ ভিতৰত ষ্টাৰ্ট দিয়াৰ কাৰণে যেন সিদ্ধান্ত গ্ৰহণ কৰে। তেতিয়া সেই অঞ্চলৰ ৰাইজৰ বহুত উপকাৰ সাধন কৰা হব। মই অধ্যক্ষ মহোদয়ৰ জড়িয়তে এটা কথা স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। ৫০ টকীয়া ধাই আছে। মাত্ৰ এই ৫০ টকাৰ মাহিলী দৰমহাৰে সেই ধাই গৰাকীয়েই হওক বা পৰিয়ালেই হওক আজিৰ দিনটোত ৫০ টকাৰে কেইজন চলিব পাৰে। গতিকে এইটো স্পেচিয়েল প্ৰতিজনৰ ব্যৱস্থা হাতত লব লাগে। এইটো নহলে এই সম্পৰ্কত বিশেষভাবে দৃষ্টি দিবলৈ ৫০ টকা ধাই সকলৰ ভৱিষ্যত জীৱন নিৰ্ব্বাহৰ পথ যাতে সুগম হয়। তাৰ পিচত আমাৰ জিলাত ২০০ খন বিচনাযুক্ত চিকিৎসালয় পি, এইচ, ই হৈছে, অসম গণ পৰিষদৰ দিনতে সিদ্ধান্ত লোৱা হৈছে, সেইটো আজিও সম্পূৰ্ণ হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মই নলবাৰী জিলাৰ এজন বিধায়ক হিচাপে আমাৰ নলবাৰী জিলাত যি ২০০ বিছনাযুক্ত ডাক্তৰখানা এখন নিৰ্ম্মাণ কৰা হৈছে এইখনৰ কাম এতিয়ালৈ সম্পূৰ্ণ হৈ উঠা নাই। এইখন গণ পৰিষদ চৰকাৰৰ দিনতে স্থাপন কৰা হৈছিল। হাস্পাতালখনৰ কাম মাত্ৰ ৩০ শতাংশ মানহে হৈছে। এইখিনি কথা মই কব নালাগে। কিয়নো আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয় নলবাৰী জিলাৰ মানুহ, তেওঁ নলবাৰী জিলাৰে নহয় তেওঁ আমাৰ ঘৰৰ মানুহ। গতিকে এই বিষয়ে মই কবলৈ যোৱা উচিত নহব যেন পাওঁ। সেয়েহে এই ২০০ বিছনাযুক্ত হাস্পাতালৰ কামখিনি দ্ৰুতগতিত আগবঢ়াই নিব বুলি আশা কৰিলো। আনহাতে নলবাৰীৰ যিখন চিভিল হাস্পাতাল আছে সেইখনতো ডাক্তৰ কম হৈছে। গতিকে তাত ডাক্তৰৰ সংখ্যাটো বঢ়াই দিব লাগে। তাৰোপৰি তাত যিটো এক্সৰে মেচিন আছে সেইটোও পুৰণি হৈছে আৰু সেয়ে নতুন এক্সৰে মেচিন এটা অনাৰ বাবেও মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। সৰ্দৌ শেষত মোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত এটাই অনুৰোধ যে যি ৫ খন হাস্পাতালত ডাক্তৰ দিয়া হৈছিল অথচ তেওঁলোকে জইন নকৰিলে আৰু জইন কিয় নকৰিলে তাৰ এটা বিচাৰ কৰি

সেইবোৰত অতি সোনকালে ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰে যেন আৰু আমাৰ অঞ্চলত যি ৩০ খন বিছনাযুক্ত হাস্পাতাল আছে সেইখন অতি সোনকালে কৰ্মচাৰী নিযুক্তি দিয়াৰ বাবে মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান বিষয় উল্লেখ কৰি শেষ কৰিম। এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থণ কৰি মই দুটামান কথাৰ প্ৰতি মাননীয় স্বাস্থ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গুৱাহাটীত এখন টি, বি হাস্পাতাল আছে। এই টি, বি হাস্পাতালত ৰোগী সকলক বিনামূলীয়া চিকিৎসা দিয়া হয়। কিন্তু যিখিনি সুবিধা ৰোগী সকলে পাব লাগে সেইখিনি বৰ্ত্তমান চৰকাৰে দিব পৰা নাই। তাৰ বহুতো কাৰণ আছে। আমাৰ স্বাস্থ্য মন্ত্ৰীজন আজি কিছুদিনৰ আগতে এই বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব লৈছে। সেয়ে মই তেখেতক নিজে গৈ এই টি, বি, হাস্পাতালখন পৰিদৰ্শন কৰি আহিবলৈ অনুৰোধ জনালো। এই টি, বি, হাস্পাতালত ২৫০ খন বিছনা আছে। এই ২৫০ খন বিছনাযুক্ত টি, বি, হাস্পাতালত যিখিনি সুবিধা থাকিব লাগে সেইখিনি পোৱা নাযায়। হাস্পাতালৰ বাবে যিখিনি পানীৰ দৰকাৰ সেইখিনিও পোৱা নাযায়। গুৱাহাটী পৌৰ নিগমে যিখিনি পানী যোগান ধৰে সেইখিনি যথেষ্ট নহয়। সেয়ে এই টি, বি, হাস্পাতালত পানীৰ বাবে পৃথক ব্যৱস্থা কৰিব লাগে। তেতিয়াহলেহে এই অসুবিধা দূৰ হব। দ্বিতীয়তে ৰোগী সকলক চৰকাৰৰ ফালৰ পৰা দৈনিক পথ্যৰ নামত ১০ টকাৰ খাদ্য যোগান ধৰা হয়। আজিৰ দিনত ১০ টকাৰে কি পাব। গতিকে ৰোগী সকলৰ পথ্যৰ বাবে যি ১০ টকা ধাৰ্য্য কৰা আছে সেইটো কিছু বৃদ্ধি কৰিব লাগে। তাৰোপৰি অধ্যক্ষ মহোদয়, ৰোগী সকলক যিখিনি ঔষধ-পাতি দিব লাগে সেইখিনিও দিব পৰা নাই। ৰোগী সকলে সদায় বাহিৰৰ পৰা ঔষধ-পাতি কিনি আনিব লগা হয়। গতিকে ভালদৰে ঔষধ-পাতি যোগান ধৰিব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, আন এটা কথা মই কবলৈ গৈছো যে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰতিষ্ঠানত অসমৰ বাবে আসন সংৰক্ষণ ৰখাৰ ব্যৱস্থা আছে। মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ স্বাস্থ্য বিভাগৰ জ্ঞানৰ পৰিসৰ কিমান সেই সম্পৰ্কে এটা তথ্য দিব বিচাৰিছো। আহমেদাবাদৰ এল, এম কলেজত অসমৰ বাবে দুটা চিট ৰিজাৰ্ভ আছে। এই দুটা চিটৰ বাবে আমাৰ স্বাস্থ্য বিভাগে দুজন লৰাৰ নাম প্ৰেৰণ কৰিছিল। তাৰে এজনৰ নাম হ'ল ৰামেশ্বৰ ডেকা আৰু আনজনৰ নাম হ'ল দিগন্ত তালুকদাৰ। গুজৰাটৰ কলেজৰ যি নীতি নিয়ম অনুসৰি যিখিনি অৰ্হতাৰ প্ৰয়োজন সেইখিনি এই লৰাজনৰ নাছিল। সেয়ে এই বিষয়ে এল, এম কলেজৰ প্ৰিন্সিপালে চিঠি এখন দি জনাই দিছে। চিঠিখন মই পঢ়ি দিছো।

I am reading out the contents of the letter, addressed to Secy. Health & F.W. Deptt. Assam.

Sir,

This has a reference to your Telegram dated HLB-153/82/359 dt. 13.11.92.

---

★ **Speech not corrected**

I regret that Shri Diganta Talukdar can not be admitted in B. Pharm. Course as he has not passed P.U.(Sc) with Mathematics. As per the Gujrat University rules the student must have passed with the following subjects. i.e. (1) Physics, (2) Chemistry, (3) Mathematics, (4) Biology, (5) English.

Last year also we have drawn your kind attention with regard to admission of Assam student to B. Pharm degree course. (1) They have not passed in mathematics in Higher Secondary exam. (2) They report to this College at the end of Nov. or Dec. when the first term is almost complete.

We had requested you to send the boys by the end of July.

Yours faithfully

(Dr. C.J. Shishco)

L.M. College of Pharmacy

Ahmedabad - 9

যোৱা বছৰ যেতিয়া এই, এল, এম কলেজলৈ লৰা দুজনৰ নাম পঠাইছিল তেতিয়াই তাৰ পৰা চিঠি এখন দি জনাইছিল যে আপোনালোকে যি দুজন লৰাৰ নাম পঠায় সেই নাম জুলাই মাহতে পঠাব লাগে। কিন্তু আমাৰ স্বাস্থ্য বিভাগে সেইটো কৰা নাই। এইবাৰো নবেম্বৰ আৰু ডিচেম্বৰ মাহত পঠিয়াইছে। এতিয়া তেওঁলোকৰ ফাষ্ট টাৰ্ম শেষ হ'ল। তাৰোপৰি তাত যে মেট্ৰচ লাগে সেই কথা স্বাস্থ্য বিভাগে জানে নে নাই। গতিকে এইবিলাক কথাৰ প্ৰতিও মাননীয় মন্ত্ৰী মহোদয়ে নজৰ দিব বুলি আশা কৰিলো আৰু অসমৰ বাহিৰলৈ যিসকলক পঠিওৱা হয় সেইসকলৰ ক্ষেত্ৰত যিখিনি অৰ্হতাৰ প্ৰয়োজন সেইখিনিৰ প্ৰতিও নজৰ ৰাখিব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত যিখন চিকিৎসা মহাবিদ্যালয় আছে সেইখনত বিশেষ সুবিধা দিয়া হৈছে বুলি ইতিমধ্যে বহুতো মাননীয় সদস্যই দৃষ্টি আকৰ্ষণ কৰিছে। এই ক্ষেত্ৰত মই কব খুজিছো যে গুৱাহাটী মেডিকেল কলেজখন দেখাত বাহিৰৰ পৰা বৰ ডাঙৰ, কিন্তু ভিতৰলৈ সোমাই গলে দেখা যায় যে যিখিনি সুবিধা ৰোগী সকলে পাব লাগে সেইখিনি সুবিধাৰ পৰা বঞ্চিত হৈছে। মই এটা উদাহৰণ দিব খুজিছো। তাত দুটামান এক্সৰে মেচিন আছে। কিন্তু মেচিন দুটা সদায়ে বেয়া থাকে। ৰোগী সকলে সদায় বাহিৰত এক্সৰে কৰিবলগা হয়। সেই কাৰণে তাৰ ডাক্তৰ সকলে প্ৰায়ে কয় যে এক্সৰে কৰিবলগীয়া হলে বাহিৰৰ পৰা কৰি আনিব। তাৰোপৰি ইয়াত এক্সৰে কৰিলে একো বুজিব নোৱাৰি। আজি এই অৱস্থা কিয় হৈছে? মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মেডিকেল কলেজলৈ গলে দেখিব যে ৰোগী

সকলে চেলাইনৰ পৰা আদি কৰি সূতা, কপাহ, চাবোন আদি সকলোখিনি বাহিৰৰ পৰা কিনি আনিছে। কিন্তু এইবোৰ যোগান ধৰা চৰকাৰৰ দায়িত্ব। এই সৰু সৰু সুবিধাবিলাকৰ পৰাও আমাৰ ৰোগীসকলে বঞ্চিত হৈছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু তাত যিখিনি অভাৱ এতিয়ালৈ অনুভৱ কৰি থকা হৈছে সেইখিনি পূৰণ কৰাৰ বাবে মন্ত্ৰী মহোদয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মেডিকেল কলেজৰ কাৰডিওলোজি বিভাগত মেচিন এটা আছে। এই মেচিনটো ২ কোটি ৫০ লাখ খৰছ কৰি কিনি অনা হৈছিল। কিন্তু এই মেচিনটো আজিলৈকে কামত লগোৱা হোৱা নাই। এই মেচিনটো কামত নলগোৱাৰ বাবে আজি বহুত মানুহ অসমৰ বাহিৰলে যাবলগীয়া হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে বিশেষ নজৰ দিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

★ **শ্ৰীচন্দন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত বেছি কথা কবলৈ নাযাওঁ মাত্ৰ স্বাস্থ্যবিভাগৰ মন্ত্ৰী মহোদয়ক দুটামান পৰামৰ্শ দাঙি ধৰিম। ১ নং বাজেটত স্বাস্থ্য বিভাগৰ কাৰণে যি ধন ধৰিছে, সেই ধন যে যথেষ্ঠ নহয় তাত মোৰ পূৰ্ণ সমৰ্থন আছে। কিন্তু এই ধনখিনি সঠিক ভাবে আৰু সমান ভাবে খৰছ কৰিব লাগে। ১৯৮৭ চনত অকল গোলাঘাট জিলাতে ১৪ খন প্ৰাইমেৰী স্বাস্থ্য কেন্দ্ৰ দিছে আৰু প্ৰত্যেকখনৰ কাৰণে চাৰে বাৰ লাখকৈ টকা দিছে। এই টকাখিনি অনুসূচীত জাতিৰ উন্নয়নৰ কাৰণে ৰখা টকা। সৰ্ব্বমুঠ ২৫ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভিতৰত অকল গোলাঘাট জিলাতে ১৪ খন দিছে এইটো কেনে কথা। সকলোতে সমভাবে দিব লাগে। অকল গোলাঘাট জিলাতে যে অনুসূচীত জাতিৰ লোক আছে এনে নহয়, অসমৰ সকলো জিলাতে কম বেছি পৰিমাণে অনুসূচীত জাতিৰ লোক আছে। গতিকে সকলো জিলাৰ মানুহে সুবিধা পাব লাগে। আনহাতে অনুসূচীত জাতিৰ উন্নয়নৰ বাবে থকা টকা অনুসূচীত জাতি অধ্যুষিত অঞ্চলতহে খৰছ কৰিব লাগে। অৱশ্যে অনুসূচীত জাতিৰ বাবে এখন হাস্পাতাল বনালে তাত অকল অনুসূচীত জাতিৰ মানুহেই চিকিৎসাৰ সুবিধা পাব এনে নহয়। তাত আন মানুহেও চিকিৎসা লাভ কৰিব পাৰিব। গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে তেখেতে এইবিষয়ত অলপ চকু দিয়ক যাতে অসমৰ সকলো জিলাৰ অনুসূচীত জাতিৰ লোক সকলে যাতে সমানে সুবিধা পায়। অধ্যক্ষ মহোদয় আমাৰ যিবিলাক চৰ অঞ্চল আছে, আমাৰ বৰপেটা আৰু তেজপুৰ জিলাত বহুতো চৰ আছে। এই চৰ অঞ্চল বিলাকত চিকিৎসাৰ ব্যৱস্থা একেবাৰে নাই বুলিলেই হয়। এই চৰ বিলাকত ভাল ৰাষ্টা পদুলি নথকাৰ বাবে তালৈ কোনো ডাক্তৰ যাব নোখোজে আৰু তাত তেনে চিকিৎসালয়ো নাই। গতিকে আজিও মানুহে তাত কবিৰাজী ডাক্তৰৰ দ্বাৰা চিকিৎসা কৰোৱায়। মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়টো নজৰ দিবলৈ অনুৰোধ জনালো। অধ্যক্ষ মহোদয় আৰু এটা কথা ১৯৮৭ চনত যি চাৰে ১২ লাখ টকা চেংচন হৈছিল, সেই টকা বিলাক এতিয়াও সঠিকভাৱে

★ Speech not corrected

খৰছ হোৱা নাই আৰু স্বাস্থ্যকেন্দ্ৰ বিলাকো সম্পূৰ্ণ হৈ উঠা নাই। অনুসূচীত জাতিৰ বাবে থকা প্লেনৰ টকা অনুসূচীত জাতি থকা অঞ্চলত খৰছ কৰাত অগ্ৰাধিকাৰ দিব লাগে। এই টকা খৰছ কৰোতে বা বিতৰণ কৰোতে কোনো ৰাজনীতি কৰিব নালাগে আৰু প্ৰকৃত মানুহে যাতে সুবিধা পায় তাৰ ওপৰত চকু দিবলৈ মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, আমাৰ দুজনমান মাননীয় সদস্যই আগতে এটা কথা কৈ গৈছে তাত মই এক মত নহয়। তেওঁলোকে কৈছে যে, আমাৰ কিছুমান ৰুৰেল হাস্পাতালত আমি থাকিবলৈ দিয়াৰ বাবে হাস্পাতাল বিলাক নষ্ট হৈ গৈছে। আমি থাকিলেই যে হাস্পাতাল এখন নষ্ট হৈ বা বন্ধ হৈ যাব। এনে নহয়। চৰকাৰী ঘৰৰ অভাৱত তেওঁলোকক স্কুল, হাস্পাতাল আদিত থাকিবলৈ দিয়া হৈছে। গতিকে মই এই ক্ষেত্ৰত এক মত নহয়। অধ্যক্ষ মহোদয়, আমাৰ বঙ্গাইগাওঁ জিলাত এখন ২০০ বিচনা যুক্ত হাস্পাতাল নাই আনকি ১০০ বিচনাযুক্ত হাস্পাতালো নাই। তাত এখন মাত্ৰ ৩০ খন বিচনা যুক্ত হাস্পাতাল আছে। তাত ২০০ বিচনা যুক্ত নহলেও এই ৩০ খন বিচনা যুক্ত হাস্পাতাল খনতে ১০০ বিচনাযুক্ত হাস্পাতাললৈ ৰূপান্তৰ কৰাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** I would now like to request Hon'ble Minister Health and Family Welfare to reply

★**ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ দাবী মঞ্জুৰীৰ সন্দৰ্ভত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি মাননীয় বিৰোধী দলৰ সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে যদিও তেখেতসকলে মঞ্জুৰীৰ পৰিমাণ বৃদ্ধি কৰিব লাগে বুলি কৈছে, তাৰ বাবে তেখেত সকলে মঞ্জুৰীৰ পৰিমাণ বৃদ্ধি কৰিব লাগে বুলি কৈছে, তাৰ বাবে তেখেত সকলৰ ওচৰত মই কৃতজ্ঞতা জনাইছো আৰু বিশ্বাস কৰো যে স্বাস্থ্য বিভাগৰ নিচিনা এটা অতি প্ৰয়োজনীয় বিভাগ আৰু জটিল আৰু জটিল সমস্যাৰে ভৰা এই বিভাগটো জনমুখী কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ সদস্য সকলে আৰু সদনৰ সদস্য সকলে সম্পূৰ্ণৰূপে সহযোগ আগবঢ়াব। সেই কাৰণে মই কব বিচাৰিছো, আমাৰ বৰ্তমান সময়ত যিবিলাক সমস্যা স্বাস্থ্য বিভাগত আছে তাৰ ভিতৰত গ্ৰামাঞ্চলৰ সমস্যাই বেছি। কেইবাজনো মাননীয় সদস্যই তেখেত সকলৰ ভাষণ প্ৰসংগত কৈছে যে গ্ৰামাঞ্চলৰ চিকিৎসালয় বিলাকৰ যিটো অৱস্থা হৈছে সেইটো একেবাৰে উপযুক্ত অৱস্থাত নাই। বহু ঠাইত দেখা গৈছে ডাক্তৰ আছে কিন্তু ঘৰ নাই আকৌ কৰবাত যদি ঘৰ আছে তাত ডাক্তৰ নাই। সেইদৰে কৰবাত ডাক্তৰ আছে, ঘৰো আছে, ঔষধ নাই, আনকি কোনো ঠাইত বেণ্ডেজো নাই আৰু কোনো ঠাইত সাধাৰণ এটা কেচৰ কাৰণে ইনষ্টিচিং কৰিবৰ কাৰণে নাইলন সুতাও নাই। মই এটা কথা স্বীকাৰ কৰিছো যে বহুতো চিকিৎসালয় এনে অৱস্থাত আছে আৰু সেই ধৰণে চলি আছে। কিন্তু মই কব বিচাৰিছো এই হাস্পাতাল আৰু ডাক্তৰখানা বিলাকৰ যিটো অৱস্থা সেই অৱস্থাৰ বিষয়ে দিশপুৰত দৃষ্টিগোচৰ হোৱা নাই আৰু বহুত সময়ত দিশপুৰৰ পৰা এই

★ Speech not corrected

সম্পৰ্কত টকা-পইচা যিখিনি যায় সেইখিনি সদ ব্যৱহাৰ নহয়। সেই কাৰণে মই বিশেষ ভাবে কব বিচাৰিছো ইয়াৰ এটা সম্পূৰ্ণ তদাৰকি কৰিবৰ কাৰণে এখন তদাৰকি কমিটি গঠন কৰাৰ কথা ভাবিছো আৰু এই কমিটিয়ে পৰামৰ্শ আগবঢ়াব। প্ৰতি জিলা বা মহকুমাত মাননীয় সদস্য সকলক ভাইচ চেয়াৰমেন হিচাবে লৈ আৰু উপায়ুক্ত সকলক সভাপতি হিচাবে লৈ, কাৰণ উপায়ুক্ত সকল এনেও দিশট্ৰিক্ ডেভেলপমেন্ট কমিটিৰ চেয়াৰমেন, এই সকলক লৈ এখন কমিটি গঠন কৰা হব আৰু এই কমিটিয়ে জিলাৰ সমস্যা বিলাকৰ বিষয়ে আলোচনা কৰি চৰকাৰক পৰামৰ্শ দিব। চৰকাৰেও এই পৰামৰ্শ বিলাকৰ সাধ্যানুসাৰে প্ৰয়োজনীয় ব্যৱস্থা লব। মাননীয় সদস্য দীলিপ শইকীয়া ডাঙৰীয়াকে ধৰি ভালেকেইজন মাননীয় সদস্যই কৈছে যে গুৱাহাটী মেডিকেল কলেজ, অসম মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজ অন্যন্য চাব চেন্টাৰ, পাবলিক হেল্‌থ চেন্টাৰ আৰু ডাক্তৰখানা আৰু হাস্পাতাল বিলাকত স্বাস্থ্য সেৱাৰ ভাল ব্যৱস্থা নাই। বহু কেইজন সদস্যই কৈছে যে গাওঁ অঞ্চলত ডাক্তৰখানা নাই আৰু যদিওবা কৰবাত আছে তাৰ্তে ডাক্তৰ যাব নোখোজে। কেইদিনমান আগতে এটা প্ৰশ্নৰ উত্তৰত মই কৈছিলো গাওঁ অঞ্চলৰ চিকিৎসালয়লৈ ডাক্তৰ সকল যাব নোখোজে, কিয় নোখোজে সেই সৰ্ম্পকে বহু কথাই আছে, কিছুমান ঠাইত বিশেষকৈ বহু ঠাইত নিৰাপত্তা হীনতাৰ অনুভৱ কৰে। অৱশ্যে সেই নিৰাপত্তা হীনতা অৱস্থাটো বহুত পৰিমাণে কমি গৈছে। এতিয়া তাত ভাল পৰিস্থিতি হৈছে। মাননীয় সদস্য মিলন বড়ো ডাঙৰীয়াই কৈছে, সেইদৰে স্বৰ্গীয়াৰী দেৱে কৈছে তেওঁলোকৰ সমষ্টিত উত্তৰ অঞ্চলত বিশেষকৈ জনজাতি এলেকাত ডাক্তৰ নোযোৱাৰ কাৰণে আপত্তি কৰিছিল। যদিও তাত এতিয়া যিটো পৰিস্থিতি হৈছে আগতকৈ বহুত ভাল হৈছে। এতিয়া আগৰ অৱস্থা নাই, গতিকে তেওঁলোকক যাবলৈ বাধ্য কৰাব লাগে। মই নিজে অনুভৱ কৰিছো আৰু দেখিছো গ্ৰামাঞ্চলত ডাক্তৰ সকল যাব নোখোজে। মাননীয় সদস্য পানী ৰাম ৰাভা ডাঙৰীয়াই কৈছে যে কিছুমান ডাক্তৰে তেওঁলোকৰ পোষ্টিঙৰ ঠাইত য'ত নিকি গাওঁ অঞ্চলত, ডাক্তৰখানাত নাথাকি তেওঁলোকে বাহিৰত থাকে, কোনো কোনোৱে এম, এম, চি বা জি, এম, চিত কাম কৰি আছে আৰু তাত এটাচড্ হৈ আছে। যি ঠাইত তেওঁলোকে কাম কৰিব লাগে তাত নাথাকি অইন ঠাইত কাম কৰাৰ কাৰণে সেই ঠাইৰ ৰাইজ স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈছে, এইটো নিতান্তই দুখজনক কথা আৰু মই ইয়াক প্ৰশ্ন দিব নকওঁ। মই সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো — এনে ধৰণে এটাচড্ হৈ থকা ডাক্তৰ বিলাকক ৰিলিজ কৰি নিজ নিজ ঠাইলৈ যাবলৈ আৰু তাত যোগদান দিবলৈ নিৰ্দেশ জাৰি কৰিছো। আৰু এইটো যাতে কাৰ্য্যকৰী হয় তাৰ প্ৰতি লক্ষ্য ৰাখিম।

★ **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** অধ্যক্ষ মহোদয়, আমাৰ জাজী মুখত এখন ডাক্তৰখানা আছে, আজি এবছৰ ধৰি তালৈ ডাক্তৰ যোৱা নাই। তাৰ ব্যৱস্থা লবনে?

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। বাকী যিসকল মাননীয় সদস্য আছে তেখেত সকলৰ সমষ্টিত যদি তেনে ধৰণৰ স্পেচিফিক কেচ আছে, সেই

---

★ **Speech not corrected**

বিষয়ে জনালে আৰু ভাল পাম। কিয়নো পিচত মাননীয় সদস্য সকলে নাম দাখিল কৰিলে তাৰ ওপৰত ৰিপোৰ্ট বিচাৰি পঠিয়ালে সেইবোৰ আহি পাওতে বহুত সময় লব। গতিকে মাননীয় সদস্য সকলে আগতীয়াকৈ জনালে ব্যৱস্থা লব পৰা হব। এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলে আগবঢ়োৱা পৰামৰ্শ মতে গ্ৰাম্য অঞ্চলত থকা ডাক্তৰ খানা বিলাকত কিছু ইনচেনটিভ দিব লাগে। সদনৰ ওচৰত মই জনাব বিচাৰিছো যিসকল ডাক্তৰে গাওঁ অঞ্চলত কাম কৰি আছে তেওঁলোকক পোষ্ট গ্ৰেজুৱেট ষ্টাদি কৰিবলৈ বিশেষ সা-সুবিধা ৰখা হৈছে। যিসকলে গাওঁ অঞ্চলত কাম কৰে তেওঁলোকে যাতে উচ্চ শিক্ষা লোৱাৰ কাৰণে চিত পায় তাৰ কাৰণে চিন্তা কৰা হব। মাননীয় সদস্য সকলে কৈছে বুৰাল এলাউঞ্চ দিব লাগে। মই পৰীক্ষা কৰি চাম। অৱশ্যে এই ক্ষেত্ৰত কিছু সময় লাগিব। তাৰ পাচত কেইবা গৰাকী মাননীয় সদস্যই কৈছে যে আমাৰ আজিকালি নগৰ-চহৰ বিলাকত নাৰ্চিং হোম বহু বাঢ়িছে। এইটো এটা ব্যৱসায়ত পৰিণত হৈছে। এইটো বৰ দুখ লগা কথা। মই নিজে এজন চিকিৎসক হিচাবে এইটো অনুভৱ কৰিছো এইটো এটা ব্যৱসায়ত পৰিণত হৈছে। নাৰ্চিং হোমৰ ক্ষেত্ৰত মাননীয় সদস্য কেইগৰাকী মানে পৰামৰ্শ আগবঢ়াইছে যে এটা পলিচি লব লাগে। এটা বিশেষ পলিচি লৈ তেওঁলোকক লাইচেঞ্চ দিব লাগে। নহলে যধেমধে এই নাৰ্চিং হোম বিলাক গা কৰি উঠিছে।

এই বিষয়ত আমি ইতিমধ্যে চিন্তা চৰ্চা কৰিছো। এই গোটেই অনুসন্ধান কৰি গম পালো যে এনেকুৱা ব্যৱস্থা দিল্লীত আছে। সেই কাৰণে তাৰ যিখ ন এক্ট সেইখন আমি আনিব দিছো আৰু লাইচেন্স দিয়াৰ ব্যৱস্থা কৰিম যধে-মধে যাতে কৰিব নোৱাৰে। ২ নং সেইবিলাক চোৰা-চিতাৰ ব্যৱস্থা । মাননীয় সদস্য কেবা গৰাকীয়ে কৈছে যে তাত প্ৰশিক্ষণপ্ৰাপ্ত এ,এন,এম, নাই, গাঁৱৰ পৰা ছোৱালী আনি বগা পোচাক লগাই দিছে। এইটো যাতে হব নোৱাৰে তাৰ ইন্সপেকচনৰ ব্যৱস্থা কৰিম আৰু নীতি নিয়ম মানি চলিব লাগিব। আন দুগৰাকীমান মাননীয় সদস্যই পৰামৰ্শ দিছে যে তেওঁলোকৰ পৰা টেক্স লোৱাৰ ব্যৱস্থা কৰিব লাগে। সেইটো ভাল কথা বুলি মই অনুভৱ কৰিছো। এইটো সোনকালে কৰাৰ ব্যৱস্থা কৰিম। আনহাতে আমি চাব লাগিব নাৰ্চিং হোম বিলাক কমাই দিলো হয় আৰু আমি চৰকাৰী ভাৱে একো ব্যৱস্থা কৰিব দিব নোৱাৰো, তেনেহলে মানুহ বিলাকে কি কৰিব। চিকিৎসা নকৰি মৰিব নেকি ? চৰকাৰৰ ফালৰ পৰা সুবিধা আগবঢ়াব লাগিব। সেই বিষয়ে আমি চিন্তা কৰিছো। আমাৰ গুৱাহাটী আৰু ডিব্ৰুগড় মেডিকেল কলেজ হাস্পাতালত পেয়িং ৱাৰ্ডৰ সংখ্যা বঢ়াব লাগিব। তেতিয়াহলে তাৰ পৰা আমি ৰাজহ পাম আৰু তাৰ যোগেদি জনসাধাৰণেও চিকিৎসা পাব। এইটো আমি চিন্তা-চৰ্চা কৰি আছো যাতে এই দুখন মেডিকেল কলেজত তাৰ সংখ্যা বঢ়াব পাৰি। এই দুখন মেডিকেল কলেজ হাস্পাতালত পেয়িং ৱাৰ্ডৰ সংখ্যা কম। সেই কাৰণে মানুহৰ ভীৰ হয় আৰু নানা ওজৰ-আপত্তি আহিছে। কাৰোবাক আগতে দিছে আৰু কাৰোবাক পিচত দিছে। এইটো আমি পৰীক্ষা কৰি আছো আৰু আশা কৰিছো সোনকালে এই বিষয়ত সিদ্ধান্ত উপনীত হব পাৰিম। আমাৰ

কেবাগৰাকী মাননীয় সদস্যই কৈছে যে প্ৰাইভেট প্ৰেক্‌টিচ বন্ধ কৰিব লাগে। ইয়াৰ দুটা এচপেক্ট আছে। মই এজন চিকিৎসক হিচাবে ভালকৈ অনুভৱ কৰিছো আৰু ১৯৮৩-৮৫ চনত মই স্বাস্থ্য মন্ত্ৰী আছিলো। মাননীয় সদস্যসকলৰ নিশ্চয় মনত আছে যে সেই সময়ত প্ৰাইভেট প্ৰেক্‌টিচ বন্ধ কৰিবৰ কাৰণে একাজিকিউটিভ অৰ্ডাৰ দিয়াৰ পিচত চাবচিকুৰেন্টলি নহল। এইটো হোৱাৰ পিচত কি হল সকলোৱে জানে। এইটো কৰাৰ আগতে গোটেই কথা বিলাক ভালকৈ আইনগত দিশঁবোৰ চাব লাগিব। লগতে ৰাইজৰ সুবিধা অসুবিধাবোৰ চাব লাগিব। যদি এই প্ৰাইভেট প্ৰেক্‌টিচ বন্ধ কৰি দিয়াৰ পিচত ববমাৰী বিলাকে চিকিৎসা নাপায় তেন্তে দিগদাৰ হব। এই গোটেই কথা বিলাক চাই এটা সিদ্ধান্তত উপনীত হব পাৰিম। কেবাজনো মাননীয় সদস্যই কৈছে যে আমাৰ ভাল চিকিৎসাৰ ব্যৱস্থা নাই যাৰ ফলত বেমাৰী বিলাক ভেলোৰলৈ যাব লগা হৈছে। এই কথাটো সত্য। তেখেত সকলে কৈছে যে ভেলোৰত আমাৰ মানুহ বেচি। আপোনালোক সকলোৱে জানে যে অসমত কেন্সাৰৰ সংখ্যা খুব বেচি। আমাৰ ইয়াত থ্ৰট আৰু লিভাৰ কেন্সাৰ বাঢ়িছে। কেন্সাৰৰ ভাল চিকিৎসাৰ ঠাই হিচাবে ভেলোৰৰ নাম আছে আৰু তালৈ যায়। এইটো নোহোৱা নহয়। চিকিৎসক হিচাবে মোৰ জীৱনত পাইছো ইয়াত হয়তো বেমাৰ সম্পূৰ্ণৰূপে ভাল নহব বুলি কয় আৰু দুই এটা বেমাৰ ইয়াত কেন্সাৰ বুলি কয় তাত কেন্সাৰ নহয় বুলি দায়গনাইচিচ হয়। এইবিলাক কাৰণত তালৈ চিধা-চিধি যাব বিচাৰে। আমাৰ দুখীয়া মানুহবিলাক তালৈ যোৱাত দিগদাৰ হয়। ১৯৮৩-৮৫ চনত মই তেতিয়া স্বাস্থ্য মন্ত্ৰী আছিলো, সেই সময়ত মুখ্যমন্ত্ৰীয়ে ভেলোৰলৈ যোৱাটো বন্ধ কেনেকৈ কৰিব পাৰি তাৰ ব্যৱস্থা কৰিবৰ কাৰণে পৰামৰ্শ দিছিল। তেতিয়া আমি বি.বৰুৱা কেন্সাৰ চিকিৎসালয় ভাল কৰাৰ কাৰণে চেষ্টা কৰিছিলো যাৰ ফলত ভাবা প্ৰতিষ্ঠানৰ পৰা সহায়, এন, ই, চিৰ পৰা সহায় আহিছে। মাজতে ভিতৰুৱা খেলি-মেলিৰ কাৰণে দিগদাৰ হৈছিল। এতিয়া আশা ৰাখিছো সকলো সা-সুবিধাৰ ব্যৱস্থা কৰিব পাৰিম। ইয়াৰ পৰা বেমাৰীৰ উপশম হব আৰু দুখীয়া মানুহবিলাকৰ সুবিধা হব। কেবা জনো মাননীয় সদস্যই মেডিকেল কলেজত মেচিন পৰি থকাৰ কথা কৈছে। প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী আৰু বৰ্তমানৰ বিধায়ক শ্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আগতেও কৈছে আৰু আজিও কৈছে। এই বিলাক চাম। এই কথা ঠিক যে ৰাইজৰ পইচাৰে কিনা সেই বিলাক বস্তু আৰু আনেও দনেচন দিয়ে। সেই বিলাক ঠিক মতে ব্যৱহাৰ হব লাগিব। সেই বিলাক অব্যৱহৃত হৈ থাকিব নালাগে আৰু এইটো ক্ৰাইম। এনেকুৱা বেচি কিছুমান মেচিন পৰি আছে আৰু যদি তাৰ কোনো যত্ন লোৱা নাই সেই বিলাক কিনাৰ যুক্তি যুক্ততা যদি নাছিল, কিয় কিনিছিল বা কিনাৰ সময় হোৱা নাছিল, কিয় পৰি থাকিবলগা হৈছে, ইত্যাদি কথা বিলাক চাব লাগিবষ এই কথা বিলাক মোৰ দৃষ্টি গোচৰ হৈছে। আমাৰ বহুবিলাক এক্সৰে মেচিন এনেই পৰি আছে। ইন্সটল হোৱা নাই। বেয়া হৈছে তাৰ ফলত সুবিধা পোৱা নাই। শ্ৰী ৰমেন্দ্ৰ কলিতাই কৈছিল মেডিকেল কলেজৰ মেচিন বিলাক, এক্সৰে মেচিন বিলাক বেয়া তাৰ বাবে বাহিৰলৈ যাব লগা হয়। এইটোৰ এটা চক্ৰ আছে তেওঁলোকে কয় অমোক নাৰ্চিং হোমলৈ যোৱা।

এই বিলাক বন্ধ কৰিব লাগে। আমি চিন্তা কৰিছো এইবিলাক যাতে ৰিজনেবল প্ৰাইচত দিব পৰা যায়। যদি বাহিৰত এশ টকা হয় আমি ৬০ টকাত দিবৰ কাৰণে চেষ্টা কৰিম। ইয়াৰ পৰা আমাৰ কিছু লাভ হব। লগে লগে পইচাও কম লাগিল আৰু জনসাধাৰণেও সকাহ পালে। বেমাৰী বিলাকে এক দুই দিন গুৱাহাটীৰ হোটেলত থকাৰ প্ৰশ্ন নাহে।

মাননীয় বহুত কেইজন সদস্যই কৈছে যে বিদেশত বা অসমৰ বাহিৰত বহুত ভাল ডাক্তৰ আছে। যেনে — অৰ্থপেডিক ডঃ শৰ্মাৰ কথা কৈছে, তেওঁ এইমচ্‌ত আছে। তেখেত আহিব বুলি নাভাবো। আহিলে ভাল। আমাৰ ডাঃ বৰুৱা লণ্ডনত আছিল। আমাৰ মুখ্যমন্ত্ৰীৰ পৰামৰ্শ ক্ৰমে তেওঁক অনা হৈছিল আৰু তেওঁৰ পৰা কামো পাইছে। আমাৰ ইয়াত নোহোৱা ডাক্তৰৰ অভাৱ পূৰণ কৰিবৰ কাৰণে অসমৰ বাহিৰত থকা ডাক্তৰ সকলক অনাৰ কাৰণে প্ৰচেষ্টা লম যাতে তেখেত সকলৰ সেৱা ৰোগী সকলে পাব পাৰে। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কৈছে যে ষ্টাৰ্ফবোৰ মেডিকেল কলেজৰ ওচৰতে থাকিব লাগে যাতে বেমাৰ হলে তেখেত সকলক ঘৰে ঘৰে বিচাৰি যাব লগা নহয় আৰু দূৰত থকা ডাক্তৰ সকলক খবৰ দিয়াটোও সম্ভৱ নহয়। মাননীয় সদস্য সকলে জানে যে আমাৰ দুটা বিল্ডিং তৈয়াৰ হৈ আছে। কিন্তু তাত পানী আৰু লাইটৰ ব্যৱস্থা কৰিব পৰা নাই। লাইট নহলেও থাকিব পাৰিব, বহুত মানুহে লাইট নোহোৱাকৈ থাকে। কিন্তু পানী নহলে পাহাৰত অসুবিধা আছে। সেইকাৰণে মই আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগকো অনুৰোধ কৰিম আৰু গুৱাহাটী পৌৰ সভাকো অনুৰোধ কৰিম। তেখেতসকলে পানীৰ ব্যৱস্থা কৰি দিব পাৰিলে, ষ্টাৰ্ফ বিলাকক তৎক্ষণাত তাত থকাৰ ব্যৱস্থা কৰি দিম। শইকীয়া ডাঙৰীয়াই ড্ৰাগছ সেৱকৰ কথা কৈছে। এইটো বৰ ঘৃণনীয় কথা। এইটো এতিয়া অসমত বাঢ়িছে। ভালেমান বিশিষ্টলোকে এই কথাটো কৈছে। জাজটিচ হেম ফুকন ডাঙৰীয়াইও কৈছে। ইয়াক আমি এতিয়া কমাব লাগে। আৰু ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। আমি এটা মেডিকেল ইউনিট কৰিছো আৰু তাৰ যোগেদি এইসকলক ৰক্ষা কৰাৰ ব্যৱস্থা কৰিছো। অৱশ্যে তাত পুলিচৰো সহায় লাগিব। মাননীয় সদস্য সকলৰে সক্ৰিয় সহযোগ লাগিব আৰু কাগজে-পত্ৰেও লিখা লিখি কৰি এটা জনমত গঢ়ি তুলিব লাগিব। তেতিয়াহে ইয়াক নিৰ্ম্মূল কৰিব পৰা যাব। মাননীয় সদস্য শইকীয়া, ডেকা, আৰু কেইবাজনো সদস্যই নাম ভৰ্ত্তিৰ কথা কৈছে। মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কব বিচাৰিছো যে ইতিমধ্যে আমি পি-জিত নাম ভৰ্ত্তিৰ ব্যৱস্থা কৰিছো আৰু ক্লাচও সোনকালে হব। তিনিবছৰীয়া যিটো পৰীক্ষা এইটো ২৫ এপ্ৰিলৰ পৰা পাতিম। পি-জিত নিয়ম মতে নামভৰ্ত্তি হব, তাত সন্দেহ কৰিব নালাগে। বাকী তদন্ত সম্পৰ্কে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈ গৈছে বিষয়টো এতিয়াও কেবিনেটত পৰীক্ষাধীন হৈ আছে। কেবিনেট সিদ্ধান্তত লোৱাৰ পিচতহে কব পৰা হব। আপোনালোকক জনাবলৈ সুখী হৈছো — মেডিকেল কলেজ বিলাকত এতিয়া ভালকৈ ল'ৰা-ছোৱালী বিলাকে পঢ়ি আছে, এটা পৰিবেশ ঘূৰি আহিছে।

★ **ডাঃ কমলা কলিতা ঃ** ভাল পৰিবেশ ঘূৰি আহিছে কাৰণে অনুসন্ধান নকৰিব নেকি আৰু প্ৰতিবেদন নিদিব নেকি?

★ **ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ** অনুসন্ধানৰ কাম চলি আছে। কেইবাজনো মাননীয় সদস্যই কৈছে যে — ডাক্তৰখানাৰ অৱস্থা খুবেই বেয়া। হয়, এইটো মই মানি লৈছো। বহুত ঠাইতে ঘৰবিলাকৰ অৱস্থা বেয়া। ক'ৰবাত ডাক্তৰখানা আছে, কিন্তু ডাক্তৰ থকা ঘৰ নাই। ডাক্তৰ নথকাটো সেইবিলাক এটা কাৰণ। আজিক চেনিটাৰি, লেটিন আদিৰ সুবিধা নাথাকিলে ডাক্তৰে সেই ঘৰত থাকিব নিবিচাৰে। আমি সেইটো মানি লৈছো। মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কব বিচাৰিছো আমি এতিয়া এটা এৰিয়াৰ প্ৰজেক্ট কৰিছো। সেই এৰিয়াৰ প্ৰজেক্টৰ জৰিয়তে ভালমান ঘৰ-দুৱাৰ বন্ধাৰ কাম আৰু অন্যান্য সা-সুবিধা ব্যৱস্থা কৰিব পাৰিম। সেই এৰিয়াৰ প্ৰজেক্টৰ জৰিয়তে সংশোধিত ৯৫ কোটি টকা পাম বুলি আশা কৰা হৈছে। এই টকাটো বিশ্ব বেংকৰ জড়িয়তে পাম। আমাৰ যিবিলাক স্বাস্থ্য উপ-কেন্দ্ৰ আছে সেইবিলাক ঘৰ-দুৱাৰ যাতে ভাল হয় আৰু এ, এন, এম চতুৰ্থ শ্ৰেণী কৰ্মচাৰী আৰু সপ্তাহত দুদিন যাতে ডাক্তৰ আহে, তাৰ ব্যৱস্থা কৰিব কাৰণ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবিলাকত তিনিজনতকৈ বেচি ডাক্তৰ থাকে। তাৰে এজোকন ডাক্তৰ সপ্তাহত দুদিনকৈ গাৱঁলৈ পঠিয়াব পৰা হব। এই আঁচনিৰ জঁৰিয়তে ৮০০ টা ঘৰ বনোৱা হব। এই বছৰত ১০০ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ বনোৱা হব। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে ৯০ টা ঘৰ বনোৱা হব। নাৰ্চৰ প্ৰশিক্ষণ কেন্দ্ৰ মাননীয় সদস্য সকলে জানে আগতে গুৱাহাটী আৰু ধুবুৰী আদি ঠাইতহে আছিল। কিন্তু ১৯৮৪ চনত ভাৰত চৰকাৰৰ সহায়ত আমি প্ৰতিটো জিলা সদৰ স্থানত আৰু কোনো কোনোটো মহকুমা সদৰ ঠাইতো প্ৰশিক্ষণ কেন্দ্ৰ খুলিছিলো। এতিয়া মাজতে এই প্ৰশিক্ষণ কেন্দ্ৰ সমূহত বেমেজালি ঘটিছিল। এতিয়া পূৰ্ণ গতিত আৰম্ভ কৰা হব। এনেকুৱা প্ৰশিক্ষণ কেন্দ্ৰ এইবাৰ আৰু ১৬ টা নতুনকৈ কৰা হব।

ইয়াৰ জৰিয়তে আমি ড্ৰাগচ্ চাপ্লাই, ইকুইপমেন্ট, এম্বুলেন্চ আদি চাপ্লাই কৰা হব আৰু ঘৰ বিলাকৰ অৱস্থাও নিশ্চয় বহুখিনি ভাল কৰা হব। ৰাইজৰো সুবিধা হব আৰু ডাক্তৰ, নাৰ্চ সকলেও থাকিবলৈ ঘৰ পাব।

মাননীয় সদস্য কেইবাজনেই কৈছিল যে — অসমৰ তিনিওটা মেডিকেল কলেজত পি, জি, কোৰ্চ খুলিব লাগে। মই সদনক জনাব বিচাৰিছো যে — গুৱাহাটী মেডিকেল কলেজত ৰাইজে বিচৰামতে পোষ্ট গ্ৰেজুৱেট ইনষ্টিটিউট কৰিবৰ কাৰণে সক্ৰীয় ব্যৱস্থা হাতত লৈছো। ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজখন অতি পুৰণি। ময়ো তাৰে ছাত্ৰ আছিলো ১৯৫৮ চনত। এইখনৰ এটা ভাল নাম আছে। তাতো পি, জি, দিব লাগিব। এই বিষয়ে অসম মেডিকেল কলেজৰ অধ্যক্ষৰ লগত আলোচনাও কৰিছো। তাত যিটো অপাৰেচন থিয়েটাৰ আছে — সেইটো অতি বেয়া হৈছে। তাৰ বাবে মই ১০ লাখ টকা ধৰিছো আৰু সেইটোৰ দ্বাৰা এই অপাৰেচন থিয়েটাৰটো ভাল কৰাৰ ব্যৱস্থা কৰিম। অসম মেডিকেল কলেজত প্ৰাইভেট ৱাৰ্ডৰ সংখ্যা বহুত কম। বহুত

★ Speech not corrected

লোকে বিশেষকৈ সেই অঞ্চলৰ মানুহে প্ৰাইভেট ৱাৰ্ডত থাকিবলৈ চেষ্টা কৰে আৰু চৰকাৰী বিষয়া সকলেও থাকিবলৈ বিচাৰে। তাত এতিয়া যিখিনি আছে — তাতকৈ আৰু ৪০ টা প্ৰাইভেট ৱাৰ্ড বঢ়াই দিয়াৰ কথা চিন্তা কৰা হৈছে আৰু সেইটো মোৰ বিশ্বাসত কৰিব পাৰিম। ইয়াৰ ওপৰিও শিলচৰৰ মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে — তাত এইটো ডি-ৰিকগ্‌নাইজ্ কৰাৰ কথা অহা নাই। মাত্ৰ অনুসন্ধান কৰি পোৱা গৈছে যে — তাত যিবিলাক পোষ্ট খালি হৈ আছে — সেইবিলাক যদি সোনকালে পূৰণ কৰা নহয় — তেতিয়াহলে ভাল কাম কৰাৰ নমুনা নাথাকিব আৰু তেতিয়া কিয় পূৰণ কৰা নহল — দ্বিতীয় প্ৰশ্নটো আহিব। ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া শিলচৰ মেডিকেল কলেজলৈ গৈছিল, তেতিয়া — ছাত্ৰসন্থাৰ প্ৰতিনিধি সকলেও আছিল, আমাৰ তেতিয়াৰ স্বাস্থ্য মন্ত্ৰীও আছিল আৰু ময়ো তাত উপস্থিত আছিলো। আমি সকলোৱে আলোচনাত মিলিত হৈছিলো আৰু তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই খালি পদসমূহ সোনকালে পূৰণ কৰিবৰ কাৰণে নিৰ্দ্দেশ দিছিল। ঘৰৰ কাৰণেও টকা দিয়াৰ ব্যৱস্থা কৰি দিছিল।

★ **শ্ৰী কালিৰঞ্জন দেৱ ঃ** এতিয়ালৈকে সেইটো হোৱা নাই আৰু তাৰ কাৰণে পি, জি পদসমূহ খালি হৈ আছে।

★ **শ্ৰী ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** সেইকাৰণে মই কৈছো — ইতিমধ্যে তাত ১১ জনে জইন্ট কৰিছে। বাকী যিখিনি কৰিবলগীয়া আছে — সেইখিনিও কৰিব। কিন্তু তেওঁলোকৰে কিছুমানে তাত জইন্ট কৰিয়েই ছুটী লৈছে — এই কথাও মাননীয় সদস্য সকলে জানে যে — শিলচৰলৈ আমাৰ ডাক্তৰ সকলে যাবলৈ নিবিচাৰে — গুৱাহাটীত লাগে। পাৰিলে ডিব্ৰুগড়লৈ যাব বিচাৰে, কিন্তু শিলচৰলৈ নাযায়। আমি সেইসকলক যাবলৈ বাধ্য কৰিব লাগিব আৰু কৰিম। প্ৰমোচনৰ ক্ষেত্ৰত স্বৰ্ত্ত দিম।

এই বিষয়ে মাননীয় সদস্য সকলে কৈছে যে — তাত ৰাজনীতি নাই — কিন্তু ৰাজনীতি আছে। কাছাৰৰ মাননীয় সদস্য সকলে কাছাৰ বুলিলেই জাপমাৰি উঠে — লগতে আমাৰ কেন্দ্ৰীয়মন্ত্ৰী শ্ৰী সন্তোষ মোহণ দেৱেও কাছাৰ বুলিলে জাপ মাৰি উঠে। গতিকে কাছাৰৰ যিটো কথা কৈছে সেইটো মই ভাল পাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াও এই বিষয়ে গুৰুত্ব দিছে। .......... বিভাগকো তেখেতে নিৰ্দ্দেশ দিছে — যাতে কাম সমূহ পৰি থাকিব নোৱাৰে। সেইকাৰণে মই মাননীয় সদস্যসকলক কৈছো যে — ভালেখিনি কাম হৈছে আৰু যিখিনি বাকী আছে সেইখিনিও হব। প্ৰায় আৰু তিনি চাৰিমাহ মানৰ পিচত আপোনালোকৰ আপত্তি নোহোৱা হব বুলি মোৰ বিশ্বাস।

মাননীয় সদস্য কেইজনমানে কৈছে যে — ৰোগীৰ খাদ্যৰ বাবে টকা কম হৈছে। এই বিষয়ত মই কব বিচাৰিছো যে — ১৯৮৩-৮৪ চনত মাত্ৰ ৩ টকা কিবা পইচা আছিল। তেতিয়া মই স্বাস্থ্যমন্ত্ৰী হৈ আছিলো আৰু খাদ্যৰ বাবে টকা বঢ়োৱা হৈছিল। তাৰ পিচত আজি কিছু দিনৰ

★ **Speech not corrected**

আগতে মাননীয় শ্ৰীলাংথাচা ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী হৈ থকা সময়ত — এইটো ১০ টকালৈ বঢ়োৱা হয়। টি, বি, ৰোগী আৰু কেন্সাৰ ৰোগীসকলৰ খাদ্যৰ বাবে বেছি টকা লগা হৈছিল আৰু তেওঁলোকৰ বাবে বেছি আছিল — অন্যলোকৰ কম আছিল — এতিয়া বঢ়াই দিয়াত সকলোৰে সমান হৈছে।

★ **ডাঃ কমলা কলিতা ঃ** অসম গণ পৰিষদৰ দিনত বঢ়াইছিল নে নাই?

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** সেইটো মই নাজানো। কিন্তু গুৱাহাটী মেডিকেল কলেজত ১০ টকা কম নহয়। কাৰণ বহুত মানুহে তাত ভাতেই নাখায় — ঘৰৰ পৰা লৈ যায় আৰু বহুতো বেমাৰীয়ে তাত খাব নোৱাৰে। গতিকে চৰকাৰে গুৱাহাটী মেডিকেল কলেজৰ ৰোগীৰ খাদ্যৰ কাৰণে যিখিনি টকা দিছে — সেইটো বেয়া নহয়। টি, বি, হাস্পতালৰ ক্ষেত্ৰত তালৈ গৈ চোৱাৰ ব্যৱস্থা কৰিব লাগিব।

মাননীয় সদস্য কেইজনমানে ডাক্তৰ, নাৰ্চৰ কিছুমান অভাৱ অভিযোগৰ কথা কৈছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে — কৰ্ম্মচাৰী সকলেও ভালকৈ কাম কৰিব লাগিব আৰু তেওঁলোকৰ যিটো ন্যায্য প্ৰাপ্য — সেইটো চৰকাৰক জনালে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰা হব। তেখেতসকলৰ দাবীসমূহৰ ক্ষেত্ৰত কৰ্ম্মচাৰী কেইজনৰ লগত আলোচনা কৰা হৈছিল। তাত স্বাস্থ্যমন্ত্ৰীও আছিল — ময়ো আছিলো আৰু মাননীয় মন্ত্ৰী ডাঃ অৰ্দ্ধেন্দু দে ডাঙৰীয়াও আছিল। তাত কিছুমান সিদ্ধান্ত লোৱা হৈছিল — তাৰে কিছুমান কাৰ্য্যকৰী কৰা হৈছে আৰু কিছুমান কৰিব পৰা নাই। এই সিদ্ধান্তমাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সন্মুখত লোৱা হৈছিল আৰু এই সিদ্ধান্ত যাতে কাৰ্য্যকৰী হয় তাৰ কাৰণে ব্যৱস্থা কৰা হব বুলি আমি এমিকেবুল চেট'লমেন্টত উপনীত হৈছিলো।

ডাক্তৰ গাজী আহমদ এজন ভাল ৰেডিঅ'লজিষ্ট আছিল — এই কথা সকলোৰে জানে। মই জনাত তেখেতৰ দুৰ্ভাগ্যবহেতু জনতা চৰকাৰৰ দিনত চাচপেন্চন হৈছিল।

তাৰ পিচত অধ্যক্ষ মহোদয়, মই যেতিয়া ১৯৮৩ চনত স্বাস্থ্য মন্ত্ৰী হৈ আছিলো তেতিয়া তেখেতৰ কেছটো চাই তেখেতক তাত দিছিলো। তেখেতৰ কেছটো মই ভালকৈ জানো। এতিয়া কিবা কিবি কাৰণত কিছুদিন আগতে কিবা কিবি গোলমাল হ'ল, সেইটো আপোনালোক সকলোৰে ভালকৈ জানে। মইও অলপ জানো। কিন্তু তেখেতৰ চাৰ্ভিচটো ইউটিলাইজ কৰাৰ কাৰণে তেখেতক তাত দিয়া হৈছিল। এচোচিয়েট প্ৰফেচাৰ হিচাবে তেখেতক অসম মেডিকেল কলেজত দিয়া হৈছিল। কিন্তু তেখেতে জইন কৰা নাই। ছুটী লৈছে।

(ভইচঃ বি, বৰুৱাৰ পৰা ঘূৰাই আনিব নে নানে?)

এইটো চাব লাগিব। তাৰ পিচত চৰেজ প্লেনৰ সম্পৰ্কত যিখিনি কথা, এইটো দৰ্কাৰী কথা। এইটো এটা কোম্পানীক দিছিল। পশ্চিমবঙ্গৰ কোনোবা এটা কোম্পানীক দিছিল। কিন্তু আধা কৰা কৈ গুছি গল। পইচা নিলে নে নাই, কি হল, কলৈ গল, তেওঁলোকৰ কোনো ঠিকনা বিভাগে বিচাৰি পোৱা নাই বুলি কৈছে। গতিকে মই এইটো চাম। আৰু কি হৈছে গোটেই কথাটো চাই

★ Speech not corrected

মই এটা ব্যৱস্থা হাতত লম। কিয়নো ইমান এটা ডাঙৰ কাম আধা কৰাকৈ পৰি থাকিব নোৱাৰে তাত নিশ্চয় সম্পূৰ্ণ কৰিব লাগিব। যিকোনো উপায়ে কৰিব লাগিব।

অধ্যক্ষ মহোদয়, পানী যোগান সম্পৰ্কীয় কথাটো অতি দৰ্কাৰী কথা। আমাৰ মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত আছে, দৰ্কাৰ হলে আঁচনি এখন কৰি জন স্বাস্থ্য বিভাগৰ পৰা সহায় লব লাগিব। পৌৰ প্ৰশাসন বিভাগে ইমানখিনি পানী যোগান ধৰিব নোৱাৰিব পাৰে। আশাও কৰিব নোৱাৰি। টি, বি হাস্পতালৰ বিষয়ে মাননীয় সদস্য কলিতা ডাঙৰীয়াই উল্লেখ কৰিছিল। তাতো জন স্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা পানী লব পৰা যায় নেকি চাম। আৰু আমি এই ক্ষেত্ৰত সহায় পাম বুলি আশা কৰিছো। লোকপ্ৰিয় গোপীনাথ চেষ্ট হাস্পতালখনত প্ৰয়াত মহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়া আৰু আন আন সমাজ কৰ্ম্মী নেতাই গঢ়ি তুলিছিল। আৰু আমাৰ প্ৰজন প্ৰাক্তন মুখ্যমন্ত্ৰী সেই সময়ত প্ৰধান মন্ত্ৰী বোলা হৈছিল। স্বৰ্গীয় গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ নামেৰে নামাকৰণ কৰা হৈছিল। তাৰ পিচত মহোদয়, মই যেতিয়া ১৯৮৩ চনত স্বাস্থ্য মন্ত্ৰী হৈ আছিলো তেতিয়া তেখেতৰ কেছটো চাই তেখেতক তাত দিছিলো। তেখেতৰ কেছটো মই ভালকৈ জানো। এতিয়া কিবা কিবি কাৰণত কিছুদিন আগতে কিবা কিবি গোলমাল হল, সেইটো আপোনালোক সকলোৱে ভালকৈ জানে। মইও অলপ জানো। কিন্তু তেখেতৰ চাৰ্ভিচটো ইউটিলাইজ কৰাৰ কাৰণে তেখেতক তাত দিয়া হৈছিল। এচোচিয়েট প্ৰফেচাৰ হিচাবে তেখেতক অসম মেডিকেল কলেজত দিয়া হৈছিল। কিন্তু তেখেতে জইন কৰা নাই। ছুটী লৈছে।

(ভইচঃ বি, বৰুৱাৰ পৰা ঘূৰাই আনিব নে নানে?)

এইটো চাব লাগিব। তাৰ পিচত চৰেজ প্লেনৰ সম্পৰ্কত যিখিনি কথা, এইটো দৰ্কাৰী কথা। এইটো এটা কোম্পানীক দিছিল। পশ্চিমবঙ্গৰ কোনোবা এটা কোম্পানীক দিছিল। কিন্তু আধা কৰা কৈ গুছি গল। পইচা নিলে নে নাই, কি হল, কলৈ গল, তেওঁলোকৰ কোনো ঠিকনা বিভাগে বিচাৰি পোৱা নাই বুলি কৈছে। গতিকে মই এইটো চাম। আৰু কি হৈছে গোটেই কথাটো চাই মই এটা ব্যৱস্থা হাতত লম। কিয়নো ইমান এটা ডাঙৰ কাম আধা কৰাকৈ পৰি থাকিব নোৱাৰে। তাত নিশ্চয় সম্পূৰ্ণ কৰিব লাগিব। যিকোনো উপায়ে কৰিব লাগিব।

অধ্যক্ষ মহোদয়, পানী যোগান সম্পৰ্কীয় কথাটো অতি দৰ্কাৰী কথা। আমাৰ মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত আছে, দৰ্কাৰ হলে আঁচনি এখন কৰি জন স্বাস্থ্য বিভাগৰ পৰা সহায় লব লাগিব। পৌৰ প্ৰশাসন বিভাগে ইমানখিনি পানী যোগান ধৰিব নোৱাৰিব পাৰে। আশাও কৰিব নোৱাৰি। টি, বি, হাস্পতালৰ বিষয়ে মাননীয় সদস্য কলিতা ডাঙৰীয়াই উল্লেখ কৰিছিল। তাতো জন স্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা পানী লব পৰা যায় নেকি চাম। আৰু আমি এই ক্ষেত্ৰত সহায় পাম বুলি আশা কৰিছো। লোকপ্ৰিয় গোপীনাথ চেষ্ট হাস্পতালখনত প্ৰয়াত মহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়া আৰু আন আন সমাজ কৰ্ম্মী নেতাই গঢ়ি তুলিছিল।

আৰু আমাৰ প্ৰজন প্ৰাক্তন মুখ্যমন্ত্ৰী সেই সময়ত প্ৰধান মন্ত্ৰী বোলা হৈছিল। স্বৰ্গীয় গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ নামেৰে নামাকৰণ কৰা হৈছিল। ঠিক তেনেকৈয়ে চন্দ্ৰ নাৰায়ন শৰ্ম্মা ডাঙৰীয়াৰ নামতো আছে তেজপুৰৰ শোণিতপুৰ জিলাত। তাৰ বাহিৰে ধুবুৰীতো এখন আছে।

(ভইচঃ ধুবুৰীৰ খন ভাল হৈছে নে নাই?)

ধুবুৰীৰ খন তিনি নম্বৰত আছে। এই তিনিওখনে ভাল কৰাৰ বাবে ব্যৱস্থা লম। টি, বি, বেমাৰৰ বাবে চিকিৎসা ভাল হব লাগে। অৱশ্যে এটা কথা — আজি কালি টি, বি, বেমাৰৰ কাৰণে ভমিচাইল ট্ৰিটমেন্ট বেছি হৈছে।

★ **শ্ৰীআলাউদ্দিন সৰকাৰ** ঃ অধ্যক্ষ মহোদয়, ধুবুৰীৰ টি, বি, হাস্পটালৰ বিল্ডিং এতিয়াও জন স্বাস্থ্য কাৰিকৰী বিভাগে মেইনটেইন কৰি আছে। নতুন বিল্ডিং সম্প্ৰসাৰন কৰাও হল। কিন্তু মূল বিভাগক ঘৰ দুৱাৰ বিলাক এতিয়াও কিয় হস্তান্তৰ কৰা হোৱা নাই? মন্ত্ৰী মহোদয়ে জনাব নে?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এইটো গম পাইছো। আৰু ঠাইত এনেকুৱা হৈ আছে বুলি ভালে কেইজন মাননীয় সদস্যই কোৱা কথা সঁচা। বহুততে আৰ্ম্মি আছে। খালী থাকিলে ফিল আপ্ দি গেপ্চ বহই — সৈন্য এনেই থাকিব নোৱাৰে। খালী থাকিলে কোনোবা থাকিব। যিবিলাক ঘৰ সম্পূৰ্ণ হৈছে সেইবিলাক সোনকালে লোৱাৰ ব্যৱস্থা কৰা হব আৰু বিভাগৰ ফালৰ পৰা চালু কৰা হব।

(ভইচ ঃ কেতিয়া কৰা হব ?)

১৯৯৩-৯৪ চনৰ ভিতৰতে কৰা হব।

★ **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা** ঃ অধ্যক্ষ মহোদয়, টিয়কৰ ৩০ খন বিচনাযুক্ত হাস্পতালত ১৯৯০ চনৰ পৰাই মিলিটাৰী আছে। এইটো কি হব?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্যমন্ত্ৰী)** ঃ আপোনালোকৰ লগত আলোচনা কৰি এইবিলাক কৰা হব। আপোনালোকক মই ভাল পাইছো যে বিষয়টো ৰাজনৈতিক দৃষ্টিভঙ্গীৰে নাচাই গঠণমূলক দৃষ্টিৰে আলোচনা কৰি টকা বঢ়াবলৈ দিছে। আমাৰ বিত্ত মন্ত্ৰী সদনত তেতিয়া নাছিল। এতিয়া আহিছে। আপোনালোক সকলোৰে যেতিয়া সন্মতি আছে, নিশ্চয় টকা বঢ়াই দিব। ইয়াত সন্দেহ নাই। আৰু পৰিপূৰক মঞ্জুৰীৰ দাবী আহিলে আপোনালোকে বিৰোধীতা নকৰিব বুলি মই জানোৱেই। সেই কাৰণে কৈছো কামহে ভাল হব লাগিব। মই মূল মূল কথা কেইটাহে কবলৈ ওলাইছো। নহলে বহুত দীঘলীয়া হব। মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালৰ কথায়েই কৈছো। মাননীয় সদস্যসকলে জানে যে ১৯৮৩-৮৪ চনত আমি সেই সময়ত গুৱাহাটীত এখন ভাল হাস্পটাল কৰাৰ কথা চিন্তা কৰিছিলো। আৰু আমাৰ প্ৰয়াত নেতা মহেন্দ্ৰ মোহন চৌধুৰীৰ নামত এইটো কৰাৰ সিদ্ধান্ত কৰিছিলো। আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শ মতে আগতে যিখন মেডিকেল কলেজ হাস্পতাল আছিল তাৰে পৰিত্যক্ত ঘৰবিলাকত এখন হাস্পতাল আৰম্ভ কৰিছিলো।

★ Speech not corrected

★ **শ্ৰীনগেন শৰ্ম্মা** ঃ অধ্যক্ষ মহোদয়, মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত ঘৰ যিখিনি দূৰদৰ্শন কেন্দ্ৰই অধিগ্ৰহণ কৰি ৰাখিছিল সেই বিলাক এৰি দিছে নে নাই?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী)** ঃ যেতিয়া সেই হাস্পতালটো আমি লৈছিলো তেতিয়া প্ৰথম অসমলৈ দূৰদৰ্শন কেন্দ্ৰ আহিছে। আমাৰ মানুহবো দূৰদৰ্শন কেন্দ্ৰ চাবলৈ বৰ হেপাহ। সেই কাৰণে তেওঁলোকে যেতিয়া আমাক বিচাৰিলে আমি অসম চৰকাৰৰ ফালৰ পৰা সেই দুটা ঘৰকে দি দিয়া হৈছিল। আমি অলপ দিনৰ কাৰণে তেওঁলোকক আশ্ৰয় দিছিলো। কিন্তু থিতাপি লোৱাৰ পিচত তেওঁলোকে ঘৰ পোৱা নাই বুলি অলপ অলপ কৈ অলপ পলম কৰিলে। এতিয়া অৱশ্যে খালী কৰিছে। মই ইতিমধ্যে ঘৰ দুটা চাই আহিছো। দুইটাৰে অৱস্থা বেয়া। এটাত অলপ কম পইচা লাগিব, ভাল কৰিবলৈ। আৰু এটাত অলপ বেছি পইচা লাগিব। কম পইচাত ভাল হোৱাটো ইতিমধ্যে ভাল কৰাৰ ব্যৱস্থা লৈছো। আৰু বেছি পইচা লগাটো অলপ লাহে লাহে কৰা হব। এই ঘৰটো হলে আমি চল্লিশটা ছিট বঢ়াই দিব পাৰিম। মাননীয় মুখ্য মন্ত্ৰীয়ে সেই সময়ত কৈছিল, স্বাস্থ্য মন্ত্ৰীয়েও কৈছিল। দিল্লীৰ ৰাম মনোহৰ লুহীয়া হাস্পতালৰ নিচিনা এখন হাস্পতাল গুৱাহাটীত কৰিব লাগে। সেইমতে তাত যিজনা অধীক্ষক, তেওঁ ভাল চাৰ্জন। তাৰোপৰি আই, অৰ্থপেটিক এই বিলাকৰো পোষ্ট গ্ৰেজুৱেট আছে। আৰু এজন নাম কৰা ফিজিচিয়ানক ৰাইজৰ আকৰ্ষন যাতে বেছি হয় তাৰ কাৰণে ডাক্তৰ দেবী চৌধুৰঈ নাইবা ডাক্তৰ দুলাল বৰকটকীৰ নিচিনা ৰিটায়াৰ্ড প্ৰফেচাৰ এজনক অনাৰেৰি হিচাবে কাম কৰিবলৈ অনুৰোধ কৰাৰ সিদ্ধান্ত কৰিছো। তেনেকৈয়ে অৰ্থপেটিক আৰু গাইনোকোলজিৰ ডাক্তৰ মুক্তি গগৈক অনাৰেৰী হিচাবে কাম কৰাৰ বাবে অনুৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগিব। গুৱাহাটীৰ মাজ-মজিয়াত এটা মটৰ এক্সিডেন্ট হলেও তাঁলৈকে তৎক্ষণাত লৈ যাব পৰা যায়। বোমা বিস্ফোৰণৰ সময়তো মাননীয় সদস্য সকল আছিল, আৰু মইও আছিলো।

(ভইচঃ বোমা দিয়াত আপুনি আছিল নেকি?)

বোমা বিস্ফোৰণৰ পিচত চিকিৎসাত আছিলো। কেজুৱেলিটি বিভাগটো ভাল কৰিব লাগে। যাতে ২৪ ঘন্টাই ভাল চিকিৎসা পাব পাৰি। অনাৰেৰী হিচাবে এচোচিয়েট প্ৰফেচাৰ এজনক কেজুৱেলিটি বিভাগত দিয়াৰ ব্যৱস্থা কৰিছো। যাতে ২৪ ঘন্টাই সেই বিভাগৰ পৰা ৰাইজে ভাল সেৱা পাব পাৰে।

অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে আমাৰ কেইবাজনো মাননীয় সদস্যই লিষ্টত নথকা বেগু ড্ৰাগ কিনা হৈছে বুলি অভিযোগ কৰিছে। মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কওঁ যে আমাৰ এপ্ৰভড্ লিষ্টত বেড ড্ৰাগছ নাই। আমি কোনো বেড ড্ৰাগছ কিনিবলৈ দিয়া নাই। সেইটো মই আপোনালোকক নিশ্চিত ভাবে কব পাৰো। মাননীয় সদস্য কেইবা গৰাকীয়েও কৈছে যে গাওঁত কিছুমান ফাৰ্মাচী হৈছে য'ত কোনো অভিজ্ঞ ফাৰ্মাচিষ্ট নাই বা তেওঁলোকৰ কোনো লাইচেন্স নাই। এই ক্ষেত্ৰত কিছুমান কুৰেক নোহোৱা নহয়। আজিকালি গাওঁৰ কিছুমান

---

★ **Speech not corrected**

পান দোকানতো এনালজিন, ডাইজিন আদি জাতীয় ঔষধ পোৱা যায়। এই কথা বিলাক আমাৰো দৃষ্টি গোচৰ হৈছে। এজন মাননীয় সদস্যই এটা কথা কৈছে যে গুৱাহাটীত এজন ড্ৰাগচ ইন্সপেক্টৰ আজি কেইবা বছৰো ধৰি বদলি নোহোৱাকৈ আছে। এই ক্ষেত্ৰত মই জনাব খোজো যে এই ইন্সপেক্টৰ জন তেওঁলোকৰ এচচিয়েচনৰ অফিচ বিয়েৰাৰ। তেওঁক আগতে ইয়াৰ পৰা বদলি কৰা হৈছিল যদিও হাই কোৰ্টৰ পৰা ইনজাংচন দি তেওঁ ইয়াতে আছে। গতিকে মই কৰবাত বেন্ড ড্ৰাগছ বেচিছে নেকি আৰু মধ্যে মধ্যে পান দোকানকে আদি কৰি যিবোৰ ঠাইত ঔষধ বিক্ৰি কৰি আছে সেইটো নিশ্চয় চাম।

★ **শ্ৰীহিতেশ্বৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে লাইচেন্স নোহোৱাকৈ যিবোৰ ফাৰ্মাচী চলাই থকা হৈছে সেইবোৰৰ ক্ষেত্ৰত তেখেতে তদন্ত কৰি ব্যৱস্থা লব নে?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী)** ঃ এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হব। যাৰ লাইচেন্স আছে আৰু যোগ্যতা আছে তেওঁলোকৰ থাকিব। কিন্তু লাইচেন্স নথকা বিলাক বন্ধ কৰা হব। অধ্যক্ষ মহোদয়, আমাৰ সদনত কেইবাজনো ডাক্তৰ সদস্য আছে। তেখেত সকলে এইটো ভালকৈ জানে যে গাওঁত কিছুমান কুৱেক আছে। এই বিলাকত সাধাৰণ ঔষধকে ধৰি চেলাইন, বেন্ডজ, চিলাই আদি সকলো বস্তুৱেই পোৱা যায়। মই নিজেও মোৰ চিকিৎসা জীৱনত এনে কিছুমান ডাক্তৰ লগ পাইছো তেওঁলোক প্ৰকৃততে ডাক্তৰ নহয়, কিন্তু গাওঁত তেওঁলোকক ডাক্তৰ বুলিয়েই মাতে। কিন্তু এই ডাক্তৰ বিলাকে যে কিছুমান কথা জানে সেইটো ঠিক এনে ধৰণৰ ডাক্তৰ বিলাক আপোনালোকে কলে মই আজিয়েই বন্ধ কৰি দিব পাৰো। কিন্তু সেইটো কৰিলেও আমাৰ ডাঙৰ সমস্যা হব যেন পাওঁ। কিয়নো আমি এতিয়াও সকলো ঠাইতে ডাক্তৰ দিব পৰা নাই। ফাৰ্মাচী আৰু নাৰ্চ দিব পৰা নাই। তেনে ক্ষেত্ৰত এই বিলাকো বন্ধ কৰি দিলে আমাৰ গাওঁৰ ৰাইজেই চিকিৎসাৰ অভাৱত মৃত্যু মুখত পৰিব। অৱশ্যে আমি তেওঁলোকক এন্‌কাৰেজ নকৰো। এইটো আইন বিৰোধী কথা। গতিকে যেতিয়ালৈকে আমি সকলো ঠাইতে ডাক্তৰ, নাৰ্চ আদি দিব পাৰো তেতিয়ালৈকে তেওঁলোকক বন্ধ কৰি দিয়া কথাটো আমি ভালকৈ চিন্তা কৰি চাব লাগিব।

★ **শ্ৰী মিলন বড়ো** ঃ অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত শিক্ষা নথকা এজন লোকে ১০ বিচনাযুক্ত এখন হাস্পতাল চলাই আছে। বিভাগীয় বিষয়াই এই কথা জানে। তেওঁ নিজে সেইখন ভিজিট কৰি আহিছে। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লব।

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এনে ঘটনা যদি হৈছে তেনেহলে সেইটো সহ্য কৰা নহব। এই ক্ষেত্ৰত নিশ্চয় ব্যৱস্থা লোৱা হব। এই বিষয়ে মই তাৰ চিভিল চাৰ্জনলৈ লিখিম আৰু সেইটো বন্ধ কৰিম। আন এটা কথা হ'ল মাননীয় সদস্য ডাঃ কলিতা ডাঙৰীয়াই কেইটামান পৰামৰ্শ আগবঢ়াইছে। তেখেতৰ সেই পৰামৰ্শ কেইটা মই ভাল পাইছো। সেই কেইটা বিষয়ত ব্যৱস্থা লবলৈ মই চেষ্টা কৰিম।

★ **Speech not corrected**

★**ডাঃ কমলা কলিতা** ঃ অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক দুটা ফাইলৰ বিষয়ে নিশ্চিত ভাবে কব পাৰো। অৱশ্যে ফাইল কেইটাৰ নম্বৰ মোৰ হাতত নাই। কিন্তু মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী হৈ থাকোতে ১৯৯০ চনত নাৰ্চিং হ'ম ৰেগুলেট কৰা আৰু ডাক্তৰ সকলক গাওঁত কাম কৰাৰ বাবে বাধ্য কৰাবলৈ দুটা ফাইল আইন বিভাগলৈ পঠোৱা হৈছিল। কিন্তু আজি বিভাগে মন্ত্ৰী মহোদয়ক যিবিলাক তথ্য যোগান ধৰিছে তাত সেই কথা বিলাক কিয় কোৱা হোৱা নাই। গতিকে এই বিষয় কেইটা মই মন্ত্ৰী মহোদয়ৰ পুনৰ দৃষ্টি গোচৰ কৰিলো।

★**ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই যোৱা কালিও কলিতা ডাঙৰীয়াৰ লগত অনানুস্থানিক ভাবে এই বিষয়ত আলোচনা কৰিছো আৰু মই সেই কেইটা বিষয়ত তথ্য পাতি বিচাৰি আছো। গতিকে এই ক্ষেত্ৰত মই ব্যৱস্থা লম। মাননীয় সদস্য শ্ৰী ডেকা ডাঙৰীয়াই ফাৰ্মাচিষ্ট সম্পৰ্কে যিটো কথা কৈছে সেই ক্ষেত্ৰত মই জনাওঁ যে আগতে ডিব্ৰুগড় মেডিকেল কলেজত ১০০ টা চিট আছিল। তাৰ পিচত ১৯৮৪/৮৫ চনত তাত আৰু ৫০ টা চিট বঢ়াই ১৫০ টা কৰা হয়। তাৰ পিচত শিলচৰ মেডিকেল কলেজত ৫০ টা চিটৰ ব্যৱস্থা কৰা হয়। গতিকে এই মুঠ ২০০ চিট ফাৰ্মাচিষ্টৰ কাৰণে। তাৰ ভিতৰত আকৌ ৩০ টা চিট আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয়, মনিপুৰ, নাগালেণ্ড আদিৰ কাৰণে ৰিজাৰ্ভ কৰা আছে। গতিকে বাকী কেইটা চিট মই নিয়মমতে দিম।

★**শ্ৰী হিতেশ্বৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰ মহোদয়ে কৈছে যে এই চিটকেইটাত নিয়ন মতে এডমিচন দিব। এই ক্ষেত্ৰত নিয়ম অনুযায়ী এডমিচন পোৱা লোক সকলৰ বিপৰীতে নম্বৰৰ হিচাব দিব লাগিছিল। মন্ত্ৰী মহোদয়ে নিজেই কলে যে ৩০ টা ৰিজাৰ্ভ কৰা আছে। কিন্তু ৩০ টা যোৱাৰ পিচত ১৭০ টাৰ লিষ্ট ওলাব লাগিছিল যদিও ১৪৯ জনৰহে নাম ওলাল। বাকী কেইটা কলৈ গ'ল?

★**ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, বাকী কেইটাও দিয়া হব। এই বিষয়টো আমাৰ দৃষ্টি গোচৰ হৈছে আৰু ইতিমধ্যে নিয়ম মতে দিবলৈ ব্যৱস্থা হাতত লৈছো।

★**শ্ৰী হিতেশ্বৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, ১৪৯ জনৰ হ'ল যদি নম্বৰ মতে দিছিল বাকী সকলৰ কিয় নহল?

★**ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, বিভাগে মোক এইটো জনাইছে, কেইজন মানৰ ভুঁৱা নম্বৰ বুলি সন্দেহ কৰা হৈছে, সেই কাৰণে সেইটো পৰীক্ষাৰ কাৰণে সেৱালৈ পঠোৱা হৈছে। তেওঁলোকৰ এডমিশ্বন হোৱা নাই, এইটো মই তদন্ত কৰিম।

★**শ্ৰী হিতেশ্বৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, অহা ৮ তাৰিখৰ ভিতৰত বিষয়টো তদন্ত কৰি সদনত দাখিল কৰিব নে?

★**ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই এই সদনত আশ্বাস দিছো যে এই বিষয়টোত নিশ্চিত হওঁক, বিষয়টো তদন্ত কৰিম।

★**শ্ৰী হিতেশ্বৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, তেওঁলোকৰ নামৰ বিপৰীতে নম্বৰ অহা নাই।

---

★ Speech not corrected

এইটো ডাঙৰ ক্ৰাইম। সেয়ে তদন্তৰ প্ৰতিবেদন ৮ তাৰিখৰ ভিতৰত দিলেও হব।

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, বিষয়টো মই তদন্ত কৰিম বুলি কৈছোৱেই। বৰ্ত্তমান যি কেইটাৰ এডমিশ্বন হৈছে সেই কেইটাৰ বিষয়ে অনাব পাৰিম। মই এই বিভাগলৈ নতুনকৈ আহিছো, যদি মিচ গাইড হৈছে, তদন্ত কৰিম।

★ **শ্ৰী হিতেশ্বৰ ডেকা :** অধ্যক্ষ মহোদয়, অহা ৮ তাৰিখৰ ভিতৰত তদন্তৰ ৰিপোৰ্ট এই সদনত দিলেই হব।

★ **মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰীয়ে তদন্ত কৰিম বুলি কৈছে, তদন্ত কৰাৰ পিচত ৰিপোৰ্ট দিব।

★ **শ্ৰী প্ৰমোদ গগৈ :** অধ্যক্ষ মহোদয়, কিছুমান কেনডিদেটৰ মাৰ্কৰ কাৰণে পঠোৱা হৈছে বুলি কৈছে, চিলেকশ্বন বোৰ্ডে মাৰ্ক দিয়ে, এইটো তদন্ত কৰি অহা ৮ তাৰিখৰ ভিতৰত এই সদনত জনোৱাত আপত্তি কি আছে?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, যি সকলৰ এডমিশ্বন হৈছে সেই সকলৰ বিষয়ে সহজে দিব পাৰিম। ইয়াৰ উপৰিও এইডচ সম্পৰ্কে কেবাজনো সদস্যই উদ্বেগ প্ৰকাশ কৰিছে। এই সম্পৰ্কে চৰকাৰে সতৰ্কতা অৱলম্বন কৰিছে। আমি ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছো। এই ক্ষেত্ৰত কমিটি গঠন কৰা হৈছে, তেওঁলোকে কি কি পৰামৰ্শ দিয়ে চাব লাগিব। ই এটা ভয়াবহ কথা। এইটোত আমি সম্পূৰ্ণ ব্যৱস্থা লম। এচ, এম, চি, ত কোবাল মেচিন দিয়া হৈছিল। সেই মেচিনটোত প্ৰায় এক কোটি টকা। মেচিন কিনাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে। আৰু মেচিন আহিছে।

★ **শ্ৰী নগেন শৰ্ম্মা :** অধ্যক্ষ মহোদয়, ৰিজিঅনেল কলেজ অব মেডিকেল চায়েন্সৰ কাৰণে প্ৰস্তাৱ আছে নে নাই?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, এইটো বিষয়ে লিখা লিখি আৰাম্ভ কৰিছো। কৰিম। দুজন ছাত্ৰৰ তেওঁলোকৰ যি চাবজেক্ট থাকিব লাগে নোহোৱা স্বত্বেও বাহিৰলৈ পঠিওৱা হৈছে। এইটোত আমাৰ বদনাম হৈছে। মই এইটো অনুসন্ধান কৰি চাম। যদি যোগ্যতা থকা ছাত্ৰক বঞ্চিত কৰি দিয়া হৈছে তেতিয়া হলে তাক চাই ব্যৱস্থা লম। মেডিকেল কলেজত ভৰ্ত্তি হবলৈ হলে অলপ অসুবিধা আহি পৰে, কাৰণ গুৱাহাটী বা ডিব্ৰুগড় ইউনিভাৰছিটিৰ পৰীক্ষাবোৰ পলমকৈ হয়। এই ক্ষেত্ৰত তেওঁলোকৰ সহযোগ লাগিব।

★ **শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা :** অধ্যক্ষ মহোদয়, আগৰ ছাত্ৰই যাব পাৰে।

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, যদি আগৰ ছাত্ৰ থাকে সেইটো চোৱা হব। ৰুৰেল হাস্পতাল বিলাকত অপাৰেশ্বনৰ সুবিধা নাই বুলি বহুতো সদস্যই কৈছে। তাত ব্লাড বেংক নাই, ব্লাড বেংক নহলে কি কৰিব। জিলা হাস্পতাল বিলাকত ব্লাড বেংক কৰিব লাগিব। অৱশ্যে সৰুসুৰা অপাৰেশ্বন কৰিব পাৰে, সকলোবোৰ কৰিব নোৱাৰে। এইটোত মই ব্যৱস্থা লম। চৰ অঞ্চলৰ বিষয়ে মাননীয় কেবাজনো সদস্যই কৈছে। তাত আমি কিছুমান মোবাইল

ডিচপেনচেৰী কৰিব খুজিছো। কাৰ্বি আংলংৰ কথাও মাননীয় সদস্যই কৈছে, তাত যাতায়তৰ সুবিধা নাই, সেয়ে তাত মোবাইল হাস্পতাল চাৰিটা কৰিম বুলি ভাবিছো।

★ **শ্ৰী মনছিং ৰংপি ঃ** অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙত কিহেৰে মোবাইল হাস্পতাল কৰিব, নাওৰে নে হেলিকপ্তাৰেৰে?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সুবিধা অনুযায়ী কৰা হ'ব।

★ **শ্ৰী মিলন বড়ো ঃ** অধ্যক্ষ মহোদয়, টি, এচ, পি, এৰিয়াত ডাক্তৰখানা নাই। যি অঞ্চলত ডাক্তৰখানা নাই সেই অঞ্চলত মোবাইল হাস্পতাল কৰিব নেকি?

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, তাত ৰাষ্টা পদুলি হৈ আছে। তাৰোপৰি এতিয়া বি, এ, চি, হ'ল যেতিয়া এইটো কথা নাহে।

★ **শ্ৰী মিলন বড়ো ঃ** অধ্যক্ষ মহোদয়, কিছুমান ঠাই বি, এ, চি, ৰ বাহিৰতো আছে যিবিলাকত নেকি ৰাস্তা পদুলি নাই, তাত মানুহ বসবাস কৰি আছে। সেই বিলাকৰ কথাহে মই কৈছো।

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ কথাটো বুজিব পাৰিছো। সেই বিলাক অঞ্চলত আমি প্ৰয়োজনীয় ব্যৱস্থা লম।

★ **শ্ৰী আলাউদ্দিন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো গোলোকগঞ্জৰ হালাকুৰাত এখন ৩০ খন বিচনাযুক্ত হাস্পতাল হোৱাৰ কথা আছিল। মুখ্য মন্ত্ৰী মহোদয়ৰ সৈতে স্বাস্থ্য মন্ত্ৰী মহোদয় তালৈ গৈ সেই হাস্পতালখন মুকলি কৰিব বুলি আশা কৰিছো। সেই হাস্পতালখন মুকলী কৰিব পৰা অৱস্থাত আছে।

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো সেই বিলাক লব লাগিব। সেইবিলাক সোনকালে দিয়াৰ ব্যৱস্থা কৰিম।

★ **শ্ৰী নগেন শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মবাইল হাস্পতালৰ কথা কৈছে। কিন্তু এই বাজেটত এম্বোলেঞ্চৰে তেনে প্ৰভিজন হোৱা নাই।

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এৰিয়া প্ৰজেক্টত আছে, হ'ব। আৰু এটা কথা আমাৰ যিবিলাক ডাক্তৰ থাকে সেই বিলাক সদায় এটাচ হৈ থাকে।

★ **শ্ৰী গহিন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগাৱঁত ৩৫ জন ডাক্তৰ লাগে তাত ৬৯ জন ডাক্তৰ এটাচ কৰি ৰখা হৈছে। তাৰ কিবা ব্যৱস্থা হ'ব নেকি?

★ **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডাক্তৰ সকলে মেনেজ কৰি লয় এই হাস্পতাল বিলাকত। তাৰো ব্যৱস্থা লোৱা হ'ব।

★ **শ্ৰী মহিবুল হক (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী হাস্পতালখন মাননীয় সদস্য শ্ৰী আল্লাউদ্দিন চৰকাৰে কোৱাৰ দৰে এখন নৰক কুন্ড। কিন্তু মই কওঁ তাতকৈ যদি কিবায়ো আছে সেইটোহে। এই হাস্পতালখনলৈ মই, ডি চি আৰু চি এম এন্ডএইচ ও ভিজিত কৰিবলৈ গৈছিলো। বেবী ৰখা ৰোমটোত আমি দেখা পাইছো জালনাৰে বেৰি ৰাখিছে। তাত আমি

---

★ Speech not corrected

যিথিনি পালো সেইখিনি চিজ কৰি অনা হৈছে। তাৰ এটা এনকুৰাৰী হব লাগে, একচন লব লাগে। ইয়াৰ ডাক্তৰ বিলাক ১৫/১৬ বছৰ থাকে। তেওঁলোকে তাত ব্যৱসায় কৰিছে। তাৰ পৰা ট্ৰেনচফাৰ নহয়। শুনিছো তেওঁলোকৰ ষ্ট্ৰং এচচিয়েচন আছে। ট্ৰেনচফাৰ কৰা সহজ নহয়।

★ **শ্ৰী জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে শুনিবলৈ মধুৰ হৈছে। হেল্‌ঠত ১ শ ৩৭ কোটি ২৯ লাখ টকা আৰু মানুহ আছে ২ কোটি এতিয়া প্ৰতিজন মানুহৰ বাবে পৰে ৬৮ টকা ৬৫ পইচা প্ৰতি বছৰত। বছৰটোত প্ৰতি কমেও ১০০ টকা কৰক। সকলোৱে এনে ধৰণৰ প্ৰশ্ন কৰিছে, আগতেও এই প্ৰশ্ন কৰিছে — ভাইটেল উত্তৰ হোৱা নাই চলিওচন কৰিব পৰা নাই। আমাৰ ডাক্তৰ সকল গাওঁ অঞ্চললৈ নেজায়। তেওঁলোকে পলিটিকেলি মেনেজ কৰি লয়। তেওঁলোকৰ মতে থাকি যায়। তেওঁলোকক ইনচেনটি দিব লাগে বুলি কৈছে। এইটোত মই পক্ষপাতি নহয়। এইটো বাধ্যতামূলক কৰক। যি জন ডাক্তৰে গাওঁ অঞ্চলত ১০ বছৰ কাম কৰে তেওঁলোকক ২ টা ইনকিমেন্ট বঢ়াই দিয়াৰ ব্যৱস্থা কৰক যদি এই নিয়ম তেওঁলোকে ভায়লেট কৰে তেওঁলোকৰ প্ৰমোচন হেঙ্ক আপ কৰক। ছাত্ৰ হৈ থাকোতে তেওঁলোকৰ পৰা আণ্ডাৰ টেকিং লওঁক যাতে তেওঁলোকে চাকৰী পোৱাৰ লগে লগে গাওঁ অঞ্চলত কাম কৰিব লাগিব। এইটো কৰিলেহে প্ৰগেছ হব। মই আৰু এটা কথা কবলৈ খুজিছো মাননীয় সদস্য সকলে হয়তো হাঁহিব। এগৰাকী মানুহে কেন্সাৰৰ ঔষধ দিয়ে। সেই ঔষধ খাই ভাল পোৱা বুলি মোক কৈছিল। যদি সঁচাকৈ এনে আয়ুৰবেদীক ঔষধ আছে তেতিয়াহলে তালৈ মানুহ পঠাই পৰীক্ষা কৰাওক। বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউট এখন আছে। এই বিলাক এভইড কৰিব নেলাগে। ডাঃ গাজি আহমদক ঘুৰাই আনক। গোটেই উত্তৰ পুৰ্বাঞ্চলে ইয়াৰ সহায় লয়। মই বিশেষ কথা নকওঁ — Placing of Doctors in the rural Hospital — এইটো কৰক। কেঞ্চাৰৰ বাবে প্ৰিভেনটিভ মিজাৰ লওঁক।

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)** ঃ মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই যিটো কথা কৈছে এইটো স্কীম আছে। মই আগতেই কৈছোৱেই যে কিছু এৰিয়াৰ প্ৰজেক্টৰ দ্বাৰা সহায় কৰিব পাৰো। ইয়াৰোপৰি ভাৰত চৰকাৰৰ কিছুমান স্কীম আছে সেই বিলাকৰ পৰা আমি সহায় পাম। (ভইচ — প্ৰমোচনৰ কাৰণে আৰু এডমিচনৰ কাৰণে এক্ট কৰিব লাগে।)

মাননীয় অধ্যক্ষ মহোদয় মই এইটো কথা কব বিচাৰিছো যে স্বাস্থ্য বিভাগটো অতি প্ৰয়োজনীয় বিভাগ। এই স্বাস্থ্য বিভাগটো কেনেকৈ কি কৰিলে ভাল হয় তাৰ ওপৰত আমাৰ বিধান সভাত যি কেইজন ডাক্তৰ আছে যেনে ডাঃ অধেন্দু কুমাৰ দে, ডাঃ কমলা কলিতা, ডাক্তৰ আব্দুল মটিন মজুমদাৰ আদিকে ধৰি এখন কমিটি কৰা হব। সেই কমিটিয়ে স্বাস্থ্য বিভাগটো কি কৰিলে ভাল হব সেই বিষয়ে আলোচনা কৰা হব।

---

★ Speech not corrected

★ **শ্ৰী জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই কমিটিটোৱে ডাক্তৰ সকলৰ কাৰণেহে চিন্তাকৰ হব। গতিকে উক্ত কমিটিত বেলেগ সদস্যও লব লাগে। তেহে জনসাধাৰণৰ পক্ষে কমিটিটোৱে চিন্তা কৰিব। আৰু মই কৈছিলো যে 'কেন্সাৰ' বেমাৰটোৰ কাৰণে ৰিচাৰ্চ কৰাৰ ব্যৱস্থা কৰিব লাগে। মোক এতিয়া বহুতে শ্লিপ দি আছে যে মংলদৈ চিভিল হাস্পতালৰ কাৰণে অৰ্থাৎ কনষ্ট্ৰাকচনৰ কাৰণে বাজেটত একো দেখা নাই। তাৰ কাৰণে কি কৰিব।

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মংলদৈ চিভিল হাস্পতালৰ কাৰণে মই কব বিচাৰিছো — তাত কাম হৈ আছে। শিক্ষামন্ত্ৰী হৈ থাকোতে মই সেই হাস্পতাললৈ ভ্ৰমণত যোৱাৰ সময়ত গৈছিলো। সেই সময়ত ৰড নোহোৱাৰ কাৰণে কাম বন্ধ হৈ আছিল। কিন্তু পইচাৰ অভাৱত নহয়। গড়-কাপ্তানী মন্ত্ৰীয়ে এতিয়া টকা দিছে আৰু কাম হব। আৰু এটা কথা বড়ো ডাঙৰিয়াই কৈছে — বৰ্ত্তমান তেখেত নাই ভোটান বডাৰ আৰু কাৰ্বি আংলং জিলাত মেলেৰিয়া বেচি। অৱশ্যে সেইটো হয় তাঁলে ডাঙৰ ডাঙৰ মঁহ আহে, তাৰ প্ৰতিষেধক ব্যৱস্থা আমি কৰিম।

★ **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ফুলগুৰি সমষ্টিৰ বহুতো মানুহ কেন্সাৰ বেমাৰত বনৌষধি খায় ভাল হৈছে। গতিকে উক্ত ঔষধতো পৰীক্ষা কৰাৰ বাবে বিভাগলৈ আনিব লাগে।

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বনৌষধৰ পৰাই মেডিচাইন হয়। বনৌষধৰ গুন আছে। বনৌষধৰ নামে এখন কিতাপ আছে। তাত সকলো আছে। আৰ্য়ুবেদিক লেজলৈ গলে তাতো বহুত দেখিব। আমি চিনি পোৱা নাই কোন বনৌষধৰ পৰা কি গুন হয়।

মই জনাত ভাৰত চৰকাৰে ইয়াৰ ওপৰত ৰিচাৰ্চ চলাইছে। আজি চিন্তা কৰিব লগীয়া হৈছে অসমত কেন্সাৰ বেমাৰ কিয় বেচি হৈছে। ইয়াৰ ওপৰত ৰিচাৰ্চ হৈছে যদিও সফল হব পৰা নাই। গতিকে কিছুমান বেমাৰ বনৌষধৰ দ্বাৰাই বাল হৈ যায় সেইটো কাৰেক্ট। যদি আমাৰ অসমতে কেন্সাৰ ঔষধ ওলায় তেতিয়াহলে ভাল কথা।

মাননীয় অধ্যক্ষ মহোদয়, কেন্সাৰৰ ঔষধ থাকিব পাৰে। যদি আছে ভালহে হব। ছৌদি আৰৱত তেল ওলোৱাৰ দৰে আমাৰ ইয়াত যদি কেন্সাৰৰ ঔষধ ওলাই তেতিয়া হলে আমি পইচা পাম। গতিকে এইটো চাম। মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিছো যাতে তেখেতে লিখি দিয়ে। তেতিয়াহে মানুহ গৈ চাব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, মেলেৰিয়াৰ কাৰণে দি দি টি দিয়াৰ ব্যৱস্থা কৰিম। কাৰবি আংলং আৰু ভূটান সীমান এইটোৰ দৰকাৰ। কাৰবি আংলংত এই মেলেৰিয়া তৎক্ষণাত ভাল নহয়। মই নিজে গৈ পাইছো। এইটোৰ ব্যৱস্থা কৰিম। এটেনদেন্ট ফিজ ৫০ টকা। এইটো ভাৰত চৰকাৰৰ স্কীম। এতিয়া আমি এটা কাম কৰিব পাৰো। আমাৰ যি চতুৰ্থ শ্ৰেণীৰ ব্যৱস্থা আছে সেই ডাক্তৰ খানা বিলাক ফ্ৰেজবাৰলৈ নিয়াৰ ব্যৱস্থা কৰিম। এইটো গভৰ্ণমেন্ট অৱ ইণ্ডিয়াৰ স্কীম। দুই হাজাৰ চনত সকলোৰে

---

★ Speech not corrected

বাবে স্বাস্থ্য। বৰ্ত্তমান আমাৰ কাগজে কলমে চাব চেন্টাৰ আছে ৫১০৯ টা ইয়াৰ ভিতৰত ৩৩৪৭ টাত কাম চলি আছে। পি এইচ ই আছে ৫১৯ টা ৪৬০ টাত কাম চলি আছে। ৩০ খন বিচনাযুক্ত মঞ্জুৰীকৃত হাস্পতাল আছে ৮২ খন কাম চলি আছে ৬২ খন। এতিয়ালৈ যিবিলাক কাম কৰা হোৱা নাই সেই বিলাক কৰিবলৈ চেষ্টা কৰিম। এইবিলাকত আপোনালোকৰ সহায় সহযোগ বিচাৰিছো।

(গণ্ডগোল)

★ **ডাঃ কমলা কলিতা ঃ** মেডিকেল কলেজত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত যি তদন্ত কমিটিৰ প্ৰতিবেদন এতিয়া দিব পাৰিব নে নোৱাৰিব? সেইটো এতিয়া কব লাগে।

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীক জনাইছো যে এই কমিটিৰ প্ৰতিবেদনৰ বিষয়ে কোৱাৰ অধিকাৰ মোৰ নাই। মাননীয় সদস্য সকলে জানে। শ্ৰী গগৈৰ নিচিনা অভিজ্ঞ সদস্যই নিশ্চয় জানে। এইটো বৰ্ত্তমান পৰীক্ষা কৰি আছে। যথা সময়ত প্ৰতিবেদন দিব পৰা যাব।

★ **ডাঃ কমলা কলিতা ঃ** অধিকাৰ কাৰ আছে? ইয়াততো আপোনালোক মন্ত্ৰীসকলে বহি আছে।

**Mr. Speaker :** Now Shri Joynath Sarma, Shri Dilip Saikia, Shri Nagen Sarma, Shri Babul Das, Shri Suren Swargiary, Dr. Kamala Kalita, Shri Atul Bora and Shri Gohin Das, will you withdraw your cut motion?

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ আগতে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো স্বাস্থ্য বিভাগৰ যিটো পাইলট প্ৰজেক্ট আছে সেইটোৰ বিষয়ে জানিব বিচাৰিছো। এতিয়া মাৰ্চৰ মাহ গলেই জুন, জুলাই মাহত সাধাৰণতে এনকেফেলাইটিচ ৰোগ হৈছিল। এনকেফেলাইটিচৰ কাৰণে যি পাইলট প্ৰজেক্ট আছে সেইটো কৰিবনে নাই? দুই নং কথা হৈছে মন্ত্ৰী মহোদয়ৰ পৰা মাননীয় অধ্যক্ষৰ জৰিয়তে জানিব বিচাৰিছো আজি বহু ডাক্তৰক অসম মেডিকেল কলেজৰ পৰা বদলি কৰা হৈছে। বদলি কৰাৰ পিছত তেওঁলোক কুৱাৰ্টাৰ এৰি দিয়া নাই। নিয়ম মতে বদলি কৰাৰ পিছত ৬ মাহ সেই কোৱাৰ্টাৰত থাকিব পাৰে। ঘৰ এৰি নিদিয়া কাৰণে তালৈ যিবিলাক ডাক্তৰ পঠোৱা হৈছে সেই বিলাক ডাক্তৰে ভাড়া ঘৰত থাকিব লগা হৈছে। বা কামত যোগদান নকৰাকৈ আছে। গতিকে এই ঘৰ বিলাক খালি কৰি দিয়াৰ ব্যৱস্থা কৰিব নে নকৰে? মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়েও কৈছে যে দিছপুৰৰ অস্থায়ী ৰাজধানী ইয়াতে স্থায়ী কৰা হব। গতিকে এই স্থায়ী ৰাজধানীত এখন আধুনিক ধৰণৰ হাস্পতাল কৰাৰ ব্যৱস্থা কৰিব নে? আৰু সেই হাস্পতাল অসমৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ দেৱৰ নামত কৰাৰ ব্যৱস্থা কৰিব নে নাই?

★ **ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনকেফেলাইটিচৰ মই ব্যৱস্থা লৈছো। ইয়াৰ প্ৰতিৰোধৰ কাৰণে ডেকচিন অনাৰ ব্যৱস্থা কৰিছো আৰু এনকেফেলাইটিচৰ লগত যুদ্ধ

★ Speech not corrected

কৰাৰ কাৰণে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিম। ডাক্তৰ সকলৰ কুৱাৰ্টাৰ সম্পৰ্কত মই জনা নাই। তথাপি যিহেতু মাননীয় সদস্য গৰাকীয়ে কৈছে গতিকে মই এই বিষয়ে তদন্ত কৰি কুৱাৰ্টাৰ বিলাক খালি কৰাৰ ব্যৱস্থা কৰা হব। মাননীয় অধ্যক্ষ মহোদয়, ৰাজধানী যেতিয়া স্থায়ী হব তেতিয়া তাত এখন ভাল হাস্পতাল হবই লাগিব। কাৰণ দিছপুৰলৈ যেতিয়া অস্থায়ী ৰাজধানী আহিছিল তেতিয়া ইয়াত এই ডিচপেনচাৰী খন পতা হৈছিল। এতিয়া তাৰ অৱস্থা ভাল হৈছে। এই হাস্পতালখন উন্নত কৰা হব। ইয়াৰ নাম কি হব সেইটো ঠিক কৰিব কেবিনেটেহে।

**Mr. Speaker :** Will you withdraw the Cut Motion? (Yes, from Opposition Bench). Is it the pleasure of the House to grant leave to withdraw the Cut Motion? (No voice) With the leave of the House the Cut Motion is withdrawn. I now put the Motion before the House for approval. The Motion is that a sum of Rs. 137,29,02,000 be granted to the Minister-in-charge to defray the charges with will come in course of payment during the year ending the 31st March, 1994, for the administration of Medical and Public Health. (With the voice vote the Motion is passed and the Grant No. 29 is passed as there is no 'Noes'. At 7.00 p.m. the appropriation bill will be taken up today as already announced earlier. Now, there will be an adjournment of the House for half an hour for Tea Break. I would request the hon. Chief Minister, all the hon. Ministers, the opposition members and other members of the House, the Govt. Officers attending the House, the members from the press Galleries and the official reporters for tea arranged in the nearby pandel for the purpose.

(adjournment for half an hour)

★ **শ্ৰী জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰোপিয়েছন বিলত সাধাৰণতে সময় বান্ধি দিব নালাগে। কাৰণ ৯ বজাত আৰম্ভহে কৰা হব। ২ টা গ্ৰান্ট আৰম্ভ হৈছেহে, গতিকে অলপ দীঘলীয়া হয় হওঁক।

**(The House re-assembled at 6.00 P.M. today, the 30th March, 1993 after Tea Break with the Hon'ble Speaker in the Chair.)**

**Mr. Speaker :** Now Grant No. 26. Minister of State, Education to move.

---

★ Speech not corrected

★ **Shri Gautam Bora (Minister of state Education) :** On the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 687,38,31,000/- be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1994 for the administration of 'Education'.

**Mr. Speaker :** There are as many as 8(eight) cut-motion notices for this grant standing in the name of Hon'ble Member –

| | | |
|---|---|---|
| | 1. | Shri Zoli Nath Sarma |
| | 2. | Shri Binod Gowala |
| | 3. | Shri Dilip Kumar Saikia |
| | 4. | Shri Nagen Sarma |
| | 5. | Shri Sahidul Alam Choudhury |
| | 6. | Shri Hitendra Nath Goswami |
| | 7. | Shri Kamala Kalita |
| | 8. | Shri Babul Das |
| | 9. | Shri Renupoma Rajkhowa |
| | 10. | Shri Bharat Chandra Narah |
| | 11. | Shri Phani Bhusan Choudhury |
| | 12. | Shri Bhupen Roy |
| | 13. | Shri Gahin Chandra Roy |
| **Number 2.** | 1. | Shri Promode Gogoi |
| | 2. | Shri Sasha Kamal Handique |
| | 3. | Shri Giasuddin Ahmed |
| | 4. | Shri Alauddin Sarkar |
| | 5. | Shri Munin Mahanta |
| | 6. | Shri Nizamuddin Khan |
| **Number 3.** | 1. | Shri Jew Ram Boro |
| | 2. | Shri Milan Boro |
| | 3. | Shri Khiren Borgoyary |
| | 4. | Shri Tazendre Narsary |

★ **Speech not corrected**

5. Shri Derhagra Mochahary
6. Shri Karendra Basumatary
7. Shri Parameswar Brahma
8. Shri Kamal Kumar Brahma

**Number 4.** 1. Shri Chittendra Nath Mazumder
2. Shri Pranab Kumar Nath
3. Shri Parimal Suklabaidya
4. Shri Badri Narayan Singh
5. Shri Mission Ranjan Das
6. Shri Dhruba Kumar Sen
7. Shri Kali Ranjan Deb
8. Shri Samarendra Nath Sen

**Number 5.** 1. Shri Pani Ram Rabha
2. Shri Badan Barua
3. Shri Brigu Kumar Phukan
4. Shri Ramendra Narayan Kalita
5. Shri Ritesh Deka

**Number 6.** 1. Shri Chandra Mohan Patowary

**Number 7.** 1. Shri Dewan Joynal Abedin
2. Shri Nazmul Haque

**Number 8.** 1. Shri Holiram Terang
2. Shri Monsing Rongpi
3. Shri Dipendra Rongpi

**Sri Promode Gogoi :** All taken together to move.

★ **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰস্তাৱ কৰোঁ যে ১৯৯৩-৯৪ চনৰ বাজেটৰ ২ য় খণ্ডৰ ৮ম অংশৰ ১-১১২ পৃষ্ঠাত থকা শিক্ষা শিতানৰ ২৬ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৬৮৭, ৩৮, ৩১,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৬৮৭, ৩৮, ৩১,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক।

**Mr. Speaker :** So, it is treated that all cut motions have been moved.

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰি চমুকৈ কেইটামান কথা উপস্থাপন কৰিব বিচাৰিছো। শিক্ষাৰ মানদণ্ডৰ ওপৰতে দেশৰ ভৱিষ্যত

নির্ভৰ কৰে। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল — শিক্ষাৰ মানদণ্ড নির্ভৰ কৰে শিক্ষা আৰু ছাত্ৰৰ দিশৰ ওপৰত। ভাল স্কুল ঘৰ বা ডাঙৰ বিল্ডিংৰ ওপৰত নহয়। শিক্ষকসকলৰ নিযুক্তিত গুৰুত্ব দিয়াতকৈ শিক্ষক সকলৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। চৰকাৰ গঠন হোৱাৰ পাচত হোৱা শিক্ষক নিযুক্তি অত্যন্ত আসোৱাহপূর্ণ। এল, পি, স্কুলৰ যিমানবোৰ পদ খালি আছে, উপযুক্ত নীতি-নিয়মক প্রাধান্য দি সেইবিলাক পদ পূৰা কৰা হোৱা নাই। নিযুক্তি গুণগত দিশক কোনো গুৰুত্ব দিয়া হোৱা নাই। নিযুক্তিৰ ক্ষেত্ৰত ব'র্ড গঠন কৰিছে আৰু তেওঁলোকে যি লিষ্ট তৈয়াৰ কৰিছে, সেই বিলাক অতি সোনকালে ঘোষনা কৰিব লাগে। আৰু এনে ধৰণৰ লিষ্ট তৈয়াৰ কৰিবৰ সময়ত বিৰোধী দলৰ বিধায়ক সকলৰ মতামতৰ ওপৰতো চকু দি ফাইনেল লিষ্ট তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। নহলে যিটো প্রক্রিয়াত ৰাজনৈতিক দৃষ্টিকোণৰ পৰা কেৱল শিক্ষক নিযুক্তিৰ দ্বাৰা শিক্ষা বিকাশৰ কথা ভবা হৈছে, তাৰ দ্বাৰা প্রকৃত শিক্ষাৰ সম্প্রসাৰণ সম্ভৱ নহয়। শিক্ষা মন্ত্রী মহোদয়ে নিজে দুখ প্রকাশ কৰিছিল যোৱা বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতকার্য্যতাৰ হাৰ মাত্ৰ ২৯ শতাংশ হোৱাৰ বাবে। এতিয়া যিটো প্রক্রিয়াত শিক্ষক সকলক নিযুক্তি দিব বিচাৰিছে, তাৰ দ্বাৰা ভৱিষ্যতে এই হাৰ ১০ শতাংশহে হলেও কবলগীয়া একো নাথাকিব। কিয়নো শিক্ষা দান কৰা সকলক গুণগত দিশও যথাযোগ্য ভাৱে বিচাৰ কৰি যদি নিযুক্তি নিদিয়ে। তেতিয়াহলে শিক্ষা দানত আউল লাগিবই। গতিকে চৰকাৰে ৰাজনৈতিক দৃষ্টিকোণৰ উদ্ধত থাকি এই নিযুক্তিৰ ক্ষেত্ৰত আগ বাঢ়িব লাগে। স্কুলত নিযুক্তিৰ ক্ষেত্ৰত ফাইনেল লিষ্ট তৈয়াৰ কৰাৰ আগতে ভালদৰে আলোচনা-বিলোচনা কৰি বিৰোধী পক্ষৰ বিধায়ক সকলৰ লগত আলোচনা কৰি গুণগত দিশত গুৰুত্ব দি লিষ্টখন তৈয়াৰ কৰিব লাগে। দ্বিতীয়তে আমাৰ প্রি-প্রাইমেৰী স্কুলৰ ক্ষেত্ৰত চৰকাৰে অতি গুৰুত্বৰ দিব লাগে। প্রি-প্রাইমেৰী স্কুল চৰকাৰী কৰণ কৰাৰ যি প্রস্তাব আছিল, যোৱা বিধান সভাত এই কথা ঘোষনাও কৰিছিল যে ৭ হাজাৰ খন প্রি-প্রাইমেৰী স্কুল চৰকাৰীকৰণ কৰা হব, কিন্তু এই ক্ষেত্ৰত কোনো কার্য্যকৰী ব্যৱস্থা আজিলৈ লোৱা নহল। শিক্ষামন্ত্রীয়ে যোৱা বছৰ বিধান সভাত ৭ হাজাৰ প্রি-প্রাইমেৰী স্কুল চৰকাৰীকৰণ কৰা হব বুলি জনালে। এতিয়া যোৱা ৩১ মার্চত সদনৰ প্রশ্নোত্তোৰ কালত চৰকাৰী কৰণৰ কোনো ধৰণৰ নীতি নাই বুলি জনালে। গতিকে এই বৈসাদৃশ্যৰ পৰা স্পষ্ট ভাবে ধৰিব পাৰি যে চৰকাৰৰ এই ক্ষেত্ৰত কোনো স্পষ্ট নীতি নাই আৰু কোনো ধৰণৰ নির্দ্দেশনাও নাই। বর্ত্তমান যুগত টি, ভি, কম্পিউটাৰ আদি আমাৰ মাজলৈ আহিছে, গতিকে এইবিলাক মাধ্যমৰ জড়িয়তে শিশু সকলৰ মানসীক বিকাশৰ স্তৰ বৃদ্ধি পাইছে। গতিকে তেনে বিকাশৰ প্রতি লক্ষ্য ৰাখি আমাৰ শিশুসকলৰ প্রি-প্রাইমেৰী স্তৰৰ পৰাই প্রকৃত প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। এই বিষয়ে চৰকাৰৰ গাফিলতী কৰা যেন লাগিছে। প্রি-প্রাইমেৰী শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ গুৰুত্ব দিব লাগে। অসমত থকা ৩০ হাজাৰ এল, পি, স্কুলৰ প্রত্যেকেই প্রি-প্রাইমেৰী শাখা চৰকাৰীকৰণ কৰাৰ

ক্ষেত্ৰত ব্যৱস্থা লব লাগে। প্ৰতি বছৰে ৭ হাজাৰকৈ চৰকাৰীকৰণ কৰিলেহে এই চৰকাৰৰ কাৰ্য্যকালত এইটো পূৰ্ণ হব। অন্যহাতে যোৱা বছৰত প্ৰতি সমষ্টিত ১২ খন প্ৰাইমেৰী স্কুল চৰকাৰীকৰণৰ ক্ষেত্ৰত চৰকাৰে ইউনিফৰ্ম পলিচি লব পৰা নাই। এই ক্ষেত্ৰত মই ৰাজনীতি উদ্ধত থাকি এল, পি, স্কুল বিলাক চৰকাৰী কৰণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে মনোনিবেশ কৰিবলৈ মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয় হাইস্কুলৰ ক্ষেত্ৰত মই কব খুজিছো, বৰ্ত্তমান আমাৰ যি বিকৃত যুৱ মানসিকতাৰ সৃষ্টি হৈছে এই ক্ষেত্ৰত হাইস্কুলৰ শিক্ষা কিছু পৰিমাণে হলেও দায়ী। আমি যেতিয়া হাইস্কুলত পঢ়িছিলো তেতিয়া বুৰঞ্জী, ভূগোল, সংস্কৃত আদি বিষয় বাধতামূলক আছিল। কিন্তু এতিয়া দেখা গৈছে যে এইবিলাক বিষয় বাধতামূলক নহয়। যাৰ ফলত আমাৰ যুব সমাজ বাহিৰা বিষয়ৰ প্ৰতি আকৃষ্ট হৈছে। বুৰঞ্জী যদি আমি নাজানো তেনেহলে আমি অতীতত হৈ যোৱা ঘটনা সমূহৰ বিষয়ে বা অতীত গৌৰৱৰ বিষয়ে একোৱেই গম নাপাওঁ। ঠিক তেনেদৰে ভূগোলৰ জ্ঞানৰো অতি আৱশ্যক। আজি আমি কোনোবা এজন ছাত্ৰক অসমৰ ৰাজধানী কত বুলি সুধিলে তেওঁ শুদ্ধকৈ কব পাৰিব লাগিব। শিৱসাগৰ কত, ধুবুৰী কত আদিৰ বিষয়ে সুধিলে তেওঁলোকে কব পাৰিব লাগিব। অন্যহাতে সংস্কৃত বিষয় উঠাই দিয়াত যুৱ-সমাজৰ মাজত আধ্যাত্মিক চিন্তাৰ যটি পৰিছে আৰু বজৰুৱা পাশ্চাত্য সভ্যতাৰ প্ৰভাৱে যুৱ-সমাজ ছাতি পেলাইছে। এই তিনিটা বিষয় বাধ্যতামূলক ভাৱে ৰাখিব লাগে। এই বিষয়ে আমি সকলোৱে চিন্তা চৰ্চ্চা কৰিব লাগে। তাৰ পিচত মই কলেজ আৰু বিশ্ব বিদ্যালয় সমূহৰ বিষয়ে কবলৈ ওলাইছো। কলেজ আৰু বিশ্ববিদ্যালয় সমূহৰ যি ধৰণে সাহাৰ্য্য দিব লাগে, সেইধৰণে দিব পৰা নাই। বহুত সময়ত দেখা গৈছে যে বিত্তীয় পৰিস্থিতিৰ বাবে এইবোৰত বহুতো আঁচনি বন্ধ ৰাখিবলগীয়া হৈছে। সেয়েহে মই মাননীয় মুখ্য মন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ক এযাৰ কথা কব খুজিছো যে শিক্ষানুষ্ঠান সমূহত পুঁজি আবটনৰ ক্ষেত্ৰত ৰাজনীতি কৰিব নালাগে। অৱশ্যে এইটো কোৱা নাই যে, কোনোবা এজন মন্ত্ৰী কোনোবা এখন শিক্ষানুষ্ঠানলৈ গলেই ৰাজনীতি কৰা হয়। কিন্তু নিৰপেক্ষ ভাৱে এই হায়াৰ ইনষ্টিটিউট বিলাকত পুঁজি দিয়াৰ ক্ষেত্ৰত চৰকাৰে নীতি নিৰ্দ্ধাৰণ কৰিব লাগে। আমাৰ বিশ্ববিদ্যালয় সমূহতো আৰ্থিক দুৰবস্থা হোৱাৰ কাৰণে এই সমূহৰ যি বিকাশ হব লাগিছিল সেই ধৰণে বিকাশ হোৱা নাই। আমাৰ উপাচাৰ্য্য সকলে যাতে পুঁজিৰ বাবে দিশপুৰলৈ আহি থাকিব নালাগে তাৰ ব্যৱস্থা চৰকাৰে কৰিব বুলি আশা কৰিলো। আমাৰ যি তিনিখন বিশ্ববিদ্যালয় আছে এই কেইখন কেনেকৈ উন্নতি কৰিব পাৰি তাৰ বাবে শিক্ষা মন্ত্ৰী মহোদয়ে নিৰ্দ্দিষ্ট ভূমিকা পালন কৰিব বুলি আশা কৰিলো। তাৰোপৰি আৰু এটা কথা হৈছে যে আমাৰ শিক্ষানুষ্ঠান সমূহৰ পৰিবেশ উন্নত কৰিব লাগিব। যিখিনি নূন্যতম সা-সুবিধা দিব লাগে, সেইখিনিৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। আমাৰ যোৰহাটত প্ৰাথমিক আৰু এম, ই, স্কুল বিলাকত কেনেধৰণে শিক্ষা প্ৰদান চলি আছে, এই বিষয়ে শিক্ষামন্ত্ৰী

মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মোৰ সমষ্টিত এখন স্কুলত ৭ টা শ্ৰেণী আছে কিন্তু তাত এখনো বোৰ্ড নাই। এনে স্কুলত উপযুক্ত শিক্ষা পোৱা সম্ভৱনে? তাৰোপৰি আমাৰ ৰাইজ সকলে এখন স্কুল প্ৰাদেশিকীকৰণ হোৱাৰ পিচতেই তালৈ পিঠি দিয়ে। আগতে কোনো এখন স্কুল আৰম্ভ কৰাৰ পৰা পকীঘৰ হোৱা পৰ্যন্ত ৰাইজে পৰিচালনা কৰিছিল। কিন্তু বৰ্ত্তমান দেখা গৈছে যে স্কুলখন চৰকাৰে লোৱাৰ পিচৰ পৰা ৰাইজে দায়িত্ব এৰি দিয়ে। সেইকাৰণে আমি কেনেকৈ ৰাইজক শিক্ষানুষ্ঠান সমূহৰ লগত জৰিত কৰিব পাৰি তাৰ বাবে চিন্তা চৰ্চ্চা কৰিব লাগিব। তাৰোপৰি পৰিচালনা কমিটি গঠন কৰাৰ ক্ষেত্ৰত সমাজৰ বৰমূৰীয়া নেতৃস্থানীয় শিক্ষিত লোক সকলক এই অনুষ্ঠান সমূহত জৰিত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আজি এটা লিখিত প্ৰশ্নৰ উত্তৰত শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে বৰ্ত্তমান স্কুল ঘৰৰ নিৰ্ম্মানিৰ ক্ষেত্ৰত মঞ্জুৰী দিয়া হোৱা নাই। কিন্তু অসম গণ পৰিষদ চৰকাৰে স্কুলঘৰ নিৰ্ম্মনৰ বাবে মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত কৃৰ্তিত্ব দাবী কৰিব পাৰে। আমি জানো আমাৰো বহুতো ভুল হৈ গৈছে, কিন্তু আপোনালোকে আমি যিখিনি ভাল কৰিছিলো সেইখিনি অনুকৰণ কৰিব বুলি আশা কৰিলো। ইতিমধ্যে আমি শুনিব পাইছো যে, 'অপাৰেচন বেষ্কবোৰ্ডৰ' বাবে ১৪ কোটি টকা আছে। এই ১৪ কোটি টকাৰে প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ গৃহ নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰক। মই এইখিনিতে মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীক এইটো ভাল কাম হলেও মই বন্ধ কৰিবলৈ আহ্বান জনালো। এই কথাটো হ'ল কোনো মন্ত্ৰীয়ে যাতে কোনো অঞ্চললৈ গৈ কোনো শিক্ষানুষ্ঠানক টকা দিব নালাগে। আৰু কৰবাত দিব লগা হলেও ভি, আই বা এচ, আই লগত আলোচনা কৰিহে দিব লাগে। মোৰ সমষ্টিতে এখন স্কুলত মাননীয় মুখ্য মন্ত্ৰীৰ চিনাজনা থকাৰ কাৰণে ৬০ হাজাৰ টকা দি আহিলগৈ। এইটো মোৰ সমষ্টিটে হোৱা কাৰণে মই আপত্তি কৰা নাছিলো। তথাপি জনাওঁ যে, উক্ত স্কুলখনত শিক্ষক আছে ১১ জন আৰু ছাত্ৰ আছে ২২ জন। গতিকে মন্ত্ৰীৰ জনা শুনা থাকিলেই তেনেকৈ জধেমধে টকা দিব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, ভি, পি, আইজনক দুবছৰৰ কাৰণে এস্কটেনচন দিয়া হৈছে। ইয়াৰ ফলত বাকী বিষয়াসকলৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে। কিন্তু এই ভি, পি, আইজনক এস্কটেনচন দিয়াটো সমীচিন হোৱা নাই। আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ শিক্ষানুষ্ঠান সমূহত ছাত্ৰ সমাজৰ মাজত ৰাজনীতিয়ে গা কৰি উঠিছে। এই ক্ষেত্ৰত আমি শাসক দলেই হওঁক বা বিৰোধী দলেই হওঁক আশস্ত হব লাগে। অসমৰ ভবিষ্যতৰ কাৰণে আমি এই ৰাজনৈতিক হেঁচা কম কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত বাতৰি কাকত সমূহত যিবিলাক বাতৰি পৰিবেশন হয় এই বিলাকেওঁ বহুতো অসুবিধাৰ সৃষ্টি কৰিছে। মই শেষত প্ৰাইমাৰী স্কুলৰ যিবোৰ অৱসৰ প্ৰাপ্ত শিক্ষকে পেঞ্চন পোৱা নাই তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। তাৰোপৰি আমাৰ যি বিলাক প্ৰাইমেৰী স্কুলৰ কেন্দ্ৰীয় শিক্ষক আছে সেই ব্যৱস্থা বন্ধ কৰিব লাগে। কাৰণ তেওঁলোকে মাত্ৰ শিক্ষকৰ দৰ্ম্মহাপাতি দিয়াতো ব্যস্ত থাকে।

শেষত মই ইয়াকে কওঁ যে, যিবিলাক প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ চাকৰিৰ চৰকাৰীকৰণ হোৱা নাই সেইবিলাক চৰকাৰী কৰণ কৰাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লব বুলি অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰী আলাউদ্দিন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ সৰ্মৰ্থনত মোৰ বক্তব্য ৰাখিব খুজিছো। শিক্ষাৰ ক্ষেত্ৰত যিখিনি টকা ধৰা হৈছে সেইখিনি কবলৈ গলে অতি কম হৈছে। আমাৰ শিক্ষা ব্যৱস্থাৰ উন্নতিৰ কাৰণে বহুতো আয়োগ কৰিলে। মদালিয়া আয়োগ, ৰাধাকৃষ্ণন আয়োগ, কোঠাৰী আয়োগ আৰু পিছত যদি আৰু কিবা আয়োগ আছে মই নাজানো। বৰ্ত্তমান আমাৰ শিক্ষা ব্যৱস্থা বহুত পৰিবৰ্ত্তণ হৈছে, কিন্তু শিক্ষাৰ ক্ষেত্ৰত আমি যিমান খিনি আগবাঢ়ি যাব লাগিছিল আমি সিমান আগবাঢ়ি যাব পৰা নাই। ১৯৮৫ চনৰ ভিতৰতে আমাৰ দেশৰ পৰা নিৰক্ষৰতা দূৰীকৰণ হব লাগিছিল। কিন্তু সেইটো হোৱা নাই। ইউনেচকোৰ এটা ৰিপোৰ্টত কোৱা হৈছে যে একবিংশ শতিকাত আমাৰ দেশৰ নিৰক্ষৰতা ক্ষেত্ৰত প্ৰথম হব। এসময়ত আমি স্কুলত পঢ়া সময়ত আমাৰ কিতাপ আছিল মাত্ৰ ৮/১০ খন। কিন্তু মই নিজৰ লৰা ছোৱালীৰ ক্ষেত্ৰত দেখিছো যে কিতাপৰ বোজা বহুত বাঢ়ি গৈছে। কোনোবা এজনে কৈছে যে এইবোৰৰ দ্বাৰা লৰা ছোৱালীৰ মূৰ ছোবাই খোৱা হৈছে। আমাৰ দেশতে তিনিখন লিষ্ট আছে। এখন ষ্টেট লিষ্ট, এখন ইউনিয়ন লিষ্ট, এখন কংকাৰেন্ট লিষ্ট। বহু সময়ত শিক্ষানীতি নিৰ্দ্ধাৰণৰ কাৰণে কেন্দ্ৰীয় নীতিয়েই গ্ৰহণ কৰা হয়। নতুন শিক্ষানীতিৰ কালত নবোদয় বিদ্যালয় খোলাৰ ব্যৱস্থা কৰিছে। তাৰ ফলত যিখিনি উচ্চ পৰিয়ালৰ মানুহ তেওঁলোক ওপৰলৈ গৈ থাকিব আৰু বাকীখিনি মানুহ তললৈ গৈ থাকিব। আজি অসমত ইংৰাজী স্কুল খোলাৰ প্ৰতিযোগিতা চলিছে। অকল চহৰতেই নহয় গাওঁ অঞ্চলতো এনে স্কুল গঢ়ি উঠিছে। এইবোৰ কি কাৰণে হৈছে অলপ চিন্তা কৰি চাব লাগে। আমি ৰাজ্যপালক ভাষণটো অসমীয়াত দিবলৈ অনুৰোধ জনাইছিলো। তেখেতে আমাক আশ্বাস দিছিল কিন্তু তেখেতে ভাষণত এটাও শব্দ উচ্চাৰণ নকৰিলে। আমি নিজকে পাহৰি যোৱাৰ অৱস্থা হৈছে। দেখা গৈছে যে শিক্ষা ব্যৱস্থা সংকোচিত হৈ গৈ আছে। আমি অসমখনক ভাৰতৰ ভিতৰতে পিচ পৰা বুলি কওঁ। কিন্তু আমাৰ শিক্ষাবিদসকলে অসমখনক অকল ভাৰতৰ ভিতৰতে নহয় গোটেই এচিয়াৰ ভিতৰতে সম্পদৰ ফালৰ পৰা আগবঢ়া ৰাজ্য বুলি কব বিচাৰে। এতিয়া আমি টিভি চাব পৰা হৈছো। পৃথিৱীখন ঘৰৰ ভিতৰতে চাব পৰা হৈছো। এই বিলাকৰদ্বাৰা আমাৰ চৰকাৰে আমাক ভূলাই ৰখাৰ এটা ব্যৱস্থা কৰিছে যাতে আমি সমস্যা বিলাকৰ প্ৰতি চকু দিব নোৱাৰো। চৰকাৰী হিচাপ মতে আমাৰ অসমত সাক্ষৰতাৰ হাৰ শতকৰা ৫৩ ভাগ। এই হিচাপত কেনেবোৰ মানুহক ধৰিছে নাজানো। বোধহয় চহী কৰিব পৰা জনৰ পৰা একেবাৰে মুধাফুটা পণ্ডিত জনলৈকে এই হিচাপত পৰিছে। শিক্ষাৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীৰ এটা দায়িত্ব থাকে। গতিকে বিভাগীয় মন্ত্ৰীয়ে এই শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ কাৰণে অলপ চকু দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ আগতেই কৈছো যে আমাৰ ধুবুৰী জিলাৰ ইতিপূৰ্বে কেবাজনো কেবিনেট মন্ত্ৰী আছিল। আনকি চিফ-মিনিষ্টাৰো ধুবুৰী জিলাৰ পৰা পাইচিলো। আমি বহু সময়ত তাৰোপৰি বহু উপহাৰ ৰাজ্যলৈ আগবঢ়াই দিলো। কিন্তু আজি তাৰ ফলত আমি কি পালো। ধুবুৰী জিলা আগৰ নিচিনাকৈ পিচপৰি থাকিল বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত বেয়াকৈ পিচপৰি থাকিল। কোনোবা মন্ত্ৰী এজনে কৈছিল ধুবুৰী জিলাৰ মানুহে মূৰৰ ঘাম মাটিত পেলাই কঠোৰ পৰিশ্ৰম কৰি কৰবাত যদি দুটা টকা পাই তাতো তেওঁ সন্তুষ্ট হয়। ওপৰলৈ থুই ছতিয়ালে নিজৰ গাতে পৰিব, কোন চৰকাৰে কি কৰিলে এই কথা বিলাক কবলৈ গলে বৰ দীঘলীয়া হব। আগৰ চৰকাৰৰ দিনত আঞ্চলিক বৈষম্যতা দূৰ কৰাৰ কাৰণে চেষ্টা কৰিবলৈ কৈছিল। কিন্তু দুখৰ বিষয় এইবাৰ ৰাজ্যপালৰ ভাষণত এই আঞ্চলিক বৈষম্যতা দূৰীকৰণৰ সম্পৰ্কত কোনো ধৰণৰ কথা উল্লেখ কৰা দেখা নাপালো। আনকি বাজেট বক্তৃতাটো তেনে ধৰণৰ কথা দেখা নাপালো। কেবাজনো সদস্যই কৈছে যে আমাৰ উত্তৰ পাৰতো হেনো একেবাৰে পিচপৰা। আমি ক'ত যাম। ধুবুৰীত সচাঁই আটাইতকৈ পিচপৰা। কিন্তু যেতিয়া বৰাকত গলো তেতিয়া তেওঁলোকে কলে তেওঁলোকেহে বেচি পিচপৰা। যেতিয়া শদীয়ালৈ গলো তেতিয়া কলে আমাৰ শদীয়াখন আটাইতকৈ পিচপৰা। এতিয়া পিচপৰা কোন সেই লৈ প্ৰতিযোগিতা চলিছে। এই পিচপৰা মাপকাঠি এতিয়া কোনে দিব? ১৯৯১ চনত যেতিয়া বিলাসীপাৰাত এখন বিৰাট ৰাজহুৱা সভা বহিছিলি সেই খন সভাত মাননীয় মুখ্য মন্ত্ৰী গৈছিল। ধুবুৰী শিক্ষাক্ষেত্ৰত পিচপৰা। তেখেতে সিক্ষাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত অসমত যিটো বৈষম্য হৈছে সেইটো দূৰ কৰা হব আৰু সেই মৰ্ম্মে ধুবুৰীৰ ভোলা নাথ কলেজত এম, এ আৰু এম, এ, চিৰ পাঠ্যক্ৰম খোলা হব। কিন্তু আজিলৈকে ৯৩ চন পালেহি তাত সেই পাঠ্যক্ৰম আৰম্ভ কৰা নহ'ল। তাৰোপৰি পানবাৰীত এখন পলিটেকনিক ইনষ্টিটিউট খোলা হব বুলি আমাক আশ্বাস দিছিল আৰু সেই মতে আমি মাটি ধৰি ৰাখিছিলো। কিন্তু ব্যৱহাৰ কৰা নহল। আপোনালোকে জানে গোৱালপাৰা অভিবক্ত জিলা। ৪ টাকৈ সমষ্টি অঞ্চলত অৱস্থিত। তাতো কোৱা হৈছিল যে সীমান্ত অঞ্চলৰ পিচপৰা অৱস্থাতো দূৰিকৰণ কৰা হব কিন্তু এতিয়া গোৱালপাৰা জিলা ভাগ হোৱাৰ পাচত ধুবুৰী, কোকৰাঝাৰ আৰু বঙ্গাই গাওঁ জিলা হ'ল কিন্তু এই জিলা বিলাকৰ ভিতৰত ধুবুৰীহে আটাইতকৈ পিচপৰা। আনহাতেদি আজিকালি সীমান্ত অঞ্চল বুলিলে কেৱল অৰুণাচল সীমা, নাগালেণ্ড সীমা আৰু মেঘালয়ৰ সীমাৰ কথাহে কয় কিন্তু পশ্চিম বঙ্গ আৰু অসম সীমাৰ কথা কোৱা নহয়। নহলেনো নগালেণ্ডৰ মানুহে অসমৰ মানুহৰ মাটি দখল কৰি লব পাৰেনে? তেওঁলোকে কয় যে যিহেতু নগালেণ্ড নগাৰ শেষত লেণ্ড শব্দটো লগাই দিছে, গতিকে যতেই লেণ্ড পাব সেই লেণ্ড তেওঁলোকে নিজৰ বুলি ধৰি লব আৰু দখল কৰিব। সেই একেদৰে এতিয়া মেঘালয়ে খানাপাৰা আনকি দিশপুৰলৈকে আগবাঢ়ি অহাৰ উপক্ৰম কৰিছে কিন্তু এই কথাবিলাক বৈষম্য দুৰীকৰণৰ দিশত চিন্তা কৰি

চোৱা হোৱা নাই। আজি শিক্ষাৰ ক্ষেত্ৰত পশ্চাদঘাটিমূলক নীতি লোৱা হৈছে। সেই নীতি সুচাব লাগিব। শিক্ষাৰ সম্প্ৰসাৰণ কৰিব লাগিব। আমি বাহিৰত কব লাগিব যে শিক্ষাৰ ক্ষেত্ৰত অসমখন আন আন ৰাজ্যতকৈ উন্নত। ঠিক সেইদৰে আমাৰ ধুবুৰী জিলাত যদি শিক্ষাৰ প্ৰসাৰণৰ ক্ষেত্ৰত বিশেষ জোৰ দিয়া হয় তেতিয়াহলে ওচৰৰ ৰাজ্য পশ্চিম বঙ্গৰ লগত বাকীবোৰ ..........। ইয়াৰ আগতে মুখ্যমন্ত্ৰী মহোদয়ে নিজেই ১২ খনকৈ স্কুল এলপি ডেন্সাৰ বিধায়ক সকললৈ আগবঢ়াইছিল। কিন্তু শিক্ষা মন্ত্ৰীয়ে এই ক্ষেত্ৰত নিজে বিশেষ সহাৰী দিয়া নাছিল। শিব শুই ওজা ডাঙৰীয়াই দিবলে হোনো বাধা দিছিল। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে নিজে দিছে। ধুবুৰী জিলাখন ১৯৮৮ চনৰে পৰা পিচপৰা আছে, আৰু তেতিয়াৰে পৰা এই জিলাখনত বেকলগ বহুত আছে কিন্তু সেই বেকলগ বিলাক পুৰ কৰা হোৱা নাই। গতিকে ১৯৭৯-৮০ চনৰ যিবিলাক স্কুল লবলগীয়া আছিল সেই স্কুলবিলাক চৰকাৰে লব লাগে। গতিকে ১৯৭৯ চনলৈকে বাকী থকা স্কুলখিনি লব লাগে। অসমৰ বিভিন্ন অঞ্চলত অৱশ্যে এতিয়াও যথেষ্ট স্কুল চৰকাৰে লবলগীয়া হৈ আছে। আহে যদিও অগ্ৰাধীকাৰ দি ধুবুৰী ডেন্সাৰ প্ৰাথমিক বিদ্যালয় সমূহৰে ১৯৭৯ চনৰ গোটেই কেইখন প্ৰাদেশীকৰণ কৰিব লাগে। চৰকাৰে গুৰুত্ব সহকাৰে খৰতকীয়া ব্যৱস্থা কৰিব লাগে।

ব্যৱসায়ৰ ক্ষেত্ৰত ধুবুৰী প্ৰথম। শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যৰ ভিতৰত আটাইতকৈ পিচপৰা। সেই কাৰণে শিক্ষা সম্প্ৰসাৰণ কৰাৰ কাৰণে চৰকাৰ আগবাঢ়ি আহক। শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈ আগবাঢ়ি আহক, আমি সহায় সহযোগিতা আগবঢ়াম। বহুত বক্তাই কবলৈ বিচাৰি আছে। সেই কাৰণে এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰীডেৰহাগ্ৰা মুচাহাৰী** ঃ অধ্যক্ষ মহোদয়, মই মাত্ৰ ২-৩ মিনিট কম। মই কওঁ যে অসমখন উন্নত কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰত উন্নত অঞ্চল আৰু ভিতৰুৱা অঞ্চল সমানে আগবঢ়াই লৈ যাব লাগে। আমি দেখিছো যে ভিতৰুৱা অঞ্চল বিলাকৰ কাৰণে শিক্ষা যিমান দৰকাৰ সেইটো কোন জনে চিন্তা কৰি চাইছে। আমাৰ ভিতৰুৱা অঞ্চলৰ কিছুমান গাৱঁত উল, পি আৰু এ মই স্কুলত শিক্ষকতা কৰিব পৰা লৰা আছে। কিন্তু সেই সকল শিক্ষিত নিবুনাৱাই চাকৰি নাপায়। বিশেষকৈ মোৰ সমষ্টিত ৰেল লাইনৰ আশে-পাশে থকা শিক্ষিত লোক সকলৰ লৰাই বেচিকৈ চাকৰি পায়। মোৰ সমষ্টিত কিছুমান লৰা আছে, ঘৰৰ অৱস্থা বেয়া, কোনোমতে হাজিৰা কামলা কৰি লৰাক মেট্ৰিক, আই, এ পাচ কৰাইছে, তেনে ধৰণৰ লোকে চাকৰি নাপায়। তাৰোপৰি কি হৈছে? সেইবিলাক অঞ্চলত দূৰৰ লোক গৈ চাকৰি কৰিছে আৰু ২-৩ বছৰ শিক্ষকতা কৰাৰ পিচত পোষ্ট সহ বদলি লৈ আহে। সেই বিলাক ভিতৰুৱা অঞ্চলত কোন থাকিব? কোনো কোনো স্কুলত দুয়োজন শিক্ষকে বদলি লৈ আহিছে। মোৰ সমষ্টিত এশখন স্কুলত এজন মাষ্টৰ আৰু দহখন স্কুলত মাষ্টৰ নাই। এটা কথা বুজিব পৰা নাই সেইটো

★ Speech not corrected

হল প্ৰাইমাৰী লেভেলত এজনীয়া মাষ্টৰৰ পলিচি কি? অফিচাৰ বিলাকে খুব সম্ভৱ পলিচিটো কেনেকৈ এপ্লাই কৰিব লাগে বুজিব পৰা নাই। দাবোল মিদিয়ামৰ স্কুল বিলাকত বড়ো মাধ্যমৰ এজন আৰু অসমীয়া মাধ্যমৰ এজন মুঠ দুজন শিক্ষক আছে। তেওঁলোকে কব খোজে এইটোৱেই দাবোল টিচাৰৰ পলিচি। মোৰ বোধেৰে এইটো দাবোল টিচাৰৰ পলিচি নহয়। কাৰণ বড়ো মাধ্যমৰ জনে অসমীয়া পঢ়াব নোৱাৰে আৰু অসমীয়া মাধ্যমৰ জনে বড়ো পঢ়াব নোৱাৰে। গতিকে দাবোল টিচাৰৰ পলিচি কি? মই ভাৱো দুটা মাধ্যম থকা স্কুলত প্ৰতি মাধ্যমৰ বাবে দুজনকৈ শিক্ষক হ'ব লাগিব। তাৰোপৰি যিবিলাক স্কুলৰ দুয়োজন মাষ্টৰে পোষ্ট সহ বদলি লৈ আছে সেই স্কুল বিলাকৰ অৱস্থা কি হ'ব? এনেকুৱা কিছুমান স্কুল আছে যত ৪-৫ বছৰ ধৰি স্কুললৈ যাব নালাগে, দৰ্মহা লৈ আছে সেই বিলাক ক্ষেত্ৰত নিশ্চয় চকু দিব লাগে। যদি এইটোৱেই হয় তেন্তে অনুন্নত অঞ্চলৰ লোক সকলে কেনে ধৰণে শিক্ষা অৰ্জন কৰিব? বড়ো অধ্যুষিত অঞ্চলৰ বড়ো মাধ্যমৰ স্কুল বিলাকৰ কাৰণে বড়ো মাধ্যমৰ কিতাপ চপোৱাত অলপ অসুবিধা হৈছে যাৰ ফলত ভিতৰুৱা অঞ্চলত বড়ো মাধ্যমৰ কিতাপ পোৱা নাযায়। এতিয়া বড়ো মাধ্যমৰ কিতাপ চপোৱা বন্ধ কৰি দিছে। বড়ো মাধ্যমৰ শিক্ষকে কয় বড়ো মাধ্যমৰ কিতাপ নচপায়। ফলত উন্নত অঞ্চলৰ লোক সকলৰ দৰে ভিতৰুৱা অঞ্চলৰ লোক সকলে শিক্ষা লাভ কৰিব নোৱাৰিব। তাৰোপৰি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ভিতৰুৱা অঞ্চলৰ কাৰণে শতকৰা ১০ ভাগ মেইনটেইন কৰা হৈছে। অনুন্নত লোকসকলৰ মাষ্টৰ নিযুক্তিৰ ক্ষেত্ৰত ১০ পাৰ্চেন্ট মেইন শিক্ষাৰ ক্ষেত্ৰত পাৰ্চেন্টেজ বঢ়াব লাগিব। তেতিয়াহে উন্নত লোক সকলৰ সমানে আগবাঢ়ি যাব পাৰিব। এইটোৰ ক্ষেত্ৰত চৰকাৰে মনোনিৱেশ কৰিব লাগিব। দেশৰ উন্নতিৰ হকে, সমানে আগবঢ়াই নিবৰ কাৰণে ব্যৱস্থা লব লাগিব। এই খিনিকে কৈ মই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয় শিক্ষা বিভাগের খরচের জন্য যে দাবী মঞ্জুরী উৎথাপন করেছেন আমি তার বিরোধীতা করছি এবং এর উপর যে কর্তন প্রস্তাব উৎথাপন করা হয়েছে আমি তা সমর্থন করে বলতে চাই যে শিক্ষা মন্ত্রী মহোদয় যত টাকা দাবী করেছেন তার কোন প্রয়োজন নেই। কারন আমার বিশ্বাস এই বিভাগে যত টাকা প্রয়োজন তার চেয়ে অনেক বেশী টাকা খরচ করে চলেছে। আমাদের হাইস্কুল, এম ই স্কুল বা এল পি স্কুল গুলিতে যে ভাবে শিক্ষক নিয়োগ করা হচ্ছে সেটা প্রয়োজনের তুলনায় অনেক ক্ষেত্রেই বেসী। গ্রামাঞ্চলে বিশেষ করে বরক ভেলিতে আমরা দেখেছি যে এমন কিছু স্কুল রয়েছে যেখানে ছাত্র সংখ্যা মাত্র ৪০ জন সেখানে শিক্ষক নিয়োগ করা হয়েছে ৮ জন।

★ Speech not corrected

হাইলাকান্দিতে এমন একটি স্কুল আছে যেখানে ছাত্র সংখ্যা মাত্র ১১ জন অথচ ৯ জন শিক্ষক সেখানে বেতন পাচ্ছে। একজন শিক্ষক ক্লাস নেন আর অন্যান্যরা ঘুরে বেড়ায় — কোন ক্লাস নেয়না। কিন্তু এদেরে নিয়মিত বেতন দেওয়া হচ্ছে এই শিক্ষা ভাগ থেকে। এই ভাবে সরকারী টাকার অপচয় হচ্ছে। স্যার, আমরা যখন স্কুলে পড়তাম তখন দেখেছি যে নিযুক্তি স্কুল পরিদর্শণ হতো। কিন্তু আজকাল কোন পরিদর্শণ করা হয় বলে মনে হয়না। তবে আমাদের জেলায় প্রতি মন্ত্রীর তৎপরতায় এ ব্যাপারে কিছু ব্যবস্থা নেওয়া হয়েছে। কয়েকজন অফিসারকে সাসপেণ্ড করাও হয়েছিল। পরে তাঁরা একটা আন্ডারসেন্ডিং দিয়ে কাজে জোয়েন করেছে। এ ভাবে যদি বিভিন্ন যায়গায় পরিদর্শনের ব্যবস্থা করা হয় বা একশন নেওয়া হয় তাহলে এই বিভাগে কিছু কাজ হবে বলে আমার মনে হয়। শিখকরা সাধারণত ঃ স্কুলে না গিয়ে নানা ধরনের ব্যবস্থা করছে। কেউ কাঠের ব্যবসায় করছে, কেউ দোকানদারী করছে। অথচ মাসের পর মাস সরকার থেকে বেতন পাচ্ছে। আমার বক্তব্য হলো যে যারা স্কুলে শিক্ষকতা করতে চান না তাদেরে যেন ছাঁটাই করার ব্যবস্থা করা এবং তাদের স্থানে অন্যদেরে নিয়োগ করা হয়।

স্যার, আমরা দেখেছি যে দীর্ঘদিন যাবৎ অনেক স্কুলে কোন অডিট হচ্ছে না। এরফলে বিভিন্ন স্কুলে নানা দুর্নীতি চলছে। আমার জানা মতে লালা হাইয়ার সেকেণ্ডারী স্কুলে গত ৩০ বৎসর যাবৎ কোন অডিট হয়নি। আসামের মধ্যে এটাই বোধ হয় একমাত্র স্কুল যেখানে কোন বিশিষ্ট না দিয়েই টাকা কালেক্ট করা হয়। মাসের পর মাস টাকা জমা না দিয়ে হাতে রাখা খা হয়। এই ব্যাপারে নজর দেওয়ার জন্য বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করাছ। আর একটি গুরুত্বপূর্ণ বিষয় হলো যে আমাদের জনতা কলেজের অধ্যক্ষ গত মার্চ মাসে রিটায়ার করার পরও কিভাবে সেখানে শিক্ষকাত করে চলেছেন তা আমি বুঝতে পারি না। এ ব্যাপারে আমি আগেও উল্লেখ করেছি। কিন্তু কোন উত্তর পাই নি। মাসের পর মাস উনাকে সরকার থেকে বেতন দেওয়া হচ্ছে। নিশ্চয়ই এটা সরকারী টাকার অপচয় হচ্ছে। সুতারাং এ ব্যাপারে নজর দেওয়ার জন্য মন্ত্রী দেওয়ার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

সর্বশেষে, অর একটি বষিয় উল্লেখ করেই আমার বক্তব্য শেষ করব। সেটা হলো অমাদের স্কুলগুলিতে পড়া শুনার কোন পরিবেশ নেই। এখন অনেক স্কুল আছে যেখানে ছাত্র ছাত্রীদের বসবার জন্য স্কুলে কোন বেঞ্চ নেই, স্কুল আছে কিন্তু স্কুল ঘর নেই। ছাত্রদেরে মাটিতে বসে পড়াশুনা করতে হয়। এই যদি অবস্থা হয় তাহলে শিক্ষকরা শিক্ষকতা করার মানসিকতা পাবে কোথা থেকে। আমরা দেখেছি যে এ, জি, পি, আপলে ফেস্ ম্যানারে স্কুল বিল্ডিং তৈরী করার ব্যবস্থা করা হয়েছিল। ঠিক সেইভাবে যদি বর্তমান

সরকার স্কুল ঘর নির্মানের ব্যৱস্থা করেন তাহলে শিক্ষকরাও ক্লাস না করার কোন অজুহাত দেখাতে পারবে না এবং স্কুলে একটা শিক্ষার পরিবেশ সৃষ্টি হবে বলে আমি মনে করি। এই বলে কর্তণ প্রস্তাৱ সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

★ **শ্রীবদন চন্দ্র বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বেচি সময় নলও। দূৰদৰ্শনৰ নিউজ পঢ়ি দিয়াৰ দৰে পঢ়ি দিম। আজি আম্যৰ গাওঁ বিলাকত এজনীয়া শিক্ষক দিছে। একোখন প্ৰাথমিক বিদ্যালয়ত কমেও ৫০ জন ছাত্র-ছাত্রী থাকে। আৰু বিদ্যালয় সমূহত চাৰিটা শ্ৰেণী থাকে। ইমান সংখ্যক ছাত্র-ছাত্রীলৈ চাৰিটা শ্ৰেণী এজন শিক্ষকে পাঠ দান কৰা মানে 'চাৰা বুলিহে কব, অৰ্থাৎ গৰু চাৰাৰ নিচিনাকৈ শিক্ষকে ছাত্র-ছাত্রীক চাৰাৰ নিচিনা হব। সেইকাৰণে অতি সোনকালে শিক্ষকৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই এটা কথা বিচাৰিছো, শিক্ষা বিভাগত শিক্ষাধিকত্ত, ডি-আই আদি বদলি হব পাৰে। কিন্তু কোনো শিক্ষককে বদলি কৰিব নোৱাৰে। বিশেষকৈ মই হাজোৰ কথাকে কৈছো। শিক্ষক সকলে কয় আমাক খেদা কোন বেটা আছে'। শিক্ষক সকলে আজি ঠিকা কৰে, মেলকি কৰে কৰ্টলৈ যায়। গতিকে মই শিক্ষকৰ বদলিৰ ব্যৱস্থাটো সোনকালে কৰিব লাগে বুলি শিক্ষা মন্ত্রীক অনুৰোধ জনাওঁ। লগতে এজনীয়া শিক্ষকৰ স্কুল বিলাকত দুজনীয়া শিক্ষক দিব লাগে। সিদিনাও মই প্ৰাক্ প্ৰাথমিক স্কুল বিলাকৰ কথা কৈছো ৬ বছৰলৈ ল'ৰা-ছোৱালীক প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্ত্তি কৰিবলৈ নিদিয়াৰ কাৰণে প্ৰাক্ প্ৰাথমিক ব্যৱস্থা কৰিব লগা হৈছে। বৈজ্ঞানিক এটা সমীক্ষা মতে তিনি বছৰৰ পৰা ছয় বছৰলৈ ল'ৰা-ছোৱালীবিলাকৰ মনোবিকাশ হয়। আৰু সেই খিনিৰ সময়তে শিক্ষা দানৰ ব্যৱস্থা কৰিব লাগে। মই ভাবো তেতিয়া শিক্ষাৰ ড্ৰপ আউটটো কমি যাব। ইউনিভাৰচেল এডুকেচনৰ পাঠ্যক্ৰমৰ ব্যৱস্থাটোহে আচল ব্যৱস্থা। মই বিশেষকৈ হাইস্কুল পাঠ্যক্ৰমত জড়িত আছো। এই পাঠ্যক্ৰম যি ধৰণে কৰা হৈছে এটা প্ৰশ্ন কৰিব বিচাৰিছো আমাৰ লেবৰটৰি সংখ্যা কিমান আছে। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে লেবৰটৰী নথকাকৈ বিজ্ঞান শ্ৰেণী হব নোৱাৰে। স্কুল বিলাকত ট্ৰেষ্ট টিউপ নাই। বেজ্ঞানৰ যিখিনি আন সা-সজুলি আছে, সেইখিনিও ৰাখিবলৈ ঠাই নাই। ট্ৰেষ্ট টিউপ নথকাৰ কাৰণে শিক্ষক সকলে বুঢ়া আঙুলি দেখুৱাই কয় ধৰি লোৱা এইটো এটা ট্ৰেষ্ট টিউপ। এই ধৰণৰ শিক্ষা ব্যৱস্থাই কোনো ধৰণৰ উন্নতি কৰিব নোৱাৰে। মই দৌৰা দৌৰিকৈ কৈ গৈছো। আমাৰ শিক্ষা মন্ত্ৰী এজন ৰবীম ভোলা মানুহ। যতে যি হয় তাকে কয়। মহাদেৱৰ নিচিনা। হয়তো কামটো হওঁক বুলিহে তেখেতে কয়। পিচে এটা কথা আছে এটা বৰ আছিল যে যাৰ মূৰত হাত দিব সিয়ে মৰিব। সেইটোৱে হৈছে। তেখেতে নিজে চামতাৰ এখন ৰাজহুৱা সভাত কৈছিল যে — ৯২ চনৰ অক্টোবৰ মাহৰ ভিতৰত কলেজ কৰ্মচাৰী সকলৰ চাকৰী প্ৰাদেশিকীকৰণ

★ Speech not corrected

কৰা হব। যাৰ ফলত তেওঁলোকে পেঞ্চন আদি পাব পাৰে। তেখেতে সেই প্ৰতিশ্ৰুতি আজিও পালন কৰা হোৱা নাই। মই নতুন শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে এই কামটো কৰে। শিক্ষা বিভাগত বোধকৰো এটা কথা আছে। আগৰ পৰা আলোচনা কৰি আছিল যে মন্ত্ৰী সভা সলনি হলে ভূমি বৰ্মন শিক্ষাত নাথাকিব। সেয়েহে আজি কিছু দিনৰ পৰা তেখেতে লিখা কথা বিলাক লিখা হৈয়ে থাকিল। কামত নাহিল। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

★ **শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাগত মাত্ৰ দুই মিনিট পৰিল। এইখিনিতে ৰবি ঠাকুৰৰ কবিতা এফাঁকি মনত পৰিছে। “জাহা ছাই তাহা পাইনা, জহা পাই তাহা চাইনা”। এনেয়ে অধ্যক্ষ মহোদয়ে মোক ভাল পায়। তেখেতে দেখিলে মোক মাতে.....আহক পাটোৱাৰী, একাপ চাহ খাই যাও, তেতিয়া কিন্তু মোৰ চাহ খাবৰ ইচ্ছা নাথাকে আৰু নাযাওঁ। কিন্তু আজি ইচ্ছা আছিল, নাপালো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু এক মিনিট সময়হে আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ মহোদয়, মই তেতিয়া হলে নোকোৱাই ভাল নেকি। শিক্ষা বিভাগৰ কথা হ'ল .................

**Mr. Speaker :** Now it is 7.00 p.m.

I guillotine all the remaining Cut Motions.

I now put all the remaining Demands for Grants Nos. 26, 30, 31, 32, 33, 34, 35, 36, 37, 38, 39, 40, 41, 42, 43, 44, 45, 46, 47, 48, 49, 50, 51, 52, 53, 54, 55, 56, 57, 58, 59, 60, 61, 62, 63, 64, 65, 66, 67, 68, 69 and 70 for approval of the House.

Those who are in favour say, 'Ayes', those who are against say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Demands for Grants Nos. 26, 30, 31, 32, 33, 34, 35, 36, 37, 38, 39, 40, 41, 42, 43, 44, 45, 46, 47, 48, 49, 50, 51, 52, 53, 54, 55, 56, 57, 58, 59, 60, 61, 62, 63, 64, 65, 66, 67, 68, 69 and 70 for are passed.

Now, Item No. 3(a)

Minister, Finance to move.

★ Speech not corrected

## INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (NO II) BILL. 1993

**Shri Jiba Kanta Gogoi (Minister, Finance) :** Mr. Speaker Sir, I beg I leave to introduce 'The Assam Appropriation (No. II), Bill, 1993.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce 'The Assam Appropriation (No. II) Bill, 1993?

Here is a message from Governor of Assam dated 27.3.93

"RAJ BHAVAN

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No. II) Bill, 1993.

Sd/- Loknath Misra.

(LOKNATH MISRA)

Governor of Assam"

**Shri Jiba Kanta Gogoi (Minister, Finance) :** Mr. Speaker Sir, I beg to introduce the 'Assam Appropriation (No. II) Bill, 1993.

(Secretary, Assam Legislative Assembly read out the title of the Bill)

**Mr. Speaker :** Now item No. 3

Here is a message from Governor of Assam dated 27.3.93.

"RAJ BHAVAN

27.3.93

GUWAHATI

Under the provision of Article 207(3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Appropriation (No. II) Bill, 1993 be taken into consideration by the Assam Legislative Assembly.

Sd/- Laknath Misra,

(LOKNATH MISRA)

Governor of Assam"

★ **Shri Jiba Kanta Gogoi (Minister, Finance) :** Mr. Speaker Sir, I beg to move that the Assam Appropriation (No. II) Bill, 1993 be taken into consideration.

**Mr. Speaker :** Now, Hon'ble Member Shri Prafulla Kumar Mahanta.

★ **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত :** অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং-II) বিধেয়ক ১৯৯৩ ৰ জৰিয়তে সদনৰ সন্মুখত মুঠ ৪,৪১৬ কোটি টকা ধৰিছে। এই ক্ষেত্ৰত মই কেইটামান বিষয়ৰ প্ৰতি বিত্তমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আৰু এই সম্পৰ্কে এটা স্পষ্টীকৰণ বিচাৰিছো। গ্ৰান্ট নং ৩ ত প্ৰশাসনিক ন্যায়ৰ কথা উল্লেখ আছে। ইয়াত তিনিটা হেড আছে। হাইকোৰ্টত ইমফল, আগৰতলা আৰু চিলং এইবিলাক বেঞ্চৰ কাৰণে দৰ্মহা আদিৰ বাবত ১ কোটি ১১ লাখ ১৫ হেজাৰ টকা ব্যয় কৰা হব। এইটো টকা ৰি-ইম্‌বাৰচ্ হব লাগে। এইটো আমি সকলোৱে জনা উচিত হব যে — যিহেতুকে বেঞ্চ বেলেগ বেলেগ আৰু তাৰ কাৰণে অসম চৰকাৰে ৰি-ইম্‌বাৰচ্ কৰা নাই — গতিকে এই টকা গ্ৰহণ কৰা উচিত নহব। আমাৰ যিবিলাক নতুন কোৰ্ট হৈছে — সেইবিলাকৰ বিচাৰক বহিবৰ কাৰণে আৰু তেখেতসকল থাকিবৰ কাৰণে ঘৰৰ অভাৱ। এই বিলাক সংস্থাপন ব্যয়ৰ কাৰণে মাত্ৰ ১০ লাখ টকা ধৰিছে। মই ভাবো এই ১০ লাখ টকাই নতুন কোৰ্ট সংস্থাপনৰ ব্যয় হিচাবে তেখেত সকলৰ যিখিনি অভাৱ অভিযোগ আছে — সেইখিনি পুৰণ কৰিব নোৱাৰিব। তাৰ ওপৰিও কেন্দ্ৰীয় চৰকাৰে যিটো আঁচনি ঘোষণা কৰিছে — এই বিষয়ত কেনে ধৰণে টকা আহিব পাৰে — তাৰ এটা স্পষ্ট ছবি ডাঙি ধৰা নাই। গতিকে এই বিষয়ত মই ভাবো — অসম চৰকাৰে কেনে ধৰণৰ দৃষ্টি ভঙ্গি হাতত লৈছে — সেইটো উল্লেখ কৰাৰ প্ৰয়োজন আছে।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত গ্ৰান্ট নং ৪ ত নিৰ্ব্বাচনৰ কাৰণে প্ৰায় ৮ কোটি টকা ব্যয় ধাৰ্য্য কৰা হৈছে। আমি জনাত ভোটাৰ তালিকা সংশোধনৰ কাৰণে যিটো প্ৰক্ৰিয়া চলিছে আৰু মুখ্য নিৰ্ব্বাচনী আয়ুক্তই কি কি স্পষ্ট নীতি ঘোষণা কৰিছে আৰু শেষতীয়া ভাবে যিটো নিৰ্দ্দেশ দিছে — সেই নিৰ্দ্দেশৰ প্ৰকৃত ছবি এই সদনৰ মজিয়াত ডাঙি ধৰা হোৱা নাই। ১৯৯০ চনৰ দশকত তেতিয়া মুখ্যমন্ত্ৰী শ্ৰী শইকীয়া ডাঙৰীয়াই আলোচনা কৰাৰ কাৰণে যিটো কথা কৈছিল — সেইটোৱে সম্পূৰ্ণ সম্ভৱ নহয়। ১৯৯০ চনৰ তালিকাখন সংশোধন কৰা হৈছে — আৰু সেই কথা মুখ্য নিৰ্ব্বাচনী আয়ুক্তক জনোৱা হৈছে। অসম চৰকাৰেই হওক বা ভাৰত চৰকাৰেই হওক — বৰ্ত্তমানৰ যিটো ৰাজনৈতিক পৰিস্থিতি — এই পৰিস্থিতিটো কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিছে যে — এতিয়াও ভাৰতত ৪ লাখ বিদেশী আছে আৰু সেইটো সম্পূৰ্ণ শুদ্ধ তালিকা। আজি আমি যদি চৰকাৰ চলাই থাকিলোহেতেন — তেতিয়াহলে নিশ্চয় মুখ্য নিৰ্ব্বাচনী আয়ুক্তৰ যিটো নিৰ্দ্দেশাৱলী — সেইমতে কাম কৰিব পাৰিলেহেতেন। গতিকে এই বিষয়ত নিৰ্দ্দেশাৱলীসমূহ জনসাধাৰণৰ আগত স্পষ্ট ভাবে প্ৰকাশ কৰা উচিত।

---

★ Speech not corrected

অধ্যক্ষ মহোদয়, ইলেকচন কমিচনাৰ নির্দ্দেশ অনুসৰি কাম কৰিলে আমাৰ ৰাজ্যখন, আমাৰ দেশখন উপকৃত হব বুলি মই বিশ্বাস কৰো। অধ্যক্ষ মহোদয়, গ্রেন্ট নং ৬ ইন্দো-বাংলা বর্ডাৰৰ ডিমাৰকেচনৰ কথা কোৱা হৈছে। মই ভাবো যে ইন্দো-বাংলা ডিমাৰকেচন ইতিমধ্যে শেষ হৈছে। বাকী ৰাষ্টা পদুলীয়ে কিছু বাকী আছে। এই ক্ষেত্রত চৰকাৰৰ দৃষ্টিভঙ্গী কি, আৰু টকা যিটো ধৰা হৈছে সেইটো কেনেকৈ খৰছ কৰা হব, সদনক জ্ঞাত কৰা উচিত হব। অসম-অৰুণাচল, অসম-মেঘালয়, ইন্দো-ভূটান বর্ডাৰ, ইন্দো-বাংলাদেশ বর্ডাৰত পিলাৰ দিয়াৰ কাৰণে টকা ধৰা হৈছে। এনেকি নতুন পৰিস্থিতিৰ সৃষ্টি হৈছে নেকি? যে নতুনকৈ পিলাৰ দিব লগা হৈছে। সেই কথা সদনক জনাব লাগে। গ্রেন্ট নং এঘাৰত জিলা প্রশাসনৰ কথা কোৱা হৈছে। এটা কথা আপত্তি আছে যে জিলা প্রশাসনে গোটেই বছৰটোত সভা-সমিতি আদি পতাৰ কাৰণে মাত্র ১০ হেজাৰ টকা পায়। এইটো কম হয়। আনহাতে প্রশাসনৰ আদিৰ কাৰণে ব্যয় ধার্য্য কৰা হৈছে ৭,৬৫,০০০ টকা। এই হেডত যিটো টকা ধৰা হৈছে আজিলৈ কি কি কামত খৰচ কৰা হৈছে আৰু বর্ত্তমান কি কামত খৰচ কৰা হব তাৰ স্পষ্ট দৃষ্টিভঙ্গী চৰকাৰে দাঙি ধৰিব পৰা নাই। গ্রেন্টৰ যোগেদি এই বিলাক কথা স্পষ্টভাবে দাঙি ধৰিব লাগে। অধ্যক্ষ মহোদয়, তাৰ পিচত ২০৫ আদাৰ এডমিনিষ্ট্রেটিভ চার্ভিচ ইত্যাদিৰ কাৰণে মুঠতে ধৰা হৈছে ১,৫৯,১১,০০০ টকা। আৰু এই টকাৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ কিমান অংশ আছে স্পষ্টভাবে দিয়া নাই। এই ক্ষেত্রত চৰকাৰে স্পষ্ট দৃষ্টিভঙ্গী দাঙি ধৰিব লাগে। এই ক্ষেত্রত কামৰ কিমান অগ্রগতি হৈছে সেইটো চৰকাৰৰ তৰফৰ পৰা দাঙি ধৰিব পৰা হলে ইয়াত কিছু কথা স্পষ্ট হৈ পৰিলেহেঁতেন। অধ্যক্ষ মহোদয়, ইযগাৰ উপৰি ২/৩৪০৮ ইয়াত লিখা হৈছে অফিচৰ খৰছ আৰু ফেমিলি আইডেনটিটি কার্ডৰ বাবে ১৯৯২-৯৩ চনত ৭৮,৫৬,০০,০০০ টকা আৰু ১৯৯৩-৯৪ চনত ধার্য্য কৰা হৈছে ৩৯,০২,৮০,০০০ টকা। অধ্যক্ষ মহোদয়, আমাৰ ইয়াত অসমত জনসংখ্যা আছে তাতকৈ আইডেনটিটি কার্ডৰ সংখ্যা বেছি হৈছে নেকি? এইটো প্রকৃত ঘটনাটো কি হৈছে দাঙি ধৰা উচিত হব। যদি যোৱা বছৰ ৭৮,০০,০০,০০০ ধার্য্য হৈছিল আৰু এই বছৰো ৩৯,০০,০০,০০০ টকা ধার্য্য কৰা হৈছে এই বিষয়ে চৰকাৰৰ যিটো দৃষ্টিভঙ্গী সেইটো চৰকাৰৰ তৰফৰ পৰা দাঙি ধৰা উচিত বুলি মই ভাবো। অধ্যক্ষ মহোদয়, ৪৫ নং গ্রেন্টত চেন্সাচ চার্ভিচৰ ক্ষেত্রত ৪,৬৫,৩১,০০০ টকা ধার্য্য কৰা হৈছে। কিন্তু আমি জানো যে যিসকল লোক পিয়লৰ চাকৰি কৰিছিল তেখেত সকলে বিধান সভাৰ সন্মুখত আমৰন অনশন কৰাৰ আজি ৭/৮ দিন হল। চৰকাৰৰ পৰা বিভিন্ন সময়ত নির্দ্দেশ দিয়া হৈছিল যে তেখেতসকলক বিভিন্ন বিভাগে চাকৰি দিব লাগে। কিন্তু চৰকাৰৰ এই নির্দ্দেশ বিভিন্ন জিলা বা চৰকাৰী বিষয়াই বা বিভাগ সমূহে মানি লোৱা নাই। মুখ্যমন্ত্রীৰ পৰা যোৱা নির্দ্দেশ বিভাগ বিলাকে নমনাৰ বাবেই তেওঁলোকৰ পুণৰসংস্থাপন হোৱা নাই। আৰু ইয়াৰ কাৰণে তেওঁলোকে আমৰণ অনশন কৰিছে। তেওঁলোকৰ ক্ষেত্রত চৰকাৰৰ কি দৃষ্টিভঙ্গী

সেইটো স্পষ্টভাৱে কোৱা উচিত। অধ্যক্ষ মহোদয়, আমাৰ বাননিয়ন্ত্ৰন বিভাগৰ সকলো বিলাক কাম কেন্দ্ৰৰ ওপৰত কেন্দ্ৰৰ ধনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। ৰাজ্যিক পৰিকল্পনাৰ সকলো বিলাক আঁচনিতেই এক কোটিৰ বেছি টকা ধৰা কাৰণেই কেন্দ্ৰীয় চৰকাৰলৈ যাব লগা হয় আৰু কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী নাপালে কৰিব নোৱাৰে। বাননিয়ন্ত্ৰন বিভাগৰ আঁচনি বিলাক খণ্ড খণ্ড কৈ কৰি হলেও এক কোটিৰ তলত কৰা হেতেন আঁচনি বিলাক ৰূপায়ন কৰাত সহজ হলঁহেতেন। আমি জানো বাননিয়ন্ত্ৰন বিভাগৰ বিষয়া সকলে এই কথাত বিৰোধিতা কৰিব। কিন্তু শতকৰা ১০০ ভাগ ধণৰ ঠাইত পৰিবৰ্ত্তিত কেন্দ্ৰ-ৰাজ্য অৰ্থনৈতিক সম্বন্ধৰ সুবিধা লৈ চৰকাৰে এই কৰা হেতেন বাননিয়ন্ত্ৰন বিভাগৰ বহু কাম হলহেতেন। ঠিক অধ্যক্ষ মহোদয়, কেন্দ্ৰীয়ভাৱে যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাকৰ ক্ষেত্ৰত যিহেতু পুঁজি আহিব বুলি বৈ থাকিব লাগে তেনে ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ শুদ্ধভাৱে দাঙি ধৰিব পৰা হোৱা নাই। অধ্যক্ষ মহোদয়, মই ভাবো বাজেট অধিবেশনত গ্ৰেন্টৰ ওপৰত আলোচনা কৰাৰ পদ্ধতি চৰকাৰে এটা বেলেগ ভাবে উলিয়াই লব লাগে। কিয়নো এটা গ্ৰেন্ট যদি ভালকৈ আলোচনা কৰিব পৰা যায় তেতিয়াহলে তাত থকা আসোৱাহ সমূহ উলিয়াই লোৱাত চৰকাৰৰ সহায় হব। এই ক্ষেত্ৰত মই আৰু বিশেষ কথা কব খুজা নাই। ইযগাৰ বাহিৰেও চাইন্স এণ্ড টেকনোলোজি আৰু নন কন্‌ভেনচনেল এনাৰ্জিৰ ক্ষেত্ৰত কিমান টকা ধৰা হৈছে আৰু আগতে ধৰা টকা কেনে ভাবে ব্যয় কৰা হৈছে আৰু ওৱাইল্ড লাইফ সংৰক্ষণৰ ক্ষেত্ৰত এক হাজাৰ কোটি ধৰা হৈছে যদিও এই টকা কেনেভাবে ব্যয় কৰিব তাৰ কোনো স্পষ্ট উল্লেখ কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, মানাস অভয়াৰণ্যৰ বিষয়ে কাগজে পত্ৰে বহু কথা ওলাইছে, কাজিৰঙাৰ বিষয়েও ওলাইছে। নগাওঁ জিলাৰ লাউখোৱা, অভয়াৰণ্যৰ বিষয়েও ওলাইছে। এতিয়া গড় শেষ হল, কাঠ আদিও শেষ হোৱাৰ অৱস্থা। গছ-গছনি সকলো শেষ হবলৈ ধৰিছে। পুলিছে কটা গছ ধৰিছিল যদিও সেই কাঠ বিলাক এটা শিক্ষানুষ্ঠানৰ নামত খটুৱাবৰ কাৰণে অনা বুলি কোৱাত পুলিছে সেইবিলাক এৰি দিয়ে। এই ব্যৱস্থাৰে মানুহে গছ নিয়েই আছে। লাউখোৱাৰ অভয়াৰণ্যৰ কাঠ তেনেকৈ কাটি আছে। অধ্যক্ষ মহোদয়, ইয়াৰ উপৰি এটা ঘটনা হৈছে, বঢ়াচাপৰি ৰিজাৰ্ভ আগতে নগাওঁ জিলাৰ ভিতৰত আছিল। নদীখন আহি বেলেগ কৰা কাৰণে নগাওঁ প্ৰশাসনে তাত বহিবলৈ অনুমতি দিয়া নাছিল যগিও শোণিপুৰৰ পৰা কৌশলগত ভাবে খুটি কৰি বহু মানুহ বহি লৈছে। গড় আৰু অন্যান্য জন্তুবিলাক নিধন কৰাৰ ফাণ্ড পাতিছে। এই সম্পৰ্কেও বহু কথা ইতিমধ্যে ওলাই গৈছে। মই ভাবো চৰকাৰে স্পষ্টভাবে দৃষ্টিভঙ্গী গ্ৰহণ কৰি ওৱাইল্ড লাইফ সংৰক্ষণৰ কাৰণে কঠোৰ ব্যৱস্থা ললে বনৰীয়া জীৱ জন্তু ৰক্ষা পৰিব। নহলে মানাস অভয়ৰণ্য হৈ নাথাকিব, কাজিৰঙা নাথাকিব, বুঢ়া পাহাৰৰ ওপৰত আৰু ভিতৰলৈকেও মানুহ বহিছে। লাউখোৱা অভয়ৰণ্যৰ ওচৰতো মানুহ বহিছে, গছ কাটিছে। বিশেষকৈ মানাস, কাজিৰঙা, লাউখোৱা, পবীতৰা এই সকলো বিলাক ক্ষেত্ৰতে চৰকাৰে

সোনকালে সুদৃঢ় দৃষ্টিভঙ্গী লৈ ওৱাইল্ড লাইফ সংৰক্ষণৰ কাৰণে প্ৰয়োজন বোধে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু অধিক টকা আনি হ'লেও এইটো কৰিব লাগে ইয়াত কোনো ৰাজনীতিৰ কথা নাই। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে আৰু অধিক গুৰুত্ব দি ব্যৱস্থা লব বুলি আশা ৰাখিলো। প্ৰয়োজন বোৰে ওৱাইল্ড লাইফ সংৰক্ষণৰ সম্পৰ্কত অধিক টকা আনি টাস্ক ফোৰ্চ গঠন কৰি হলেও এই ব্যৱস্থাটো শক্তিশালী কৰাৰ কথা চিন্তা কৰিব লাগে। এই ক্ষেত্ৰত কোনো ৰাজনৈতিক হস্তক্ষেপ কৰাটো ঠিক নহয়। গতিকে এইখিনি কথাকে বিনিয়োজন বিলৰ সম্পৰ্কত বিত্তমন্ত্ৰী ডাঙৰীয়াই এই কেইটা বিষয় পৰিস্কাৰ কৰি দিব পাৰিব বুলি আশা ৰাখি মোৰ বক্তব্য ইমানতে সামৰিলো।

★ **শ্ৰী প্ৰমোদ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰপ্ৰিয়েচন বিলৰ আলোচনা সম্পৰ্কত মই কেইটামান কথা বিত্তমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্ৰথমতে মই উল্লেখ কৰিব বিচাৰিছো যে ১৯৯২-৯৩ চনৰ বাবে চৰকাৰৰ যিখিনি কমিটিৰ এক্সপেণ্ডিচাৰ আছিল সেইখিনি যাতে দিয়াৰ ব্যৱস্থা কৰে। অৱশ্যে এই বছৰটো শেষ হবলৈ আৰু মাত্ৰ এটা দিনহে বাকী আছে। এই ক্ষেত্ৰত মই প্ৰথমেই কব খুজিছো যে মাটি অধিগ্ৰহনৰ বাবদ চৰকাৰে খেতিয়ক সকলক বহুতো টকা দিবলগীয়া আছে। যোৱা বাৰ আমি বান নিয়ন্ত্ৰন বিভাগৰ ক্ষেত্ৰত এটা তদন্ত কৰিছিলো আৰু তাত আমি দেখিছিলো যে অকল বান নিয়ন্ত্ৰন বিভাগেই মাটি অধিগ্ৰহনৰ ক্ষেত্ৰত ১০০ কোটি টকা আদায় দিবলৈ বাকী আছে। সেইদৰে বিভিন্ন বিভাগবোৰৰ দিব লগীয়া টকা ধৰিলে হয়তো এই টকা এক হাজাৰ কোটি টকা হব। এই টকাখিনি পাব কোনে? এই ক্ষেত্ৰত গাওঁৰ দুখীয়া মানুহৰ মাটি অধিগ্ৰহন কৰি মথাউৰি বান্ধিছে। কিন্তু তেওঁলোকক দিব লগা টকা খিনি আদায় নিদিয়াৰ কাৰণে তেওঁলোকৰ অৱস্থা ক্ৰমান্বয়ে বেয়া হৈ গৈছে। গতিকে সেইখিনি টকা সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে ঠিকাদাৰ সকলক তেওঁলোকে কৰা কামৰ বাবেও বহুত টকা দিব লগা আছে। এই ক্ষেত্ৰতো আমি জনাত কেৱল বান নিয়ন্ত্ৰন বিভাগেই ১০০ কোটি টকা তেওঁলোকক দিব লগা আছে। ইয়াত বহুতো ধনী দুখীয়া ঠিকাদাৰ জড়িত হৈ আছে। আজি ধনী ঠিকাদাৰ সকল হয়তো তেওঁলোকৰ টকা এনেদৰে বন্ধ হৈ থকাত বিশেষ ক্ষতিগ্ৰস্ত হোৱা নাই। কিন্তু যি সকল সৰু সুৰা ঠিকাদাৰৰ এনেদৰে টকা বন্ধ হৈ আছে তেওঁলোকৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। তেওঁলোকৰ বহুতে মাটি, গৰু আদি বিক্ৰি কৰিব লগা হৈছে। গতিকে তেওঁলোকে পাবলগীয়া টকাখিনি সকলো বিভাগে দিয়াৰ ব্যৱস্থা কৰিব লাগে। তৃতীয়তে হৈছে বিভিন্ন বিভাগত বিশেষকৈ গড়কাপ্তানি বিভাগত যি সকল মাষ্টাৰ ৰ'ল কৰ্ম্মী আছে তেওঁলোকে আজি দুমাহ ধৰি দৰমহা পোৱা নাই। এই কৰ্ম্মী সকল সকলোতকৈ কম দৰমহা পোৱা মানুহ। এই লোক সকল অতি গৰীৱ। সেই কাৰণে গড়কাপ্তানি বিভাগৰ লগতে অন্যান্য বিভাগ বোৰত যিসকল মাষ্টাৰ ৰ'ল কৰ্ম্মীয়ে দৰমহা পাবলগা আছে তেওঁলোকৰ সেই টকাখিনি যাতে দিয়া হয় তাৰ কাৰণে

★ **Speech not corrected**

চৰকাৰে ব্যৱস্থা লব লাগে। চতুৰ্থতে মই এটা কথা কব খুজিছো আৰু এই বিষয়টো মই ইতিমধ্যে সদনত মুখ্য মন্ত্ৰী ডাঙৰীয়াৰো দৃষ্টি আকৰ্ষণ কৰিছো যে আমি প্ৰত্যেক খন জিলাতে প্লেনিং এণ্ড ডেভলপমেন্ট কাউন্সিল কৰিছিলো। কিন্তু ১৯৯২-১৯৯৩ চনৰ কাৰণে যিবোৰ স্কীম এপ্ৰভ কৰি দিয়া হৈছে সেইবোৰ ৰূপায়ন কৰাৰ কাৰণে মই জনাত আজি তিনি দিন আগলৈকে এপইচাও দিয়া হোৱা নাই। ইয়াৰ ফলত জিলা বিলাকত উন্নয়ন মূলক কাম বিলাক বন্ধ হৈ আছে। এতিয়া ১৯৯২-১৯৯৩ চনৰ বাবে সেই স্কীম বিলাক নাথাকিব পাৰে কিন্তু যিবিলাকত এই স্কীম ৰূপায়ন কৰা হৈছে সেই বিলাকৰ টকাখিনি যাতে আদায় দিয়ে তাৰ কাৰণে ব্যৱস্থা লব লাগে। আন এটা কথা হৈছে যোৱা বাৰ আদায় দিয়ে তাৰ কাৰণে ব্যৱস্থা লব লাগে। আন এটা কথা হৈছে যোৱা বাৰ বাজেট বক্তৃতাত মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে ধানৰ ওপৰত পাৰচেজ টেক্সটো উঠাই দিয়া হব। এই বিষয়টো ইতিমধ্যে মই বিত্তমন্ত্ৰীৰ লগতো আলোচনা কৰিছো। সেই ক্ষেত্ৰত চৰকাৰে কি কৈছিল সেইটো মই পঢ়ি দিব খুজিছো I am proposing to withdraw in Tax on pady I। কিন্তু এতিয়ালৈকে সেইটো উঠাই দিয়া নাই। গতিকে সেইটো যাতে কাৰ্য্যকৰা কৰে তাৰ বাবে মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো। কিন্তু এইবাৰ বিত্তীয় বছৰ শেষ হবলৈ আৰু মাত্ৰ এটা দিনহে বাকী আছে। গতিকে এই এদিনৰ ভিতৰত হলেও এইটো কাৰ্যকৰী কৰিব লাগে। আন এটা কথা হৈছে আমাৰ বিত্তীয় অৱস্থা বৰ বেয়া। গতিকে আমাৰ পুজি সংগ্ৰহৰ ক্ষেত্ৰত, অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত বানপানীয়ে প্ৰত্যেক বছৰে ক্ষতি সাধন কৰে। সেই কাৰণে বান নিয়ন্ত্ৰন কৰাৰ প্ৰয়োজন। বান নিয়ন্ত্ৰন সম্পৰ্কে অধ্যয়ন কৰিবলৈ কমিটি গঠন কৰি দিয়া হৈছিল। সেইটো ৰিপোৰ্ট দিয়া হৈছে, চৰকাৰে বিবেচনা কৰিব। ১৯৮০ চনত ব্ৰহ্মপুত্ৰ ফ্লাড কন্ট্ৰোল এক্ট কৰি পাৰ্লিয়ামেন্টে সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছিলে। বাননিয়ন্ত্ৰনৰ সম্পূৰ্ণ টকাটো আমাক দিব লাগে। কিন্তু বছৰেকত ২০ কোটি টকা ধাৰ হিচাবে দিয়ে। সেইখিনিৰে বাননিয়ন্ত্ৰন কৰিব নোৱাৰি। আমাক সেই টকা লোন হিচাবে নিদি গ্ৰেন্ট হিচাবে দিব লাগে। এই ক্ষেত্ৰত পাৰ্লিয়ামেন্ট আইনৰ জৰীয়তে সম্পূৰ্ণ দায়িত্ব ভাৰত চৰকাৰে লৈছে। গতিকে আমি ভাৰত চৰকাৰক হেচা দিব লাগিব। আমাৰ যি দাবী হব সেই দাবী চৰকাৰ পক্ষৰ পৰা নহয় আমাৰ সদনে ভাৰত চৰকাৰক জনাব লাগে। যদি সম্পূৰ্ণ খৰচ ভাৰত চৰকাৰে নিদিয়ে তেতিয়া হলে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহয়। যদি ২০ কোটি টকা দিয়া হয় তাৰ দহ কোটি টকা কাটি ৰাখে।

অধ্যক্ষ মহোদয়, ৰবি শষ্যৰ বিষয়ে নানা আলোচনা কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ যি চাপৰি আছে সেই বিলাকত যদি কৃষি বিভাগে ৰবি শষ্যৰ ব্যৱস্থা কৰে তেতিয়া হলে আমি বহুত উপকৃত হম। যোৱা বাৰ এইটো অধ্যয়ন কৰাৰ কাৰণে জইন কমিটি গঠন কৰা হৈছিল। এল, চি, জইন কমিটি। এইঅ ক্ষেত্ৰত পোৱা হৈছে যে বছৰত সাতশ কোটি টকা বাহিৰলৈ যায়। যদি আমি এইখিনি আমাৰ ইয়াতে উৎপাদন কৰিব পাৰো তেতিয়া হলে ইমান বস্তু কিনাৰ কোনো

প্ৰয়োজন নাই। এগ্ৰিকেলচাৰৰ কাৰণে ট্ৰেকটৰ দিয়ক, সচ দিয়ক। সেই চাপৰিত যদি ৰবি শষ্য কৰি প্ৰত্যেক জন ডেকা লৰাই বছৰেকত ৫/৬ হেজাৰ টকাৰ উৎপাদন কৰিব পাৰিব। আমাৰ অসমৰ পৰা সাত কোটি টকা বাহিৰলৈ গৈ আছে, সেই টকা নেযাব। হৰ্টিকেলচাৰৰ কাৰণে অসমৰ ক্লাইমেট ভাল। সেই কাৰণে কৃষি বিভাগে হৰ্টিকেলচাৰ লেগুত শালি খেতি কৰিব পাৰে। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰক বিশেষকৈ মুখ্য মন্ত্ৰী মহোদয় আৰু কৃষি মন্ত্ৰী মহোদয়াক দৃষ্টি আকৰ্ষণ কৰিছো। এই ধৰণে ৰাজ্যখনৰ অৰ্থনীতিৰ অৱস্থা ভাল কৰিব পাৰে। যদি বিত্তীয় অৱস্থা ভাল কৰিবলৈ চৰকাৰে চেষ্টা নকৰে তেতিয়া ৬ মাহ পিচত সকলো বন্ধ হৈ যাব। সেই কাৰণে এই কথা বিলাক বিবেচনা কৰে তাৰ কাৰণে অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

খৰতকীয়া ব্যৱস্থা লোৱা উচিত। আমাৰ ৰাজ্য খনৰ মেইন ৰাজহ সংগ্ৰহৰ উপায় হৈছে চেল্‌চ টেক্স। এই চেল্‌চ টেক্স বা বিক্ৰি কৰা আদায়ৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লব লাগে। মই জনাত বহুকোটি টকা চেল্‌চ টেক্সৰ কেচ হাই কোৰ্টত মাৰি আছে। এই বিষয়ে মই কেইজনমানক সুধিছিলো যে আপোনালোকে হাই কোৰ্টলৈ কিয় যায়? তেতিয়া তেওঁলোকে কলে যে আমাৰ যদি ৫ কোটি টকা দিব লগা থাকে আৰু এনেদৰে কেচ কৰি কেইবছমান ৰাখিব পাৰো তেনেহলে সেই ৫ কোটি টকাৰ পৰা বহু কোটি মান সুদ হিচাবে উলিয়াব পৰা হয়। সেইকাৰণে মই ভাবো এই কেচ বিলাকৰ ক্ষেত্ৰত যি সকল উকিল নিয়োগ কৰা হয় সেই ক্ষেত্ৰত চৰকাৰে অলপ লক্ষ্য ৰাখিব লাগে আৰু এই ক্ষেত্ৰত বিশেষকৈ বিত্তমন্ত্ৰী ডাঙৰীয়াই এই কথা বিলাক লক্ষ্য কৰাৰ কাৰণে মই অনুৰোধ কৰিছো। মই কোনো এডভোকেটৰ বিৰুদ্ধে কব খোজা নাই। এই ক্ষেত্ৰত তেখেতসকলৰ লগত কিছু বন্দবস্ত আছে। গতিকে এইবিলাক কেচ সোনকালে নিস্পত্তি কৰিব পাৰিলে চৰকাৰৰ ৰিচৰ্চ বাঢ়িব।

অধ্যক্ষ ডাঙৰীয়া, এই বছৰৰ কাৰণে খাৰুৱা তেলৰ যিটো দাম নিৰ্দ্ধাৰণ কৰি দিছে সেইটো ইন্টাৰনেচনেল মাৰ্কেট অনুযায়ী বাঢ়িব পাৰে। এতিয়া অ, এন, জি, চি পাব্লিক লিমিটেড কোম্পানী হবলৈ লৈছে। গতিকে তেওঁলোকে খাৰুৱা তেলৰ যিটো দাম কৰিব সেইটো প্ৰায় দুগুন হৈ যাব। সেই কাৰণে আমি যাতে এই বৰ্দ্ধিত হাৰত খাৰুৱা তেলৰ ৰয়েলতি আদায় কৰিব পাৰো তাৰ প্ৰতি চৰকাৰে লক্ষ্য ৰাখিব লাগে। এই ক্ষেত্ৰত ভাৰত চৰকাৰে কব পাৰে যে এই ৰিভিজন তিনি বছৰ পাচতহে কৰা হব। গতিকে দাম বঢ়াৰ লগে লগে এইটো যাতে বৃদ্ধি কৰা হয় সেইটো লক্ষ্য কৰিব লাগে। সেইদৰে কয়লাৰ ক্ষেত্ৰতো আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ লগত বিষয়টো টেক আপ কৰিব লাগে। তাৰ লগে লগে প্ৰশাসন যন্ত্ৰটো যাতে খৰচ কমাব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিব লাগে। এই ক্ষেত্ৰত মই মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াৰ লগত একমত যে অসমৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবলৈ হলে আমাৰ কৃষি কৰ বৃদ্ধি কৰিব লাগিব।

★ **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়; আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যি 'এপ্ৰপিয়েচন বিল' দাখিল কৰিছে, এই বাজেটত দুটা কথা আছে। সেইটো সকলোৱে জানে। প্লেন আৰু নন প্লেন। তেখেতে এই কথাটো জানে যে, প্লেনৰ যিখিনি পইচা তাৰ শতকৰা ৯৮ ভাগ চেলাৰীত খৰচ কৰিব লাগে আৰু শতকৰা ২ ভাগ অন্যান্য কাগজ কলম আদি কিনিব লাগে। প্লেন বুলিযে কয় তাৰ অৰ্থ এইটো যে তাত নতুন বস্তু লব লাগে। কিন্তু আমাৰ বাজেটত যি প্লেন আৰু নন প্লেন আছে, কোনটো প্লেন কোনটো নন প্লেন ধৰিব নোৱাৰি। প্লেন নন প্লেন হৈ আছে। প্লেনিং কমিচন নতুন হলে, এটা বিভাগত স্পষ্ট ক্ৰিয়েত কৰাৰ পিচত পঞ্চম পাচ বছৰীয়া পৰিকল্পনা শেষ হয়। তাৰ পিচত নতুন প্লেন ষ্টীত হব। তেতিয়া আগৰ পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত ক্ৰিয়েট পোষ্ট বিলাক নন প্লেনত আনিব লাগে। কিন্তু অসমৰ বিভিন্ন বিভাগৰ ষষ্ঠ পঞ্চ বাৰ্ষিক পৰিকল্পনাত ক্ৰিয়েত কৰা পোষ্ট বিলাক সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত নন প্লেন হব লাগিছিল কিন্তু হোৱা নাই। সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ক্ৰিয়েট হব লাগিছিল কিন্তু হোৱা নাই। সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ক্ৰিয়েট হব লাগিছিল, হোৱা নাই। এই কাৰণে ননপ্লেনৰ যি পইচা ধৰা হৈছে এতিয়া শতকৰা ৯৮ ভাগ চেলাৰি আৰু শতকৰা ২ ভাগ অন্যান্য সামগ্ৰীত হয়। মই বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি এটা উদাহৰণ দি কব বিচাৰিছো, প্ৰাক্তন শিক্ষা মন্ত্ৰীয়ে জানিব শিক্ষা বিভাগত ষষ্ঠ পঞ্চ বাৰ্ষিক পৰিকল্পনাত পোষ্ট ক্ৰিয়েট কৰা হৈছিল ৯ হেজাৰ ৬ শ ৩৮ টা। এই পোষ্ট এতিয়াও প্লেনত আছে যাৰ কাৰণে এই বছৰ ২৫ কোটি টকা আছে। কিন্তু এই ২৫ কোটি টকা ননপ্লেনলৈ গলে আমাৰ স্কুল বিল্ডিং বা স্কুল প্ৰতিনচেলাইজেশ্বন কৰিব পাৰিলেহেতেন। তেনেকৈ সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত শিক্ষা বিভাগত পোষ্ট ক্ৰিয়েট হৈছিল ১০ হেজাৰ ৩ শ ১৫ টা। যাৰ কাৰণে পইচা ধৰা হৈছে ২৬ কোটি ৬৪ লাখ টকা। সেইটো ননপ্লেনত গুছি গলহেতেন। এই পইচা সপ্তম আৰু অষ্টম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ আগতে যিটো গেপ আছিল ১৯৯১-৯২ চনত পোষ্ট ক্ৰিয়েট নহল। শিক্ষা বিভাগৰ ২৫ হেজাৰ ৭ শ ৪২ টাৰ কাৰণে এইবাৰ ধৰা হৈছে ৫৩ কোটি ৫৫ লাখ টকা। এইটো যদি ননপ্লেনত হলহেতেন এই ৫৩ কোটি টকা স্কুলত গলহেতেন। তেতিয়া স্কুল বিল্ডিং, চৌকিদাৰ, এচিচটেন্ট টিচাৰ আদি লব পাৰিলেহেতেন। এতিয়া দিব নোৱাৰে। তাৰ কাৰণে ফাইনেন্স কমিশ্বনাৰ কে, চি, পন্টক কন্‌ভিন্স কৰিব লাগিব। প্লেনিং কমিশ্বনৰ এটা নিয়ম আছে — ইংৰাজীত। পইচা ননপ্লেনত গলে চাব লাগে, অসমৰ ক্ষেত্ৰত এইটো হোৱা নাই। এতিয়া দিল্লীলৈ গৈ কে, চি, পন্টক কন্‌ভিন্স কৰিব পাৰিব নে নাই, যদি নোৱাৰে তেতিয়া একো কাম কৰিব নোৱাৰে। আজি শ্ৰী গৌতম বৰা বা শ্ৰী শৰৎ বৰকটকী শিক্ষা মন্ত্ৰী।

অধ্যক্ষ মহোদয়, আজি গৌতম বৰা বা শৰৎ বৰকটকী শিক্ষা মন্ত্ৰী। মইও মিনিষ্টাৰ আছিলো। মন্ত্ৰী হোৱাৰ আগতে বহুত কিবা কৰিম বুলি ভাবে, যেতিয়া মন্ত্ৰীয়ে অফিচাৰ সকলক মাতি

★ **Speech not corrected**

আনি কি কি কৰিব পৰা যায় শোধে তেতিয়া অফিচাৰে ব্ৰিফ্ কৰি দিয়ে তেতিয়া মন্ত্ৰী নিজে নাৰভাচ হয়। এই ক্ষেত্ৰত ফাইনেন্স কমিশ্যনাৰ কে, চি, পন্টক কন্‌ভিন্স কৰিব লাগিব। আগতে বানপানী হলে দিল্লীৰ পৰা স্পেচিয়েল টিম এটা আহে আৰু ভিজিট কৰে। তেওঁলোকে ইষ্টিমেট কৰি একশ কোটি বা একশ পঞ্চাশ কোটি টকা দিছে বুলি ঘোষনা কৰে। নৱম ফাইনেন্স কমিশ্যনে পিচত নতুন নিয়ম কৰিছে, নেচাৰেল কালামেটিক ফাণ্ডত প্ৰতি বছৰে ৩০ কোটি টকা দিয়া হ'ব। ১৯৮৮ চনত বান নিয়ন্ত্ৰণ বিভাগক নেচাৰেল কালামেটিকচত ২৫ কোটি টকা, ১৯৯০ চনত ২৫ কোটি পাইছিল। কিন্তু ১৯৯১-৯২ চনত নেচাৰেল কালামেটিজৰ কাৰণে বান নিয়ন্ত্ৰণ বিভাগে কম টকা পাইছে। আপোনালোকৰ চৰকাৰ অহাৰ পিচত আপোনালোকৰেই দুৰ্ভাগ্য যে মাত্ৰ ৬ কোটি টকাৰ বেছি পোৱা নাই। আগতে এবছৰত নেচাৰেল কালামেটিজত ২৫ কোটি টকা দিয়া হৈছিল, এতিয়া ৫/৬ কোটি টকাহে বান নিয়ন্ত্ৰণ বিভাগক দিছে। আমাৰ ধেমাজী সমষ্টি, লক্ষীমপুৰ আৰু জোনাই সমষ্টি বানপানী অধ্যুসিত অঞ্চল। তাত মঠাউৰি ভাঙি আছে। এইটো কলে বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে কয় এফ, ডি, আৰ, ত পইচা নাই। ৰেভিনিউত যদিও ৩০ কোটি টকা আছে তেওঁলোকে দিব নোৱাৰে। কাৰণ বাননিয়ন্ত্ৰণ বিভাগৰপৰা ৰেভিনিউ নেপায়। সেই কাৰণে অসমৰ কাৰণে এইটো এক্‌জাম কৰিব লাগে। ফাইনেন্স কমিশ্যনে কৰিব পাৰিব, দশম ফাইনেন্স কমিশ্যনে কৰিব লাগিব। মই যিটো কৈছো আমাৰ মাননীয় সদস্য শ্ৰী গগৈ ডাঙৰীয়াইও কৈছে, ছমাহ পিচত অৱস্থা বেয়া হ'ব, বানপানী আহি আছে। যাৰ ফল দূৰ্ভাগ্যজনক হ'ব। কাৰণ চাৰিওফালে মঠাউৰি চিঙি আছে। এতিয়া বাজেটত চাৰি হেজাৰ কিমান কোটি টকা কোৱা হৈছে। যোৱা বছৰো কোৱা হৈছিল, বাজেটত যিমান টকা ধৰে সিমান টকা নিদিয়ে। আজি ৩০ মাৰ্চ, টকা নাই, বিনিয়োজন উংত্থাপন কৰা হৈছে। সাম্ভাব্য বাজেটত এই চাৰি হেজাৰ কোটি টকা নাথাকিব পাৰে, মাত্ৰ দুহেজাৰ কোটি হ'ব পাৰে। এতিয়া চৰকাৰে এচ, চি বোৰ্ডৰ পৰা স্কুলৰ নাম বিচাৰিছে। ডি, চি, ক জনাব কৈছে কাৰণ তেওঁ চাব ডিভিজনেল বোৰ্ডৰ চেয়াৰম্যান। স্কুলৰ বিল্ডিং গ্ৰেন্টত ৬০ হেজাৰ দিব বুলি লিষ্ট বনাব দিছে। ডি, চি, য়ে প্ৰত্যেক স্কুলক চিঠিৰে জনাই দিছে। আপোনালোকৰ স্কুল বিল্ডিং গ্ৰান্ট পাইছে। এইদৰে ২ কোটি ৩০ লাখ টকা বিভিন্ন স্কুলক দিয়া হৈছে। আজি ৩০ মাৰ্চ তাৰিখে শিক্ষা বিভাগক টেলিফোন কৰি জানিব পাৰিছো যে ২ কোটি ৩০ লাখ টকা নাই। এছ, চি বৰ্ডে লিষ্ট বনাই দিছিল, তেওঁলোকৰ এতিয়া কি হ'ব। সেই কাৰণে যদি পইচা দিব নোৱাৰে লিষ্ট বনাব নেলাগে। লিষ্ট বনাই জনাই দিয়াৰ পিচত যি সকল হেড মাষ্টৰ আছে, ডি, চি, এছ, চি বৰ্ডৰ পঞ্জিচন বেয়া হ'ল। তেওঁলোকৰ চেন্টিমেন্ট আছে। ২ কোটি ৩ লাখ টকাৰ এল ও চি নহ'ল বুলি ডি, চি, এ চিঠি দিছে। ৮ খন স্কুলৰ লিষ্ট বনাইছিল। কিন্তু নহ'ল। ৯ লাখ ৬০ হেজাৰ টকাহে পাব। যদি পইচা দিব নোৱাৰে তেতিয়া আগতীয়াকৈ লিষ্ট বনাব নেলাগে। আমাৰ দলৰ নেটা মহন্ত আৰু শ্ৰী প্ৰমোদ গগৈ ডাঙৰীয়াই যিটো কৈছে তাত মোৰ সমৰ্থন আছে। বান

নিয়ন্ত্ৰন বিভাগক ৰাজ্যিক পৰিকল্পনাৰ ভিতৰত অন্তৰভূক্ত কৰিব লাগে। এতিয়া বৰাক ভেলীয়ে পইচা পায় কিন্তু ব্ৰহ্মপুত্ৰ ভেলীত পইচা নেপাই। এ, জি, পি, চৰকাৰে চিম্বলিক হিচাবে প্ৰথমতে ১ কোটি টকা দিছে। তাৰ পিচত ২ কোটি ৩ কোটি টকা দিছে। কিন্তু এইটো একো হোৱা নাই। পাৰ্লিয়ামেন্টত পাছ কৰিছে আইন আইন হৈছেয় থাকি বিভিন্ন ডেলিগেট যোৱা হৈছে, কনভিন্স কৰিব পৰা নাই। প্ৰথম বছৰত বান নিয়ন্ত্ৰনৰ বাজেটত এটা কথা লিখা থাকে। চেন্ট্ৰেল পেঞ্চনৰ স্কীম বুলি ২০ কোটি টকা থাকে। এইটো যোৱা বছৰত আছিল। চেন্ট্ৰেল গভৰ্নমেন্ট দিবলৈ বাধ্য হয়। মুখ্য মন্ত্ৰী বাননিয়ন্ত্ৰন মন্ত্ৰী গল তেওঁলোকে ২০ কোটি টকা দিলে। কিন্তু ২ মিনিটৰ পিচতে তেওঁলোকে কৈছে ২৫ আপোনালোকে ২৫ কোটি টকা দিবলৈ আছে, সেই ২০ কোটি কোটি ৰখা হৈছে। সেয়ে পইচা নেপালে।

অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰপতি শাসনৰ পিচত দেখা গৈছে যে বাননিয়ন্ত্ৰন বিভাগ ৰাজহ বিভাগ এই বিলাকক অৱহেলা কৰিব বিচাৰিছে। পশুপালন বিভাগক যিমান দিছে বান নিয়ন্ত্ৰন বিভাগত সিমান টকা দিয়া নাই। অসমৰ সকলোৱে জানে কৃষিৰ বাবে বান নিয়ন্ত্ৰন কৰিব লাগে। কিন্তু এই বিভাগক গুৰুত্ব দিয়া নাই। যোৱা ২ বছৰে দেখিছো একো কাম হোৱা নাই। বান নিয়ন্ত্ৰন বিভাগলৈ গলে পইচা নাই। ৰেভিনিউ বিভাগলৈ গলে বান নিয়ন্ত্ৰন বিভাগৰ ৰেভিনিউ নাই বুলি কয় সেই কাৰণে বান নিয়ন্ত্ৰন বিভাগটো বিলুপ্তি কৰি ৰাজহ বিভাগৰ লগত সংলগ্ন কৰিব বিচাৰিছে। গোটেই অসমৰ ভবিষ্যত বান নিয়ন্ত্ৰনৰ ওপৰত নিৰ্ভৰ কৰিছে। আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়া উত্তৰ পূব পৰিষদৰ দায়িত্বত থকা বুলি শুনিছো। আমাৰ ৰাজ্য চৰকাৰ যিটো নেতৃত্ব সেইটো শক্তিশালী হোৱাৰ পৰিৱৰ্তে দূৰ্ব্বল হৈ আহিছে। যেনেকৈ জুৰ দিব লাগে মই ভাবো তেনেকৈ জোৰ দিব পৰা নাই। উত্তৰ লক্ষীমপুৰ আৰু মাজুলিৰ মাজতে কাবুলী আৰু লোহিত নদীৰ ওপৰত দলং হব। উত্তৰ লক্ষীমপুৰৰ পৰা কমলাবাৰীলৈ যিটো ৰাষ্টা কৈছে সেইটো ৰাষ্ট্ৰীয় পথৰ লগত সৰ্ম্পক নাই কাৰণে সেইটো কেঞ্চেল কৰিছে। মুখ্য মন্ত্ৰীয়ে লিখিব লাগে। ৰাজ্য চৰকাৰে প্ৰতিবাদ কৰিব লাগে। যেনেকৈ খজাৰ দি কনভিঞ্চ কৰিব লাগে তেনেকৈ কৰিব পৰা নাই। মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতৰ নেতৃত্ব শক্তিশালী কৰিব লাগে, দূৰ্ব্বল হব নেলাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কওঁ — আমাৰ বৃহত্তৰ গোৱাহাটীত মন-ষ্টাৰ হোটেলত এসাজ ভাতৰ ওপৰত টেক্স লগাইছে। মালিক সন্থাই মন্ত্ৰী মহোদয়ক দেখা কৰিছে। তেওঁলোকে বিভিন্ন সময়ত স্মাৰক পত্ৰ দিছে। কিন্তু বিত্ত বিভাগে এই কথাটোত যেনেকৈ গুৰুত্ব দিব লাগে তেনেকৈ গুৰুত্ব দিব পৰা নাই। এই কাৰণে নেকি ষ্টাৰ হোটেলত যি কৰে কৰি থাওক। কিন্তু নন-ষ্টাৰ হোটেলত অসমীয়া মানুহে ভাত খায়। সেই বিলাক হোটেল অসমীয়া মানুহৰ।

অধ্যক্ষ মহোদয়, এতিয়া বি, এ, চি হল। মুখ্য মন্ত্ৰী মহোদয়ে মিচিং ৰাভা লালোং সকলকো

স্বায়ত্ব শাসন দিয়া হব বুলি কৈছে। স্বায়ত্ব শাসন দিলেও তেওঁলোকৰ দাবী থাকিবই। তাৰ পিচত ৰাজ্যৰ দাবী উঠিব পাৰে। আচলতে বি, এ, চি, ক এইটো দি সমস্যা সমাধান হোৱা নাই। আগতে ট্ৰাইবেল ডেভলপমেন্ট অথৰিটিৰ মিটিঙত মুখ্য মন্ত্ৰীয়ে কৈছে ট্ৰাইবেল লোকৰ ডেভলপ্তৰ কাৰণে পইচা লাগে। সেই কাৰণে অসম ট্ৰাইবেল ডেভলপ্তমেন্ট অথৰিটি কৰা হৈছে। এইটো ১৯৮৩ চনত আপোনালোকৰ চৰকাৰে কৰিছিল।

অসম ট্ৰাইবেল ডেভলপমেন্ট অথৰিটিখন আপোনালোকেই ১৯৮৩ চনত গঠন কৰিছিল। 'ট্ৰাইবেল চাব-প্লেন' থকাৰ উপৰিও ট্ৰাইবেল ডেভলপমেন্ট অথৰিটিখন তেওঁলোকৰ ডেভলপমেন্টৰ কাৰণে গঠন কৰা হৈছিল। ট্ৰাইবেল ডেভলপমেন্ট অথৰিটি কৰা হল হয় কিন্তু তেওঁলোকক টকা-পইচা নিদিয়ে। প্ৰত্যেক বছৰে ট্ৰাইবেল ডেভলপমেন্টৰ কাৰণে চেন্ট্ৰেল এচিচটেন্ট কেইবা কোটিও আছে কিন্তু তাৰ আধা টকাহে এই ট্ৰাইবেল ডেভলপমেন্টক দিয়ে। ভাৰত চৰকাৰৰ এটা নীতি আছে যে 'স্পীচিয়েল চেন্ট্ৰেল এচিচটেন্ট'ৰ টকাখিনি ডেভলপমেন্টৰ কামত খৰচ কৰিব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমি অফিচ বিলাকলৈ গলে সকলোৱে এটা কথাই কয় আমাৰ টকা নাই। আৰু মুখ্যমন্ত্ৰীয়ে মাজতে কৈছে সদনত ৯ শ ৬০ কোটি টকা বাজেটত আছিল, এডজেক্ট ফিগাৰটো মোৰ হাতত নাই। ৬ শ ৩০ কোটি টকা কাটি পেলাই ৩ কোটি মানহে পালে। অৱশ্যে এইটো হয়। আগতে এ,জি,পি, চৰকাৰৰ যিটো সমস্যা আছিল এতিয়া আপোনালোকৰও সেইটোৱেই সমস্যা। এই সমস্যাটো জনসাধাৰণে জানিব বিচৰা নাই। আপুনি ৯ শ ৬০ কোটি টকা পাম বুলি কৈছিল কিন্তু সেইটো কাটি ৬ কোটি লোৱাটো অসমৰ জনসাধাৰণে বিচৰা নাই। মানুহে বিচাৰে চলিউচন কি কৰিছে। হয়টো আপুনি কব প্ৰাইম মিনিষ্টাৰক কৈছো, বিত্তমন্ত্ৰীক কৈছো তেওঁলোকে আমাৰ কথা নেমানে। ইয়াৰ ওপৰত আপুনি কি ষ্টেপ লৈছে। আপোনালোকে চাকচেচফুল হৈছেনে নাই। মুখ্যমন্ত্ৰীয়ে কৈছে কেন্দ্ৰই আমাক শোষণ কৰা নাই। কিন্তু মই কওঁ আগতেও আমাৰ এ,জি,পি, চৰকাৰ থাকোতে কেন্দ্ৰই শোষণ কৰি আছিল আৰু এতিয়াও আমাক শোষন কৰি আছে। অসমৰ ৰাইজে ভাবিছিল যে কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ থাকিলে অসমতো যদি কংগ্ৰেছ চৰকাৰ হয় তেতিয়া হলে আমি টকা বেচি পাম। এ,জি,পি, চৰকাৰ অসমত গঠন হলে কেন্দ্ৰৰ পৰা কম টকা পাম। কিন্তু এতিয়া কি হৈছে? আপোনালোকে চৰকাৰ গঠন কৰা দুবছৰ হল। আপোনালোকৰ নিজৰ দল আছে বুলিয়েই যে প্ৰতিবাদ কৰিব নেলাগিব এনে নহয়। তাৰ এটা সুন্দৰ উদাহৰণ মই দিব বিচাৰিছো। ভাৰত চৰকাৰে মিজোৰামকো শোষণ কৰিছিল। মিজুৰামৰ মুখ্যমন্ত্ৰী লালথান চাওলাই তেখেতৰ বোৱাৰীয়েক বিদেশলৈ যোৱাৰ কাৰণে 'পাচপৰ্ট' বিচাৰিছিল কিন্তু আজি ৬ মাহে সেইটো দিয়া নাই। ২ নম্বৰ হৈছে 'আসাম ৰাইফল' অফিচটো মিজোৰামৰ টাউনৰ পৰা লৈ যাব লাগে। গৃহমন্ত্ৰীক লৈ আহি সেইটো দেখুৱাইছেহিও, কিন্তু এতিয়া সেইটোৰ ব্যৱস্থা কৰা নাই।

৩ নম্বৰ হৈছে মিজোৰামত এটা 'এয়াৰ পৰ্ট' কৰাৰ কাৰণে কৈছিল, সেইটোও কৰা নাই। কিন্তু মিজোৰামৰ লালথান হাওলাই জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে তেওঁ গাদী গলেও সেইবিলাক কথা কবলৈ কুণ্ঠাবোধ কৰা নাছিল। ভাৰত চৰকাৰৰ লগত তেওঁ চেলেইঞ্জ কৰিছে জনসাধাৰণৰ কাৰণে তেওঁ চৰকাৰ গলেও চিন্তা কৰা নাছিল। এইবিলাক কথা তেওঁ 'প্ৰেছ কনফাৰেন্স' পাতি গোটেই ভাৰতবৰ্ষত জনাই দিছিল।

মাননীয় অধ্যক্ষ মহোদয়, মই নিজেও এসময়ত মন্ত্ৰী আছিলো আৰু তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ লগত মইও কেইবাবাৰো দিল্লীলৈ গৈছিলো। গতিকে সমস্যা বিলাকৰ কথা মই জানো। আমি আজি ভাৰত চৰকাৰৰ পৰা চেন্ট পাৰচেন্ট বিচৰা নাই। কথা হল প্ৰতিবাদ কৰিব পৰা নাই। আপুনি ভাৰত চৰকাৰক কনভিঞ্চ কৰিব পৰা নাই। লালথান চাওলাই যেনেকৈ প্ৰতিবাদ কৰিছে আপুনি তেনেকৈ কিয় কৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰক ভাল লগাই থাকিবলৈ হলে চিৰদিনেই এনেদৰে থাকিব লাগিব। কিন্তু এনে হলে অসমৰ জনসাধাৰণৰ আপোনালোকৰ মাজৰ পৰা আতৰি আহিব। আজি ২ বছৰৰ আগতে অসমৰ জনসাধাৰণে আপোনালোকৰ পক্ষে মাত মাতিছিল কিন্তু আজি আৰু নেমাতে। মানুহে ৰাস্তা-ঘাটে কে ফুৰা শুনিছো কংগ্ৰেছ চৰকাৰ আনিলো হয় পিছে পইচা নাই। ২/১ জন কনট্ৰেক্টৰৰ মুখত শুনিছো যে এ,জি,পি চৰকাৰেই ভাল আছিল। বৰ্ত্তমান চৰকাৰে আমাক একো দিয়া নাই।

মাননীয় অধ্যক্ষ মহোদয়, এ,জি,পি চৰকাৰৰ এটা সমস্যা আছিল সেইটো হৈছে আলফা সমস্যা। হয়, এ,জি,পিয়ে আলফা সমস্যা সমাধান কৰিব পৰা নাছিল। কিন্তু কংগ্ৰেচ চৰকাৰে বিত্ত সমস্যা সমাধান কৰিব পৰা নাই আৰু সেইটো সমস্যাৰ কথা অসমৰ জনসাধাৰণে জানিবি বিচৰা নাই। অৱশ্যে আমি ভাবো আপোনালোকৰ 'পজিচন' বেয়া হলে আমাৰেই ভাল। ইয়াৰ পিচত হয়তো আমিয়েই চৰকাৰ গঠন কৰিব পাৰো। কিয়নো বিৰোধী পক্ষৰ হিচাপে সংখ্যাগৰিষ্ঠতা আমাৰেই বেচি হৈ আছে। আপোনালোক শাসন ভাৰ লোৱা ২ বছৰ হল কিন্তু আজি ৬ মাহৰ আগলৈকে কংগ্ৰেছী নেতাৰ উতপাতত আমি ওলাব নোৱাৰা হৈছিলো। তেওঁলোকে সদায়েই কংগ্ৰেচৰ চৰকাৰৰ যুক্তি বিলাক দিয়েই কথা কয়। হেডকুৱাৰ্টাৰ, মহকুমা বিলাকলৈ তেওঁলোকক উৎপাতত চি, পি, এম আৰু চি, পি, আইৰ নেতা বিলাক যাব নোৱাৰে। কিন্তু আজিলৈকে সিহঁতে আগৰ নিচিনা নকৰে। আগৰ দৰে গৰম কৰি কথা নকয় এতিয়া কোনোবাই কিবা কলে তেওঁলোকে কয় হয়টো হব পাৰে, ধিলা সুৰত কথা কয়। আচলতে এইবিলাক কথা কব নেলাগে। সেইকাৰণে মই পুণৰবাৰ কওঁ বিত্তীয় যি সমস্যা সেই সমস্যাটোৰ বিৰোদ্ধে শক্তিশালী ভুমিকা গ্ৰহণ কৰক। তাৰ কাৰণে আমাৰ সমৰ্থন আছে। তাৰ বাবে আপোনালোকক অসমৰ জনসাধাৰণে সমৰ্থন কৰিব। আয়াৰ আগতে আমাৰ অ,গ,প,ৰ সদস্য শ্ৰী হিতেশ ডেকাই এটা কথা কৈছিল বাজেট অধিবেষণৰ পিচত আমাৰ সৰ্বদলীয় প্ৰতিনিধি দল এঠা গৈ বান নিয়ন্ত্ৰণৰ বিষয়ে ফাইনেন্স কমিচনাৰ আৰু প্ৰধান মন্ত্ৰী কব লাগে। আজি

আমি দেখিছো বান নিয়ন্ত্রণ বিভাগৰ মন্ত্ৰী, চেক্ৰেটৰী, ডেপুটি চেক্ৰেটৰীয়ে এইটো কৰিব পৰা নাই। যদি আমি এইটো ব্যৱস্থা নকৰো তেতিয়াহলে ৬ মাহৰ ভিতৰতে আমাৰ ৰাজ্যত দুৰ্ভিক্ষই দেখা দিব। গতিকে সৰ্বদলীয় প্ৰতিনিধি দল এটা দিল্লীলৈ গৈ বান নিয়ন্ত্ৰণ বিভাগৰ টকাৰ কাৰণে কব লাগে। ধন্যবাদ

★ **শ্ৰী দেৱান জয়নাল আবেদিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বাজেটত বক্তৃতাত শিক্ষা বিভাগৰ ওপৰত দুআষাৰ মান কম বুলি আশা পালি আছিলো কিন্তু সময় নহ'ল। বাজেট পাছ হৈ গ'ল। গতিকে এতিয়া এই বিনিয়োজন বিলত দুআষাৰ মান বিভিন্ন বিভাগ সম্পৰ্কত মোৰ মন্তব্য দিয়াৰ আগতে মই ভাবিছো শিক্ষা বিভাগ সম্পৰ্কে মোৰ কিছু কব লগা আছে সেই কাৰণে মই কব লগা কথাখিনিৰে মোৰ বক্তব্য আৰম্ভ কৰিম। তাৰ আগতে মই আপোনাৰ ওচৰত আবেদন কৰিব খুজিছো অহা বছৰ বাজেট এইবাৰৰ পুনৰাবৃত্তি নহয় যাতে। যাতে আমি প্ৰতিটো গ্ৰান্ট সম্পৰ্কে কবলৈ আলোচনা কৰিবলৈ সময় পাম। এই কথালৈ আপুনি লক্ষ্য ৰাখক। কাৰণ আপোনালোকৰ মানুহ বেছি গতিকে বাজেট পাছ হবই। কিন্তু গণতন্ত্ৰৰ মূল কথাটো হৈছে Majority will have the right to get their bills passed, but the minority will have the right to criticise them, consolidated fund, Capital Revenue, Budget Estimate, College Teachers, UGC seats, selection arcade, pension grants. এই অধিকাৰ লবই। কিন্তু তেওঁলোকে আমাৰ এই অধিকাৰ টানি লব নালাগে। তাৰ কাৰণে অলপ বেছি সময় দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ ওপৰত এই মন্তব্যটো কৰিছো শিক্ষা বিভাগৰ শিতানত আমাৰ পাৰ্টিক আগৰ পৰা দাবী কৰি আহিছে যে মুঠ বাজেটৰ শতকৰা ১০ ভাগ শিক্ষা শিতানত খৰচ কৰিব লাগে। এই কথা আমি বহু দিন আগৰে পৰা দাবী কৰি আহিছো। এই বাৰ বাজেটত এই টকা দেখিবলৈ পাইছো ইতিমধ্যে কাগজে পত্ৰইও ওলাইছে। শিক্ষা বিভাগত ৬৮৭, ৩৮, ৩১,০০০ টকা বিচাৰিছো। যিটো এই টকা যোৱা বছৰ বাজেট এষ্টিমেটতকৈ যথেষ্ট কম। কাগজে পত্ৰইও দেখিবলৈ পাইছো। আমাৰ প্ৰাক্তন বিধায়ক শ্ৰী হেমেন দাস ডাঙৰীয়াই যোৱা বছৰৰ তুলনাত ৪৫০ কোটি টকা কম হৈছে। মই এটা হিচাপ কৰি দেখিছো প্ৰায় ৯০০ কোটি টকা কম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই অংক ভালদৰে নাজানো। তথাপি মোৰ হিচাপত ৯০০ কোটি টকা কম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে চৰকাৰে কিছু প্ৰতিশ্ৰুতি দিছিল। শিক্ষা ক্ষেত্ৰত কৈছে টকাৰ নাটনিৰ কাৰণে, টকাৰ নাটনিৰ অজুহাতত চৰকাৰে তেওঁলোকৰ এই প্ৰতিশ্ৰুতি পালন কৰিব পৰা নাই। তেওঁলোকে প্ৰতিশ্ৰুতিৰ পৰা আচৰি আহিছে। আৰু ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰী নৰহ ডাঙৰীয়া কৈছে যে লাহে লাহে শাসক দলৰ ভাৱমূৰ্ত্তি বেয়া হবলৈ ধৰিছে। এইটো কথা মই কব খুজিছো যে টকাৰ অজুহাতত চৰকাৰে দিয়া প্ৰতিশ্ৰুতি বিলাকৰ পৰা আতৰি থাকিব নালাগে

★ Speech not corrected

দৰকাৰ হলে প্ৰতিশ্ৰুতি দিব নালাগে আৰু কিছুমান অদৰকাৰী প্ৰতিশ্ৰুত দিব নালাগে। এই কথা ওলাইছে যে মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীয়ে কৈছে যে জুনিয়ৰ কলেজ ২০ খন প্ৰাদেশীকৰণ কৰাৰ দৰকাৰ কি আছিল? কলেজ ছিনিয়ৰ হওঁক বা জুনিয়ৰ হওক ডেফিচিট গ্ৰান্টচ ইন এইদ দিব লাগে। কলেজ শিক্ষক সকলে এই কথাৰ কি প্ৰাদেশীকৰণ কৰাৰ কথাৰ বিৰোধীতা কৰি আছে। এইটোৰ দ্বাৰা কলেজৰ স্বাধীকাৰ হস্তক্ষেপ কৰি শিক্ষাৰ মানদণ্ড নমাই অনা হব। যদিহে চৰকাৰে এইটো কৰে তেতিয়াহলে শিক্ষাৰ স্বায়ত্বতাৰ ক্ষেত্ৰত হস্তক্ষেপ কৰা হব। গতিকে মই অনুৰোধ কৰিছো তেওঁলোকে কলেজ বিলাকৰ ক্ষেত্ৰত গ্ৰান্টচ ইন এইদ দিয়ক, আৰ্থিক দায়িত্ব বহন কৰক। কলেজৰ বিকাশৰ কাৰণে শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে এই বিলাক কথা তেওঁলোকৰ ওপৰত এৰি দিব লাগে। আজি আমি দেখিছো এইক্ষেত্ৰত তেওঁলোকে এখোজ আগুৱাই গৈ এতিয়াৰে ওঁলোকে দায়িত্ব পালন কৰিব পৰা নাই। দায়িত্ব পালন কৰাৰ নামত কলেজ শিক্ষক সকলৰ ডিঙিত এছকাটা ফাণ্ড লগাই দিবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয় এই বিলাক ঠিক হোৱা নাই। কলেজ শিক্ষক সকলৰ যিখিনি গণতান্ত্ৰিক অধিকাৰ, ৰাজনৈতিক অধিকাৰ সেইখিনিৰ পৰা বঞ্চিত কৰিব বিচাৰিছে। শিক্ষিত লোক সকল যাতে বিধান সভালৈ আগিব নোৱাৰে, ৰাজনীতি কৰিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰিছে। কাৰণ শিক্ষিত লোক সকল বিধান সভালৈ আহিলৈ ৰাজনীতিলৈ আহিলে বেয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমানৰ ৰাজনীতি হৈছে টকা থকা মাফিয়া মানুহ বিলাকৰ ৰাজনীতি। গতিকে কলেজ শিক্ষক সকলে যাতে ৰাজনীতি কৰাৰ অধিকাৰ ভোগ কৰিব নোৱাৰে তাৰ কাৰণে এই কথাবিলাক চিন্তা কৰা হৈছে। চৰকাৰে যদি এই বিলাক নকৰি জুনিয়ৰ, ছিনিয়ৰ বাদ দি কলেজ বিলাকক আৰ্থিক মঞ্জুৰী দিয়ে তেতিয়াহে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয় হৈছে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। এই বিশ্ববিদ্যালয়ক যিখিনি ধন দিব লাগে বৰ্ত্তমান আমাৰ চৰকাৰে দিব পৰা নাই। আমাৰ বিধান সভাই বিশ্ববিদ্যালয় কোৰ্টলৈ সদস্য নিৰ্বাচিত কৰি দিয়ে। মই নিজেও সেই কোৰ্টৰ সদস্য। আমি কোৰ্টৰ সদস্য কেইজনামান তালৈ গৈ দেখিছো বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ অচলাৱস্থা হৈ আছে। অৰ্থাৎ চৰকাৰে বিশ্ববিদ্যালয়ক দিবলগীয়া টকাখিনি দিয়া নাই। অথচ চৰকাৰে বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত অবাঞ্চিত হস্তক্ষেপ কৰিছে আৰু চৰকাৰে তেওঁলোকৰ দায়িত্ব পালন কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, কলেজ শিক্ষক সন্থাই দাবী কৰিছে। তেওঁলোকৰ কিছুমান ন্যায়সঙ্গত দাবী আছে। ভাৰতবৰ্ষৰ বেলেগ বেলেগ ৰাজ্যত ইউ জি চি দিছে কিন্তু অসমত বিশ্ববিদ্যালয় শিক্ষক সকলে বিচৰাৰ দৰে ইউ জি চি পোৱা পুৰণা শিক্ষকসকলক চিলেকছন গ্ৰেড দিব লগা আছিল চৰকাৰে সেইটো কৰা নাই। তেওঁলোকক পেঞ্চন দিব লাগে। পেঞ্চন দিব পৰা নাই। গ্ৰেচুইটিৰ টকা দিয়া নাই বুলি আমি জানিব পাৰিছো। আজি যদি দিছে মই নাজানো। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এইবিলাক কথা পালন কৰিব লাগে আৰু এটা কথা সেয়া হৈছে দুৰ্নীতিৰ কথা। শিক্ষা বিভাগেই হওঁক বা বেলেগ বিভাগেই হওঁক দুৰ্নীতি মুক্ত হব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ যি দূনীৰ্তি মুক্ত হব নোৱাৰে তেতিয়া হলে কোনো ক্ষেত্ৰত চৰকাৰ সফল হব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** এইবিলাক কথা দিচকাচ্‌ন হৈছে।

★ **শ্ৰী জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ পৰমপৰা আছে। যিবিলাক গ্ৰান্ত আলোচনা নহয়, সেই কেইটা বিষয়ত এপ্ৰপিয়েষ্যন বিলত সময় দিয়ক।

**Mr. Speaker :** It is like a discussion on the Budsy. Now Finance Minister can reply to all these points.

★ **শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ মহোদয়, তেওঁলোকে মনৰ বিক্ষোভতে কৈ আছে, গতিকে এষাৰ, দুষাৰ কৰবলৈ দিয়ক। চাৰ, আপোনাক পাচত লগ নাপাও — বঙালীত এষাৰ কথা আছে,

"সভাও শেষ মণ্ডপ খালি
ব্ৰাহ্মন হলো চোৰেৰ বালি"

★ **শ্ৰী দেবান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান দিন শিক্ষা বিভাগটো দূৰ্নীতিৰ পৰা মুক্ত আছিল। এতিয়া সকলো বিভাগৰ ভিতৰত শিক্ষা বিভাগটোৰেই দূৰ্নীতিত প্ৰথম হব। প্ৰথমটো যদি দূৰ্নীতি মুক্ত কৰিব খোজে ওপৰৰ পৰা আৰম্ভ কৰিব লাগিব। শিক্ষা ক্ষেত্ৰত ৰাজনীতি কৰণ কৰিব নোৱাৰে। মেনেজিং কমিটিয়ে স্কুল, কলেজ প্ৰতিস্থানে গঠন কৰে। চিৰা চৰিত প্ৰথা আছে। গণতন্ত্ৰ পদ্ধতিৰে মেনেজিং কমিটি গঠন কৰা পদ্ধতিৰো পৰমপৰা ভাৱে গঢ়ি উঠিছে, কিন্তু এই পৰমপৰা ভাঙি এধক কমিটি কৰা হৈছে। প্ৰকৃততে মোৰ সমষ্টিৰ ভিতৰত কাকো নমিনেটেড কৰিব নোৱাৰে মন্ত্ৰীৰ দৌৰাতমত। শিক্ষা বিভাগটো কমিটিৰ মানুহ নিয়োগ কৰে এইটো অবাঞ্চিত হস্তক্ষেপত চুড়ান্ত অগণতান্ত্ৰিক। এই কাম বন্ধ কৰিব লাগে। লগে লগে গণতান্ত্ৰিক পদ্ধতিত স্কুল কলেজৰ পৰিচালনা সমিতি গঠন হব লাগে। লগে লগে গণতান্ত্ৰিক পদ্ধতিত স্কুল কলেজৰ পৰিচালনা সমিতি গঠন হব লাগে। লগে লগে গণতান্ত্ৰিক পদ্ধতিত স্কুল কলেজৰ পৰিচালনা সমিতি গঠন হব লাগে। এলিমেন্টৰী এড্‌ভাইচেৰী বৰ্ড ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰা হৈছে। আগৰ বৰ্ড খন ভাঙি এতিয়া ৫ জনীয়া বৰ্ড কৰি দিয়া হৈছে। এই ক্ষেত্ৰত এইটো কোৱা হৈছে যে ডি, আই, ডি, ই, ই, অ' থাকিব, মন্ত্ৰী জন চেয়াৰমেন হব আৰু দুজন শিক্ষাবিদ থাকিব। এই আঁচনিখনত কংগ্ৰেছী মানুহক দিয়া হৈছে। মই দাবি কৰিব খোজো, কংগ্ৰেছী অকংগ্ৰেছী কথা নাই। ৰাইজৰ নিৰ্ব্বাচিত প্ৰতিনিধিক দিব লাগে। তেওঁলোকে জনসাধাৰণৰ ওচৰত দায়বদ্ধ। .......... ইংৰাজীত ইতিমধ্যে জানিবলৈ পাইছো। এই কমিটিয়ে চাকৰিৰ কাৰণে টকা ৰেট বান্ধি দিয়াটো আৰম্ভ হৈছে। দায়িত্বশীল নিৰ্ব্বাচিত বিধায়কসকলক লৈ এই কমিটি কৰি দিয়ক। আগৰ পৰমপৰা আছে। মই এটা বস্তু আনিব খুজিছো যিটো বস্তু এতিয়ালৈকে অনা নাই। এইটো এটা বিশেষ চট্ নাটচ্ অহা নাই। কিছু এম,

★ Speech not corrected

ই, মাদ্ৰাছা, এম, ভি, স্কুল গোটেই অসমত প্ৰাদেশীকৰণ কৰা হৈছিল, বিভিন্ন সময়ত — ১৯৮৫ চনত। ১৯৭৬ চনৰ পৰা কাম কৰি থকা এশ ক্লাচিকেল আৰবি শিক্ষক তপ পৰিছে। তেওঁলোকৰ হিচাব হ'ল ২০৪ জন। তেওঁলোক এতিয়া বঢ়া হবলৈ ধৰিছে, দিছপুৰত ঘূৰাপকা কৰি আছে। প্ৰাক্তন শিক্ষা মন্ত্ৰী, মুখ্যমন্ত্ৰীৰ লগতো আলোচনা হৈছিল সেই আলোচনাৰ মাইনস মোৰ হাতত আছে। তেওঁলোকৰ পদ বিলাক ১ মাহৰ ভিতৰত দিয়া হব বুলি কৈছিল, কালিলৈ মাৰ্চ মাহ শেষ হব। তেওঁলোকৰ বোধহয় নহব। এই মানুখিনি ১৯৭৬ চনৰ পৰাই কাম কৰি আছে, পদ বিলাক এপ্ৰভ ৰিকগনাইজেষ্যন হৈছে। ৭ জন শিক্ষকৰ ভিতৰত ৬ জনৰ হল, আৰবি শিক্ষক জনব নহল। এই দৃষ্টি ভঙ্গি সংকীৰ্ণ দৃষ্টি ভঙ্গি।

**মাননীয় অধ্যক্ষ ঃ** টাইম ফিক্স কৰি দিয়া হৈছে। আপোনালোকে কবলৈ দিলেও বেয়া পায় নিদিলেও বেয়া পায়। I can not allow you more time। ৮.৪৫ ত মন্ত্ৰীয়ে ৰিপলাই দিব।

★ **শ্ৰী দেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰবি বিষয়টো ক্লাচিকেল বিষয় নহয়। স্পেচিয়েল চাবজেক্ট হিচাবে বা মডাৰ্ণ হিচাবে কৰাৰ প্ৰয়োজন হৈ পৰিছে। স্পেচিয়েল চাবজেক্ট হিচাবে বা মডাৰ্ণ হিচাবে কৰাৰ প্ৰয়োজন হৈ পৰিছে। স্বীকৃতি দিয়াৰ পাচত এই শিক্ষক সকলক ড্ৰপ কৰিব নোৱাৰে। আশা ৰাখিছো এই বিষয়ত কাৰ্য্যকৰী ব্যৱস্থা লব। অধ্যক্ষ মহোদয়, মই এটা কথাত কৈ শেষ কৰিম। আমাৰ ধুবুৰীত একো হোৱা নাই। ধুবুৰীত বাৰে বাৰে গণ্ডগোল লাগে আছে। তাৰ পাচত ১৯৮৫-৮৭ চনত নিযুক্তি পোৱা শিক্ষক সকলে ১৯৯২ চনৰ ডিচেম্বৰলৈকে দৰমহা পোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যিক লটাৰীৰ বাবে ১১ কোটি ৫৩ লাখ ৬৯ হাজাৰ টকা ধৰা হৈছে। কিন্তু প্ৰতিদিনে আমি বাতৰি কাকতত পাই আহিছো এই চৰকাৰী জুৱাৰ কথা। আমাৰ ৰাজ্যত এই লটাৰী বন্ধ কৰি দিব লাগে। ইয়াৰ পৰা পোৱা টকা আমাক নালাগে। এই চৰকাৰী জুৱাই আজি আমাৰ মানুহক ধ্বংস কৰিছে। মানুহে টিকট কিনি কিনি পাগল হৈ গৈছে। গতিকে এই জুৱাৰ পৰা পোৱা টকা আমাক নালাগে। অধ্যক্ষ মহোদয়, এতিয়া মই চচিয়েল চিকিউৰিটিৰ কথা কব খুজিছো। ইয়াৰ বাবে ২৯ কোটি টকা ধাৰ্য্য কৰা হৈছে। আমাৰ নিৰাপত্তাৰ খাতিৰতে এই টকা ধাৰ্য্য কৰা হৈছে। এতিয়া আমি দেখিছো যে চহৰ বোৰত কিছুমান সৰু সৰু লৰাই ভিক্ষা কৰি ফুৰিছে। এইবোৰৰ বাবে চৰকাৰে কিব চিন্তা কৰিছে নে?

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহুত কৈছে। আৰু কিমান সময় কব।

(সদনত গণ্ডগোলৰ সৃষ্টি হয়)

★ **শ্ৰী দেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ কাৰণে আমাৰ গোৱালপাৰাত তিনিটা স্কিম লৈছিল। এই স্কিম চিনিটাৰ বাবে টকা ধাৰ্য্য কৰা হৈছে নে নাই মই জানিব বিচাৰো।

---

★ Speech not corrected

(সদনত গণ্ডগোলৰ সৃষ্টি হয়, গতিক কোনো মাননীয় সদস্যৰে কথা স্পষ্টকৈ শুনা নাযায়।)

★ **শ্ৰী ষতীন মালি** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১ নং মঞ্জুৰীত ৰাজ্যিক বিধানসভা সম্পৰ্কে যিখিনি টকা ধৰিছে সেই সম্পৰ্কত মই এটা কথা কবলগা হৈছো যে আমাৰ বিধায়ক সকলৰ সুবিধাৰ্থে কিছুমান সুবিধা আগৰ অধ্যক্ষ মহোদয়ে ঘোষণা কৰিছিল। সেই সুবিধা সমূহ হ'ল ফেমিলি পেঞ্চন, কাৰ এডভান্স, হাউছ বিল্ডিং এডভান্স আদিৰ সুবিধা আছিল। আৰু এইখিনি বাবে গেজেট নটিফিকেচনো হৈছিল। কিন্তু ১৯৯৩ চনৰ বাজেটত এইখিনি সুবিধা নোহোৱা কৰিব যেন অনুমান হয়। এই সম্পৰ্কে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে সদনত এটা ঘোষণা দিব লাগে। দ্বিতীয়তে, উত্তৰ পূৰ্ব পৰিষদ (এন, ইছ) পৰিস্থিতি সম্পৰ্কে মই আমাৰ মাননীয় সদস্য নৰহ ডাঙৰীয়াৰ লগত একমত হৈ কব খুজিছো যে আমাৰ মাননীয় পৰ্য্যতন বিভাগৰ মন্ত্ৰী মহোদয়ে কেইটামান টুৰিষ্ট স্পট চিনাক্তকৰণ কৰিছিল, তাৰ ভিতৰত চান্দডবিও আছিল। কিন্তু তালৈ যোৱা পথছোৱা অতি শোচনীয়। গতিকে ১৯৯৩-৯৪ চনৰ বছৰটোত উক্ত উক্ত পথছোৱা এন, হ, চিৰ জৰিয়তে উন্নত কৰাৰ ব্যৱস্থা কৰিব নেকি এই সম্পৰ্কে বিত্ত মন্ত্ৰীয়ে ব্যৱস্থা লব নেকি কব লাগে। তৃতীয়তে ১৯৮২-৮৩ চনত কেন্দ্ৰীয় চৰকাৰে পলাশবাৰীত এটা পি, জি, জি আঁচনি নামেৰে এটা আঁচনি লৈছিল আৰু এই আঁচনি কাৰ্যকৰীও কৰিছিল। এইটোত ব্যয় হৈছিল ১৩ কোটি টকা, কিন্তু ইয়াত এতিয়া খহনীয়া আৰম্ভ হৈছে। গতিকে এই খহনীয়া ৰোধ কৰিবলৈ বিত্ত মন্ত্ৰী মহোদয়ে ঢকা ধাৰ্য্য কৰিছে নে নাই জনাব লাগে। তাৰোপৰি ১৯৮৮-৮৯, ৮৯-৯০ যিবিলাক ঠিকাদাৰ বিভাগীয় নীতি নিয়মেৰে কাম কৰিছিল সেই বিলাক ঠিকাদাৰে আজিলৈকে বিলৰ টকা পোৱা নাই। কিছুদিনৰ আগতে মুখ্য মন্ত্ৰীয়ে শিলচৰৰ এখন সভাত এই টকা দিম বুলি ঘোষণাও কৰিছিল। কিন্তু এই চৰকাৰৰ দিনত কাম কৰা এফ, ডি, আৰ ঠিকাদাৰ কিছুমানে টকা পালে। গতিকে ১৯৯৩-৯৪ চনত সেই ঠিকাদাৰ সকলক বিলৰ টকা আদায় দিয়াৰ ব্যৱস্থা কৰিব নেকি এই সম্পৰ্কে জনাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ সম্পৰ্কত এই বাজেটখন ৰাজ্যখনৰ মুঠ বাজেটখনৰ আধাতকৈও বেছি। কিন্তু এই টকা দৰমহা দিওতে খৰছ হব নে কিবা নতুন কামে কৰিব সেইটো নাজানো।

আমাৰ গণ পৰিষদ চৰকাৰৰ দিনত প্ৰইমাৰী স্কুল ঘৰ নিৰ্ম্মাণ কৰি যিটো দনপ্ৰিয়তা লাভ কৰিছিল এই চৰকাৰৰ দিনতো কিয় প্ৰাইমাৰী স্কুল ঘৰ নিৰ্ম্মাণৰ কাম আৰম্ভ নকৰে কিয়? আৰু এটা কথা হৈছে ইলিমেন্টৰী বিভাগত শিক্ষক নিয়োগৰ ক্ষেত্ৰত দেখা যায় যে চাকৰি নিযুক্তিৰ আনুপাতিক হাৰ কৰিছে ১ঃ১, কিন্তু অৰ্থাৎ এজন গলেহে এজনক নিযুক্তি দিয়া হয়। কিন্তু নিয়মমতে এই হাৰ ১ঃ৩ হব লাগে। এই বিলাক কথাৰ প্ৰতিও মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে স্পষ্ট বক্তব্য দাঙি ধৰিব বুলি আশা কৰিলো।

★ **শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মহন্ত ডাঙৰীয়াই এই বিষয়ে তথ্যসহকাৰে জনাইছেই গতিকে মই সেইখিনি ৰিপিট নকৰো। মই দৌৰাদৌৰিকৈ কেইটামান

★ Speech not corrected

কথা কম। প্ৰথম মই বাইদেউক কম মানে কৃষি বিভাগৰ বিষয়ে কম। উৰিষ্যাত কলিঙ্গ নামেৰে এটা ধান ওলাইছে। এই ধান বানপানী হলেও কৰিব পাৰি আৰু খৰালীও কৰিব পাৰি গতিকে আপুনি চৰকাৰী ভ্ৰমণ সুচী লৈ উৰিষ্যালৈ যাওঁক আৰু এইটো চাই আহক যাতে এই খেতি আমাৰ অসমতো কৰিব পৰা যায়। ইয়াৰ পিচত মই উদ্যোগ বিভাগৰ বিষয়ে কবলৈ ওলাইছো। কিন্তু আজি আমাৰ উদ্যোগ মন্ত্ৰী নাই। আমাৰ উদ্যোগ মন্ত্ৰীয়ে ভাৰত গৌৰব উপাধি পাইছে। বোধ হয় অসমৰ পৰা উদ্যোগ বিলাক উঠাই নিয়াৰ বাবে এই উপাধি লাভ কৰিছে। তেওঁ যদি আৰু অলপদিন উদ্যোগ মন্ত্ৰী হৈ থাকে তেতিয়া অসমত কিজানি এটাও উদ্যোগ নাথাকিব। ইয়াৰ পিচত অধ্যক্ষ মহোদয় মই পুলিচৰ বিষয়ে কেইটমান কথা কওঁ। আমাৰ পুলিচৰ ব্যৱহাৰ পাতি অলপ ভাল হব লাগে। অৱশ্যে মোৰ লগত তেওঁলোকৰ কাজিয়া নালাগে কাৰণ মই কেতিয়াও বেয়া ব্যৱহাৰ নকৰো। সিদিনা মই প্ৰেছ ক্লাবত নিজ চকুৰে দেখিছো, মদখাই আহি গুৱাহাটীৰ চিটি এ, পিয়ে কেনে ব্যৱহাৰ কৰিছে। ডাঃ হিৰেণ গোহাইৰ নিচিনা এজন মানুহক যিবোৰ অশ্লীল ভাষাৰে গালি পাৰিছে, প্ৰকাশ কৰিব নোৱাৰি। সেইদিনা নগাৱৰ এচ, পিয়ে মদ খাই কি ব্যৱহাৰ কৰিছে। এই অসৎ আচৰণ কৰা পুলিচ বিষয়া বিলাকক আতৰাই দিব লাগে। এতিয়া আমাৰ ওজা চাহাবে শৰৎ ফুকনক তিনিচুকীয়ালৈ আনিছে। অসম আন্দোলনৰ সময়ত বেয়া ব্যৱহাৰ কৰা বাবে অসম গণ পৰিষদ চৰকাৰে তেওঁৰ ওপৰত ব্যৱস্থা লৈছিল। কিন্তু এতিয়া তেওঁ সংশোধন হৈছে। তিনিচুকীয়াৰ দুই এজন মানুহে তেওঁৰ কথা ভাল বুলি কৈছে। গতিকে এই অসৎ পুলিচ বিষয়া বিলাকৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা লব লাগে যাতে তেওঁলোক সংশোধিত হয়। শিক্ষা বিভাগৰ কথা বহুত কবলৈ আছিল পিচে সময় কম বাবে বহলাই নকও। পইচা লৈ শিক্ষক নিযুক্তি দিয়াৰ এটা উদাহৰণ মই দিব খুজিছো। কৈঠালকুছিৰ এখন স্কুলত পৰীক্ষাত আহিল তিনিখন মহাসাগৰৰ নাম লিখিবলৈ। লৰা এজনে মাষ্টৰ এজনক সুধিলে, চাৰ কৰ মহাসাগৰৰ নাম লিখিম। তেতিয়া মাষ্টৰে কলে, কৰ মহাসাগৰৰ নাম লিখিবলৈ দিলে জানো, অসমৰ নে ভাৰতৰ। (সদনত হাঁহি) এয়ে হৈছে ২০ হাজাৰ টাকা লৈ নিযুক্তি দিয়া মাষ্টৰৰ নিদৰ্শন। অধ্যক্ষ মহোদয় ইয়াৰ পিচত মই আইনবিভাগৰ তিনিটা কথা কম; প্ৰথম হ'ল কোর্টৰ সংখ্যা কিমান বাঢ়িছে আৰু বিচাৰকৰ সংখ্যা কিমান বাঢ়িছে চাব লাগে। ২ নম্বৰত কাৰ্য্যবাহী দণ্ডাধীশৰ দৰে ন্যায়িক দণ্ডাধীশ বিলাকে একে সুবিধা পাইছেনে নাই চাব লাগে। তৃতীয়তে গুৱাহাটী উচ্চ ন্যায়ালয়ত ন্যায়ধীশৰ সংখ্যা বঢ়াব পাৰিনে নাই চাব লাগে আৰু কিমান কেচ পেন্দিং হৈ আছে চাব লাগে। আৰু আমাৰ গুৱাহাটী হাইকোৰ্টৰ কেনটিন খন অলপ ভাল কৰিব লাগে যাতে বাহিৰৰ পৰা অহা মানুহৰ আগত আমি লাজ পাব লগা নহয়। এই ক্ষেত্ৰত মই বিত্তমন্ত্ৰী মহোদয়ক এই কেনটিনখন ভাল কৰিবলৈ কিছু পৰিমাণে হলেও টকা দিবলৈ অনুৰোধ জনালো। ইয়াৰ পিচত মই বাননিয়ন্ত্ৰণৰ কথা কম। মই বেলেগৰ দৰে এই বিভাগটোক সমালোচনা নকৰো। কাৰণ এই

বিভাগটো কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে। এই বিভাগটো অসম চৰকাৰৰ হাতলৈ অনাৰ ব্যৱস্থা কৰিব লাগে। দৰ্কাৰ হলে বিধান সভাৰ সকলো দল গৈ দিল্লীত ধৰ্ণা দিওঁ বা অনশন কৰো। তথাপিও এই বিভাগটো অসম চৰকাৰৰ হাতলৈ আনিব লাগে। এইখিনিতে মই এটা কথাৰ প্ৰতি শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ স্কুল ঘৰ বিলাক ভাঙি গৈছে। পইচা দিব পৰা নাই। আমাৰ নলবাৰী জিলাৰ শিলগোসানী নামেৰে স্কুল এখনৰ ঘৰ ভাঙি বহুতো সৰু সৰু লৰা-ছোৱালীয়ে দুখ পাইছে আৰু তাত এজন ছাত্ৰ মৰিছেও। গতিকে এই স্কুল ঘৰ বিলাকৰ মেৰামতিৰ বাবে টকা ধাৰ্য্য কৰিব লাগে। এতিয়া আহিল ৰাষ্টা ঘাটৰ কথা। ৰাস্তা ঘাট মেৰামতি কৰিবলৈ পইচা নাই। মন্ত্ৰীসকল অকল চহী কৰাৰ কাৰণেই নহয়। দিল্লীলৈ গৈ পইচা আনিব লাগে।

**Shri Chandra Mohan Patowary :**

......Human rights written by Justice R.S. Pathak, Justice E.S. Venkata Ramaya........

(1) State of Himachal Pradesh Versus Ahmed Ram Bharma Section 21, Himachal Pradesh Hill area ........ Page 21.....

